অগ্নিগর্ভ

মথুৰা মোহন ডেকা

AGNIGARBHA

A collection of Assamese Short Stories written by Mathura Mohan Deka, Lutuma, Kahilipara, Guwahati—18

প্ৰকাশক ঃ

ৰামকৃষ্ণ মেধি এম্ কম্, এল্ এল্ বি ।

ছয়মাইল, খানাপাৰা

গুৱাহাটী—২২

ননী ডেকা, লুটুমা, কাহিলিপাৰা,

গুৱাহাটী—১৮

প্ৰচ্ছদ ঃ মনোৰঞ্জন শৰ্মা ।

প্ৰথম প্ৰকাশ, জুলাই ১৯৯১

মূল্য ঃ ৩০·০০ টকা

ছপা ঃ বিশ্বকোষ প্ৰিণ্টাৰ্চ ।

আৰ, জি, বৰুৱা ৰোড ।

গুৱাহাটী—২১

লেখকৰ দু-আষাৰ

বিগত দশকটোৰ ভিতৰত আবাহন, সমকাল; সহযাত্ৰী, সভীৰ্থ, মুক্তিয়াৰ, আমাৰ সাহিত্য, জনজীৱন, পয়োভৰা, নতুন পৃথিৱী, গণ সাহিত্য, সাপ্তাহিক জন-জীৱন, সাপ্তাহিক জনক্ৰান্তি, জুইফুল, প্ৰতিকল্প আদি বিভিন্ন আলোচনী আৰু পেপাৰত প্ৰকাশিত মোৰ কেইটামান গল্পৰ এটি সংকলন পঢ়ুবৈ সমাজৰ আগত ডাঙি ধৰিবলৈ প্ৰয়াস কৰা হৈছে। বিগত দশকটোত অসমবাসীয়ে এক ভয়াবহ পৰিস্থিতিৰ সন্মুখীন হৈছিল। আমাৰ সংকলনটিৰ মাধ্যমেদি অসমৰ সেই পৰিস্থিতিৰ এটি সামান্যতম প্ৰতিফলন কৰিবলৈ প্ৰয়াস কৰা হৈছে। আমি কিমান সফল হৈছো সেইটো পাঠক সমাজে বিচাৰ কৰিব। মূলতঃ সাম্প্ৰ-দায়িক-সম্প্ৰীতি আৰু জাতীয় সংহতিৰ ওপৰত গুৰুত্ব আৰোপ কৰাৰ প্ৰচেষ্টা কৰা হৈছে। আজি আমাৰ আগত এইটোৱে আটাইতকৈ জৰুৰী আৰু অতি প্ৰয়োজনীয় কৰ্ত্তব্য কাৰণ মানবতা আজি মানুহৰ দ্বাৰাই অপমানিত। আজি মানুহে মানুহক চিনি নাপায়। মানুহৰ সমাজত ইয়াতকৈ অধিক কি অধঃপতন থাকিব পাৰে; দুখ আৰু বেদনাৰ কথা থাকিব পাৰে ?

পাণ্ডুলিপিখন চাই মাননীয় শ্ৰীশশী শৰ্মা দেৱে কিতাপখনত থকা ভুল-ত্ৰুটিবোৰ দেখুৱাই দি এটা দিক্ নিৰ্ণায়ক সমালোচনা আগ-বঢ়াই আমাক যি এটা গতিৰ সন্ধান দিলে তাৰ বাবে তেখেতৰ ওচৰত আমি কৃতজ্ঞ আৰু চিৰঋণী।

যিটো প্ৰেছত কিতাপখন ছপা কৰা হৈছে সেইটো একেবাৰে নতুন। সেয়ে অনভিজ্ঞতাৰ চাপ পৰা স্বাভাৱিক। ফলত বহুখিনি ভুল-ত্ৰুটি ৰৈ যোৱাত আমি দুঃখিত।

প্ৰকাশক শ্ৰীৰামকৃষ্ণ মেধিয়ে সংকলনটিৰ দায়িত্ব নোলোৱা হ'লে আমি পঢ়ুবৈ সমাজৰ সন্মুখত সংকলনটি তুলি ধৰিব নোৱাৰিলোহেঁতেন। সেয়ে শ্ৰীমেধিক মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলো।

শ্ৰীমান হিৰণ্য মহন্ত, প্ৰদীপ ঠাকুৰীয়া, বিষ্ণু মেধি আৰু প্ৰদীপ ৰাজবংশীয়ে এই কামত যথেষ্ট সহায় কৰিছে। আনহাতে বিশ্বকোষ প্ৰিণ্টাৰ্চৰ সমূহ কৰ্মীৰ নিষ্ঠা নথকা হলে কামটো নিয়াৰিকৈ নহ'লহেঁতেন। সেয়ে তেওঁলোক আটাইকেইজনলৈ মোৰ আন্তৰিক কৃতজ্ঞতা থাকিল।

সদৌ শেষত পঢ়ুবৈ সমাজে কিতাপখন সাদৰেৰে গ্ৰহণ কৰিলে লেখক কৃতাৰ্থ হব।

জুলাই ১৯৯১ লেখক

'অগ্নিগৰ্ভ'ৰ বিষয়ে দুআষাৰ

'অগ্নিগৰ্ভ' শ্ৰীমথুৰা মোহন ডেকাৰ স্বৰচিত উনৈশটা গল্পৰ এটা সংকলন। গল্পকেইটাৰ ৰচনা কাল ১৯৭৯ ৰ পৰা ১৯৯১ লৈ। গল্প কেইটা আগতে ভিন ভিন বাতৰি কাকত আৰু আলোচনীৰ বুকুত প্ৰকাশো হৈছে।

সাহিত্য-কৰ্মৰ মাজেদি শোষিত নিপীড়িত জনগণক সচেতন ভাবে সংগঠিত কৰি গণতন্ত্ৰ, মৈত্ৰী আৰু স্বাধীনতাৰ আদৰ্শেৰে উদ্বুদ্ধ কৰিব বিচৰা অসমীয়া লেখক সাহিত্যিক সকলৰ ভিতৰত শ্ৰীডেকাও অন্যতম বিশিষ্ট কাহিনীকাৰ। সমাজ সচেতন দায়বদ্ধ লেখক সাহিত্যিক মানেই প্ৰকৃততে একো একো গৰাকী সৎ শিক্ষকো। সৎ শিক্ষকৰ দৰে সৎ সাহিত্যিকেও সমাজক সুন্দৰ সুঠাম ৰূপে গঢ়ি তুলিবলৈ জীৱন পাৰি দিয়ে। সৎ সাহিত্যিকে তেওঁৰ সমকালীন সমাজখনকো সৃষ্টিৰ মাজেদি চিত্ৰিত ·অৰ্থাৎ বিচাৰ কৰে আৰু ভৱিষ্যতে সমাজখন কেনে হোৱা উচিত, সেই বিষয়েও সমুচিত সঙ্কেত দিয়ে। সমাজৰ অবাধ বিকাশ সুনিশ্চিত কৰাই সৎ সাহিত্যিকৰ জীৱনৰ লক্ষ্য। সামাজিক ভাবে দায়বদ্ধ সাহিত্যিকক সমাজতাত্ত্বিকো বুলিব পাৰি আৰু সমাজৰ অভিযন্তাও বুলিব পাৰি।

'অগ্নিগৰ্ভ'ত সন্নিবিষ্ট প্ৰায় আটাইকেইটা গল্পৰ মাজেদি শ্ৰীডেকাই এই দায়িত্ব পালন কৰিবলৈ সচেতন হোৱা দেখা যায়। তেওঁ শ্ৰমকাৰী মানুহৰ প্ৰতি সহানুভূতিশীল, তেওঁ শ্ৰমকাৰী মানুহৰ পক্ষ অৱলম্বনো কৰিছে, শ্ৰমকাৰী মানুহৰ নৈতিকতা উন্নত বুলিও প্ৰতিপন্ন কৰিছে। আনহাতে .শাষক শ্ৰেণী আৰু সুবিধা ভোগী বা সুবিধা অন্বেষণকাৰী মজলীয়া আৰু তলমজলীয়া শ্ৰেণীৰ লোকৰ আদৰ্শৰ মেৰুদণ্ডহীনতাৰ ওপৰত হানিছে আঘাত। মতান্ধতাৰ নিদৰ্শন কিন্তু ক'তো নাই। কাৰণ 'গল্পৰ দৰে' আদিৰ দৰে গল্পত তেওঁ ইয়াকো চিত্ৰিত কৰিছে যে শোষিত নিৰ্যাতিত, অপমানিত, অবহেলিত দুৰ্বল শ্ৰেণীৰ লোক সকলেও নিজতকৈ দুৰ্বলৰ ওপৰত অপমান অবহেলা বৰ্ষণ কৰিবলৈ যেন চেলু বিচাৰিহে ফুৰে! হাতিয়া গাওঁৰ দুখীয়া খেতিয়ক সকলে গাভৰু কিম্বা শ্ৰীমতীৰ প্ৰতি প্ৰদৰ্শন কৰা মনোভাব ইয়াৰ জলন্ত নিদৰ্শন।

আপেক্ষিক ভাবে সুবিধাভোগী মজলীয়া বা তলমজলীয়া শ্ৰেণীৰ লোক সকল কেনে আত্মকেন্দ্ৰী আৰু দুৰ্দশাগ্ৰস্ত সকলৰ প্ৰতি উদাসীন ভাৱ সাৰ্থক ছবিও 'গল্পকলৰে' 'মুজা মোহন্তা' আদি গল্পৰ মাজেদি চিত্ৰিত কৰিব পাৰিছে। 'গল্পৰ দৰে' গল্পত চৰকাৰী বিষয়া জনে শ্ৰীমতীক পকেটত থকা আটাইখিনি পইচা দান দিয়া কাৰ্য সহানুভূতিৰ নিদৰ্শন নহয়, পুতৌৰ নিদৰ্শনহে। পুতৌ সততেই অমৰ্যাদাকৰ। ইয়াত চৰকাৰী বিষয়াজনৰ কাৰ্যক ব্যংগাত্মক ৰূপেহে চিত্ৰিত কৰা হৈছে; তেওঁ দুৰ্গত নিপীড়িত জনৰ পক্ষত ঠাই ল'ব পৰা নাই; তেওঁৰ প্ৰেম বন্ধ্যা প্ৰেম। একে ছবিকে চিত্ৰিত কৰিছে 'মুজা মোহন্তাত'। ওখ পুলিচ বিষয়াজনে মুজা মোহন্তাৰ অকপট প্ৰেমৰ প্ৰতিদান দিব দূৰতে থাওক, আনকি জীৱনৰ চৰম বিপদৰ মুহূৰ্তত সামান্যতম সহানুভূতি কণ প্ৰদৰ্শন কৰাৰ আৱশ্যকতাও অনুভৱ নকৰিলে। 'এক কিলো ৰৌ মাছ' বোলা গল্পটোত সুবিধাভোগী মজলীয়া শ্ৰেণীৰ লোকৰ কুৎসিত চৰিত্ৰ আৰু বেছি উজ্জ্বল কৰি তুলিব পাৰিছে। এই অংশৰ মানত মানুহৰ জীৱনতকৈ এক কেজি ৰৌমাছহে যেনবেছি মূল্যবান।

এই সংকলনটোৰ গল্প কেইটাৰ আন এটা বিশিষ্ট আকৰ্ষণ এয়ে যে তত্ত্বক কাহিনীৰ মাজেদি ৰূপায়িত কৰিব বিচৰা হৈছে। 'এনাৰ্জি ইজ ডাইৰেক্টলি প্ৰপৰ্চনেল টু মাছ' বোলা গল্পটো প্ৰকৃততে বিশ্ববিশ্ৰুত পদাৰ্থবিজ্ঞানী আইনষ্টাইনৰ এটা সূত্ৰৰ বিশ্লেষণ। এই সূত্ৰ অনুসৰি $E=mc^2$। E মানে এনাৰ্জি অৰ্থাৎ শক্তি, m মানে মাছ অৰ্থাৎ বস্তুৰ ভৰ আৰু c মানে পোহৰৰ গতিবেগ। গল্পটোত শ্ৰমিক শ্ৰেণীৰ আন্দোলনৰ প্ৰসংগত এই সূত্ৰটোৰ প্ৰয়োগৰ বিষয়ে ব্যাখ্যা দি কৈছে,—"তোমাৰ সংগী যিমানেই বেছি হ'ব, সিমানেই তুমি বেছিকৈ শক্তি গোটাব পাৰিবা। তুমি অকলে এটা ৰাইফল লৈ হাজাৰজন মানুহক শেষ কৰিব বিচৰা মানে এটা সন্ত্ৰাসবাদী কাৰ্যত লিপ্ত হোৱা। তদুপৰি তাৰপৰা কোনো পৰিবৰ্তনো ন'হব। অৰ্থাৎ তোমাক প্ৰতিজন সংগীৰ হে দৰকাৰ। প্ৰতিজন সংগীৰ 'মোৰ আত্মা' বিলোপ কৰি যদি 'আমাৰ আত্মা' লৈ ৰূপান্তৰিত কৰিব পাৰা তেন্তে দেখিবা কি এক অদ্ভুত শক্তিৰ জন্ম হৈছে।" মানৱজাতিৰ বিপ্লৱী সংগ্ৰামৰ ইতিহাসে এই সূত্ৰৰ বাস্তৱতা যুগে যুগে প্ৰতিপন্ন কৰি আহিছে। কাহিনীৰ মাজেদি এই বিশিষ্ট সংগ্ৰামী সূত্ৰটো ৰূপায়িত কৰি কাহিনীকাৰ জেকাই যে এক বিশিষ্ট দায়িত্ব পালন কৰিছে সেই বিষয়ে সন্দেহৰ থল নাই।

সংকলনটোত সন্নিবিষ্ট 'পাওকটি', 'কাংমুৰা' আদি গল্পৰ মাজেদি সামন্তযুগীয়া অন্ধকাৰ বা মতান্ধতাৰ ওপৰতো আঘাত হানিব বিচৰা হৈছে । ইয়াক চুলে চুৰা, তাক চুলে চুৰা বা ইয়াৰ হাতে খালে চুৰা, তাৰ হাতে খালে চুৰা যে কেৱল অন্ধ সংস্কাৰেই নহয়; শোষক শ্ৰেণীৰ বিভাজন আৰু শোষণ বা শাসনৰো অন্যতম মূলমন্ত্ৰ, তাক সমাজসচেতন প্ৰগতিবাদী লোক মাত্ৰেই অনুভৱ কৰে । ধৰ্মসম্প্ৰদায়ৰ বিভেদৰ নামতেই সামন্তপ্ৰভু সকলে জনগণৰ ওপৰত অবাধ শোষণ অব্যাহত ৰখা সম্ভৱপৰ হৈছিল । শিক্ষাৰ বিস্তাৰ আৰু শ্ৰেণী চেতনা বৃদ্ধিৰ লগে লগে এনেবোৰ প্ৰগতিৰ পৰিপন্থী অন্ধসংস্কাৰ ক্ৰমে আঁতৰি যাবলৈ উপক্ৰম হৈছে; সামন্তবাদী শোষক শ্ৰেণীৰ প্ৰতিপত্তিও ক্ৰমে বিলোপ হ'ব ধৰিছে, তেওঁলোকৰ বিভাজন মূলক অপকৌশলবোৰো যে ব্যৰ্থ হৈ পৰিছে তাক 'পাওকটি' আৰু 'কাংমুৰা' আদি গল্পৰ মাজেদি সাৰ্থক ভাবেই চিত্ৰিত কৰিবলৈ সমৰ্থ হৈছে ।

সংকলনটো গল্প কেইটাৰ ৰচনা আৰু প্ৰকাশৰ এই কালছোৱা অসমৰ জাতীয় জীৱনৰ কাৰণে এক যুগ সন্ধিক্ষণৰ কাল । শোষক শ্ৰেণী-প্ৰভুসকলে নিয়োগ কৰা একাংশ আদৰ্শৰ মেৰুদণ্ডহীন দালালে ১৯৭৯ চনৰ পৰা ১৯৮৫ চনলৈ অসমৰ বুকুত চলাইছিল উগ্ৰজাতীয়তাবাদ আৰু উগ্ৰসাম্প্ৰদায়িকতাবাদৰ ভেঁটিত এক প্ৰচণ্ড আধা ফেচীবাদী সন্ত্ৰাস । বিভাজন আৰু শোষণৰ মূলমন্ত্ৰেৰে সংগঠিত এই ফেচীবাদী সন্ত্ৰাসৰ লক্ষ্য আছিল অসমৰ বুকুৰ পৰা ঘাইকৈ সাম্যবাদী দলমত আৰু শ্ৰমকাৰী মানুহৰ সচেতন সংগ্ৰামী চেতনা বিলুপ্ত কৰা । ফেচীবাদী সন্ত্ৰাসে অসমক এখন বধ্যভূমিলৈ ৰূপান্তৰ কৰিছিল । অৱশ্যে ফেচীবাদী সন্ত্ৰাসৰ ভিতৰৰ ফোঁপোলা ৰূপটো প্ৰকটভাবে জনগণৰ আগত জিলিকি উঠাৰ লগে লগে জনগণ তাৰ পৰা আঁতৰিবলৈ ধৰে । সন্ত্ৰাসৰ কালত যিসকলক দেশদ্ৰোহীৰূপে প্ৰতিপন্ন কৰি অবাধ অত্যাচাৰ চলাইছিল, সেইসকল যে প্ৰকৃততে জনগণৰ প্ৰাণৰ বন্ধুহে আৰু ফেচীবাদী সন্ত্ৰাসৰদ্বাৰা ব্যক্তিগত স্বাৰ্থ আৰু শোষণ অটুট ৰাখিব বিচৰা সকলহে যে দেশৰ বা সমাজৰ প্ৰকৃত দ্ৰোহী তাকো জনগণে অনুভৱ কৰিবলৈ সমৰ্থ হয় । এনেবোৰ তত্ত্ব আৰু তথ্যৰ অবলম্বনত ৰচনা কৰিছে সংকলনটোৰ 'গামোচা', 'উচ্ছিষ্ট', 'খলকাটি', 'দেউতা', 'অভিযোজন', 'অকালপক্ক', 'ৰাইদেউ', 'দেশদ্ৰোহী' আদি কৰি গল্প কেইটা । মন কৰিব লগা কথা এয়ে যে নিৰ্যাতিত

সকলৰ সততা আৰু আদৰ্শনিষ্ঠা কাহিনীকেইটাৰ মাজেদি সমুজ্জলকৈ উজলাই ৰখাত কাহিনীকাৰ সফল হৈছে।

এনেদৰে বিচাৰ কৰিলে দেখা যায় যে শ্ৰীডেকাই গল্পকেইটাৰ মাজেদি বিজ্ঞান আৰু কলাৰ মাজত এক মধুৰ সম্পৰ্ক প্ৰতিষ্ঠাৰ প্ৰতি প্ৰযত্নবান হৈছে। বিশিষ্ট কলাকাৰৰ দৰে তেওঁ সমাজ জীৱনক বিৰাট মহিমামণ্ডিত ৰূপতো গঢ়ি তুলিব বিচাৰিছে আৰু বিশিষ্ট সমাজ-বিজ্ঞানীৰ দৃষ্টিৰে সমাজৰ অবাধ বিকাশৰ পথৰ অন্তৰায়বোৰৰ ওপৰতো দৃষ্টিপাত কৰিব পাৰিছে। গল্পকেইটাৰ মাজেদি কলা আৰু বিজ্ঞানৰ সমন্বয় সাধন আন এটা বিশেষ আকৰ্ষণ।

দুই এটা গল্পৰ ভাষাও হৈছে বেছ তাৎপৰ্যপূৰ্ণ। এইক্ষেত্ৰত কাৰ্বি সমাজৰ পটভূমিত ৰচিত 'কাংবুৰা' গল্পটোলৈয়ে আঙুলিয়াব পাৰি। এই গল্পটোত পৰ্যাপ্ত পৰিমাণে কাৰ্বি শব্দৰ সুপ্ৰয়োগ কৰি এক বৈশিষ্ট্যপূৰ্ণ ভাব-অনুভূতি সৃষ্টি কৰিবলৈ সমৰ্থ হৈছে। অৱশ্যে অন্যান্য প্ৰায়ভাগ গল্পতে ভাষা জতুৱা কৰি তোলাত ব্যৰ্থ হৈছে। অসমীয়াত 'ৰাওনা হয়', 'ৰাওনা নিদিয়ে'; কিন্তু শ্ৰীডেকাই প্ৰায়েই ব্যৱহাৰ কৰিছে 'ৰাওনা দিলেঁ।।'

সৎ সাহিত্যিকসকলে এনেবোৰ ত্ৰুটিৰ প্ৰতি সাধাৰণতে বিশেষ মনোযোগ দিয়ে। প্ৰচাৰধৰ্মী সাহিত্যত সাধাৰণতে ভাষাতকৈ ভাৱৰ অৰ্থাৎ বিষয়বস্তুৰ বিশুদ্ধতাৰ ওপৰত গুৰুত্ব আৰোপ কৰে-বুলি বহুতৰে ধাৰণা। কিন্তু অনুসন্ধিৎসু মাত্ৰেই জানে যে ভাৱ বা বিষয় বস্তুৰ বিশুদ্ধতাৰ লগত ভাষাৰ জতুৱা আৰু বিশুদ্ধ ৰূপৰ মিলন নঘটিলে সাহিত্য-কৃতিয়ে আকাংক্ষিত ফল দিয়া টান।

কাহিনীকাৰ শ্ৰীডেকাই এই বিষয়ে মনোনিবেশ কৰিব বুলিও আশা আৰু নিত্য নতুন সৃষ্টিৰে অসমীয়া সাহিত্য জগত সমৃদ্ধিশালী কৰি তুলিবলৈ জীৱন পাৰি দিব বুলিও আশা। শ্ৰেণীহীন, শোষণহীন এখন জনগণতান্ত্ৰিক সমাজ গঢ়ি তোলাত শ্ৰীডেকাৰ গল্পই বিশিষ্ট অৰিহণা যোগাবলৈ সমৰ্থ হওক! 'অগ্নিগৰ্ভ'ক প্ৰগতিকামী পঢ়ুৱৈ সমাজে আদৰি ল'ব বুলিও আশা।

লক্ষ্মী কুটীৰ | শশী শৰ্মা
নলবাৰী—৭৮১৩৩৫ | মুৰব্বী অধ্যাপক, অসমীয়া বিভাগ,
২-৭-৯১ | নলবাৰী কলেজ।

সূচীপত্ৰ

	নাম	জন্মলগ্ন	পৃষ্ঠা
১।	গল্পৰ দৰে	১৯৮৯	১
২।	এনাৰ্জি ইজ ডাইৰেক্টলি প্ৰপ'ৰ্চনেল টু মাছ	১৯৮৩	১১
৩।	কাংবুৰা	১৯৮৪	২৩
৪।	শত্ৰু	১৯৭৯	৩৪
৫।	গামোচা	১৯৮২	৪০
৬।	অগ্নিগৰ্ভ	১৯৮৭	৫২
৭।	মুজা মোহন্তা	১৯৯০	৬৪
৮।	উচ্ছিষ্ট	১৯৮৩	৭৩
৯।	পাশাখেলৰ গুটি	১৯৯০	৮০
১০।	প্ৰজন্মৰ প্ৰতিশ্ৰুতি	১৯৮৫	৮৮
১১।	ধলফাট	১৯৮৫	৯৪
১২।	কলিৰ সূৰ্য	১৯৯০	১১১
১৩।	দেউতা	১৯৮৭	১২০
১৪।	অভিযোজন	১৯৮৭	১৩২
১৫।	অকালপক্ক	১৯৮৬	১৪১
১৬।	দেশদ্ৰোহী	১৯৯০	১৪৯
১৭।	পাওকটি	১৯৯১	১৬২
১৮।	এককিলো বৌমাছ	১৯৮৬	১৭৭
১৯।	বাইদেউ	১৯৮৩	১৮৯

গল্পৰ দৰে

চৰকাৰী কামৰ দায়িত্বত মই হাডিয়াৰ এখন গাৱলৈ ওলাইছো। কিন্তু ৰাতিপুৱাৰপৰা ধাৰাসাৰ বৃষ্টি কলহৰ কাণে এনেকৈ দিবলৈ ধৰিছে কোনোপধ্যে ঘৰৰপৰা বাহিৰ হব নোৱাৰি। আজি দুমাহ ধৰি বতৰ খৰাং। মোৰ জীৱনত এনে খৰাং বতৰ মই দেখা নাছিলো। আজি ২৩ আগষ্ট। গাওঁখনলৈ নগলে নহয়। আঠমান বজাত ৰেতিয়া বৰষুণ কিছু শাম কাটিলে মই ৰাওনা হলো। মাছখোৱা মটৰ ষ্টেণ্ড পাওঁতে আধা ঘণ্টামান সময় লাগিল।

প্ৰায় এঘাৰমান বজাত মই ক্ষেত্ৰী হাডিয়া পালো। হাজোৰপৰা বৰ বেচি দূৰ নহয়।

মাইলৰ পিছত মাইল জুৰি কেৱল উদং পথাৰ। সেউজবুলিয়া পথাৰত আজি জুই জলিছে। হাজো, ৰামদিয়া, নামপাৰা, ক্ষেত্ৰী হাডিয়া, টোকোৰাদিয়া, বামুনদি, শিলগুৰি, কয়াতুল, বগাল তোলা, বৰচলী, বৰহাডিয়া ক'তো এডালো আহুধানৰ গছ নাই। মৰাপাট ঠায়ে ঠায়ে আছে যদিও তাৰো চেহেৰা বৰ ভাল নহয়। বাহৰ ভিতৰৰ পৰা খিৰিকীৰে দূৰলৈ চালো। কেৱল উদং পথাৰ। মনটো দুক দুক কঁপি উঠিল। এইবাৰ মানুহে কি খাই জীয়াই থাকিব। অথচ এই 'দিয়া' মাটিবোৰতে লখিমী হালি জালি খেতিয়কৰ প্ৰাণ সঞ্চাৰিত কৰিছিল। ক্লান্ত কৃষকে আনন্দ উন্মাদনাত পধুলি গীত গাই গাই ঘৰলৈ উভতিছিল। কিন্তু এইবাৰ কি হ'ল? পানী বুলিবলৈ এটুপিও নাই। কলাজল অৰ্থাৎ হাজো সৃতিৰ তলি উদং।

কথিত আছে হেনো এই 'দিয়া'বোৰ এসময়ত সকলো ব্ৰহ্মপুত্ৰৰ গৰ্ভত লীন যাব। হাজো ব্ৰহ্মপুত্ৰৰ দক্ষিণে হব আৰু পুষ্পভদ্ৰা মুক্তি পাব। কোনে জানে কেতিয়াবা যে নহব?

হাতীমুৰা পাহাৰৰ কাষেৰে উত্তৰলৈ যিদৰে মহাবাহু ব্ৰহ্মপুত্ৰই খহাব লাগিছে তাৰপৰাই মানুহে ভাৱে মহাবাহুৰ মূৰ্ত্তি কোনোবাদিনা কালমূৰ্ত্তি হব। দিনৰ পিছত দিন ধৰি মহাবাহুৱে সেউজক কৰিছে অসীম লীলা। এসময়ত দিছিংগ এতিয়া নিয়া আৰম্ভ কৰিছে।

হাজোসুতিৰ ওপৰত থকা দলংখন পাৰ হৈয়ে ক্ষেত্ৰী হাডিয়া বাচ ষ্টপটোত নামি পৰিলো। ছাটিটো মেলি চেঙেল যোৰ হাতত লৈ হাজোসুতিৰ মথাউৰিয়েদি মোৰ গন্তব্য স্থানলৈ ৰাওনা হলো। মথাউৰিৰ দুকাষে দ খাৱৈ। খৰাং বতৰেও খাৱৈবোৰৰ পানী শুকাই নিব পৰা নাই। দবাপিটা বৰষুণৰ মাজত খাৱৈত নামি মৰাপাটৰ আঁহ উলিয়াই থকা কৃষকৰ পেশীবহুল হাতবোৰ দেখি ভাবিলো—এওঁলোকে ইচ্ছা কৰিলে কি কৰিব নোৱাৰে। মহাযুদ্ধত ব্যৱহৃত কামানৰ গৰ্জনকো এওঁলোকে ওফৰাই দিব পাৰে। অথচ মই ছাটি আৰু চেঙেলযোৰ লৈ খোজ কাঢ়োতেও বাৰে বাৰে পিছল খাইছো। ভাগৰত ঘনে ঘনে উশাহ লৈছো।

পিঠিত পীঠুৰা পিন্ধি মূৰত জাপি লৈ মৰাপাটৰ আঁহ একৰাই থকা পিতৃতুল্য কৃষক এজনক সুধিলো।

'অ কাকা।'

কাকাই মূৰ ডাঙি মোলৈ চালে। মই মথাউৰিৰ কাষলৈ গৈ তলৈলৈ মুখ কৰি তেওঁলৈ চালো। মথাউৰিটো ইমান ওখ যে তেওঁ মোক ডিঙি বেকা কৰি চাবলগীয়া হ'ল।

'মই চিনি পোৱা নাই বাপৈ।'

'পিচতো চিনিব। আগতে কওঁকচোন জোকে ধৰিছে নে নাই।' —মই চিঞৰি চিঞৰি সুধিলো।

'ভাল কথা সুধিলি বাপৈ। আমাৰ এইবিলাক বৰালী মাছ থকা ঠাই। ক'ত জোক থাকিব ?"

কাকাৰ উত্তৰটো মোৰ বাবে একেবাৰে নতুন, কাৰণ বৰালী মাছে জোক খাই শেষ কৰা কথা মই কোনো দিনে শুনা নাই।

'ক'ত যাবি বাপে ? ক'ৰ পৰা বা আহিছ ?'

'হাবড়িয়াপামৰ চবিন কলিতাৰ ঘৰলৈ যাম । ইয়াৰ পৰা আৰু কিমানদূৰ যাব লাগিব কাকা ?'

কাকাই মোৰ কথাত ওপৰলৈ উঠি আহি কোনফালে যাব লাগিব দেখুৱাই দিলে ।

চবিন কলিতাৰ ঘৰত যেতিয়া বহিলো তেতিয়া প্ৰায় বাৰমান বাজিছে । চবিন কলিতাৰ খেতিও আছে দোকানো আছে । হাবড়িয়াপামৰ সকলো মানুহে কলিতাৰ দোকানৰপৰা মাল খায় । বেছিভাগৰে বাকী ৰয় । ঘৰৰ হাউলী দেখি বুজিলো কলিতাৰ ইনকাম কম নহয় ।

সাধাৰণতে আমি এনেধৰণৰ কামবোৰৰ কাৰণে গাৱঁলৈ গলে প্ৰায়েই লঘোনে থাকিব লগা হয়; কেতিয়াবা কেতিয়াবা চাহ একাপো খোৱাৰ সুবিধা নহয় । চৰকাৰী চাকৰিয়াল বুলি জানিব পাৰি কলিতাই এটা কৃত্ৰিম আন্তৰিকতাৰ প্ৰাচুৰ্য্য দেখুৱাই চাহ একাপৰ ব্যৱস্থা কৰিলে । ইতিমধ্যে আধা ভিজা লংপেণ্টটোৰ ভৰিৰ পাক কেইটা খুলি ললো । তেতিয়াও বাহিৰত ৰ'দ ৰৰঘুণ । দুই চাৰিজন মানুহ আহি ইতিমধ্যে তাত লগ লাগিলহি । প্ৰত্যেকৰে অন্তৰ ভেদ কৰি অৰ্থ উলিয়াবলৈ চেষ্টা কৰিলো । দেখিলো সকলোৰে অন্তৰাত্মা আজি হাহাকাৰ কৰি উঠিছে । আহুধান নহ'ল । মৰাপাটৰ অৱস্থা ভাল নহয় । বাওঁধান দিছিল যদিও পানীৰ অভাৱত তাতো জুই লাগিছে । গোটেই অঞ্চলটোৱে বানপনীয়া কাৰণে ৰাইজে শালিধানৰ খেতি খুব কম কৰে । তেওঁলোকৰ কথা বাৰ্ত্তাত সামগ্ৰিকভাৱে এটা কথাই বুজিলো আগত দিনবোৰত ৰাইজ লঘোনে মৰিব লাগিব । ললিত কলিতা বোলা এজনে মোক প্ৰশ্ন কৰিলে—'চৰকাৰৰ ফালৰপৰা কিবা কৰিছেনে বাপে ? দৰিদ্ৰৰ পাতত এইবাৰ কল পচলাও নপৰিব বাপে ।'

মোৰ স্পৰ্শকাতৰ হৃদয়ত মানৱতাৰ এনে অপমানে এক চৰম

আঘাট হানিলে। মই জৰ ঘামে ঘামিলো কাৰণ ইয়াৰ উত্তৰ মোৰ হাতত নাই। আটাইকেইবন মুখে মোৰ ওঁঠকেইটাৰ ফালে চাই থাকিল। কিজানি মই সৰগৰ অমৃত অকণ আনি দিব পাৰো।

তাৰ পৰিবৰ্ত্তে তেওঁলোকক মই হতাশ কৰি কবলগীয়া হলো— 'আপোনালোক সকলোৰে লগ লাগি আপোনালোকৰ স্থানীয় এম্ এল্ এক লগ ধৰি স্থানীয় সমস্যাবোৰ অৱগত কৰাওঁক। তেওঁলোকহে আচল মানুহ।'

তেওঁলোকৰ এতিয়া টিকনিকে দেখা নাপাও বাপৈ। আমি মৰিছো নে জীয়াই আছো এবাৰ যদি খবৰ ললেহেঁতেন? তেওঁলোকৰ কথামতে কিমান নকৰিবলগীয়া কাম কৰিলো; কিমান জীয়াতু ভুগিলো। এতিয়া তেওঁলোকৰ সময় নাই। ভোট লগাৰ সময়ত আকৌ দেখিবা তেওঁলোকৰ সময়ৰ অভাৱ হোৱা নাই। দৰিদ্ৰক মাৰি খোৱা দেশ জহন্নামে যাব বাপৈ।

ললিত কলিতাৰ মন্তব্যত মোৰ মুখৰ মাত হেৰাল। কাৰণ এওঁলোকে যিটো বুজিছে সেইটোতো আমাতকৈ ভালকৈ বুজিছে আৰু আমাতকৈ তেওঁলোক যথেষ্ট বিজ্ঞ। আচলতে আমাৰ দৰে ভিত্তিহীন শ্ৰেণীটোহে অতি মূৰ্খ আৰু প্ৰৱঞ্চক।

এনেতে মানুহ এজনী দোকানৰ ভিতৰলৈ সোমাই আহি চবিন কলিতাক অনুনয়ৰে কলে— 'চাউল এককিলো বাকী কৰি দিব পাৰিম নে? ভাতিবেলা পইচা দিব পাৰিম।' চবিন কলিতাই উত্তৰ নিদি ওলোটাকৈ প্ৰশ্নহে কৰিলে—

'মাছ আনিছ জানো? আজি তিনি চাৰিদিন এই ফালে মুখ কৰা নাই। এতিয়া চাউল লগাৰ সময়ত দৌৰী আহিছ। তোৰ ঋণত বাকী হৈছে। ভাতি বেলা ক'ৰপৰা দিবি তই? এইবোৰ সব মিছা কথা।'

'খাল বিল ক'তো পানী নাই। পানী থাকিলেহে মাছ পাম।

মোৰা বহুৰবে মাছৰ বাকী মুখৰমানে ভাতিবেলা আনিবলৈ মাতিছে। দিয়ে যদি... ।'

'থথ তোৰ কথা। এনে কথা বহুদিন কৈছ তই। তইতৰ ব্যৱসায় যেনে কথাও তেনে। এতিয়া এটা অলপ পিছত আন এটা।'

চবিন কলিতাৰ কথা শুনি তাই কিছু সময় মৌন হৈ থাকি লাহে লাহে ওলাই যাবলৈ ধৰোতে তাইৰ মুখখন মোৰ নজৰত পৰিল। কপালখন উদং। বয়স হৈছে যদি খুব বেছি বিশ বাইশ বছৰ। এখন টো টৌ কৰে বগা মুখ। যৌবনৰ প্ৰাচুৰ্য্য বিদ্যমান। তাইও মোলৈ চালে। হঠাৎ আচৰিত হলো। কৰবাত যেন দেখিছো মানুহজনীক। ক'ত কেতিয়া দেখিলো মনত পেলাব পৰা নাই যদিও কিন্তু মই নিশ্চিত যে এই খন মুখ মোৰ চিনাকী।

তাই তপনাই মোক মাত লগালে—'দাদা মোক চিনি পোৱা নাই ? মই মধুকুচিৰ।'

'তই ভোবানদাৰ ছোৱালী শ্ৰীমতী নহয় নে ?

'তাৰমানে চিনি পাইছ ? মুখত খীন হাঁহি মাৰি তাই ওলাই গ'ল। বহুত দিনৰ মূৰত দেখিছো তাইক। মোৰো ঘৰ মধুকুচিত। একে চুবুৰীৰে আমি। গুৱাহাটীত চাকৰি কৰা দিন ধৰি গাঁৱৰ খবৰ বাতৰি বৰ বেছি নাপাওঁ। মই জালুকবাৰীত ইউনিভাৰচিটিত পঢ়ি থাকোতে তাইৰ বয়স আছিল পাচ কি ছয় বছৰ। গতিকে মোৰ মনত নপৰাটো স্বাভাৱিক।

ভোবানদা এতিয়া নাই। ভোবানদা মৰাৰ আজি দহ বছৰমান হ'ল। ভোবানদাৰ এটা বিশেষ ক্ষমতাৰ কথা মোৰ আজিও মনত আছে। মই সৰু হৈ থকোতে নাগাৰা নামত ভোবানদাই বাগ মৰা দেখিছিলো। ইমান সময় উশাহ নিশাহ নোলোৱাকৈ বাগ টনা দেখি মই ভয় খাইছিলো। আমাৰে উশাহ-নিশাহ বন্ধ হৈ আহিব খোজে তাৰ বাগ দেখি। থিয় হৈ নাম গাই থকা পাঠক

যেতিয়া বহে তেতিয়া ভোবানদা ওঠৰ পোৱাৰ তালযোৰ লৈ থিয় দিয়ে। তালৰ কুস্তি দেখি আমি আচৰিত হৈছিলো।

অৱশেষত সেইজন ভোবানদাৰে ভৰ বয়সতে মৃত্যু হ'ল। দুৰাৰোগ্য ব্যাধি যক্ষ্মাই তাক শেষ কৰিলে।

ভোবানদাৰ মাত্র তিনি কঠা নে চাৰি কঠা খেতি মাটি আৰু দুই কঠা বস্তি মাটি আছিল। খেতিৰে মিলাব নোৱাৰে বাবে ভোবানদাই অমৃত কেৰাণীহঁতৰ পৰা টকা ধাৰলৈ গাঁৱৰ ভিতৰতে এখন দোকান দিছিল। দুই বছৰ নেকি দোকানখন চলিছিল। লাহে লাহে দোকানৰ অৱস্থা পৰি আহিল; এটা সময়ত ভোবানদাৰ দোকান বুলি কোনো অস্তিত্ব নাথাকিল। ইয়াৰ কাৰণ অৱশ্যে মই জনা নাছিলো। মাজতে শুনিলো ভোবানদাই খেতি মাটিখিনি অমৃত কেৰাণীৰ তাত বিক্রী কৰি দিলে। শেষত বাকী থাকিল ভেটি মাটি দুকঠা। তাৰ পিছত ভোবানদাৰ খবৰ নাপাওঁ।

মাজতে এদিন বাইহাটা চাৰিআলিৰ বজাৰত লগ পাইছিলো ভোবানদাক। হাতত এটা পাণ লৈ ভোবানদা বজাৰলৈ আহিছে। মোক দেখি ভোবানদাই এটা শুকান হাঁহি মাৰিলে। ইতিমধ্যে ভোবানদাৰ চকু কোতৰত সোমাইছে, - আগ দাঁত দুটা নোহোৱা হৈছে। বতাহত নাচি থকা চুলিত জ'ট বান্ধিছে। মোৰ ওচৰলৈ আহিল ভোবানদা।

কলে—"কেনে আছ বাপা ?"

"তোৰ কি খবৰ ভোবানদা ?

"কি কম বাপা ? মই এতিয়া ভাং খোৱাত ধৰিছো। নহলে টোপনি নাহে।"

"তোক ভাং খোৱাৰ কথা সোধা নাই নহয়। তোৰ ঘৰৰ খবৰহে সুধিছো।"

"তাই মোক এৰি থৈ গৈছে বাপা। ল'ৰা-ছোৱালী হাল লৈ এতিয়া মাকৰ ঘৰত আছে। মই পুহিব নোৱাৰো যেতিয়া নাযাব

কিয় ?" প্রসংগ সলনি কৰি ভোবানদাই নিজে নিজে কৈ গ'ল--"মোক ভূতে ধৰিছিল বাপা। অমৃত কেৰাণীৰ পইচাত ভূত আছে। সিইতৰ পইচা চুই আজিলৈকে কোনোৱে উন্নতি কৰিব পৰা নাই। মোক কিহে পাইছিল কব নোৱাৰো। উপায় নাপাই ভাং খোৱাতে লাগিছো।"

ভোবানদাৰ জীৱনৰ প্ৰতি থকা মোহ ইমান সোনকালে টুটি আহিব বুলি ভবা নাছিলো। বয়সনো কিমান হব। আমাতকৈ খুব বেছি দহবছৰ মানে ডাঙৰ।

ভোবানদাৰ হিচাপমতে অমৃত কেৰাণীৰ পইচাই তাক নিঃশেষ কৰিলে। কথাটো নোহোৱা নহয়। আমাৰ অঞ্চলত এনেকুৱা তিনিঘৰ মানুহ আছে যাৰ হাল গৰু নাই অথচ দুটা তিনিটা ধ'নৰ ভৰাল আছে। অমৃত কেৰাণীও এনে এঘৰ মানুহ। তাৰো দুটা ভৰাল। এটা আহুধানৰ, আন এটা শালিধানৰ।

আজিও ভোবানদাৰ ভতিজা গজিনে অমৃত কেৰাণীৰ ঘৰত এশ টকাৰ সুতৰ বাবদ মাহে দুদিন কাম কৰি দিব লাগে।

ভোবানদাৰ লগত সেয়ে আছিল মোৰ শেষ দেখা। ললিত কলিতাই মৌনতা ভংগ কৰি মোক সুধিলে—"বাপেৰ মানুহজনী কিবা হয় বোধহয় ?"

"কিবা হয় মানে একেবাৰে একে চুবুৰীৰে মানুহ আমি। তাকেতো আচৰিত হৈছো তাই এইখিনি পালেহি কেনেকৈ ?"

"এহ নকবা বাপৈ। এইৰ স্বভাৱৰ দোষ আছে। নহলেনো কলিতা জাতৰ হৈ ডোমৰ লগত গুচি আহে নে? তাইক লৈ আমি সমস্যাত পৰিছো। বিধবা হৈছে যদিও তেজপানী ক'ত যাব বাপৈ। ওৰে পথাৰত ভিজা কাপোৰ পিন্ধি ডেকা ল'ৰামখাৰ লগত মাছ মাৰি ঘুৰি ফুৰিলে কোনে কিমান নজৰ দিব তাইক। আমাক জলা কলা কৰি খাইছে তাই।"

জাত পাতত ধৰি কথা কোৱাত মোৰ প্ৰতিবাদ কৰাৰ ইচ্ছা

আছিল যদিও সেই পৰিস্থিতি উপযুক্ত নহয় বুলি ভাবি মই একো নকলো।

ললিত কলিতাৰ কথাত বুজিলো শ্ৰীমতী আৰু তাইৰ গিৰিয়েক এসময়ত গুৱাহাটীৰ কোনোবা চাহাবৰ ঘৰত কাম কৰাকৈ আছিল। দুয়োৰো মনে মনে মিল হ'ল। এদিন দুয়ো পলাই আহিল গাৱলৈ। ১৯৮৩ চনৰ নিৰ্বাচনৰ সময়ত তাইৰ গিৰিয়েকে গাঁৱৰ ডেকাদলক নেতৃত্ব দি ব্ৰহ্মপুত্ৰ পাৰ হৈ ভোট দিয়া বন্ধ কৰিবলৈ যাওঁতে তাতেই তাক কোনোবাই মাৰিলে নে আহোতে সি কৰবাত দুৰ্ঘটনাত মৰিল সেই কথা কোনেও নাজানে। তেতিয়াৰ পৰা শ্ৰীমতী বিধবা তাইৰ এজনী কেঁচুৱা আছে। গিৰিয়েক আন্দোলনত মৰা কাৰণে প্ৰথমতে মানুহে শ্ৰীমতীক বৰ আদৰ সাদৰ কৰিছিল। কিন্তু এতিয়া সেই আবেগ শেষ হৈ গৈছে। তাইক লৈ এতিয়া সকলোৰে চিন্তা কেতিয়া কোন ডেকা ল'ৰা তাইৰ সংগত পৰি অধঃপতিত হয় তাৰ ঠিকনা নাই।

মোৰ মনটো উগুল থুগুল কৰি আছিল। এবাৰ তাইক লগ ধৰি যাব পাৰিলে ভাল আছিল।

অৱশেষত মই বিদায় লৈ ওলাই আহিলো।

মনটো গধুৰ হৈ পৰিল। বাৰে বাৰে এটা কথাই মোক দোলা দি গ'ল— আজিৰ দৰে সুস্থিৰ ভাৱে চিন্তা কৰা হলে শ্ৰীমতী এই দৰে বাঁৰী বিধবা হব নালাগিলহেঁতেন। কৰবাত কোনোবাই মানুহবোৰক যেন সুক্ষ্ম কৌশলেৰে ঠগাই আছে। ভাবি ভাবি খোজ দিছো।

"দাদা তই যাব আহিলি?"

উভতি চাই দেখো শ্ৰীমতী। লগত তাইৰ কেচুৱাজনী।

"মোৰ ঘৰলৈ যাবি নেকি?" তাইৰ চকুত অসহায় চাৱনি।

"নাযাওঁ দে আজি। কেতিয়াবা আহিলে যাম নাক। ক চোন তোৰ খবৰ বাতৰি।"

"কেইদিনমান হ'ল মাও মৰিল নহয় মামাইতৰ ঘৰত। মোৰ এতিয়া কোনো নাই দাদা। নীহ কুলীয়াৰ লগত পলাই অহা কাৰণে মামাইতেও মোক তেওঁলোকৰ ভালৈ ষোৱাটো বন্ধ কৰিছে। মধুকুচিত এতিয়া আমাৰ ভেটি মাটি অলপো নাই। মানুহবোৰে মোক ইয়াৰপৰাও খেদিবলৈ নানান ষড়যন্ত্র কৰিছে। তই হয়তো বেয়া পাবি। উপায় নাপাই মই এতিয়া মাছ বেচাত ধৰিছো। তাকো গাঁৱৰ মানুহে দেখিব নোৱাৰে। আমি বিধবাবোৰ কেনেকৈ বাচি থাকো কচোন দাদা।"

শ্রীমতীয়ে অনর্গল তাইৰ মনৰ কথা কৈ গ'ল যেন তাই আজিহে নিজৰ মানুহ এজন লগ পাইছে। মইয়ো শুনি গলো। তাই পুনৰ আৰম্ভ কৰিলে—

"চৰকাৰে বোলে আন্দোলনত মৰিলে টকা দিয়ে। ময়ো পাম নে দাদা। মোক এইখিনি সহায় কৰি নিদিয় কিয়?"

মই কলো –"গাঁৱৰ মানুহে যদি কয় তেনেহলে পাবি। আমাৰ ইয়াত কোনো হাত নাই।"

"হয় নেকি?"

মোৰ উত্তৰ শুনি শ্রীমতীৰ মুখখন কেহেৰাজ বটা ৰঙৰ দৰে বং ধৰিলে।

"গাঁৱৰ মানুহে মোৰ হকে নকয় দাদা। আচল সময়ত তেওঁক লাগিছিল। এতিয়া ফিৰিকে নোচোৱা হল মানুহবোৰে। মোৰ কোনো উপায় নোহোৱা হৈছে দাদা।"

গিৰ্ গিৰ্কৈ বাগৰি অহা চকুপানী চাদৰেৰে মচি লৈ তাই মোক কাকুতি কৰিলে—"কেচুৱাজনীক লৈ যা দাদা। তইতৰ কৰি লবি। মই যেনে তেনে বাচি থাকিম। ভাগৰ হলে তায়ো মোৰ দৰে... ।"

শ্রীমতীৰ থোকাথুকি মাত বন্ধ হৈ পৰিল। ধাৰাসাৰে নামি অহা চকুপানীখিনি আচলেৰে মচি ললে তাই।

অসহ্য বেদনাত মই চটফটাব লাগিছো। আৰু কিছু সময় থাকিলে হয়তো মযো কান্দি দিব লাগিব। পেন্টৰ পকেটত হাতখন সোমাই মোৰ লগত যি আছিল তাকে শ্ৰীমতীৰ হাতত গুজি দি বেগাবেগিকৈ খোজ দিলো।

মোৰ দুয়োখন হাতত যেন এডাল লৌহ শিকলি লগোৱা আছে; মই অনুভৱ কৰিলো; কোনোবাই যেন মোৰ মুখত এটা বিৰাট তলা লগাই থৈছে।

মথাউৰিৰ কাষৰ খাবৈটোত তেতিয়াও কাকাই মৰাপাট ধুই আছে। তেতিয়া বৰষুণ এৰিছে যদিও আকাশখন গোমা। তিনি জনমান ডেকা ল'ৰাই সমস্বৰে কোনোবা সুখ্যাত গায়কৰ গান গাই গাই মৰাপাটৰ আঁহ ধুইছে। গানৰ কলি উটা বৈ বৈ মোৰ কাণত বাজি থাকিল। মই থমকি ৰলো।

ধান নিদিওঁ ঋণো নিদিওঁ
সুদ নিদিওঁ আৰু
মহাজনৰ নিঠুৰ বুধি
সহো কেনে বাৰু?

- - - - - - - - - -   -

কাঁচিখনত শান দিলো
সাহস ভৰি পৰে
এজাক যেন বৰষুণ
আহো আহো কৰে।

ঝংকাৰিত পৰিমণ্ডলৰ কেন্দ্ৰ বিন্দুলৈ মই যেন লাহে লাহে সোমাই গৈছো। হঠাৎ মোৰ ধাৰণা হ'ল মই এজন পংগু, অক্ষম, বোবা দৰ্শক।

বাছ ষ্টপেজটোলৈ মই লাহে লাহে খোজ আগবঢ়ালো।

এনাৰ্জি ইজ
ডাইৰেক্টলি প্ৰপ'ৰ্চনেল টু মাছ

$E = mc^2$, E মানে এনাৰ্জি বা শক্তি, m মানে মাছ বা বস্তুৰ ভৰ, c হৈছে পোহৰৰ গতি বেগ অৰ্থাৎ প্ৰতি চেকেণ্ডত ৩,০০,০০০ কিঃ মিঃ। বিশ্ববিশ্ৰুত বিজ্ঞানী মহামতি আইনষ্টাইনৰ সূত্ৰটোৰ গুঢ়াৰ্থ বুজিবলৈ চেষ্টা কৰিলে শৰ্মিলাই। তাৰমানে পদাৰ্থৰ ভৰ আৰু শক্তি দুটা বিচ্ছিন্ন ধাৰণা নহয়। সিহঁতৰ মাজত এটা যোগসূত্ৰ আছে। শক্তিয়ে পদাৰ্থৰ জন্ম দিব পাৰে আৰৌ পদাৰ্থৰ বিলোপ সাধনত জন্ম হয় শক্তিৰ। যদি কোনো উপায়ে কোনো পদাৰ্থৰ আত্মবিলোপ কম সময়ৰ ভিতৰতে কৰিব পৰা যায় তেন্তে তাৰ পৰা এক প্ৰচণ্ড শক্তিৰ জন্ম হ'ব।

কথাখিনি দুই তিনিবাৰ পঢ়িলে শৰ্মিলাই। তাৰমানে ভৰ যিমানে বাঢ়ি গৈ থাকে সিমানে শক্তিও বেচি নিহিত হৈ থাকে অৰ্থাৎ এনাৰ্জি ইজ ডাইৰেক্ট্‌লি প্ৰপ'ৰ্চনেল টু মাছ।

ভঙা কেৰাহীটোৰ অঙঠা কেইটা খৰি এডালেৰে লাৰি দিলে শৰ্মিলাৰ মাকে। কেইটামান ফু মাৰিলে জুইকুৰাত। জুইকুৰা জ্বলি উঠাত বাৰান্দাখন পোহৰ হৈ উঠিল। জুই পুৱাই বহি থকা শৰ্মিলাৰ দেউতাকৰ মুখখন তেতিয়া পোহৰত উদ্ভাসিত হৈ উঠা দেখা গ'ল। তেওঁৰ মুখমণ্ডলত এটা যন্ত্ৰণাকাতৰ ৰেখা ফুটি উঠিছে। জুইৰ ওপৰৰ পৰা কেট্‌লিটো নমাই থৈ শৰ্মিলাৰ মাকে শৰ্মিলাক মাতিলে—।

"শৰ্মিলা মা।"

শর্মিলাই পঢ়া কোঠাৰ পৰা মাত দিলে—"কি মা ?"

"চাওঁ। অকণমান আহচোন। দেউতাৰৰ ভৰিখন ধৰিব লাগে।"

"হেৰা! মই পাৰিম দিয়া। তাই পঢ়ি আছে।" শর্মিলাৰ দেউতাকে কেঁকাই কেঁকাই ক'লে।

'পৰাৰ জহতহে ইমানপৰে ওহ আহ কৰি আছে। তেতিয়াই কৈছিলো নালাগে এইখন কৰিব। মোকে মাটি অলপ যোগাৰ কৰি দিয়ক। দুয়ো লগলাগি কৰিলে ঈশ্বৰৰ কৃপাত চলিব পাৰিম। চৰিল তেওঁৰ বুঢ়া বয়সত ডেকা তেজৰ বায়ু। এতিয়া পাইছে ?"

"হেৰা! তুমি এনেকৈ মোক হানা-খোঁচা কৰি নাথাকিবা। পাৰোতে এনে কৰোঁ নেকি ? ঘৰত বহি এই মাইকী মানুহবোৰে মুখেৰে বিশ্বব্ৰহ্মাণ্ড জয় কৰিব খোজে।"

"মৰণ লাগিছে মৰক। মোক কি গৰজত মাতিছে তেন্তে।"

"নালাগে যোৱা। উঠি যোৱা ইয়াৰ পৰা। পাৰিলে কৰিম নোৱাৰিলে যি হয় হব।"

"মোৰে কপালত দোষ আছিল। কণা বিধাতাই আৰু কিমান কষ্ট দিব ? চাওঁ দিয়ক ভৰিখন এইফালে।"

"নালাগে বুলিছো নহয়। মই পাৰিম। আতৰ হোৱা ইয়াৰ পৰা। উস্ উস্ মৰিলো"—এইবুলি নিজৰ ভৰিখন হাতেৰে ডাঙি ধৰি লাহেকৈ কাঠৰ খৰি এডালৰ ওপৰত থলে শর্মিলাৰ দেউতাকে।

"মা তোমালোকৰ সদায়ে এনেকৈ কি লাগি থাকে ?"

শর্মিলা মাক-দেউতাকৰ ওচৰত আহি থিয় দিলে।

"মা। বয়স হৈছে মানে তোমাৰ মুখখন বাঢ়ি গৈছে।" শর্মিলাই আক্ষেপত মাকক ভৎর্সনা কৰিলে।

"শর্মিলা মা ধৰচোন মোৰ ভৰিখন। এই অহনীত যোৱা অৰীয়ে খালে মোক শেষ কৰি।'

শর্মিলাই দেউতাকৰ হাতীৰ ভৰিৰ দৰে ডাঙৰ হৈ পৰা

ভৱিষ্যৎ লাহে লাহে ভাঙি ধৰি নিজৰ ভৱিষ্যতৰ ওপৰত ললে। তেতিয়া মাকে কেট্‌লিৰ গৰম পানী অলপ অলপকৈ ভৰিৰ তলুৱাৰ কটা ঘা-ডোখৰত ঢালি দিয়াত শৰ্মিলাই লাহে লাহে ধুই দিলে। চাফা হৈ যোৱাত ঘা-ডোখৰৰ পকি উঠা এটা ডাঙৰ বৃত্তাকাৰ অংশ দেখা গ'ল। টেঙাৰ কাঁইট এডাল হাতত লৈ শৰ্মিলাৰ মাকে ঘা-ডোখৰ বিন্ধাই দিবলৈ চেষ্টা কৰিলে। নামমাত্ৰ বিন্ধা এটা হোৱাৰ লগে লগে ফট্‌কৈ এসোপা পুঁজ আৰু তেজ ওলাই আহিল।

"উস্ উস্ মৰিলো। আৰু নিটিপিবা শৰ্মিলাৰ মাক।"

আৰ্ত্তনাদ কৰি উঠিল শৰ্মিলাৰ দেউতাক। ফটাকানি এখনেৰে ঘা-ডোখৰ বান্ধি দিলে শৰ্মিলাৰ মাকে। এটা দীৰ্ঘশ্বাস পেলালে শৰ্মিলাৰ দেউতাকে। যেন এটা বিপদৰ পৰাহে ৰক্ষা পৰিছে তেওঁ।

"এই চালা কুকুৰেহে খাইছে মোক এই কামোৰ। ভাড়া দিবৰ সময়ত কি চাবা সিহঁতৰ হিচাব। হেৰা, এইখিনি ৰাস্তা আহোতে তোমাক তিনি টকা লাগে? আমি ভেইলি দুই টকাত আনো। কিন্তু বস্তুখিনি ঠেলাৰ পৰা হলে ঘৰলৈ নিব লাগিলেও মৰিব ওলায়। আমি পাৰিলে বান্ধনি ঘৰৰ ভিতৰত থৈ আহিলেহে সিহঁতে শান্তি পায়।"

"কাৰ কথা কি বকি আছে?"

"কাৰ কথা বকিম। সেই শিৱ মন্দিৰটোৰ ওচৰত থকা বিৰাট বিল্ডিংটো দেখা নাই?"

"দেখিছো।"

'সেই পেটুলা পাঞ্জাবীৰ দুৱাৰ মুখতে জগতৰ ভণ্ডা ৰটলৰ দ'ম। অলপ চিজিল কৰি থওঁ। ওঁহো বেটাইতে খাব জানে কেৱল, জগতৰ সকলো পেটুলাবে সেই একে স্বভাৱ। খাব জানে

কিন্তু কশিব নাজানে। তাৰ ভাড়া নিনিও সি নেৰে। নহলে মোৰ ভৰি আজি এনেকৈ কাটিব পাৰেনে ?'

"হৈছে। সেইবোৰ ভাবি লাভ নাই। আনৰ কাম কৰিলে দেহা ঘুণীয়া হবই।"

"শমিলাৰ মাক। তুমি মাজে মাজে বৰ সাংঘাতিক কথা কোৱাহে। আনৰ কাম কৰিলে দেহা ঘুণীয়া হবই।"

"হৈছে হৈছে। ভালবি লগাব নালাগে।"

"চাওঁ কৰবাৰ পৰা এডাল শুণা আনি দিয়াছোন মোক।"

"কি কৰে ?"

"দেখা নাই কেটলিৰ ঠাৰিডাল বাৰে বাৰে খুলি যায়। ঢাকনিখন কি হ'ল নাৰিকলৰ কোটোৰা দিছা যে ?"

"এই বীৰ কেইটাক কিমান নজৰ দিম ?"

"শুলে নেকি সিহঁতে ?"

"ও শুলে। দিনৰ কৰ্কৰা ভাত কেইটামান আছিল তাকে খালে।"

"শমিলাই কলেজৰ পৰা আহি কিবা খাইছে নে নাই ?"

"নাই। একোৱেই নাছিল। সোনকালে ভাত ৰান্ধিম ৰ'ব।"

"তাইৰ প্ৰতি নজৰ ৰাখিবা শমিলাৰ মাক। তাই কিবা এটা কৰিব। শুনা নাই কি পঢ়ি আছে ? -আমি একো নুবুজো। গো-মূৰ্খ। মই শুনি আছিলো কিবা বোলে ভৰ বাঢ়ি গলে শক্তিও বেছিকৈ নিহিত হৈ গৈ থাকে।"

"ঈশ্বৰে কোন দিনা আমাৰ ফালে মূৰ দাঙি চাব ?" এটা হুমুনিয়াহ এৰিলে শমিলাৰ মাকে।

"নহয় শমিলাৰ মাক। আমাৰ দায়িত্ব আছে।"

"ইকথা সিকথা নহয় কাইলৈ ঔষধ অনাব লাগিব। এইখন ভৰিৰে এনেকৈ কিমান দিন পৰি থাকিব।"

"অনাব লাগিছিল। কিন্তু পইচাই নাই ৰবা। তোমাৰ

হাতত আছে নেকি ?"

"মৰা গৰু এটা ফুটা কড়িও নাই । আজি ছয় সাত দিন আপুনি এনেকৈ পৰি আছে। পইচা হাতত থাকিব কেনেকৈ।"

"ও কোনো উপায় নোপোৱা হৈছে । শৰ্মিলাৰো কিতাপ কিনিব লাগে । কালিৰ বাবে চাউল আছেনে নাই ?"

"ক'ত হ'ব ? আজিয়েই কম হব নেকি ? মই এটা কথা ভাবিছো ? এইটোকে বেচি দিম । পিন্ধি থকাৰ চখ কৰিলে আমাৰ নচলিব । ইমান বছৰে পিন্ধিলো । আৰু নো কিমান দিন জীয়াই থাকিম ।"

"নালাগে বেচিব শৰ্মিলাৰ মাক।" শৰ্মিলাৰ দেউতাকে কিছু আবেগেৰে শৰ্মিলাৰ মাকৰ হাতখনত ধৰিলে। হাতত থকা আঙুঠিটো লিৰিকি বিদাৰি ক'লে –"তুমি শেষত এইটোকে কৰিম বুলি ভাবিছা কিয় ? গৈ গৈ এইটোহে আছে । মই অন্য ব্যৱস্থা কৰিম ৰবা ।"
'কি কৰিব ?'

"ঠেলাখন এই কেইদিন ধৰ্মকান্তক চলাব দিম ৰবা। তাকো চাটাই কৰিছে নহয় । আমাৰ বন্ধু । বিয়া বাৰু নকৰা মানুহ । যি অলপ অচৰপ পাব তাৰে সি আমাক অলপো নিদিবনে ?

"দিব জানো ?"

"দিব দিব । কিয় নিদিব ? আমাৰ মাজৰ আন্তৰিকতা তোমালোকে উপলব্ধি কৰিব নোৱাৰিবা । আৰু ভৰিখন ভাল হ'লে তোমাক মাটিকে অলপ যোগাৰ কৰি দিম দিয়া ।"

"কিন্তু মাহৰ জাবৰ, খেৰ, গোবৰ আদি ক'ত পাব ?"

"সেইবোৰ হ'ব দিয়াচোন । মই তোমাক যোগাৰ কৰি দিবহে লাগে ।"

"চাওঁ হাতখন এৰি দিয়ক ।" শৰ্মিলাৰ মাকৰ মনটো আনন্দত ভৰি পৰিল। হৰু তেও । অন্ততঃ দিনত দুটা বা তিনিটা

কলহ বনাই উলিয়াব পাৰিলেও হ'ব । যিহে দিন পৰিছে মানুহে মাটিৰ বাচন মিকিনি উপায় নাই ।

হাতখন এৰি দি শৰ্মিলাৰ দেউতাকে ওপৰলৈ মুখ কৰাৰ লগে লগে দেখিলে শৰ্মিলা আহি ওচৰত থিয় হৈছে ।

"দেউতা মই ঔষধ লৈ আহিছো । হেঁা খোৱা ।"

"তই কৰ পৰা আনিলি মা ?"

"কিয় ডাক্তৰৰ পৰা ?"

"পইচা ক'ত পালি ?"

"নকওঁ ।"

"তাৰমানে তই স্কলাৰচিপৰ পইচা পাইছ ?"

"অ' পাইছো । আৰু এইটো বস্তু মাই লোৱা ।"

"কি ?' শৰ্মিলাৰ মাকে আচৰিত হৈ শৰ্মিলাৰ হাতখনলৈ চালে ।

"লোৱাচোন আগতে । দেখিবা নহয় ।"

"শৰ্মিলা মাজনী । তয়ো মোক বুঢ়া বয়সত ব্লাউজ পিন্ধাবি । নালাগেদে মোক । ডেকা ছোৱালী তইহে লাগে । তই পিন্ধিবি মা ।"

"হেৰা । মই দিব নোৱাৰো কাৰণে মাজনীয়ে দিছে তোমাক । লৈ থোৱা । মইতো তোমাক আৰু কেতিয়াও দিব নোৱাৰিম । তই আৰু এনেকৈ খৰছ নকৰিবি মাজনী । তোৰ বোলে কিতাপ কিনিব লগীয়া আছে । আগতে সেইবোৰ কিনি ল । মোৰ কটা ঘা আপোনা আপুনি ভাল হৈ যাব ।"

কথাখিনি কৈ শৰ্মিলাৰ দেউতাকে ওপৰলৈ চাই দেখিলে— শৰ্মিলাৰ মাক কেকুঁৰি উঠিছে ।

"হেৰা কান্দিছা কিয় ? এতিয়া আৰু আমাৰ কথা বাদ দিয়া ।"

"কপা বিধাতাই এয়েহে লিখিছিল মোৰ কপালত। মোৰ ছোৱালীৰ উপাৰ্জনেৰে আমি চলিব লগা হ'লো।" চাদৰৰ আচলেৰে চকুপানী খিনি মচি মচি শৰ্মিলাৰ মাক লাহে লাহে আঁতৰি গ'ল।

"মাজনী ?"

"কি দেউতা ?"

"তই কিতাপবোৰ কিনি ল আগতে। আমাৰ কথা আমি ভাবিম নহয়।"

"পইচা হ'ব নহয় দেউতা। আৰু শ্যামলৰ পৰাও দুখনমান আনিছো।"

"শ্যামলৰ পৰা আনিছ? নানিবি মা। ডাঙৰ মানুহৰ লগত লেটি পেটি নকৰিবি। নেদেখিলি শ্যামলৰ দেউতাকে কেনেকৈ মোৰ লগতে আনকো কামৰ পৰা চাটাই কৰিলে" আনৰ দয়াৰ পাত্ৰ নহবি মাজনী।"

"শ্যামল তেনে নহয় দেউতা।"

"নহয়তো। কিন্তু শ্যামলৰ দেউতাক ? তেওঁৰ সেই দুৰ্ভেদ্য পৰিবেশৰ বৃত্তৰেখা ভেদ কৰি শ্যামল ওলাই আহিব পাৰিবনে ?"

"তুমি শ্যামলক বুজা নাই দেউতা।"

"যা মা। পঢ় গৈ যা। চাবি যাতে কোনেও তোৰ দৰিদ্ৰতাৰ সুযোগ লব নোৱাৰে। চাবি যাতে তোক কাৰো আনুকূল্যৰ প্ৰয়োজন নহয়।"

কথাখিনি কৈয়েই শৰ্মিলাৰ দেউতাকে কাহিবলৈ ধৰিলে। এসোপা খেকাৰ কেৰাহীটোৰ চাইত পেলাই দি বুকুখন পিহি দিলে তেওঁ। আগৰে পৰা তেওঁৰ হাপানিৰ দোষ আছে। কিমান ঔষধ খাইছে কিন্তু গুণাগুণ পোৱা নাই। শেষত বাদ দিছে ঔষধ খাবলৈ। মৌ-ৰস আৰু আদা ৰস খায়েই তেওঁ আৰাম পায়। দীঘল দীঘলকৈ দুটামান নিশ্বাস টানি শৰ্মিলাক কলে— "মাজনী। মাক পঠিয়াই দিবিচোন মৌৰ বটলটো লৈ আহিব। আৰু কৰি যাতে ধনিয়াপাত

আৰু এখান জলকীয়াৰে অকমান আলুৰ ঝোল কৰে মোৰ বাবে।”

শৰ্মিলা যাবলৈ খোজ লওঁতেই দেখিলে শ্যামল আহি ওচৰত থিয় দিছে।

“শ্যামল? এই ৰাতিখন?” শৰ্মিলা আচৰিত হৈ প্ৰশ্ন কৰিলে।

“বলা তোমাৰ লগত কথা আছে।”

“কোন? শ্যামল নেকি?”

“হয় মহাদেউ।”

“যোৱা শৰ্মিলাৰ কোঠাত বহাগৈ।”

শৰ্মিলাৰ দেউতাকে দুটা কাহ মাৰি বুকুখন চাফা কৰিবলৈ চেষ্টা কৰিলে। মিঠাতেল লগোৱা হাতৰ তলুৱাখন জুইত সেকি আনি নিজৰ বুকুত হেঁচি ধৰিলে তেওঁ।

“বহা শ্যামল। ইমান ৰাতি কিয় আহিলা? তোমাৰ কিতাপ দুখন লাগে নেকি?”

“সেইবোৰ একো নালাগে শৰ্মিলা।” ঘন ঘনকৈ উশাহ-নিশাহ ললে শ্যামলে।

“কি হৈছে তোমাৰ? এনেখন কৰিছা কিয়? আজি কেইদিমান ধৰি দেখিছো তুমি হঠাৎ অস্বাভাৱিক আৰু উত্তেজিত হৈ পৰা।”

“ৰ’বা শৰ্মিলা। অলপ জিৰণি লবলৈ দিয়া। উত্তেজনাত ভুগিয়েই ঘৰত থাকিব নোৱাৰি ওলাই আহিছো।”

“ফাইনেল পৰীক্ষালৈ আৰু কেইদিন আছে। পঢ়িব লাগে অথচ ওচি আহিছা। টেষ্টতো অনাৰ্চত বেয়া কৰিছা। ক’ব নোৱাৰো তোমাৰ কি হৈছে?”

“মন চন ভাল নহয় শৰ্মিলা। পঢ়িবলৈ মন নাযায়। সদায় যেন মনটোৱে বিদ্ৰোহ কৰি আছে। বুকুখন মোৰ প্ৰায়েই ধপ-ধপাই থাকে।”

“তোমাৰ মনটোৱে কাৰ বিৰুদ্ধে বিদ্ৰোহ কৰিছে তুমি তাক

ৰাচি উলিয়াব পাৰিছনে ?"

"পাৰিছো।"

"পাৰিছা ?" আচৰিত হৈ শ্যামলৰ ফালে দৃষ্টি নিক্ষেপ কৰিলে শৰ্মিলাই।

"মোৰ দেউতাৰ দৰে মানুহবোৰৰ বিৰুদ্ধে। মনত এটা অদম্য শক্তি পঞ্জীভূত হৈছে শৰ্মিলা! এই শক্তিৰে মই এই মানুহবোৰক একালৰ পৰা গুলি কৰি যাম। শেষ কৰি পেলাম ইঁহতক।"

"কিন্তু কিয় ?"

"তাৰ আগতে তোমাক মই এটা কথা সোধো। তুমি মোক সৎ বুলি ভাবানে অসৎ বুলি ভাবা ?"

"হঠাতে তুমি এনে দাৰ্শনিক প্ৰশ্নৰ অৱতাৰণা কৰিলা যে ?"

"আগতে মোৰ উত্তৰটো দিয়াচোন।"

"এইবোৰ ৰিলেটিভ টাৰ্ম। ইয়াৰ কোনো ধৰা বন্ধা সূত্ৰ নাই যাক কোনো বিশেষ ফ্ৰেমৰ মাজত আবদ্ধ কৰি ৰাখিব পৰা যায়।"

"তোমাৰ লগত তুলনা কৰি কোৱা।"

"তেনেহলে ধৰাহওঁক মই সৎ। এই দৃষ্টিভঙ্গীৰ পৰা বিচাৰ কৰি মই তোমাক যিমান জানো তাৰ ওপৰত ভিত্তি কৰি কব পাৰো—তুমি সৎ।"

"তেনেহলে তোমাক মই মোৰ জীৱনৰ এটা ঘটনা কওঁ। শুনিবা শৰ্মিলা ?"

"কোৱা।"

"আজি তিনিমাহৰ আগৰ এদিনাখন ৰাতি। ৰাতি দহমান বাজিছে। মোৰ গাটো সিমান ভাল নাছিল। সোনকালে শুম বুলি ভাবি মোক গাখীৰ এগিলাচ লাগে বুলি মাক কবলৈ গৈছিলো। কিন্তু হঠাতে শুনিলো মা-দেউতাই কিবা গোপনীয় কথা আলোচনা কৰিছে। মনটোত কিবা অদ্ভুত সন্দেহ জাগিল। কন্তেক ঠিয় দিলো। কিয় জানো চোৰৰ দৰে কাণখন ঠিয় কৰি ৰাখিলো। দেউতাই মাক সম্বোধন কৰি কলে—

"যুথিকা ?"

"কি ?"

"শ্যামলক গাখীৰ দিলা ?"

"নাই দিয়া।"

"দি আহাচোন। কথা আছে।"

"কি কথা ? শ্যামলতো দুই বজাৰ আগতে নোশোৱে। পিছত দিলেও হ'ব।"

"হেঁা লোৱা। এতিয়াই গড্‌বেজত সুমুৱাই থোৱা। আৰু জনা যাতে শ্যামল ঘৃণাক্ষৰেও নাজানে।"

"কিমান আছে।"

"পাচ লাখ।"

"কিয় দহ লাখৰ কথা আছিল নহয় ?"

"এই মাৰোৱাৰীটো বৰ ধুৰন্ধৰ বুজিছা। ব্যৱসায়টো চালু হলেহে বোলে বাকীখিনি দিব।"

"মোৰ হলে বৰ ভয় লাগিছে।"

"জেলত যাব লাগিব বুলি ভাবিছা নেকি ? তোমাৰ ইমান বয়স হ'ল, তুমি ইমান ডাঙৰ মানুহৰ লগত মিলামিচা কৰিলা আজিও জগতখন চিনি নাপালা। দেশখন কাৰ ইঙ্গিতত চলি আছে বুলি ভাবা ? আমাৰ দৰে মানুহবোৰ নহলে দেশ চলিব ?"

"হলেও কথাটো মই পচন্দ কৰা নাই। আমাৰ নিজৰ ফেক্টৰীটো থাকোতে এনেদৰে আন এটা নাম থকা কোম্পানীৰ নামত নকল ব্যৱসায় কৰি · ·· ··· ।"

"তুমি এটা অধামুৰ্খ। হাতৰ লখিমী ভৰিৰে গচকিব খুজিছা কিয় ? সুযোগ এবাৰেই আহে। মনত ৰাখিবা। এটা নতুন বিপদহে আহিছে কৰা।"

"নতুন বিপদ ?"

"ফেক্টৰীটামান ফাপৰে খোৱা কুকুৰৰ দৰে বনুৱাই ফেক্টৰীৰ বনুৱা

বোৰক লৈ মজুৰি নবঢ়ালে ধৰ্মঘট কৰাৰ ভাবুকি দিছে। তাকে ভাবিছো কি কৰা যায় ?"

"দুই এটকা বঢ়ালে বোধহয় সিহঁত শান্ত হব।"

"ৰবা। তৎক্ষণাতে বঢ়াম বুলি বঢ়াব পাৰি নেকি ? এক হাজাৰ বনুৱাক দৈনিক এটকাকৈ বেছি দিলেও দেখোন বছৰেকত তিনিলাখ পয়ষষ্ঠি হাজাৰ টকা খৰচ।"

"তেন্তে কি কৰিম বুলি ভাবিছা ?"

"কি কৰিম জানা ? পুৰণা বনুৱা এশমানক কামৰ পৰা চাটাই কৰিম। ফেক্টৰীত এমাহমান তলা লগাম। তেতিয়া বেটাহঁতে খাব নাপাই কাবুহৈ শৰণাপন্ন হব নহয়। সেইবুলি ইহঁতক এই সুবিধা দিব নোৱাৰি। এই শ্ৰেণীটোৱে যিমানে পায় সিমানে খেদে।"

"তাৰ পিছত মোৰ আৰু শুনাৰ ধৈৰ্য্য নাথাকিল শৰ্মিলা। মই যেন গভীৰ অন্ধকাৰৰ মাজত লাহে লাহে প্ৰৱেশ কৰিবলৈ ধৰিছো। দুৰ্গন্ধময় পঙ্কিলতাৰ মাজত মই যেন লালিত পালিত হবলৈ ধৰিছো।"

"বৰ অপ্ৰত্যাশিত শ্যামল।"

"যি মা-দেউতা চোৰাংকাৰবাৰী, যি মা-দেউতাই মানুহক মানুহ বুলি জ্ঞান নকৰে সেই মা-দেউতা কেতিয়াও শ্ৰদ্ধাভাজন হব নোৱাৰে শৰ্মিলা। মই ইয়াৰ প্ৰতিশোধ লম।"

প্ৰতিশোধ ?

"ও প্ৰতিশোধ। তেওঁলোকক অন্ততঃ মোকলৈ গৰ্ব কৰাৰ সুবিধা নিদিও। তেওঁলোকক বুজাই দিম যে ধনদৌলতেৰে মানুহৰ মন জয় কৰিব নোৱাৰি। মেট্ৰিকত ষ্টেণ্ড্ কৰিছিলো কিন্তু বি এচ চিত ফেল কৰিম। তেতিয়া ?"

"ৰবা শ্যামল। তুমি বৰ বিচলিত হৈছা। প্ৰতিকাৰৰ এই পথ নহয় শ্যামল।"

"তাৰমানে তোমালোকে তোমালোকৰ এই অৱস্থা মানি লৈছা ? তোমালোক ভীৰু, কাপুৰুষ নপুংসক।"

"ৰবা উত্তেজিত নহবা। মোৰ কথা শুনা। আমি ফিজিক্সত কি পাইছো— এনাৰ্জি ইজ ডাইৰেক্টলি প্ৰপৰ্চনেল টু মাছ।"

"মানে ?"

"মানে তোমাৰ সঙ্গী যিমানে বেছি হ'ব সিমানে তুমি বেচিকৈ শক্তি গোটাব পাৰিবা। তুমি অকলে এটা ৰাইফল লৈ হাজাৰজন মানুহক শেষ কৰিব খোজা মানে এটা সন্ত্ৰাসবাদী কাৰ্যত লিপ্ত হোৱা। তদুপৰি তাৰ পৰা কোনো পৰিবৰ্ত্তনো নহ'ব। অৰ্থাৎ তোমাক এতিয়া সঙ্গীৰহে দৰকাৰ। প্ৰতিজন সংগীৰে 'মোৰ আত্মা' বিলোপ কৰি যদি 'আমাৰ আত্মা' লৈ ৰূপান্তৰিত কৰিব পাৰা তেন্তে দেখিবা কি এক অদ্ভুত শক্তিৰ জন্ম হৈছে।"

"কিন্তু সঙ্গী গোটোৱা প্ৰচেচটো কেনেদৰে কৰা যায় ? শ্যামলে শৰ্মিলাৰ মুখলৈ প্ৰশ্নসূচক দৃষ্টিৰে চালে।"

"তাৰ সমাধান মোৰ দেউতাই দিব পাৰিব তোমাক। তুমি দেউতাৰ ওচৰলৈ যোৱা।"

"শৰ্মিলা ?"

"কি ?"

"চাওঁ তোমাৰ হাতখন।"

"কিয় ?"

"দিযাচোন আগবঢ়াই।"

শ্যামলে শৰ্মিলাৰ হাতখন ধৰি চুমাখাই ক'লে— "তুমি মোক এটা নতুন কথাৰ সন্ধান দিলা শৰ্মিলা।"

"আচল কথা কি জানা শ্যামল। তুমি, মই, আমি সকলোৱে যি মেচিনটোৰ ভিতৰত থাকি লালিত পালিত হৈছো সেই মেচিনটোৰ পৰা এনে ধৰণৰ বস্তুৰে উৎপাদন হয়।"

"তেন্তে তাৰ প্ৰতিকাৰ ?"

"আমাক এটা নতুন মেচিন লাগে শ্যামল। সম্পূৰ্ণ নতুন। আহা শ্যামল— আমি পোহৰ বিচাৰি যাওঁ।"

কাংবুৰা

দিজু নৈ। কোন সুদূৰ অতীতত ডিমাছাসকলে তাৰ নাম দিছিল দিজু। কোন মুহূৰ্ত্তত বান্ধ ভাঙি নদী হৈ নাচি নাচি একাবেঁকা দুই পাহাৰৰ মাজে মাজে গতি কৰিছিল তাৰ সাক্ষী আছে নাতি উচ্চ দুই গিৰিবৰ।

দিজু নৈৰ পাৰত ৰংনিহাঙ গাওঁ। বিশঘৰমান মানুহৰ এখন কাৰবি গাওঁ।

সন্ধিয়া তেতিয়া সাতমান বাজিছে। গাওঁবুঢ়াৰ হংফাৰ্‌লাৰ (১) সোমাজতে জ্বলি থকা জুইকুৰাৰ চাৰিওফালে বহি জুই পুৱাইছে ছাৰবুৰা ইংতি, কেহাইবে, ৰৰসিং ৰংপী, খয়া তিমুং আৰু পাঁচ ছয়জন কাৰবি মতা। হৰলাঙৰ (২) বাটি কেইটা মাটিত থৈ আটাই-কেইজনে গাওঁবুঢ়ালৈ চালে। তামোলৰ বটাটো আগবঢ়াই দিলে গাওঁবুঢ়াৰ ছোৱালী কাদমে। দেহত তাইৰ ভৰ যৌৱন।

লাৰিং গছপাতৰ লগত চাধা পাতৰ টুকুৰা এটা মেৰিয়াই লৈ আঙুলিৰে টিপা মাৰি অগ্নিসংযোগ কৰিলে গাওঁবুঢ়াই। দুটামান দীঘল দীঘল হোপা মাৰি গাওঁবুঢ়াই বিচাৰৰ পাতনি মেলিলে।

হেৰি নহয় ছাৰবুৰা! ধৰমে এই কামটো কৰিব নালাগিছিল। সি আচলতে জেদত কৰিছে। হয়নে ৰৰসিং?

নহয়নো কি? মোক সি যি ধৰণে কলে মই হলে সি জেদত কৰিছে বুলি ভাবো। কথাকিটা কওঁতে ৰৰসিঙৰ মুখৰ পৰা পানী ওলাই আহিল! হৰলাঙৰ নিচাত ৰৰসিঙে চকু দুটা মুদি দিলে।

মানুহ অৱস্থাহীন হ'ল বুলিনো এনে অধৰমী কামত লাগিব লাগেনে? ছাৰবুৰা ইংতিয়ে ঘৃণা মিশ্ৰিত অৱজ্ঞাৰে কথাষাৰ ব্যক্ত কৰিলে।

আৰু এটা কথা নহয় কাংবুৰা (৩)! ছাৰবুৰা ইংতিয়ে কথা-ষাৰত বিশেষ গুৰুত্ব আৰোপ কৰি পুনৰ কলে— প্ৰথমে আজিকালি দকাইবে, বংহাং, চন্দ্ৰসিং কাংছ' গাঁৱৰ কেইজনমান ডেকা ল'ৰাৰ লগলাগি মাটি পাইকাচলৈ দিয়াটো বন্ধ কৰিবলৈ উঠিপৰি লাগিছে। কথাটো মই হলে সিমান ভাল দেখা নাই।

কিয় ভাল নহ'ব? কি বেয়া দেখিলি তই? বৰসিং, খয়া, কেহাইবেই একেমুখে প্ৰশ্ন কৰি ছাৰবুৰাৰ ফালে চালে। যেন আটাই-কেইজনৰ হৰলাওৰ নিচা ফাটি গৈছে।

তইঁতে আচল কথা বুজা নাই। ছাৰবুৰা ইংতিয়ে হাতৰ নুমাই যোৱা বিড়িটো পুনৰ জুইৰ মাজত সুমুৱাই দি লগাবলৈ চেষ্টা কৰিলে। কথাটো কেনেকৈ বুজাব সেইটো ছাৰবুৰা ইংতিয়ে পুনৰ ভাবি ললে।

প্ৰথমে কি কৰিব খুজিছে জান? কাংবুৰাই নিজৰ ইচ্ছামতে ভৱিষ্যতে মাটি ভগাব নোৱাৰিব। মাটি ভগাই দিয়া সময়ত ৰাইজৰো মতামত লব লাগিব। আৰু এটা গুৰুতৰ কথা শুনিছো। কথাটো সঁচা নে মিছা নাজানো।

কি গুৰুতৰ কথা? বৰসিঙে আচৰিত হৈ সুধিলে।

সিহঁতে ইমান আগবঢ়াটো মই মুঠেই ভাল নাপাওঁ। এই কাৰণেই ল'ৰা-ছোৱালী স্কুলত পঢ়ুৱাব নালাগে। ডাঙৰ-সৰু, ভাল বেয়া আদি নমনা হয় ইহঁতে।

কথাটো পাক দিব নালাগে। পোনে পোনে ক।

পোনে পোনে কবলৈ আৰু কিটো আছে। তইঁতে শুনিও কাণত সোপা দি নুশুনাৰ ভাও ধৰিছ। আমি কাৰিসকলে গাঁৱৰ কাংবুৰাজন নহলে এটা খোজো দিব নোৱাৰো। তেনেক্ষেত্ৰত তেওঁ যেনিবা অলপ বেচিকৈ মাটি ৰাখিলে, তাতো সিহঁতৰ চকু পৰিব লাগে নেকি? কাংবুৰা এনেয়ে হোৱা নাই নহয়; হেম্‌ফু ঈশ্বৰৰ দয়া নহলে কাংবুৰা হব পাৰিব কোনোবাই?

কথা ইমান দূৰ পাইছেনেকি? খয়াই চকুদুটা ডাঙৰকৈ মেলি

দিলে।

অহঁতে কেৱল হৰলাও খাই থাক। ক'তো একো খবৰ নলবি।
ছাৰবুৰা ইংতিয়ে আত্মপ্ৰসাদৰ ভাবেৰে কথাটো কৈ ওচৰতে থকা তামোলৰ বটাটোৰ পৰা এখন তামোল মুখত ভৰাই চোবাবলৈ ধৰিলে।

কাংবুৰাক নমনা— এনে কথা আমি হলে পচণ্ড নকৰো। ধৰমৰ তেনেহলে বিচাৰ হব লাগে।

সকলোৱে ৰৰসিঙৰ কথাযাৰত সম্মতি দি মূৰ জোকাৰিলে।

ছাৰবুৰা ইংতিয়ে জুইকুৰা এডাল খৰিৰে খুচুৰি দি দুটামান ফু মাৰি দিলে। আটাইকেইজনৰে মুখকেইখন পোহৰত উদ্ভাসিত হৈ পৰিল। ইতিমধ্যে কাদমে পৰিবেশন কৰা ফিকাচাহৰ বাটি কেইটা হাতত লৈ ৰাইজে দুই এঢোক মাৰোতেই ছাৰবুৰা ইংতিয়ে মন্তব্য কৰিলে— এই অধৰ্মী কামত লগা কাৰণেই আজি ধৰমৰ এই দুৰৱস্থা। হেম্‌ফু ঈশ্বৰৰ নজৰত পৰিব লাগিলে সি বাচিব পাৰিবনেকি?

আচলতে গাওঁবুঢ়াৰ বিচাৰবোৰত ইংতিয়েহে মন্তব্য আৰু সিদ্ধান্ত ৰাইজৰ আগত ডাঙি ধৰে। ইংতি গাওঁবুঢ়াৰ সোঁহাত স্বৰূপ। দুই নে তিনিবছৰমান পাঠশালা স্কুলত পণ্ডিতো আছিল। স্কুল এচ্ আইসকলৰ আগতো ইংতিয়ে ভয়-ভীত নোহোৱাকৈ কথা কৈছিল হেনো। তাকে লৈ ইংতিয়ে মাজে মাজে গৰ্বও কৰে।

গাওঁবুঢ়াই গৰম ফিকা চাহত ঠাণ্ডাপানী অলপ ঢালি লৈ দুটা ঢোক মাৰি ৰাইজলৈ চকু দিলে। ৰাইজে বুজিলে গাওঁবুঢ়াই ইমানপৰ কথা শুনি কিবা শেষ সিদ্ধান্ত ব্যক্ত কৰিব। কোনোবা এজনে কিবা কব খোজোতেই ৰৰসিঙে ধমক দিলে।

ৰহ। মনে মনে থাক।

সকলোৱে গাওঁবুঢ়ালৈ চাই থাকিল।

ৰৰসিং! ঘটনাটো নিজ চকুৰে দেখিছ নে? গাওঁবুঢ়াই ৰৰসিঙক সুধিলে।

হয়। দেখিছো। ধৰমে নিজেও স্বীকাৰ কৰিছে নহয়।

তেন্তে ধৰমে এইটো ভীষণ অপৰাধ কৰিছে। তাৰ এই অপৰাধৰ বাবে সি আমাক পাচ বটল হৰলাং, এটা ৰ (৫) আৰু পঁাচটা ছিকা (১২) দিব লাগিব। তেতিয়াহে তাক আমি আমাৰ সমাজত ৰাখিব পাৰিম।

কাংবুৰাই সজ বিচাৰেই কৰিছে। কিন্তু ধৰমৰ যিহে মতি গতি দেখিছো সি হয়তো বস্তু কেইপদ নিদিবও পাৰে। তেতিয়া কি ক'ৰব? ৰৰসিঙে প্ৰশ্নসূচক দৃষ্টিৰে গাওঁবুঢ়াৰ সেৰেঙা গোফ কোচালৈ চাই থাকিল।

তেতিয়া তাক আমাৰ গাঁৱৰ পৰা খেদি দিব লাগিব। সি আৰ্‌লেং (৬) হৈ থাকিব নোৱাৰিব।

ধৰম সিং তেৰাং। ধৰমৰ পৰিয়ালত তাৰ বুঢ়ীমাক আৰু দুজন নাবালক ভায়েক। কনিষ্ঠ ভায়েকৰ জন্ম হোৱাৰ এবছৰ পিছতেই ধৰমৰ দেউতাকৰ মৃত্যু হয় ক্ষয়ৰোগত। তেতিয়া ধৰমে আনজক্-পানী হাইস্কুলৰপৰা শিক্ষান্ত পৰীক্ষা দিছে। ৰংনিহাঙ গাঁৱত এতিয়ালৈকে হাইস্কুলৰ শিক্ষান্ত পৰীক্ষা দিয়া একমাত্র ধৰমেহে। ধৰমে কিন্তু পৰীক্ষা পাচ কৰিব নোৱাৰিলে।

দেউতাকৰ মৃত্যুৰ পিচত ধৰম বিমোৰত পৰিল। খেতি মাটি অলপো নাই। গাওঁবুঢ়াই দেউতাকক যি এপুৰা মাটি দিছিল সেই-খিনিও দেউতাকৰ ক্ষয়ৰোগৰ চিকিৎসা কৰোতে পইচাৰ বিনিময়ত আকৌ গাওঁবুঢ়াৰ দখললৈ গ'ল।

শেষত সি ওচৰৰ দকাইৰে গাঁৱত পাইকাচ (৭) লোৱা মানুহ এজনৰ মাটিত হাজিৰাত কাম কৰিবলৈ ললে। ধৰমৰ লগতে লিন্দক, জয়সিং, কমলসিং আদি কেবাজনো ডেকা ল'ৰাই দিন হাজিৰাত পাইকাচ লোৱাজনৰ তলত কাম কৰে।

ঘটনাটো ঘটিছিল আজি ৰাতিপুৱা।

আৰণি (৮) পূৱ আকাশত ভুমুকি মাৰিবলৈ যো-জা কৰিছে। জুইৰ কাষত বস্তাটোৰ ওপৰত ধৰমে এটা বাগৰ সলালে। ভৰিদুখন

কোচাই আনি কাষতে থকা আধাপোৰা খৰি দুডাল নিৰ্বাপিতপ্ৰায় জুইকুৰাৰ মাজলৈ ঠেলি দিলে। দুটা মান ফু মাৰি ওচৰতে শুই থকা ভায়েক দুজনৰ গাত হাত বুলালে ধৰমে। বুঢ়ীমাকৰ কাষে ধৰমৰ অন্তৰত এটা আঁচোৰ মাৰিলে। মাকৰো দেউতাকৰ দৰে কাহ আৰম্ভ হৈছে। শেষত কোনোবা দিনা কাহত তেজ বমি কৰি মাকো মৰি থাকিব।

হঠাতে মুৰগীৰ চিঞৰ শুনিলে ধৰমে। খপ্ জপ্ কৈ খেদি গ'ল জন্তুটোৰ পিচে পিচে। মুৰগীটো এৰি দি জন্তুটো পলাল। মৃত মুৰগীটো হাতত ওলম-জোলমকৈ আনি ভঙা বেৰখনলৈ চালে ধৰমে। বৰ ডাঙৰ জলঙা কৰিলে জন্তুটোৱে। ঘৰ সোমাব খোজোতেই কাৰোবাৰ মাত শুনি উভতি চাই দেখিলে ৰবসিঙক।

অই ক (১১)! এইটো কাম কিয় কৰিলি? মুৰগীটো নিছে নিয়ক। তই কিয় খেদি গলি?

তাতে কি জগৰ লাগিল? ধৰমৰ কৰ্কশ উত্তৰ শুনি ৰবসিঙে সাৱধানী ভাষাৰে কলে—

এতিয়া নজনা হৈছ? কথাটো গোপনে থাকিব বুলি ভাবিছ?

মই কিবা চুৰ কৰি আনিছোনেকি?

তাৰমানে তই জেদ কৰি ধৰিছ। দেখিবি নহয় কাংবুৰাই কি বিচাৰ কৰে।

ধৰমৰ এই অপৰাধৰ বাবেই আজি ৰাইজে ধৰমৰ ওপৰত শাস্তি বিহিছে। পাঁচটা হৰলাঙৰ বটল, এটা মুৰগী আৰু পাঁচটা ছিকা দিব লাগিব ধৰমে।

কাৰ্বি সমাজত মুৰগী নিয়া জন্তুটো খেদি যোৱাটো এটা ভীষণ অপৰাধ। জানি শুনিও ধৰমে এই গুৰুতৰ অপৰাধ কৰিছে। গতিকে ধৰমৰ ইয়াতকৈও বেছিহে শাস্তি হ'ব লাগিছিল। তাৰ অৱস্থা বুজিয়েই গাওঁবুঢ়াই শাস্তি লাঘৱ কৰিছে। তাকো যদি নামানে তেন্তে তাক

আৰ্‌লেং বুলি ভাবি কি লাভ। গাওঁবুঢ়াই কথাটো এনেধৰণে বাইজক বুজালে।

এনেতে এটা গণ্ডগোল ভেওঁলোকৰ ওচৰলৈ লাহে লাহে আগুৱাই আহিল। প্ৰথমতে কিছু ক্ষীণ তাৰ পিছত ক্ৰমান্বয়ে ভাঙৰ হৈ আহিল গণ্ডগোলটো। অৱশেষত চোতালত এজুম ল'ৰাই ভিৰ কৰিলে। হংফাৰ্‌লাত জুই পুৰাই থকা আটাইকেইজনে ল'ৰাৰ দলটোলৈ আচৰিত হৈ উভতি চালে।

ধৰম আৰু কাদমক সন্মুখত লৈ ল'ৰাৰ দলটোৱে নীৰৱে থিয় দি হংফাৰ্‌লাৰফালে চাই থাকিল। কাদমে তলমূৰ কৰি এটা সেপ ঢোক মাৰিলে। ধৰমে হংফাৰ্‌লাৰ বিপৰীত ফালে মুখ দি মূৰটো পোনাই চাই থাকিল জোনাকৰ পোহৰত উদ্ভাসিত হৈ পৰা খজু বাহনি ডৰালৈ।

অলপ আগতে কাদম গৈ ধৰমৰ ঘৰত উপস্থিত হৈছিল। ধৰমক বাইজে শাস্তি বিহিব সেই কথাটোৱে কাদমক খিচ্‌খিচকৈ বিন্ধি আছিল। ধৰমক কথাটো কৈয়ে কাদমে দৌৰ মাৰি আহিম বুলি ভাবিছিল। ধৰমৰ ঘৰ বুলি খোজ দিলে কাদমে।

বাঁহৰ দুৱাৰখন কেৰেককৈ মেলি কাদমে ধৰমৰ ঘৰত প্ৰবেশ কৰিলে।

কাদম আহিছ? আহ। ময়ে তোক লগ ধৰিম বুলি ভাবিছিলো। আহিলি যেতিয়া ভালেই হ'ল। অতি অনুচ্চ সুৰত কথাখিনি ব্যক্ত কৰি ধৰমে বাঁহৰ চাৰিখনত দুটামান চাপৰ মাৰিলে।

বহ ইয়াতে। বহ, নবহ কেলেই?

দেখি নকৰো। সিফালে বিপদ হ'ব। কাদমে আতঙ্কৰে কথাখিনি ক'লে।

তোক এটা বস্তু দিম।

কি বস্তু?

পিচত কম। আগতে ক'চোন এই ৰাতিখন কিয় আহিলি?

তোক শাস্তি দিছিহে। তাকে কবলৈহে আহিলো। মোৰ বৰ ভয় লাগিছে। পঁাচ বটল হৰলাং, এটা মুৰগী আৰু পঁাচটা টকা তই বাইজক দিব নোৱাৰিলে তোক গাঁৱৰপৰা বাহিৰ কৰি দিব।

অ' তাকে কবলৈহে তোৰ ইমান লৰা-চপৰা? তয়ো যে আৰু! তাতে ইমান ভয় খাব লাগে নেকি?

মই নাজানো নেকি তই যে এইবোৰ নিদিয়?

নিদিওঁ। তাতে কি হ'ব?

তাৰমানে তই মোক এৰি যাবি?

কিয় এৰি যাম তোক? তোকো লৈ যাম মোৰ লগতে।

নহয় ধৰম। মোৰে শপত বস্তুকেইটা তই দিব লাগিব। মই তোক যোগাৰ কৰি দিম।

ওহো। সেইটো হ'ব নোৱাৰে। বস্তুও নিদিওঁ, গাঁৱো নেৰো।

কি কথা কৈছ তই? তই কাংবুৰাৰ কথা নামান নেকি?

তই ইহঁতৰ মুখকেইখনলৈ চা কাদম। জুইকুৰাৰ ওচৰত ছিৰা বস্তাৰ ওপৰত আঁঠু কোচাই শুই থকা ভায়েক দুজনলৈ আঙুলিয়াই দি ধৰমে পুনৰ ক'লে, আজি সিহঁতে পৰম শান্তিৰে মাৰ লগত টোপনি মাৰিছে। কোনো যন্ত্ৰনাই সিহঁতক কষ্ট দিয়া নাই। কিয় জান কাদম? আজি দুদিন ধৰি সিহঁতৰ পেটত এটা খুদকণো যোৱা নাছিল। কিন্তু আজি? আজি সিহঁতে সেই জহামালে দিয়া মুৰগীটোৰ মাংস খায়েই টোপনিত লালকাল দিছে। চাচোন কাদম সিহঁতৰ মুখকেইখনলৈ—কি পৰম শান্তি বিৰাজ কৰিছে। ইহঁতক এৰি যাব পাৰিম নে কাদম? তইয়ে ক' পাৰিম যাব?

সেই কাৰণেইতো কৈছো। বস্তুকেইটা তোক মই দিম। তই বাইজক দিবি।

কিন্তু কিয় দিব লাগে? কি জগৰ লাগিল মোৰ?

আমি সকলোৰে ইমানদিনে মানি আহিছো—তাক তই মানিব নোখোজ কিয় ধৰম? কাদমৰ কথাত কাকুতিৰ ভাব ফুটি উঠিল।

মা আৰু ভাইইতৰ পেটত আনকি জহামালে নিয়া মুৰগীৰ মাংস পৰি যদি সুখত জীয়াই থকাৰ আনন্দ দেখো তেন্তে সেই আনন্দ হাজাৰ হাজাৰ বছৰৰ পৰম্পৰা মানি পোৱা আনন্দতকৈ শতগুণে শ্ৰেষ্ঠ বুলি ভাবো কাদম।

তাৰমানে তই নিদিয় আৰু নাযাৱও।

ওহো। কেতিয়াও মই নামানো।

মোৰ বৰ ভয় লাগিছে ধৰম। কিবা এটা অঘটন ঘটিব। আহিলো। যি কৰ কৰিবি।

ৰহ। তোৰ বস্তুটো লৈ যা।

চাওঁ কি?

মুখখন মেলচোন।

কিয়?

মেলচোন। জানিবি নহয় কি বস্তু।

কাদমে মুখখন মেলাৰ লগে লগে ধৰমে মুৰগীৰ মাংস এটুকুৰা কাদমৰ মুখত সুমুৱাই দি কলে— পালি গম কি বস্তু?

কিন্তু এইটো কাম কিয় কৰিলি ধৰম। তই মোকো পাপৰ ভাগী কৰিলি। যদি এইটো মুৰগী সঁচাকৈয়ে জহামালে নিছিল?

পাপৰ ভাগী নহয় কাদম। নতুনৰ সমভাগী। তয়ে ময়ে নতুনৰ গান গাম। চাওঁ মোৰ ওচৰলৈ আহ।

কিয়?

তোৰ এই গহনাবোৰ খুলি থবি। থবিনে নথৱ ক? (৯)

কিয়?

তাকো কব লাগে নেকি তোক? তই আজিৰপৰা মোৰ।

কিন্তু তই জানো বাইজৰ লগত ফেৰ মাৰিব পাৰিবি? ধৰমৰ হাতখনত খামুচি ধৰি কাদমে ধৰমৰ সবলতা বুজিবলৈ চেষ্টা কৰিলে।

কিয় নোৱাৰিম। চাবিচোন সময়ত সকলোৱে মোৰ লগ লাগিব।

তই কিবা ৰহস্য থকা কথা কৈছ ধৰম।

পিছত বুজি পাবি সোণজনী।

কি হ'ল তইতৰ। মনে মনে আছ যে? ছাৰবুৰা ইংগিত্য়ে

ল'ৰাজাকৰ পিনে চাই প্ৰশ্ন কৰিলে। ল'ৰাজাকৰ মাজৰপৰা ইজনে সিজনক গাত ঠেলা ঠেলি কৰিলে— তই ক। নহয় তই ক। অৱশেষত এজনে কলে—ইহঁতক ধৰমৰ ঘৰৰপৰা আমি ধৰি আনিছো।

ধৰমৰ ঘৰৰ পৰা ধৰি আনিছ ?

ও, ইহতে কিবা ফুচফাচ কথা কৈছিল।

হয় ? গাওঁবুঢ়াই সেৰেঙা মোচকোচাত সোহাতখনেৰে তাও দি খঙতে গৰ্জি উঠিল— ইচ্ ইচ্, মই কাংবুৰা থাকোঁতে গাওঁখন ৰসাতলে গ'ল। ইহঁতে লাইছেনেম (১০) কৰিছে। কি চাই আছ তহঁতে ? খুটাত বান্ধ দুয়োকে। ৰৰসিং তহঁত দেখোন মুখ মেলি চাই আছ ? ইহঁতক পিটি পিটি সৈ কঢ়াব লাগিব।

ৰাইজৰ ওচৰত মোৰ বিশেষ অনুৰোধ। ধৰমৰ কথা শুনি সকলোৰে আচৰিত হৈ ধৰমৰ মুখলৈ চালে। কাদমে ধৰমৰ মুখলৈ চাই ভাবিলে, বোধহয় তাই কোৰা বুদ্ধিটোকে ধৰমে কামত লগাব। কিন্তু ধৰমৰ মুখমণ্ডলত কঠোৰ আৰু সংগ্ৰামী অভিব্যক্তি দেখি তাই তলমূৰ কৰিলে।

ক'। কি কব খুজিছ ? ৰৰসিঙে ধৰমক নিৰ্দেশ দিলে। কাংবুৰা ডাঙৰীয়াই যদি ৰাইজৰ কথা শুনে তেন্তে নিশ্চয় আমিও তেখেতৰ কথা মানিম।

ৰাইজৰ কথা ৰাইজৰ আপত্তি মই কোনদিনা শুনা নাই ? নে কি কব ছাৰবুৰা ?

নহয়নো কি ? কাংবুৰাই আমাক কিমান আদৰত ৰাখিছে তহঁতে আজিৰ ল'ৰা হৈ কেনেকৈ জানিবি ?

আমাৰ কাংবুৰাৰ ওচৰত এটি মাত্ৰ অনুৰোধ। ধৰমে এইবুলি হংফাৰলাৰ আটাইকেইজনলৈ এবাৰ দৃষ্টি নিক্ষেপ কৰি কলে কাংবুৰাই যদি তেখেতৰ পাইকাচত দিয়া পঞ্চাশ পুৰা মাটি পাইকাচৰ পৰা একৰাই আমাক ভগাই খেতি কৰিবলৈ দিয়ে তেতিয়াহে বুজিম তেখেতে আমাক কিমান মৰম কৰে। ৰৰসিং ককাই কথাটো টং

কৰি চাবি।

ধৰমৰ কথা শুনি খয়া তিমুঙে হাতৰ আধাপোৰা বিড়িটো পেলাই দি পোণ হৈ বহিল। কেহাইৰেই লেংটিদাল টানকৈ মাৰি ৰবসিঙৰ বাউসীত ঠেলা এটা মাৰি কলে—

ধৰমৰ কথাটো আমাৰো মনে ধৰিছে ছাৰবুৰা। কাংবুৰাৰ ফালে কথাটো কেনে পাইছে ?

ছাৰবুৰা ইংতিয়ে বৰ বিৰক্তিৰে মুখৰ পৰা তামোলৰ পিক এসোপা পেৰেক্‌কৈ দূৰলৈ মাৰি পঠিয়াই কলে—

তইঁতৰ এইবোৰ কি গছত গৰু উঠা কথা। এইবোৰ কাংবুৰাৰ ইচ্ছা অনিচ্ছাৰ কথা। তহঁতে কাংবুৰাৰ কথাৰ ওপৰত কথা কবলৈ আহিছ ? মই হলে ভালপোৱা নাই তহঁতৰ কথাবোৰ।

ইমানপৰে তভক মাৰি নিচুপহৈ থকা গাওঁবুঢ়াৰ যেন হঠাতে চেতনা ফিৰি আহিছে। তেওঁ খঙতে গজগজাই উঠিল—তইঁত হলি ধোদৰ পচলা। তইঁতৰ হাল নাই, গৰু নাই, ম'হ নাই, নাঙল নাই। তইঁতে খেতি কৰিবি কিহেৰে ? তাৰপৰা তইঁতে মোক কিটো দিব পাৰিবি। ঝুম খেতি কৰিবলৈ যি কেইটা পাহাৰ টিলা দিছো তাতো তইঁতে ভালকৈ খেতি কৰিব নোৱাৰ। তইঁতক মাটি দি কি লাভ ?

গাওবুঢ়াৰ দপদপনিত কিছু সময় সকলোৰে মুখৰ মাত হৰিল।

তেনেহ'লে আমি উঠিলো কাংবুৰা। এইবুলি খয়া তিমুঙে ফটা এড়ীখন ভালকৈ পাক মাৰি ৰবসিঙ আৰু কেহাই বেক ক'লে—

উঠ ৰবসিঙ, উঠ কেহাই। ধৰমে ঠিকেই কৈছে—কাংবুৰাই আমাৰ কথা নাভাবে। ধৰম ! আহ আমাৰ লগত।

তইঁত যে উঠিলি ইইঁতৰ বিচাৰ ?

আপুনি যি ভাল দেখে তাকে কৰিব।

তাৰপিচত ধৰম ৰবসিঙইঁতে মৌন হৈ খোজ পেলালে। সিইঁতৰ মৌন গমনে ছাৰবুৰা ইংতি আৰু গাওঁবুঢ়াক এক অসহ্য যন্ত্ৰণাৰ মাজলৈ ঠেলি দিলে। মুখেৰে একো নামাতি গাওঁবুঢ়াই পুনৰ লবিং

পাভৰ বিড়িটোত এটা দীঘল হোপা মাৰি ছাৰবুৰা ইংভিক ক'লে—উঠ ছাৰবুৰা। মোৰ কাংবুৰা হোৱা দিন উকলিল। কাইলৈ এই চৰকাৰী মোহৰটো ওভোটাই দি আহিম।

চাওঁতে চাওঁতে হংফাৰলাত এজনো মানুহ নোহোৱা হৈ আহিল। ল'ৰাজাকবো এজন দুজনকৈ গৈ চোতালখন জনশূন্য হৈ পৰিল। এটা সময়ত গাওঁবুঢ়া গৈ ৰৰঘৰ সোমাল। বিচনাখনত দীঘল দি পৰি ঘৈণীয়েকক গাওঁবুঢ়াই ক'লে—এই ক'! মই ভাত নাখাওঁ। তইঁতে খা। তাৰ পিচত মুখেৰে ভোৰভোৰালে—মানুহবোৰৰ লাহে লাহে প্ৰকৃতি লৰি আহিছে কিয় ?

দুই এখোজকৈ কাদমো আহি বাৰান্দাত ঠিয় দিলে। লগে লগে কাদমৰ মনত পৰিল ধৰমৰ কথাষাৰ—চাবিচোন সময়ত সকলো মোৰ লগ লাগিব।

কাদমে তাইৰ গহনা কেইপদ সোলোকাই হাতত লৈ হাতৰ মুঠিটো টানকৈ মাৰিলে!

টোকা—

(১) হংফাৰলা—কাৰবি সকলৰ চ'ৰাঘৰ,
(২) হৰলাং—কাৰবি সকলে ঘৰতে বনোৱা মদ,
(৩) কাংবুৰা—গাওঁবুঢ়া,
(৪) হেম্ফু—কাৰবি সকলৰ প্ৰধান ঈশ্বৰ,
(৫) ৰ'—মুৰগী,
(৬) আৰলেং—কাৰবি মানুহ,
(৭) পাইকাচ—কাৰবি আংলঙত মাটি বন্ধকত দিয়া প্ৰথা,
(৮) আৰণি—সূৰ্য,
(৯) কাৰবি সমাজত ছোৱালী কাবোবালৈ দিয়াৰ বন্দবস্ত হ'লে ছোৱালীজনীয়ে তাই পিন্ধি থকা গহনা খুলি থব লাগে। ইয়াৰ কাৰণ হ'ল, অন্য মানুহে বুজিব যে তাইৰ বিয়াৰ বন্দবস্ত হৈছে।
(১০) লাইছেনেম—সমগোত্ৰীয় প্ৰণয়, কাৰবি সমাজত এইটো এটা ডাঙৰ অপৰাধ,
(১১) ক—সম্মানীয়াক সম্বোধন কৰা শব্দ,
(১২) ছিকা—টকা।

শত্ৰু

ৰাতি নমান বজাত নৰেশ্বৰ ঘৰ সোমাল। গোটেই বেৰেক-টোৰ মানুহবোৰে আনদিনা হোৱা হ'লে খাই বৈ শুবলৈ যো-জা কৰিলেহেঁতেন। আজি কিন্তু মানুহবোৰে অ'ত ত'ত জুম বান্ধি কথা পাতিছে। আজিও এই আকস্মিক পৰিবৰ্ত্তনটো নৰেশ্বৰে নুবুজিলে। অৱশ্যে সি বুজিবলৈ চেষ্টাও নকৰিলে। সীতাৰামৰ কাঁহৰ শব্দ কেইটা তাৰ কানত পৰিল। বেচেৰাৰ হাপানিৰ দোষ আছে। বহু কেওঁটে এতিয়াও ৰামায়ণৰ আধ্যা শেষ কৰা নাই। সি সদায়ে খাই বৈ উঠি ৰামায়ণৰ এক আধ্যা পঢ়ে। শ্ৰোতাই তাক বেঢ়ি ধৰি তাৰ অৰ্থ ভাঙনি শুনি আপ্লুত হয়। সি এটা অনুমান কৰিলে তাৰ তাতো আজি বৰ বেছি শ্ৰোতা নাই।

বেৰেকটো কাৰখানাৰ মালিকৰ। খেৰৰ বৰ দীঘলীয়া জুপুৰী ঘৰ। এইটো বেৰেকত পঞ্চাশজনমান মজদুৰ থাকে। মাজে মাজে দুই একোঘৰ অনা অসমীয়া মজদুৰ আছে যদিও এই বেৰেকটোৰ প্ৰায়বোৰ মানুহেই অসমীয়া। মালিকৰ আন এটা বেৰেক আছে। কাৰখানাৰ সেইটো ফালত। তাতো প্ৰায় চল্লিশজনমান মজদুৰ থাকে। তাত প্ৰায়বোৰ অনা অসমীয়া মজদুৰ। তাতো দুই একোঘৰ অসমীয়া আছে। বেৰেকৰ দীঘলীয়া বাৰান্দাত ল'ৰা-ছোৱালীবোৰে পিলপিলাই দৌৰি ফুৰে।

ঘৰ সোমায়েই নৰেশ্বৰে দেখিলে ঘৈণীয়েকে কেৰাচিনৰ চাকি গছ আগত জ্বলাই লৈ জৰাজীৰ্ণ বিচনাখনত বহি টোপনিয়াই আছে। সি ঘৈণীয়েকক মাত লগালে—এনেকৈ টোপনিয়াই মৰিছ যে শুই থাকিলে কি হয়? হো ল। এইবুলি সি আটা আধা কিজো

আৰু এপোৰা আলু থকা টোপোলাটো ঘৈণীয়েকৰফালে আগবঢ়াই দিলে।

ঃ ইমান ৰাতি কিয় হ'ল? নিজেনো এনেকৈ অসুখীয়া গাৰে ক'ত ঘুৰি ফুৰে? ইহঁত কেইটাও খালি পেটে শুই থাকিল।

ঃ কনক কিবা খুৱালি নে?

ঃ কি খুৱাম? অকনমান বাহি পিঠাগুৰি সিজোৱা আছিল তাকে খুৱালো।

নৰেশ্বৰে বাহিৰলৈ ওলাই গ'লে যাওঁতে ঘৈণীয়েকক কৈ যায় ৰাতি হ'ব পাৰে শুই থাকিবি। কিন্তু তাই নোৱাৰে। হাজাৰ হওক নিজৰ মতাটো দিনৰ দিনটো কাম কৰি ৰাতি দেৰি কৰিলে তাইৰ মনটো বৰ বেয়া লাগে। মানুহটোৰ বয়সো বাঢ়ি আহিছে। আজি কালি প্ৰায়েই ইটো সিটো বেমাৰ লাগিয়েই থাকে। সেয়ে সি নহালৈকে তাই নোশোৱে।

তাতে আজি কাৰো পেটত এটি খুদকণো যোৱা নাই।

ঃকি ভাবি আছ? যা। এতিয়াও কটি কৰ আৰু লগতে আলুও অলপ ভাজ। ৰাতি হলেও হল। পইছা নাপালো নহয়। দুটকাহে আনিলো। তাৰো নাই হেনো। সিও দিনহাজিৰাহে কৰে; কৰপৰা দিব সি?

নৰেশ্বৰে পইচা বিচাৰি গৈছিল তাৰ সম্বন্ধীয় ভায়েকৰ ওচৰত। কাৰণ বেমাৰত পৰি থকা কেইদিন বেৰেকৰ আপোন মানুহকেইজনে তাক সাধ্যানুযায়ী সহায় কৰিছে। আজি সিহঁতৰ ওচৰত হাত পাতিবলৈ তাৰ লাজ লাগিল।

ভায়েকৰ ঘৰৰ-পৰা আহোতে ৰাতিয়েই হ'ল। ভতিজাক কেইটাই লগ পালে তাক আৰু নেৰে। কোনোবাটোৱে ভিঙিত ধৰে; কোনোবাটোৱে আঠুত বহে।

ঃ হেৰি নহয়।

কথাবাৰত নৰেশ্বৰে ঘৈণীয়েকৰ মুখৰ ফালে চালে। ঘৈণীয়েকৰ চকুদুটা চলচলীয়া

: কি হল তোৰ ? চকুপানী দেখোন ?

সি যদিও কথাবাৰ টানকৈ কলে তথাপিও সি, অন্তৰৰ কোনোবা খিনিত বেদনা অনুভৱ কৰিলে। কাৰণ দিনৰ দিনটো লৰা-ছোৱালী কেইটাই একো খোৱা নাই অথচ সি সেইটো কথা পাহৰি ইমান ৰাতিলৈকে ঘৰ সোমোৱাহি নাই। মাকজনীয়ে এনেকৈ আগত লৈ চাই থাকিব পাৰেনে ?

: নিজেনো এইবোৰ মেল-মিটিঙত লাগিছে কিয় ? দুই এসাজ লঘোনে থাকিলে নমৰো। কিন্তু একেবাৰে মুদা মৰিব লাগিলে কি হ'ব আমাৰ অৱস্থা ? হঠাতে ক'ত সুবিধা কৰিব পাৰিব ?

: এইবোৰ কি কৈছ তই ? একেবাৰে মুদা মৰিব ?

: মালিকৰ সক ল'ৰাটো আহিছিল। সি কৈছে নিজে যদি এইবোৰ এৰি পেলায় তেন্তে মজুৰি হেনো বেছি কৈ দিব ; নহলে আমি ইয়াৰ পৰা যাব লাগিব। আমাক খেদি দিব বোলে।

: কি কলি ? খেদিব খুজিছে ? সময় আহক দেখা যাব। নৰেশ্বৰে খঙতে দাত কৰ্‌চি উঠিল। ঘৈণীয়েকৰ ফালে মুখ ঘুৰাই সি কলে— তাৰ চৰিত্ৰ ভাল নহয়। ইয়াত সোমাবলৈ নিদিবি। লম্পট !

নৰেশ্বৰৰ অনুপস্থিতিত মালিকৰ সক ল'ৰাটো তাৰ ঘৰলৈ আহে। সিহঁতৰ ঘৰৰ খবৰ বাতৰি লয়। নৰেশ্বৰৰ ছোৱালী সলিতাৰ লগত দুই চাৰিটা কথা পাতে। অভাৱ অনাটনৰ মাজত ডাঙৰ হৈছে যদিও তেজে ফুটো ফুটো কৰে চেহেৰা তাইৰ। অভাৱৰ কাৰণে ষষ্ঠমানলৈ পঢ়ি তাইৰ আৰু পঢ়া নহ'ল। পঢ়াত কিন্তু বৰ বেচি বেয়া নাছিল। পঢ়া এৰাৰ আজি দুই তিনিবছৰ হ'ল। আজি-কালি তাই মাকক কামত সহায় কৰে। তাইয়ো তাৰ লগত কথা পাতি ভাল পায়। নৰেশ্বৰৰ ঘৈণীয়েকে কিন্তু সিহঁতৰ প্ৰতি নজৰ ৰাখে। বুদ্ধি কৰি এবছৰীয়া কেচুৱাটো সলিতাৰ হাতত দি যায়। কি ঠিক ? উজান বয়সৰ ছোৱালী ! ভাল কোনটো বেয়া কোনটো

এতিয়াও বুজা হোৱা নাই। কিবা এটা সৰ্ব্বনাশ কৰিলে শেষতঃৰে কি হ'ব? পইচাৰ অভাৱত থকা ছোৱালী পইচাৰ মুখ দেখিলেই কিবা এটা ভুল কৰাৰ সম্ভাৱনা থাকে।

ঃ খণ্ডতে আছে দেখোন? কথা এটা কওঁ বুলি ভাবিছিলো। এইবুলি নৰেশ্বৰৰ ঘৈণীয়েকে অলপ আঁতৰি গৈ মোনাটোৰ পৰা বস্তু উলিয়াবলৈ ধৰিলে।

ঃ সলিতাৰ মাক! তই দিনক দিনে ৰৰ বুদ্ধিৰে কথা কব জনা হৈছ অ। কচোন কি কব খুজিছ।

ঃ সলিতাক কৰবাত গটাব লাগে। নহলে ভাই কেতিয়াবা বিপদ কৰিব। গৰখীয়াৰ দৰে কিমান ৰখি থাকিম?

ঃ কি হৈছে ভালকৈ ক।

ঃ মালিকৰ সক ল'ৰাটোৱে আমি আজি লঘোনে থকা বুলি জানি সলিতাৰ হাতত টকা পঞ্চাশটা দিব খুজিছিল। তাই হাত নাপাতি মোৰ ফালে চোৱাত মই মানা কৰাত তাই নললে। কি ঠিক কেতিয়া কি বিপদ হয়?

: কুকুৰৰ পোৱালীহঁতে ইয়াতো হাত দিবলৈ আহিছে? মানুহৰ মান-ইজ্জত কিনিবলৈ আহিছে? দেখিবি ইহঁতক শেষ কৰিহে এৰিম।

খণ্ডতে নৰেশ্বৰে ফোপাবলৈ ধৰিলে। এনেতে বাহিৰত কাৰোবাৰ মাত শুনি নৰেশ্বৰে খণ্ডটো সামৰি বাহিৰলৈ ওলাই আহি দেখিলে লচ্‌মন বুঢ়াক।

ঃ অ লচ্‌মন কাকা। আহ আহ ভিতৰলৈকে আহ। মইয়ে তোৰ ওচৰলৈ যাম বুলি ভাবিছিলো।

লচ্‌মন বুঢ়া সিটো বেৰেকত থাকে। বুঢ়া হোৱাৰ পৰা কাম কৰিবলৈ বাদ দিছে। তাৰ ল'ৰাইহে কাম কৰে। বিহাৰী মানুহ যদিও সি ইতিমধ্যে হাড়ে-হিমজুৱে অসমীয়া হৈ গৈছে। ল'ৰা-ছোৱালীকো অসমীয়া স্কুলত পঢ়ুৱাইছিল।

ঃ কি হৈছে? বৰ খং খাইছ দেখোন।

. নকৰি আৰু। সেইবোৰ বাৰু পিচত কম দে। কিয় আহিলি এই ৰাতিখন? কচোন।

লচ্‌মন বুঢ়াই কোনো কথাৰ অৱতাৰণা নকৰাকৈ কবলৈ ললে।

ঃ তই শুনা নাইনেকি— কাজিয়া লাগিছে? অলপ আগতে চ'ৰৰ সিটো মূৰত দুই তিনিটা খুনও হৈছে। আচলতে কাজিয়া লাগিছিল বেলেগ কাৰণত। কিন্তু কোনোবাই এনেধৰণৰ কথা কৈ ইয়াক গুৰুতৰ কৰি পেলাইছে। এতিয়া ওলোৱা সোমোৱা কৰাই ভয় হৈছে। যদি আমাৰ মাজতো ভুল বুজা-বুজি হয়।

নৰেশ্বৰে হা কৰি মুখ মেলি থাকিল। ইমানবোৰ অঘটন হৈছে সি গমেই পোৱা নাই। সি এতিয়াহে বুজিলে যেৰেকৰ মানুহবোৰ আজি ইমান ৰাতিলৈকে কিয় শোৱা নাই।

ঃ মই একোকে গম পোৱা নাই কাকা। তই সিটো যেৰেকৰ মানুহখিনিক ভালকৈ কথাটো বুজাই কৈছনে নাই? মই ভাবো আমাৰ মাজত কোনো অঘটন নহব।

: মইতো তেনেকৈয়ে ভাবো। কিন্তু আমাৰ বেৰেকৰ বহুতে তইঁতক সন্দেহ কৰিছে। তাতে তইঁতে হেনো আমাক কাৰখানাৰ পৰা খেদিবলৈ ওলাইছ। যদি আজিয়েই তেনে কোনো অঘটন ঘটে।

ঃ আমি তইঁতক কেনেকৈ খেদিম কাকা? খেদিলে মালিকেহে খেদিব পাৰে।

ঃ কাৰখানা মালিকে মোক মাতি নিছিল আৰু কি কৈছিল জান? কৈছিল—লচমন! নৰেশ্বৰহঁতক বিশ্বাস নকৰিবি। সিহঁতে যে ইউনিয়ন কৰিছে সেইটো আচলতে তইঁতক কাৰখানাৰ পৰা তাঁতৰ কৰাৰ চক্ৰান্ত। মজুৰি বঢ়োৱা দাবী আদি মিছা কথা। মই ভিতৰে ভিতৰে কথাটো গম পাইছো।

নৰেশ্বৰে আচৰিত হৈ বুঢ়াৰ মুখৰ ফালে চালে। কোনো

ভাৰাত্তৰ নেদেখিলে। তেতিয়া সি বুজিলে বুঢ়াই মালিকৰ কথাত পতিয়ন গৈছে ।

ঃ লচমন কাকা। তই মোক বিশ্বাস কৰ নে নকৰ?

ঃ নকৰিলে তোৰ ওচৰত আহি সকলো কথা খুলি কওঁনে?

ঃ তেন্তে শুন। প্ৰথমতে ইউনিয়নটো অকল অসমীয়াৰ নহয়, তাত তইঁতো আছ । দ্বিতীয়তে মালিকে মোকো কেইদিনমানৰ আগতে মাতি নিছিল আৰু কি কৈছিল জান?

নৰেশ্বৰ! তোক এটা কথা কওঁ বুলি মাতি আনিছো । তোৰ মঙ্গলৰ কাৰণেহে কব খুজিছো। কাৰণ তয়ো অসমীয়া আৰু ময়ো অসমীয়া। অসমীয়াই অসমীয়াৰ কথা নাভাবিলে কোনে ভাবিব? লচমন বুঢ়াৰ লৰাটোক তোৰ ঘৰত সোমাব দিয় কিয়? সি এটা লম্পট। তোৰ গাভৰু ছোৱালী আছে। ঈশ্বৰে নকৰক যদি কিবা এটা গোলমাল হৈ যায় কাৰ মান ইজ্জত যাব। ভবিষ্যতে তোৰ ঘৰ সোমালে গতিয়াই বাহিৰ কৰি দিবি। আৰু চা তই নোৱাৰ যদি ময়ে কিবা এটা ব্যৱস্থা কৰিম। তই হা বুলি কলেই হ'ল। লচমন বুঢ়াৰ মুখখন উজ্জ্বল হৈ উঠিল আৰু সি কলে—বুজিলো নৰেশ্বৰ ।

ঃ কি বুজিলি লচমন কাকা?

ঃ আচলতে আমাৰ ইউনিয়নটো ভঙাৰ কাৰচাজি কৰিছে।

ঃ ঠিক ধৰিছ তই। তেন্তে বল এতিয়াই। আটাই খিনি মানুহক কথাটো বুজাই কব লাগিব। নহলে ফিৰিঙতিৰ পৰা খাণ্ডৱদাহৰ সৃষ্টি হ'ব পাৰে।

ঃ কি বুলি বুজাবি নৰেশ্বৰ?

ঃ বুজাম — তেজক পানী কৰি কপালৰ ঘাম মাটিত পেলাই খাতি খোৱা মানুহ বিভিন্ন সম্প্ৰদায়ৰ হলেও বিভিন্ন ধৰ্মৰ হলেও বিভিন্ন জাতিৰ হলেও, আমি সদায় এক। কাৰখানাৰ মালিকৰ নিচিনা মানুহবোৰহে আচল শত্ৰু।

গামোচা

(১)

লেম্পটোৰ টিমিক্-ঢামাক্ পোহৰত সাবিত্ৰীয়ে বাঁহৰ বিচনাখনৰ এটা মূৰত বহি বহি গিৰিয়েকৰ কথাকে ভাবিছে। ইমান ৰাতি হ'ল— গিৰিয়েক আহি পোৱা নাই কিয়? সাধাৰণতে গিৰিয়েক ন বজাৰ আগতে আহি পায়হি। আজি ইমান ৰাতি হোৱাৰ কাৰণ কি?

তিনি বছৰীয়া একমাত্ৰ কেচুৱাটো বিচনাত শুৱাই দি শতছিদ্ৰ আঠুৱাখন পেলাই দিলে সাবিত্ৰীয়ে। যোৱা ৰাতিয়েই দুয়ো আলোচনা কৰিছিল— পোনাকণৰ কাৰণে পেলুৰ ঔষধ আৰু এটা চোলা, তাইৰ নিজৰ কাৰণে এটা গোন্ধ তেলৰ বটল, গিৰিয়েকৰ কাৰণে এটা গেঞ্জী আৰু এখন গামোচা আনিব লাগিব। বস্তুকেইপদ আজি আহোঁতে হে অহাৰ কথা।

গোন্ধতেলৰ বটলৰ কথা মনত পৰোঁতে সাবিত্ৰীৰ মনত এটা অদ্ভুত শিহৰণ জাগিল।

শৰত কালৰ এটি নিশা। শৰতৰ জোনাক নাৰিকলৰ পাতত পৰি প্ৰতিফলিত হৈ যেন নাৰিকলৰ পাতত মিঠাতেলৰ চামনিহে পৰিছে। হাতত সাৰে ভৰিত সাৰে সাবিত্ৰী লাহে লাহে ঘৰৰ বাহিৰ হৈ আনন্দৰ ঘৰত সোমালহি। ঘৰ মানে ঘৰটোৰ এছোৱাত এখাচাদৰখন থাকে আৰু আনছোৱাত আনন্দক থাকিবলৈ দিয়া হৈছে। আনন্দ এখাচাদৰখনৰ ড্ৰাইভাৰ।

আনন্দই সাবিত্ৰীৰ আগমনলৈ বাট চাই অধীৰ হৈ আছিল। "দুৱাৰখন মেলি সাবিত্ৰী লাহেকৈ সোমাই পৰিল।

"সাবিত্ৰী আহিছ ? আহ ভিতৰলৈ"— এই বুলি আনন্দই লেম্পৰ ফিটাডাল সামান্য বঢ়াই দি সাবিত্ৰীৰ মুখলৈ চালে।

"দেখি নকৰো। বাৰ লাগে। নহলে ধৰা পৰিব লাগিলে ..."
সাবিত্ৰীয়ে কথাষাৰ কৈ আনন্দৰ মুখলৈ চালে। আনন্দই উঠি গৈ হাতত বস্তু এটা লৈ সাবিত্ৰীক দি কলে— "হো লচোন।"
"কি ?"
"চা। দেখিবি নহয়।"
সাবিত্ৰীয়ে বস্তুটো হাতত লৈ আনন্দৰ মুখলৈ চালে। মিচিকিয়া হাঁহি এটা মাৰি আনন্দক প্ৰশ্ন কৰিলে "কি কৰিব লাগে ?"
"সোপাটো ঢিলা কৰি থৈছো। মূৰত ঘঁহ। ইমান জপৰা হৈ থাক তই। মূৰটো কনিয়াই ল।"— এইবুলি আনন্দই তাইলৈ ফণীখন আগবঢ়াই দিলে।
তাইও বাধ্য হৈ সোপাটো খুলি নাকেৰে দুবাৰমান শুঙি চালে। বঢ়িয়া গন্ধ। সময় খৰচ নকৰি তাই তৎক্ষণাৎ হাতত তেল লৈ জয়ৰপৰা তেল নেদেখা মূৰটোত ঘঁহি দিলে। ফণীখনেৰে চুলিৰ জোত ভাঙি তপিনাত পৰা চুলিকোচা বান্ধি ললে তাই। ইতিমধ্যে আনন্দই সেন্দুৰৰ টেমা এটাৰ পৰা নিজ হাতে সেন্দুৰ লৈ তাইৰ শিৰত ফোঁট দিবলৈ উদ্যত হোৱা দেখি সাবিত্ৰীয়ে বাধা দি ক'লে—"কি কৰা এইবোৰ ? বিয়া নৌহওঁতেই নাপায় নহয়।"
"নহলে বাটত মানুহে দেখিলে আমাক সন্দেহ কৰিব।"
কথাটো সাবিত্ৰীয়েও গমি চালে। কথাটো নোহোৱা নহয়। ভাবি গুণি তাই মান্তি হ'ল। শিৰত সেন্দুৰৰ ফোট পৰাৰ লগে লগে তাই আনন্দৰ দুই ভৰি চুই সেৱা কৰিলে। তাই দুখোজমান আঁতৰলৈ গৈ থিয় দিলে।
"আহ মোৰ ওচৰলৈ। আহ, আহচোন।"
ইমানদিনে আনন্দৰ ওচৰলৈ গৈ মনৰ কথা নিঃসংকোচে খুলি কব পৰা সাবিত্ৰীৰ আজিহে তাৰ ওচৰলৈ যাবলৈ সংকোচ লাগিল। তাই লবচৰ নকৰাকৈ তললৈ মূৰ কৰি থাকিল। আনন্দই ভেতিয়া তাইৰ ওচৰলৈ আহি তাইক সাৱটি ধৰি কপালত এটা চুমা খাই কলে—

“বল এতিয়া। দেৰি হ'ল।. চাহাবে গম পাব লাগিলে সৰ্বনাশ হব।” এইবুলি আনন্দই তাৰ অ'ত ত'ত মামৰে ধৰা সক টিনৰ চুটকেচটো হাতত ললে। দুয়ো সাৰসুৰ নোহোৱাকৈ ঘৰৰ বাহিৰ হ'ল।

কেইখোজমান গৈয়ে আনন্দই হঠাৎ থমকি বৈ সাবিত্ৰীক কলে—
ৰহচোন ইয়াতে অকনমান। মই গাড়ীৰ চাবিটো লগাই থৈ আহো।”

আনন্দই তৎক্ষণাৎ গাড়ীৰ দুৱাৰখন খুলি চাবিটো লগাই থৈ শেষবাৰৰ কাৰণে দুৱাৰখন বন্ধ কৰিলে। এবাৰ গাড়ীখন হাতেৰে চুই চালে। প্ৰিয়জনৰ বিৰহ বেদনা আনন্দই অনুভব কৰিলে।

আজি দহবছৰে সেইখন গাড়ীকে চলাই আহিছে আনন্দই। পোহনীয়া জন্তুৰ দৰে গাড়ীখনে আনন্দৰ কথামতে যেন উঠা বহা কৰিছিল। আনহাতে চাহাবে তাক মৰম আৰু বিশ্বাস কৰিছিল। বেছি দৰমহাৰ কাৰণে অন্য গাড়ীলৈ যাব বিচাৰিলে তাৰো বেতন বঢ়াই দিছিল।

তথাপিও আনন্দই তাৰ শ্ৰদ্ধাৰ পাত্ৰ চাহাবক এৰি যাব বিচাৰিছে। কথাটো ভাবোঁতে আনন্দৰ চকুপানী নামি আহিল। কিন্তু আনন্দ যাবই লাগিব, একমাত্ৰ সাবিত্ৰীৰ কাৰণে।

সাবিত্ৰীক যেতিয়া এইখন ঘৰলৈ তাইৰ দেউতাকে ঘৰৰ কাম কৰা হিচাপে থবলৈ লৈ আহিছিল, তেতিয়া তাই পাট গাভৰু। দেউতাকৰ বাহিৰে তাইৰ কোনো নাছিল সংসাৰত। দেউতাক মৰিবৰ আজি এবছৰমান হ'ল। তাইৰ এতিয়া আপোন বুলিবলৈ কোনো নাই। তাইও চাহাবৰ ঘৰত থাকি ভালেই পাইছিল। চাহাবৰ মৰমত তাই তাইৰ নিজৰ দেউতাকৰ মৰম কণ বিচাৰি পাইছিল। দিয়াচেলাইৰ কাঠিটো লাগিলে চাহাবে চিঞৰিব “সাবিত্ৰী”, নলী থকা হোকাটো সামান্য আঁতৰ কৰি থব লাগিলেও “সাবিত্ৰী”, লোহাৰ প্ৰকাণ্ড গেটখনত খটংকৈ উঠিলেও “সাবিত্ৰী যাচোন ক্ৰোন আহিছে”। অথচ আন আন চাকৰ-নাকৰ চাহাবৰ ওচৰত ঘূৰাপকা কৰি থাকিলেও চাহাবে সিহঁতক মুখেৰে এবাৰ নকয়।

সাবিত্ৰীৰ মনটোৱেও চাহাবক এৰি যাবলৈ সদায়ে বাধা দি আহিছিল। চাহাবক শুশ্ৰষা কৰি তাই যেন দেউতাককহে শুশ্ৰূষা কৰিছিল। তথাপিও তাই যাবলৈ ওলাইছে। তাইৰ এনে সিদ্ধান্তৰ কাৰণ নথকা নহয়।

আজি কেইদিনমানৰ পৰা চাহাবৰ নুমুলীয়া পুতেকৰ চাল-চলন আৰ ভাৱত সাবিত্ৰী অতিষ্ঠ হৈ উঠিছে। কেইবদিনো সি সাবিত্ৰীৰ গাত হাত দিবলৈ চেষ্টা কৰিছিল। অৱশেষত সাবিত্ৰীয়ে বুজিলে যে চাহাবৰ ঘৰত থকাটো অসম্ভৱ হৈ আহিছে। উপায়হীন হৈ এদিন সাবিত্ৰীয়ে আনন্দক কথাটো বিবৰি ক'লে। কথাটো শুনি আনন্দ গৰ গৰাই উঠিল।

"চাহাবৰ সন্তান চাহাবৰ দৰে থাকিব লাগে। ডাল-দৰিদ্ৰৰ গাত হাত দিবৰ কোন চালা নটীৰ বাচ্ছা। আৰু কোনোবা দিনা যদি আগবাঢ়ে দৌৰি আহিবি মোৰ ওচৰলৈ ; চালাক কীচকক বধ কৰাদি বধিম। চিনি পোৱা নাই আনন্দক — আনন্দ ড্ৰাইভাৰক।" দাঁত কচবি আনন্দই যেন নিজৰ মঙহ নিজে কামুৰি খাব খুজিছে। সাবিত্ৰীয়ে আনন্দৰ এনে দুৰ্জেয় পৌৰুষ দেখিয়েই হয়তো কব নোৱাৰা-কৈয়ে আনন্দৰ ওচৰত আত্ম সমৰ্পণ কৰি পেলাইছিল।

সোতে-সোতৰে লগ লাগি দুয়ো চাহাবৰ ঘৰৰপৰা বাহিৰ হ'ল। দেহ দুটাকে আয়ৰ মূলধন হিচাপে লৈ দুয়ো এখন সুখৰ সংসাৰ ৰচনা কৰিবলৈ উধাও হ'ল।

এইখন চহৰৰ ক্লেদাক্ত গলি এটাত ৰেতিয়া সিহঁতে থিতাপি ললে আন দহজনৰ দৰে আনন্দও কৰ্মহীন হৈ পৰিল। দুয়োৰে হাতত যি দুই চাৰি টকা আছিল, কেইদিনমানৰ ভিতৰতে সিও নিঃশেষ হৈ পৰিল। আনন্দ-সাবিত্ৰীয়ে চকুৰে ধোৱা-কোৱা দেখিলে। এতিয়া উপায় ?

অৱশেষত আনন্দই ৰিক্সা এখনকে চলাবলৈ ললে। ৰিক্সাৰ মালিকক দৈনিক সাত টকা দি আৰু দিনটোত আনন্দই নিজে এবাৰ

নোৱাৰা খৰচ কৰি উঠি ঘৰলৈ যাওঁতে তাৰহাতত থাকেগৈ দহ টকামান। সেই দহটকাৰে তিনিটা মানুহৰ পৰিয়াল এটা কোনোমতে চলিব নোৱাৰি। সাবিত্ৰীয়ে তাৰে কিবাকৈ চলাই দিয়ে। কিন্তু পোনাকনক লাহে লাহে বেছি খাদ্য প্ৰয়োজন হোৱাত সাবিত্ৰীয়ে আনন্দক কেইবা-দিনো কৈছিল— "পোনাকণৰ বাবে কিবা এটা নকৰিলে ·· ·· ··।" সেইদিনাখনো সাবিত্ৰিয়ে একেদৰে পাতনি মেলাত আনন্দই সাবিত্ৰীৰ কথাত দপ্‌দপাই উঠিল— "ক'ত কিবা এটা কৰিবি তই? আকৌ কাৰোবাৰ ঘৰত কাম কৰাকৈ থাকিলেহে হ'ব!"

কেতিয়াবাই কলো বোলো কাগজ কেই কিলোমান মোক আনি দিয়া। বহি থকাতকৈ ঘৰতে ঠোঙাকে বনাব পাৰো। দুই চাৰি টকা যদি পাওঁ অন্ততঃ পোনাকণৰ বাবে ·· "

"থ থ তোৰ পৰিকল্পনা। কোনে তোৰ ঠোঙা কিনিব? প্ৰায়েই বন্ধ হৰতাল; আজি বোলে অগ্নিশিখা লৈ প্ৰচেছন; কালি বোলে পিকেটিং। দেখিছনে নাই? মাহত দোকান-পোহাৰ কিমান দিন খোলা থাকে?"

"সেইবুলি কিবা এটা নকৰিলে চলিবা কেনেকৈ?" সাবিত্ৰীয়ে আনন্দৰ আগত ফিকা চাহৰ ভঙা কাচৰ গিলাচটো দাঙি ধৰি অনুনয়নৰ সুৰত কলে।

"বহচোন ইমান অধৈৰ্য্য নহবি। দিনকাল সদায় এনেকৈয়ে যাব নে? কিবা এটা ভাল হব বুলিহে ল'ৰাইঁতে এনেকৈ মৰণকো আকোৱালি লৈছে।"

"তাৰমানে আমাৰ দৰে মানুহবিলাক মৰি শেষ হলেহে দেশৰ ভাল হ'ব। কিন্তু তেওঁলোকে আমাক বন্ধ নে কি এইবোৰৰ পৰা ৰেহাই দিব নোৱাৰে নেকি? আমাৰ দৰে মানুহবোৰে কেনেকৈ জীয়াই থাকো তেওঁলোকে নাজানে নেকি?"

আনন্দই সাবিত্ৰীৰ কথাত তভক মাৰি বহিল। সিও ভাবি চালে। কথাটো হয়তো। এদিন ৰিক্সা চলাব নোৱাৰিলেই সিইতে

পেটত গামোচা বান্ধিব লাগে। ভাঙবে বাক নাপালেও দুই এটন চলি যায়। কিন্তু হাজাৰ হাজাৰ লাখ লাখ শিশু। সিইঁতে কি খাই বাচি থাকিব? নিজৰ মনতে উদয় হোৱা প্ৰশ্নটোৱে আনন্দক কেন্দ্ৰীয়ে বিন্ধাদি বিন্ধিলে।

হঠাৎ সিদিনাখন কি যে হ'ল আনন্দই বিক্সা চলাই ভাড়া পোৱা নাই। এজন নামিবলৈ সময়কে নাপায়, আন এজন কটকৈ বিক্সাত বহি পৰে। মানুহবোৰে যেন আনন্দ নহলে একোকো নিয় নোৱাৰে এনে এটা সাংঘাতিক পৰিস্থিতি। ৰাতি দহমান বজাত যেতিয়া আনন্দই ভৰি হাত ধুই জিৰণি ললে তেতিয়া সি বুজিলে যে পেট্ৰল আৰু ডিজেলৰ অভাৱত গাড়ী মটৰ বন্ধ। আজি কেইদিনমান ধৰি অসমৰ আটাইকেইটা বিফাইনাৰী আন্দোলনৰ পৰিস্থিতিৰ বাবে বন্ধ হৈ থকাত তেলৰ ইমান নাটনি। কেৰাচিন এটোপা বজাৰত পাবলৈ নাই। সেয়ে আনন্দহঁতে দৰকাৰ নহলে লেম্প চাকি নজলায়।

ৰাতি খাই বৈ উঠি আনন্দ আৰু সাবিত্ৰী বিচনাত বহিল। বহাৰ লগে লগে বিচনাখন বুঢ়া মানুহৰ সোলোক-ঢোলক দাঁতৰ দৰে লৰাদি লৰি উঠিল। আনন্দই সাবিত্ৰীৰ হাতত পইচাখিনি দি কলে— "ল চোন। কাইলৈ ফুলাম গামোচা এখন কিনিব লাগিব আৰু বিক্সাৰ মালিককো সাত দিনৰ বাকীখিনি দিব লাগিব।"

সাবিত্ৰীয়ে ঘামত তিতি লেতুসেতু হোৱা এটকীয়া দুটকীয়া নোটবোৰ লেখি লেখি আনন্দৰ ফালে চাই আচৰিত হৈ কলে— "ইমান পাইছা আজি?"

"আজি গাড়ী-মটৰ চলা নাই নহয়; সেয়ে।"

সাবিত্ৰীয়ে মনতে ভাবিলে সদায় যদি এনেকৈ গাড়ী-মটৰ নচলিলহেঁতেন। কথাখিনি ভাবোতে সাবিত্ৰীৰ মনটো আনন্দত ভৰি পৰিল।

"বিহু নাহোতেই ফুলাম গামোছা কেলেই? অৱশ্যে বিহু মাৰিবৰ মন আৰু আন এজনী চপাই লোৱাৰ ..." — এইবুলি

সাবিত্ৰীয়ে আনন্দৰ কিচ্ কিচ কৰে ক'লা কেঁকোৰা চুলিত পৰি থকা এলাহ্মৰ টুকুৰাটো পেলাই দিলে।

"তোৰ দৰে এজনী থাকোঁতে আৰু এজনী চপাই লৈ মৰিলেহে হব। তই শুদাই এবিবি জানো ?" — আনন্দই সাবিত্ৰীৰ কপালত চুমা এটা খাই কলে—"গামোচাখন লাগিব। তই কথাটো বুজা নাই; সেইখন মূৰত মাৰি ৰিক্সা চলালেহে দুই-চাৰি পইচা আহে যদি। নহলে পইচা পোৱাটো বাদেই কোনোবাদিনা তই মোৰ মৰাশটোও দেখা নাপাবি।"

হঠাৎ সাবিত্ৰী গহীন হৈ পৰিল আৰু বজ্ৰপাত পৰা মানুহৰ দৰে আনন্দৰ ফালে চাই থাকিল। এইবোৰ কি কৈছে আনন্দই ? সাবিত্ৰীৰ চকুৰ আচৰিত প্ৰশ্নটো মন কৰি আনন্দই কলে—"দেশৰ পৰিস্থিতি বৰ বেয়া। সেই কাৰণেহে কৈছো। কোনোৱে কাকো বিশ্বাস নকৰে। ইজনে ভাবে সিজনে মাৰিবলৈ আহিছে, সিজনে ভাবে ইজনেহে মাৰিবলৈ আহিছে। মানুহ বিলাক একোটা একোটা জন্তু হৈ পৰিছে। একোটা একোটা দুই ঠেঙীয়া জন্তু।" আক্ৰোশতে যেন আনন্দৰ মুখৰ পৰা কথাখিনি ওলাই আহিল।

"কিন্তু পোনাকণৰ কাৰণে এটা চোলা আৰু এটা পেলুৰ ঔষধহে লাগিছিল। তদুপৰি তোমাৰ গেঞ্জীটোও দেখোন একেবাৰে ফালিচিৰি নাইকিয়া হৈছে। আৰু ··।" এইবুলি সাবিত্ৰী থমকি ৰ'ল। কথা বন্ধ কৰি সাবিত্ৰীয়ে আনন্দৰ নোমাল বুকুত ওলমি থকা ঘামবোৰ মচি মচি পুনৰ কলে—"তুমি বৰ খিনাইছা। হোটেলত বোধহয় একো নোখোৱা। কেৱল খালী চাহ সোপা পি থাকা। এনেকৈ আজিৰ নালাগে। অন্ততঃ শুকান কটি আৰু তৰকাৰী···"

"পইচা থাকিলেহে খাব পাৰি। তয়ো দেখোন খিনাইছ।"

এই বুলি আনন্দই সাবিত্ৰীক গাৰ ওচৰলৈ চপাই নি কলে—"আৰু কিবা এটা লাগে বুলি তই কব খুজিও নকলি দেখোন ?"

"এইখিনি পইচাৰে নুকুলাব। নালাগে দিয়া এতিয়া পিচত আনিলেও হ'ব।"

"ভই কৰলৈ টান পাইছ কিয় ? ক চোন।"

"নকওঁ। পিচত কম।"

"কবই লাগিব। এতিয়াই।" এইবুলি আনন্দই সাবিত্ৰীৰ গলধনৰ চুটি চুটি চুলি কেইডাল মানত ধৰি টানি দিলে। সাবিত্ৰীয়ে উ উ কৰি ক'লে — "এৰি দিয়া বুলিছো নহয়, এৰি দিয়া। আজি ইমান দিনে যে মূৰত তেল একণ দিব পৰা নাই, সেইফালে নজৰ আছে জানো ?"

"অ' বুজিলো। চাহাবৰ ঘৰত যে দিছিলো তেনেকুৱা গোন্ধ তেলৰ বটল।" হা হা কৈ হাঁহি দিলে আনন্দই।

"হৈছে যোৱা।" সাবিত্ৰীয়ে আনন্দৰ হাতৰ পৰা এৰা দি আঁতৰি বহিল।

"অহাকালি আহোতে লৈ আহিম দে। আৰু শুন" কথাৰ সুৰ সলনি কৰি আনন্দই ক'লে — "ইমান ৰাতিলৈকে মোৰ কাৰণে বহি নাথাকিবি, বুইছ ? তোৰ কাৰণেই বেয়া।"

সাবিত্ৰী গা-ভাৰী হবৰ আজি প্ৰায় চাৰিমাহ হ'ল। সেই কাৰণেই আনন্দই সাবিত্ৰীক সাৱধান কৰি দিলে। ওচৰৰে দাস ডাক্তৰক দেখুৱাম বুলি ভাবিও সি পইচাৰ অভাৱত দেখুৱাব পৰা নাই। সপ্তাহে-পষেকে মাছ এচলকে খাবলৈ নোজোৰে। ডাক্তৰক দেখুৱাব ক'ৰপৰা ? চাহাবৰ ঘৰত থাকোতে অন্ততঃ দৈনিক নহলেও প্ৰায়েই মাছৰ জোল হলেও খাবলৈ পাইছিল আনন্দই। কিন্তু এতিয়া ? কি যে দিনকাল পৰিল !

পিচদিনা আনন্দই পাঁচটামান টকা সাবিত্ৰীৰ হাতত দি বাকী আটাইখিনি নিজে লৈ ৰিক্সা লৈ বাহিৰ ওলাল। যেনেতেনে বস্তু কেইপদ কিনিব লাগিব। যিমান পাৰে সিমান জোৰেৰে ফাঁচী বজাৰৰ ফালে ৰিক্সাখন চলালে সি। কাৰণ আন যি নহওঁক লাগিলে গামোচাখন নহলে ৰিক্সাৰ চকাই নুঘুৰিব, গতিকে ফাঁচী বজাৰৰপৰা এখন গামোচা কিনিম বুলি আনন্দই মূৰ নোতোলাকৈ চকা চলালে।

সেই যোৱাৰী পুৱাতে ওলাই যোৱা মানুহজনৰ এতিয়ালৈকে দেখাদেখি নাই। ৰাতি প্ৰায় দহ বাজে। সাবিত্ৰীয়ে জানে আনন্দই কথা দিলে কথাৰ লৰচৰ নকৰে। আনন্দৰ এই বিশেষ গুণটোৰ প্ৰতি সাবিত্ৰীৰ শ্ৰদ্ধাশীল। এনে প্ৰমাণ তাইৰ হাতত আছে। আনন্দই সাবিত্ৰীক মাত্ৰ এদিনেই কথা দিছিল আৰু সেই কথামতেই সি সাবিত্ৰীক গ্ৰহণ কৰিছিল। কিন্তু আজি ? সোনকালে আহিম বুলি কৈ এতিয়াও দেখা-দেখি নাই। সাবিত্ৰী চিন্তাত বুৰ গ'ল। তাইৰ মনত দুশ্চিন্তা এটাই বাহ ল'লে। নিশ্চয় ক'ৰবাত আনন্দ বিপদত পৰিছে। হঠাতে সাবিত্ৰীয়ে আনন্দৰ বেপৰোৱা স্বভাৱটো জুকিয়াই চালে। যদি ক'ৰবাত ···। নাই নাই তেনেকুৱা হ'বই নোৱাৰে ।

এনেতে বাহিৰত কাৰোবাৰ মাত শুনি সাবিত্ৰী লেম্পটোৰ ফিটাডাল বঢ়াই দি ওলাই আহিল।

দুৱাৰমুখতে মানুহ এজন দেখি সাবিত্ৰী সামান্য পিচুৱাই গৈ সুধিলে—"কাক বিচাৰিছে ?"

"আনন্দৰ ঘৰ হয়নে এইটো ?"

"হয়।"

"তাক কৰি, বিত্ৰাখন বাতে কালিগতাই দি আহে। আজি আঠদিন হ'ল সি মোক পইছা দিয়া নাই। তাৰ বাপেকৰ সম্পত্তি বুলি ভাবিছে। একে অসমীয়া বুলি মৰম কৰি দিছিলো। কিন্তু বিটো দেখিছো এইবোৰ কৰি লাভ নাই। খাবখোৱাৰ জাত ! তাতকৈ মিঞা কেইটাই ভাল।"

"আপোনাক আজি দি অহাৰ কথা আছিল।"

"ক'ত্তা ? সিতো এতিয়াও মোৰ তালৈ যোৱা নাই। ক'ৰ কি-কাজ ক'ৰবাৰ !"

"যোৱা নাই ?"

সাবিত্ৰীৰ মনটো গধুৰ হৈ পৰিল। এটা বিপদৰ পদধ্বনি যেন

সাবিত্ৰীয়ে শুনিবলৈ পালে। নিশাৰ গভীৰতাই যেন সাবিত্ৰীক অশুভ ইংগিত দিছে। তাইক সান্ত্বনা দিবলৈ যেন আকাশৰ তৰা-বোৰেও ইচ্ছা কৰা নাই ।

(২)

ৰাতিপুৱাই আনন্দই ফ'াচী বজাৰলৈ গৈ দেখিলে তেতিয়াও দোকান-পোহাৰ খোলা নাই। দোকান এখনৰ পৰা গোন্ধতেলৰ বটল এটা লৈ আনন্দই ভাবিলে দোকান খোলে মানে এটা খেপ মাৰি অহাই ভাল। এইবুলি সি নুনমাটিলৈ এটা ভাৰা ললে। মাজবাটতে কিন্তু স্বাৱলম্বী দোকান এখনৰ ওচৰতে কিছুমান ল'ৰাই তাক হঠাতে ৰখাই দিলে।

সিও ৰিক্সাৰপৰা নামি আহিল আৰু ল'ৰাহঁতে তাক 'স্বাৱলম্বী' দোকানখনৰ ওচৰলৈ মাতি নিলে।

কোনোবা এজনে জোৰ জবৰদস্তিকৈ গামোচা এখন তাৰ হাতত দি কলে —"দে চল্লিশ টকা।"

"চল্লিশ টকা ?" আনন্দ আচৰিত হৈ সিহঁতক প্ৰশ্ন কৰিলে।

'অ' চল্লিশ টকা। দে বুলিছো। উলিয়াব পইচা।"

"আপোনালোকে এইবোৰ কি কৈছে ? এইখনৰ দাম হয় যদি খুব বেছি পোন্ধৰ টকা। কিন্তু চল্লিশ টকা ? আৰু মোৰ হাতত পইচা থাকিলেহে দিব পাৰো।"

"অ' ই চালা। তই ইমানদিনে গামোচা ল্যোৰা নাই কিয়। আন আন বাপেৰহঁতক দেখিছনে নাই মূৰত গামোচা মাৰি ৰিক্সা চলায় ?"

"আপোনালোকে এইবোৰ কি কৰিছে বুজি নাপাওঁ। মূৰত গামোচাখন মাৰিলেই সিহঁত অসমীয়া হৈ যাবনে ?

"অই খগেন, ধৰ ইয়াক। ই চালাই তৰ্ক কৰিবলৈ আহিছে।"
এইবুলি কোৱাৰ লগে লগে তিনি-চাৰিজন ল'ৰা আগবাঢ়ি আহিল। কোনোবা এজনে তাক বুকুত খামোচ মাৰি ধৰিলে, আন এজনে আনন্দৰ কৰ্কালত পাকখাই থকা বেৰটো খুলিলে আৰু হাতত সৰু টোপোলাটো লৈ কলে — "অই চা। পইচা নাই বুলি কৈছিল নহয়। ই '"

আনন্দৰ সহ্যৰ সীমা অতিক্ৰম কৰি গ'ল। সি হঠাৎ তাৰ নিজৰ গাত হাতীৰ দৰে বল অনুভৱ কৰিলে। কোনো কথা নভৱা-নিচিন্তাকৈ সি বুকুত খামুচি ধৰাজনৰ মুখত দিলে এটা ঘোঁচা। ল'ৰা জন কফ'াল খাই ছিটিকি পৰিল। লগে লগে চল্লিশ-পঞ্চাশ জনমান ল'ৰা আহি তাক বেৰি ধৰিলে। নেতৃস্থানীয় কোনোবা এজনে গল-গলীয়া মাতেৰে ঘোষণা কৰিলে— "ই এজন দেশৰ শত্ৰু। ইয়াক এৰি দিব নোৱাৰি। লৈ আহ জিনিস।" চাৰিওফালৰ পৰা হাত চাপৰি বাজি উঠিল। নেতাজনে গণ সমৰ্থন পোৱাৰ পিচত কোনোবা এজনে জিনিস্‌টো লৈ আহিল আৰু চাই থাকোতে থাকোতে আনন্দৰ পাছ মুৰত দুইহতীয়া লোহাৰ বদৰ কোব পৰিল। আনন্দ ঢলি পৰিল।

(৩)

তাৰ পিচত।

বিক্সাৰ মালিকজনে সাবিত্ৰীক ধমকি দি, উভতিব খোজোতেই চাৰিজন মানুহে বিক্সা এখনৰপৰা আনন্দক নমাই আনি চোতালত শুৱাই দিলে। ঠৰঙা লাগি জঠৰ হৈ পৰা আনন্দৰ দেহটো প্ৰস্তৰৰ মূৰ্ত্তি এটাৰ দৰে আকাশৰ ফালে মুখ কৰি পৰি থাকিল।

সাবিত্ৰী উত্ৰাউল হৈ দৌৰি আহিল আনন্দৰ ওচৰলৈ। শোকে খুন্দামাৰি ধাৰলে সাবিত্ৰীক মুখৰ মাত হেৰাল সাবিত্ৰীৰ।

জীৱনৰ শেষ আশ্রয়কণো সাবিত্রীৰ হাতত পৰা সুলকি পৰিল। মূকহৈ সাবিত্রী আনন্দৰ ওচৰত বহি পৰিল।

কোনোবা এজনে 'জবাকুসুম'ৰ বটল এটা আৰু এটা পঞ্চাশ পইচাৰ মুদ্রা সাবিত্রীৰ হাতত তুলি দি করুণভাৱে ক'লে—"আনন্দৰ পকেটত আছিল।"

সাবিত্রীয়ে মানুহজনৰ মুখলৈ চালে।

"হস্পিতাললৈ নিছিলো। কিন্তু তাক বচাব নোৱাৰিলো। আমি আনন্দৰ বন্ধু। আমিও ৰিক্সা চলাওঁ। কি কৰিব? সঁচা কথা আজিকালি কব নোৱাৰি। সঁচা কথা কোৱা কাৰণেই সিহঁতে আনন্দক শেষ কৰিলে।"

অপ্রাসংগিকভাৱে সি কথাখিনি কৈ গ'ল।

সাবিত্রীয়ে বটলটো লিৰিকি বিদাৰি থাকি হঠাতে হুৰাওৱায়ে কান্দিবলৈ ধৰিলে।

"আনন্দ শেষত তুমিও এৰি গ'লা!"

আনন্দৰ বুকুত মুখখন থৈ সাবিত্রী উচুপি উঠিল।

ৰিক্সাৰ মালিকজনে অস্বস্তিত ইফাল-সিফাল কৰি থাকি সিহঁতৰ এজনক সুধিলে—

"হেৰা আনন্দৰ ৰিক্সাখন ক'ত?"

"সেইখনো সিহঁতে ভাঙিচিঙি অস্তিত্ব নোহোৱা কৰিছে।" —ৰিক্সাৱালাজনে উত্তৰ দিলে।

"কুকুৰজাত! ভিকহুৰজাত! চালা তইতো মৰিলিয়েই মোৰ ৰিক্সাখনো ধ্বংস কৰিলি।" —এইবুলি ৰিক্সাৰ মালিকজনে দপ-দপাই চোতালৰপৰা ওলাই আহিল।

ৰাতিৰ অন্ধকাৰে বেৰি ধৰিলে সাবিত্রীক।

অগ্নিগৰ্ভ

মিঃ কাগ্‌তিয়ে মাৰুতীখন লৈ ওলাই আহিল। তেতিয়া ৰাতিপুৱা প্ৰায় আঠমান বাজিছে। প্ৰেছৰ মেনেজাৰ হিচাবে মিঃ কাগ্‌তিৰ এটা নাম আছে। এই বৃহৎ প্ৰেছটোৰ প্ৰায় দুই হেজাৰ কৰ্মীৰ ভিতৰত অকল মিঃ কাগ্‌তিকহে গাড়ী এখন দিয়া হৈছে। কাৰণ মিঃ কাগ্‌তি প্ৰেছৰ মালিকপক্ষৰ অতি প্ৰিয় ভাজন। কিয়নো তেওঁৰ পৰামৰ্শমতে চলা কাৰণে মালিক পক্ষৰ আজি এনে উন্নতি হৈছে।

তদুপৰি মিঃ কাগ্‌তিৰ ৰাজনৈতিক মহলত যথেষ্ট প্ৰভাবো আছে। সৰুসুৰা মন্ত্ৰীসৱে মিঃ কাগ্‌তিৰ ওচৰত ঠিয় হবলৈকে ভয় কৰে।

সেইবুলি এইটো নহয় যে মিঃ কাগ্‌তি এজন মিঃ ক্লিন। শুনা যায় মিঃ কাগ্‌তি হেনো বহুতো কেলেংকাৰী ঘটনাৰ লগত জড়িত। বহুতে কয় আন্তৰ্জাতিক গোপনীয় সংস্থাবোৰৰ লগতো হেনো মিঃ কাগ্‌তিৰ বৰ হলি গলি। কিছুমান চকু চৰহাই কব খোজে বিগত সাত আঠ বছৰত মিঃ কাগ্‌তিয়ে বোলে লাখ লাখ বিদেশী মুদ্ৰা কোনো কোনো সংগঠনক বিলাই দিছিল। কথাবোৰৰ সত্যতা বিচাৰ কৰা অৱশ্যে সহজ নহয়। তথাপিতো মিঃ কাগ্‌তিৰ চলন-ফুৰণ চাই মানুহে হয় বুলি ভাবে।

আজি পিছে মিঃ কাগ্‌তি ইমান ৰাতিপুৱাতে মিচেচ চক্ৰৱৰ্ত্তী অৰ্থাৎ কম্পোজিটৰ অনুৰাধা চক্ৰৱৰ্ত্তীৰ ঘৰলৈ অনিচ্ছা সত্বেও যাবলগীয়া হৈছে। কামটো তেওঁৰ বাবে অলপো পচন্দৰ নহয়। এনে তল খাপৰ মানুহৰ লগত মিঃ কাগ্‌তিয়ে অত্যন্ত বিপদ নহলে কথা নাপাতে। কাৰণ এই ধৰণৰ মানুহবোৰৰ শিষ্টাচাৰৰ বৰ অভাৱ।

আলফি এটা যে নমস্কাৰ দিব লাগে সেই ভদ্ৰতাকণো ইহঁতৰ নাই। হলেও মিঃ কাগ্‌তি আজি বিপাঙত পৰিল কাৰণ স্বয়ং প্ৰেছৰ মালিকে আদেশ দিছে যে এখন প্ৰচাৰ পত্ৰিকা আজিৰ ভিতৰতে প্ৰকাশ কৰি দিব লাগে। ইফা'লে কিন্তু আজিৰ পৰাই প্ৰেছ কৰ্মীবোৰৰ ধৰ্মঘট।

মি: কাগ্‌তিয়ে প্ৰচাৰ পত্ৰিকাখনৰ গুৰুত্বটো গমি চালে। প্ৰচাৰ পত্ৰিকা খনত কিছুমান গুৰুত্বপূৰ্ণ কথা আছে। যেনে ৰাজ্যৰ হাতত অধিক ক্ষমতা লাগে, এইখন আইন অতি সোনকালে সংশোধন কৰিব লাগে, চৰকাৰী চাকৰিৰে নিবনুৱা সমস্যা সমাধান কৰিব নোৱাৰি; দেশক খণ্ডিত কৰা ৰাজনীতি নচলিব ইত্যাদি। প্ৰধান মন্ত্ৰী চফৰ কৰিবলৈ অহাৰ আগতে এই প্ৰচাৰ-পত্ৰিকাখন সকলো দলীয় কৰ্মীৰ হাতত পৰিব লাগিব আৰু লগে লগে ওৱাল লিখন হব লাগিব।

মালিকৰ অসহায় অৱস্থা দেখি আৰু ইয়াৰ গুৰুত্ব বুজিয়েই মিঃ কাগ্‌তিয়ে কলে— "ঠিক আছে। চেষ্টা কৰি চাওঁ।"

চহৰখনৰ এই আওহতীয়া ঠাইডোখৰত অনুৰাধা চক্ৰবৰ্ত্তীৰ ঘৰ বুলি অফিচৰ দুই এজন কম্পোজিটৰৰ পৰা মিঃ কাগ্‌তিয়ে জানিছে। কথাটো যিহেতু অতি গোপনীয় সেয়ে মিঃ কাগ্‌তিয়ে কাকো লগত অনা নাই।

অনুৰাধা চক্ৰবৰ্ত্তীয়ে কাম কৰে এটা জৰাজীৰ্ণ প্ৰেছত। বিয়া হবৰ আজি ছয় সাত বছৰ হল। গিৰিয়েক কোনো এটা বেংকৰ পিয়ন। ল'ৰা-ছোৱালী দুটা। তথাপিতো অনুৰাধা চক্ৰবৰ্ত্তীৰ দেহাবয়ৱ আৰু সৌন্দৰ্য্যৰ অলপো হানি হোৱা নাই। প্ৰতিটো প্ৰকট ভাঁজে ভাঁজে অংকিত আছে কামনাৰ আবেদন। এসময়ত অনুৰাধাৰ ৰূপ লাৱন্যৰ জুইত দগ্ধ হোৱা ভোকাতুৰৰ সংখ্যা হৈ পৰিছিল অলেখ। সততা আৰু আত্মবিশ্বাসেৰে হংস গামিনী অনুৰাধাৰ আঁচলৰ বতাহৰ বাবেও হৈ আছিল অসংখ্য যুৱক।

কিন্তু এনে এজনী উৰ্বশীৰ বাবে বৈ আছিল কঠোৰ বাস্তৱতা। স্বামী হিচাপে অনুৰাধাই যাক পালে তেওঁ হ'ল এজন দুৰ্ধোৰ মদাহী। ফুলশয্যা নিশাই অনুৰাধাই চক খাই উঠিছিল যেতিয়া গিৰিয়েকে এসোপা গেলা মদ খাই অনুৰাধাক অ'াকোৱালি লবলৈ গৈছিল।

বিয়াৰ আগতে অনুৰাধাই কাৰোবাৰ মুখত শুনিছিল যে ল'ৰাজনে মদ খাই; তদুপৰি ল'ৰাজনে অনুৰাধাৰ সমান পঢ়াশুনাও কৰা নাই। সেয়ে অনুৰাধাই এইখন বিয়াত ঘোৰ আপত্তি কৰিছিল। দেউতাকক আনকি এনেকৈও কৈছিল— দেউতা মই জীৱনত বিয়া নকৰাওঁ। কন্যাদায়গ্ৰস্ত দেউতাকে যেতিয়া কতো ল'ৰা বিচাৰি উলিয়াব নোৱাৰি হতাশ হৈ পৰিছিল তেতিয়া কিন্তু অনুৰাধাই নিজৰ মনতে প্ৰশ্ন কৰিছিল—"এনেকুৱা কিয় হ'ল? হাজাৰ হাজাৰ থুলন্তৰ যুৱক গাৱে ভূঞে নগৰে-চহৰে আছে! কিন্তু ।

শেষত গৈ অনুৰাধাক দেউতাকে প্ৰায়ে বুজাবলগীয়া হৈছিল— "অনুৰাধা মা। তই শিক্ষিতা। মোৰ নিচিনা দৰিদ্ৰৰ ঘৰৰ পৰা তই কলেজ পাছ কৰিছ। তই বুজিবলৈ চেষ্টা কৰ মা। আমি বামুণ মানুহ; তাতে নিঃকিন। ভাল চাকৰি কৰা ল'ৰা এটা ক'ত পাবি মা? তই আপত্তি নকৰিবি। গোপাল তোৰ সমান নহলেও তাক ঠিক-ঠাক কৰি লব পাৰিবি। পুৰুষ মানুহ কিনো? দুদিন পিচত ঠিক হৈ যাব। চাকৰিটো সৰু যদিও শুনিছো পইচা হেনো যথেষ্ট পায়।"

বিয়া নহলেও মই চাকৰি এটা কৰি খাই থাকিব পাৰিম দেউতা।"

"পাৰিবি মা। নিশ্চয় পাৰিবি। আমি আগৰ দিনৰ মানুহ। তোৰ বিয়া নোহোৱা কথাটো মই সহ্য কৰিব নোৱাৰো দেখোন। মোৰ মনটোৱে নকয়। আৰু বাবে বাবে মনত পৰে মাৰাই কৈ যোৱা কথাষাৰ।"

অনুৰাধাৰ দেউতাকে মুখেৰে তাক এক্ষো কথা কব নোৱাৰিলে।

অনুৰাধাৰ মুৰত হাতখন ফুৰাই দি লাহে লাহে আতৰি গ'ল। দেউতাকৰ সিক্ত কণ্ঠস্বৰে অনুৰাধাৰো অন্তৰ চুই গ'ল।

অৱশেষত অনুৰাধা মান্তি হ'ল। অনুৰাধাকো মৰাৰ সময়ত মাকে কৈ যোৱা কথাষাৰ মনত পৰিল সিদিনাৰ ঘটনাৰ দৰে। অনুৰাধাও দেউতাকৰ লগত শয্যাগত মাকৰ ওচৰত থিয় হৈ আছিল। দেউতাকৰ হাতখন অনুৰাধাৰ মাকে নিজৰ কপালত থৈ সেঁহাই সেঁহাই কৈছিল — "মোৰ দিন শেষ হৈ আহিছে। তাইৰ বিয়াখন চাই যাব পৰা হ'লে শান্তি পালোহেঁতেন। ভগবানে বোধহয় সেই শান্তিকণ মোক নিদিব।" অনুৰাধাৰ মাকৰ দুচকুৰে লোটক বাগৰি আহিছিল।

অনুৰাধাই অকল মাকৰ এই আকুল আবেদনৰ কাৰণেই বিয়াত সোমোৱা নাছিল। অনুৰাধাই মৰ্মে মৰ্মে উপলব্ধি কৰিবলৈ ধৰিছিল যে এক নিৰাপত্তাহীনতাই যেন অনুৰাধাক গিলিবলৈ আগুৰাই আহিছে। মাক নাই, ভায়েক নাই, ককায়েক নাই, বাই-ভনী কোনো নাই। দেউতাকো দুদিন পিছত ইহসংসাৰ ত্যাগ কৰিব। তাৰ পিচত? অনুৰাধাই জানো এই জলন্ত ৰূপ-অগ্নি একুৰা লৈ শান্তিত জীৱনটো কটাব পাৰিব? প্ৰতিমুহূৰ্ত্তে দেখোন নাহৰফুটুকীৰ জিঘাংসু ৰক্তলোলুপ চকু অনুৰাধাৰ ওপৰত নিক্ষেপ হৈ আছে। বিনোদন কক্ষলৈ আমদানি হৈ আছে অনুৰাধাৰ দৰে দাৰিদ্ৰ্যপীড়িত অক্ষত কুমাৰীদেহ।

শেষত অনিচ্ছা সত্ত্বেও অনুৰাধাই সাময়িক ভাৱে নিজকে প্ৰস্তুত কৰি তুলিলে। দেউতাকৰ কথা মতেই অনুৰাধা বিয়াত বহিল।

কিন্তু অনুৰাধাই যি ভাবিছিল সেইটো কাৰ্যত পৰিণত নহ'ল। অনুৰাধাৰ সততা, ব্যক্তিত্ব আৰু আত্মবিশ্বাসেও গিৰি-য়েকক মদ খোৱাৰ পৰা বিৰত কৰিব নোৱাৰিলে। বৰং বিয়াৰ পিছত তাৰ প্ৰকোপ চৰিলহে। দৰমহাৰ পইচাকেইটা পকেটত

থকা কেইদিন গিৰিয়েকে ৰাতি বাৰবজাৰ আগতে ঘৰ নোসোমায়। শেষৰ ফালে কিন্তু গিৰিয়েক আঠ ন বজাতে আহি ঘৰত ধম্-ধমাই থাকে। এবাৰ ইফালে এবাৰ সিফালে যায়। ল'ৰা-ছোৱালী হাল্ক ধমক দিয়ে। মুঠৰ ওপৰত দুই এটকা ঘৈণীয়েকৰ পৰা বজাৰ কৰাৰ বুদ্ধি কৰি সৰকাব পাৰিলে পোনেই দৌৰ মাৰে ওচৰতে থকা চুলাই মদৰ দোকানখনলৈ। তাৰপৰা উভতি আহোঁতে কেতিয়া ৰাতি কিমান হয় অনুৰাধাৰ হুচ নাথাকে। অনুৰাধা অতিষ্ঠ হৈ পৰে। অনুৰাধাৰ অন্তৰ তিক্ততাৰে ভৰি পৰে। উভতি আহোঁতে গিৰিয়েকে ওৰে বাটে চিঞঁৰি আহে— চালা কুত্তাৰ বাচ্চাহঁত। চিনিশ পোৱা নাই গোপাল গোবিন্দ চক্ৰবৰ্ত্তীক। গোপালে তহঁতক টেটু চেপি মাৰিব পাৰে। মোৰ তিৰীৰ মেখলা তহঁতৰ ডিঙিত লগাম। নটীৰ বাচ্চাহঁত। লাখে লাখে টকা চুৰ কৰিবি আৰু দেশৰ নেতা বনি যাবি। ওলাই আহ। ওলাই আহচোন। কাটি টুকুৰা টুকুৰ কৰিম চু······ (অশ্লীল শব্দ)

ধলংপলংকৈ যেতিয়া গোপালে বাহিৰ দুৱাৰখন ঠেলা মাৰি ঘৰত সোমাই তেতিয়া অনুৰাধা অসহ্য যন্ত্ৰণাত ছটফটাব ধৰে। কেতিয়া এই যন্ত্ৰণাৰ পৰা মুক্তি হব ? অনুৰাধা বিছনাখনৰ পৰা উঠি আহি গালি দিয়ে— "নিধক, নিলাজ কৰবাৰ। মূতসোপা খাই বৰ মতাটো দেখুৱাইছে। নিজৰ তিৰীক পুহিব নোৱাৰে। কোনোবা-দিনা ঘৰত জুই লগাই আনকো মাৰিম মৰো মৰিম।"

"ৰাধা, সোণজনী, তয়ো এনেকৈ কব ? তই ঈশ্বৰৰ অংশ অ সোণজনী। ভগবান চালা, তই অন্ধ নে নেদেখাৰ ভাও ধৰ ? গোপালৰ দৰে অধম এজনক হীৰা টুকুৰা দি দিলি ! তোৰ ভৰিত ধৰিছো ৰাধা - খং নকৰিবি। এই মূত সোপাই মোৰ প্ৰাণ মোৰ দিন। এদিন যদি নাখাওঁ— বচ্ দেখিবি গোপাল গোবিন্দ মৰা কুকুৰৰ দৰে লাং খাই পৰি আছে।"

তেতিয়া কিন্তু অনুৰাধাই গিৰিয়েকৰ লঘু তোষামোদৰ মৰ্ম্মস্থলত

ৰিচাৰি পাই অন্য এক সত্য। অনুৰাধাই যেতিয়াই এই সত্য উপলব্ধি কৰে তেতিয়াই ঘামি জামি একো নাই হৈ পৰে। বুকুখনত এটা তীব্র বিষ অনুভব কৰে। কি বিচাৰিছিল অনুৰাধাই কি পালে? মদাহী হলেও এনে এজন কাপুৰুষতো অনুৰাধাই বিচৰা নাছিল। এনেকৈ অনুৰাধাক গুণৰ অধিকাৰিণী কৰাতকৈ দুই চৰ মাৰি গতিয়াই দিলেও অনুৰাধাই সুখ পালেহেঁতেন।

গিৰিয়েকৰ এই হীনমন্যতা অনুৰাধাৰ বাবে বৰ অসহনীয় হৈ পৰিল। দিন গৈ আহিছে যিমানে গিৰিয়েকে অনুৰাধাৰ ওচৰত সিমানে বেছি হীন হৈ দেখুৱাবলৈ আৰম্ভ কৰিছে।

যোৱা ৰাতিৰ ঘটনা অনুৰাধা প্রেছৰ পৰা আহি ঘৰ সোমাওঁতে ৰাতি তেতিয়া দহমান বাজিছে। প্রেছৰ জৰুৰী কাম এটাৰ বাবেই অনুৰাধা ইমান দেৰীলৈ থাকিব লগীয়া হৈছিল। কোনো এটা ট্রেড ইউনিয়নৰ এখন প্রচাৰ পত্রিকা ৰাতিৰ ভিতৰতে প্রকাশ কৰি দিবলগীয়া হোৱাত প্রেছৰ আটাই কেইজন কৰ্মীয়ে ইমান ৰাতিলৈকে ব্যস্ত হৈ পৰিছিল। অনুৰাধাই নিজৰ ল'ৰা-ছোৱালী হাল লগত থকা সত্বেও না বুলি কব নোৱাৰিলে।

ৰিক্সাখনৰ পৰা নামি ঘৰ সোমাইছে মাত্র অনুৰাধা। তৎক্ষণাৎ গিৰিয়েক অনুৰাধাৰ আগত ঠিয় হৈ দপ্‌দপাই উঠিল— "জহনীযাতী! কাৰ মুখ চাই আছিলি ইমান ৰাতিলৈকে। তোৰ ঘৰত জুটি নালাগে নহয়।"

অনুৰাধাই জানে গিৰিয়েকৰ এনে অবাইচ মাত মতাৰ কাৰণটো বেলেগ। আচলতে গিৰিয়েকে এতিয়ালৈকে এঢোক মাৰিব পৰা নাই, কাৰণ হাতত পইচা নাই।

"প্রেছত দেৰী হৈছে।" অনুৰাধাই নিৰ্বিকাৰভাৱে কলে।

"প্রেছত দেৰী হৈছে? মই নাজানো বুলি ভাবিছ? মিছা কথা মকৰি কিন্তু। কৈ দিছো। ভালে ভালে কৈছো আগতে পইচা দে।"

অনুৰাধাৰ সন্মুখৰ বাক্স আঁতি পৰিল। উচাত মাৰি থৈ বিছনাখনত বহি কোপাবলৈ ধৰিলে। গোপালে পিচে পিচে খেদি গৈ অনুৰাধাৰ হাতৰ পৰা বেগটো টানি আনিবলৈ চেষ্টা কৰোতে দুয়োৰো মাজতে হেঁটাপুটি লাগিল। গোপালে ঢকা এটা মাৰি অনুৰাধাক আতৰলৈ পঠোৱাত অনুৰাধা মুখ থেকেচা খাই পৰিল। ল'ৰা-ছোৱালী দুটাই চিঞৰ বাখৰ লগাই দিলে।

অনুৰাধা যেতিয়া উঠি আহি হাতখনেৰে মুখখন মাৰি চালে তেতিয়া দেখিলে হাতত এসোপা তেজ লাগি আছিছে।

শতছিন্ন ভাজি মৰা আঠুৱাখন টানি লৈ ল'ৰা-ছোৱালীহালক বুকুৰ মাজত সুমুৱাই লৈ অনুৰাধা বিছনাত পৰিল। ল'ৰাছোৱালী-হালক কিবা এটা খুৱাব লাগিছিল. কিন্তু অনুৰাধাৰ ইচ্ছা নহ'ল। অনুৰাধাই নিজৰ কপালখনত হাত দি চালে। কপালখন ও-টেঙাৰ দৰে ফুলি উঠিছে।

অনুৰাধাই ৰাতিপুৱা উঠি যেতিয়া ষ্টোভটো জলাবলৈ বায় তেতিয়া প্ৰায় আঠ বাজিছে। ৰাতিপুৱাতে সাৰ পাইছিল যদিও গাৰ ভাগৰতে অনুৰাধা বিছনাখনত বাগৰি পৰি আছিল। ষ্টোভটো জলাই আটা গোলা বাটিটো হাতত লওঁতেই অনুৰাধাই শুনিলে বাহিৰত খুব জোৰেৰে মটৰৰ হৰ্ণ বাজিব লাগিছে। ষ্টোভটো থমাই থৈ বাহৰ দুৱাৰখন মেলি অনুৰাধা বাহিৰলৈ আহি দেখিলে মিঃ কাগ্‌তিক।

মিঃ কাগ্‌তিক দেখি অনুৰাধাই চিনি পালে। জীবনৰ কোনো কোনো ঘটনা অতি কম সময়ৰ বাবে ঘটিলেও সি স্মৃতিপটৰ পৰা আঁতৰি নাযায়। বহুতৰে এনে ঘটনা ঘটে। অনুৰাধাৰো অতি কম সময়ৰ বাবে মিঃ কাগ্‌তিৰ লগত সাক্ষাত হৈছিল বিয়াৰ একছৰ নে দুবছৰ পিছত। অনুৰাধা মিঃ কাগ্‌তিৰ ওচৰ চাপিছিল প্ৰেছৰ কোনো এটা কামত নিযুক্তি বিচাৰি। গিৰিয়েকে কিন্তু অনুৰাধাক মিঃ কাগ্‌তিৰ ওচৰলৈ যাবলৈ মানা কৰিছিল। মানে একৰকম বাধাই দিছিল, কাৰণ মিঃ কাগ্‌তি মানুহজন ভাল নহয়। গিৰিয়েকে যি ইংগিত দিছিল সেইটো অনু-

ৰাধাইও বুজিছিল। তথাপিতো পিৰিৰেকৰ বিচাৰ বিশ্লেষণ কিয়ান সঁচা তাত সন্দেহৰ অৱকাশ আছে। কাৰো ক্ষেত্ৰত বেয়া মানুহ কাৰো ক্ষেত্ৰত ভাল হবও পাৰে। অনুৰাধাই এনেধৰণে কথাটো ভাবিলে। অনুৰাধাই যেতিয়া মিঃ কাগ্‌তিৰ ওচৰত ঠিয় দিছিল তেতিয়া মিঃ কাগতিয়ে অনুৰাধাৰ আপাদমস্তক এটা অনুসন্ধিৎসু দৃষ্টি নিক্ষেপ কৰি কৈছিল—"তোমাৰ এই পাজি-সেবীয়া আঙুলিৰে কম্প'জিটৰৰ কাম কৰিব পাৰিবা জানো ?"

অনুৰাধাই মিঃ কাগ্‌তিৰ ফালে চালে। মিঃ কাগ্‌তিয়ে মিচিকিয়া হাঁহি মাৰিলে যেন মিঃ কাগ্‌তিৰ স্তুতিত অনুৰাধা খুচি হৈছে।

"এটা কাম কৰা। সকলো কথা ইয়াত খুলি কব নেৱোৰি। এদিন তুমি মোৰ কোৱাৰ্টাৰলৈ আহা।"

কথাটো অনুৰাধাৰ ভাল নালাগিল। অনুৰাধাৰ মিঃ কাগ্‌তিকো লগ ধৰা কোনোদিনে নহ'ল।

আজি এই ৰাতিপুৱা মিঃ কাগ তিৰ আগমনত অনুৰাধা আচৰিত হ'ল।

অনুৰাধাই এই আগমন অনুধাবন কৰিবলৈ চেষ্টা কৰিলে। অহাৰ উদ্দেশ্য কি হব পাৰে?

গগলচ্‌জোৰ হাতত লৈ মিঃ কাগ্‌তি অনুৰাধাৰ ওচৰলৈ আহি সুধিলে— "এইটো অনুৰাধা চক্ৰৱৰ্তীৰ ঘৰ হয়নে?"

"হয়"।

"অনুৰাধা চক্ৰৱৰ্তীক মই লগ পাব বিচাৰো।"

"কওঁক কি দৰকাৰত আহিছে।"

"তাৰমানে তুমিয়েই অনুৰাধা। তোমাৰ কপালখন ইমানকৈ উধাহিছে মই তোমাক চিনিবই পৰা নাছিলোঁ।"

"অপ্ৰাসংগিক কথা অৱতাৰণা নকৰিব। কিয় আহিছে সেইটো কওঁক।"

"সেয়া তুমি বেয়া পাবলাই নহয়। এটা বিপদত পৰিছে তোমাৰ

ওচৰলৈ আহিছো । এখন প্ৰচাৰ পত্ৰিকা আজিৰ ভিতৰতে প্ৰকাশ কৰিব নোৱাৰিলে ৰাজনৈতিক হেঁচাত আমাৰ কি অৱস্থা হয় ঠিক নাই । আজিৰ পৰা আকৌ প্ৰেছকৰ্মীৰ ধৰ্মঘট আৰম্ভ হৈছে। সেইদিন মেন এজন যেনেতেনে যোগাৰ কৰিছো কিন্তু কম্পজিটৰ এজন নোহোৱাত ... ... ।'

"আপুনি কি কৰ বিচাৰিছে ?"

"তুমি এদিনৰ বাবে সহায় কৰিব নোৱাৰানে ? ইয়াৰবাবে তোমাক উপযুক্ত প্ৰাপ্যৰে সহায় কৰিব পৰা যাব। আৰু যদি ইচ্ছা কৰা তেনেহলে আমাৰ প্ৰেছতে নিগাজীকৈ কাম কৰিবও পাৰিবা। তাৰ বাবদ প্ৰেছমালিক পক্ষৰপৰা তোমাক এটা বিশেষ সুবিধা দিয়াৰও ব্যৱস্থা কৰি দিব পাৰিম।"

অনুৰাধাই মিঃ কাগ্‌তিৰ ফালে তীব্ৰ দৃষ্টি নিক্ষেপ কৰিলে। অনুৰাধাই দেখিলে মিঃ কাগ্‌তিৰ মুখমণ্ডলত এক ভীক কাতৰতা। সেই চাৰি পাঁচ বছৰ আগৰ লম্পটৰ কামনাৰ কাতৰতা তাত নাই। অনুৰাধাই ভিতৰি উত্তেজনা অনুভৱ কৰিলে। ঘামি-জামি অনুৰাধাই জবাব দিলে—

"এইয়া আপোনালোকৰ এক নতুন ষড়যন্ত্ৰ। প্ৰেছকৰ্মীৰ মৌলিক অধিকাৰৰ দাবী লৈ আগবাঢ়ি অহা কাৰণে মন্ত্ৰীৰপৰা আৰম্ভ কৰি নেতা পালি নেতালৈকে সকলোৱে ধৰ্মঘট বিফল কৰাৰ নানা কূট কৌশলত মত্ত হৈ পৰিছে।"

এনেতে অপ্ৰত্যাশিতভাৱে গোপালে হাতত কিবা এটা লৈ মিঃ কাগ্‌তিৰ পিছফালৰপৰা আহি থিয় দিলে। গোপালৰ চকুকেইটা টিক্‌টিক্ কৰে ৰঙা পৰি উঠিল ।

"কি লাগে আপোনাক ?" গোপালৰ অস্বাভাবিক মাতত মিঃ কাগ্‌তি চক খাই উঠিল।

"অ গোপাল। তুমি মোক পাহৰিছা নেকি ? চাৰি বছৰ মোৰ লগত আছিলা। ইমান সোনকালে পাহৰিলানে ? "নাই

পাহৰা। অনুৰাধাৰ কপালখন চাওঁক। কি দেখিছে ?,, লাহে লাহে গোপাল উত্তেজিত হৈ পৰিল।

"মই আগতে লক্ষ্য কৰিছো।"

"কৰিবিতো। তই নকৰি কোনে কৰিব ? তোৰ কাৰণেই আজি অনুৰাধাৰ কপালখন এনেকুৱা হৈছে।" গোপালে চিঞৰি চিঞৰি এনেদৰে কোৱা আৰম্ভ কৰিলে যেন মিঃ কাগ্‌তিয়ে কিবা চুৰ কৰিবলৈহে আহিছে। মিছ কাগ্‌তিৰ থৰকাছুতি হেৰাল।

"গোপাল! চাই চিতি কথা কবা কিন্তু।"

"হাজাৰ বাৰ কম। তোৰ কাৰণেই আজি অনুৰাধাৰ এই অৱস্থা হৈছে।"

"মোৰ কাৰণে" ?

"অকল তোৰ কাৰণেই। চালা কাকতি শুচি কাগ্‌তি হৈছে। ইংলিছ চাহাব হৈছ। কি চাবি তাৰ দৰদ। গোপাল! তয়ো এঢোক খা। গাটো ভাল লাগিব। কি আছে দুনিয়াত। Eat, drink and be merry।"

গোপালে ইমান দিনে যেন এসোপা ক্ষোভ মনৰ ভিতৰত পুঞ্জীভুত কৰি ৰাখিছিল। বেদনাত জৰ্জৰিত গোপালে আজি যেন উপযুক্তভাৱে আচল দোষীক দুই আষাৰ শুনাই দিব পাৰি শান্তি পালে। বুকুৰ ধপধপনিত গোপালে ফোঁপাবলৈ ধৰিলে। অনুৰাধাই দেখিলে হয়তো আৰু বেছি বেয়া অৱস্থালৈও যাবলৈ গিৰিয়েক প্ৰস্তুত। তৎক্ষণাত গিৰিয়েকৰ হাতত ধৰি অনুৰাধাই ঘৰৰ ভিতৰলৈ টানি নিবলৈ চেষ্টা কৰিলে।

"কি হৈছে আপোনাৰ ? পাগল হৈছে নেকি ?"

অনুৰাধাই গিৰিয়েকৰ হাতখন এৰি দিলে।

"তই পদুলিগুণ্ডাই মোৰ ঘৰলৈও আহিবলৈ সাহস কৰিছ ? ইয়াৰপৰা যাবি নে মানুহ মাতিম ?"

মিঃ কাগ্‌তি এনেকৈ সাধাৰণ এজন বেংকৰ পিয়নৰ দ্বাৰা

অপলহ হব বুলি ভবা নাছিল। মিঃ কাপ্তি লাজতে ৰাঙি জাঙি উঠিল আৰু মুখেৰে এটা টু শব্দ নকৰাকৈ কম্মালখনেৰে মুখখন মচি গাড়ীত উঠিল। চপকৈ দুৱাৰখন মাৰি বায়ুবেগেৰে মাৰুতীখন চলাই দিলে।

গোপাল যেতিয়া ঘৰৰ ভিতৰত মূঢ়াটোত বহি পৰিল তেতিয়া তাৰ সমস্ত শৰীৰ ঘামেৰে জোল বৈ গৈছে। তেতিয়াও গোপালৰ বুকুৰ ধপ্ধপনি মাৰ যোৱা নাই।

ইতিমধ্যে গোপালৰ ঘৰৰ সন্মুখত মানুহ গোট খালে। ঘটনাটো ইমান তৰিৎ গতিত ঘটি গ'ল, মানুহে ভালকৈ ঘটনাটোৰ উহ নাপালে। কিছুমানে মন্তব্য কৰিলে—'মাতালৰ মাতলামি এইবোৰ।' কোনো কোনোৱে কলে— 'নহয় অ তালুকদাৰ, মাতাল হলেও গোপালে তাৰ ঘৈণীয়েকৰ লগত আনে কথা কলে জঙ্গিপুৰি মৰে।' কোনোবা এজনে কলে— 'ধেৎ, তইঁতে আচল কথাটো বুজাই নাই। কিয়, গোপাল এসময়ত এই মানুহজনৰ লগত থকা নাছিল বান্ধনি হিচাপে লগতে সেই প্ৰেছটোত পিয়ন কামো কৰিছিল? তেতিয়াই সি মদ আৰু মাইকীৰ যোগান ধৰিছিল এই মানুহজনক। এতিয়া নিজকে সৎ বোলাবলৈ গ'লে কি হব। মানুহে বুজি নাপায় জানো?' তৎক্ষণাতে কোনোবা এজনে প্ৰতিবাদ কৰি কলে—"এনে কথা নকৰি দেই কিন্তু। তইঁতে কাকতিক চিনি নাপাৱ। মই পাওঁ। আধিৰৈ মানুহ এজনে দেশৰ বাবে বিমান কৰিছে তাৰ তুলনাত দুই এটা নগন্য দোষ ত্ৰুটি থাকিলেও আমি সেইবোৰ খুচৰিব নালাগে। ব্যক্তিগত দোষ ত্ৰুটিবোৰ সমূহীয়া স্বাৰ্থৰ মাজলৈ আনিব নালাগে। স্বয়ং কৃষ্ণৰে দেখোন যোল্ল হাজাৰ গোপীনী আছিল। কিন্তু তইঁতেতো এই হাৰাম জাদী গোপালৰ ঘৈণীয়েকক বিচাৰ কৰা নাই। তাইযে সিফলীয়া সেইকথা তইঁতৰ মনত নাথাকে কিয়?" তেতিয়া কেইজনমানে একেলগে দপদপাই উঠিল--"শৰ্মাদা, আপুনি এনেকৈ কাজিয়া লগাই আমাৰ মাজত ভাওৰ মানুহ বোলাই আছে। ইমানদিন ৰমৰ

বাতনা খাই আমি আজি কি পালো ? আমাৰ নিজৰ মানুহেই দেখোন শাসনত বহিছে। কি দিব পাৰিছে আমাক ? লাভৰ ভিতৰত হৈছে কি ? আপোনাৰ সৰে অনুগ্ৰহবোৰে সুবিধা গ্ৰহণ কৰি আমাক ঠগাইছে। কণ্ঠকচোন আপুনি ইমানদিনে মিঃ কাকতিৰ পৰা কিমান টকা সৰুকালে।"

পৰিবেশটো তৎক্ষণাত গহীন হৈ পৰিল। কোনোবে কাকো একো নোকোৱাকৈ লাহে লাহে আঁতৰি পৰিল।

এটা সময়ত মূৰ্তটোৰ পৰা উঠি গোপাল লাহে লাহে অনুৰাধাৰ ওচৰলৈ গ'ল।

"চাওঁ। এইটো ল।"

গিৰিয়েকৰ কথাত অনুৰাধাই ষ্টোভটোৰ পৰা তাৱাখন নমাই গিৰিয়েকলৈ চালে। গোপালে দেখিলে ষ্টোভটোৰ নীলা জুইকুৰা দাউদাউকৈ জ্বলিব ধৰিছে।

"হো লচোন। বাকী কৰি আনিছো। কপালখনত মাদিচ কৰি দে। ভাল পাবি।"

অনুৰাধাই দেখিলে গিৰিয়েকৰ হাতত সেইটো বিষহৰিৰ টেমা। অনুৰাধাৰ দুচকুৰেদি গিৰগিৰকৈ পানী নামি আহিল। তৎক্ষণাত আচলখনেৰে চকু দুটা ঢাকি অনুৰাধাই মুখখন ঘুৰালে।

ভেতিয়াও ষ্টোভটোৰপৰা নীলা জুইকুৰা দাউদাউকৈ নিৰ্গত হৈ আছিল।

মুক্ত মোহনা

।

কামাখ্যা গেটৰ ওচৰত ৰেল লাইনৰ কাষত থিয় দি মই যেতিয়া মানুহবোৰক ঘৰ ভাঙিবলৈ লগাই দিলো তেতিয়া এটা ডাঙৰ হুলস্থূল লাগি উঠিল। চিঞঁৰ-বাখৰ আৰু কান্দোনত গোটেই পৰিবেশটোত অশান্তি বিৰাজ কৰিলে। কামটো কোনোপধ্যে ভাল হোৱা নাই যদিও মই মোৰ চৰকাৰী দায়িত্ব পালন কৰিবলৈ বাধ্য। এনেকুৱা এটা চাকৰি আচলতে মই কোনোদিনে মনে প্ৰাণে বিচৰা নাছিলো; সকলোপৰা মোক পৰিচালনা কৰা মানুহৰ অভাৱৰ বাবেই বহু চাকৰিৰ সোৱাদ লোৱাৰ পিচত শেহত এইটোত সোমাই পৰিলো। এতিয়া আৰু গত্যন্তৰ নাই।

মানুহৰ জুমবোৰে মোক চাইছে আৰু জলমূৰ-কৰি গুচি গৈছে কাৰণ মোৰ গাত অপৰিসীম ক্ষমতাৰ চিহ্ন বিৰাজমান। ভাবিছিলো মানুহখিনিক নিজে নিজে গুচি যোৱাৰ সুবিধা এটা কৰি দিম। কিন্তু নোৱাৰিলো। কিয়নো দুইদিন পিচতে প্ৰধান মন্ত্ৰী অহাৰ কথা। সেয়ে সকলো ধৰণৰ অবৈধ দখল উচ্ছেদ কৰিব লাগে।

হঠাতে মই অনুভৱ কৰিলো মোৰ ভৰি দুখন কোনোবাই সাবটি ধৰিছে। মই চমকি উঠিলো। মোৰ ভৰি দুখন বন্ধনমুক্ত কৰাৰ বাবে মানুহজনক আঁতৰাই দিবলৈ চেষ্টা কৰিলো। ওহো নোৱাৰিলো। চিনা জোক লগাদি লাগি থাকি মানুহজনে হুকহুকাই কান্দিব লগিছে। চাই দেখিলো এজন বুঢ়া মানুহ; গাত কাপোৰ বুলিবলৈ নাই। ফটা গামোছা এখন পিন্ধি আছে। এনে এটা অপ্ৰীতিকৰ পৰিস্থিতিৰ সন্মুখীন হম বুলি ভবা নাছিলো। মোৰ জোতাযোৰত তাৰ কপাল খন থৈ কাকুতি কৰিছে—

"মোৰ ঘৰতো নাভাঙিব ৱাবু। আজি ৰাতিটো থাকিবলৈ দিয়ক বাবু। মাত্ৰ আজি ৰাতিটো।"

"আতৰ হ যত চব পাজি ক'ৰবাৰ।"

এইবুলি ধমকি দি মই মোৰ ভৰি দুখন বন্ধনমুক্ত কৰি আঁতৰি আহিলো। মানুহজন পুনৰ মোৰ পাচে পাচে দৌৰি আহিল।

"বাবু। মোৰ ল'ৰাটোৰ বসন্ত হৈ আছে বাবু। মোক মাৰিলেও মাৰক। কিন্তু মোৰ ল'ৰাটোক ।"

"অহ্। আকৌ আহিছ? ভাগ ইয়াৰ পৰা।" এইবুলি মই এজন কনিষ্টবল মাতিলো মানুহজনক আতৰ কৰি দিবলৈ। কনিষ্টবল এজনে তৎক্ষণাত মানুহজনৰ গাত দুচাটমান লগাই দিয়াত আতৰি গ'ল। মই মানুহজনৰ মুখলৈ চালো। মই থমকি ৰ'লো। ক'ৰবাত যেন দেখিছো মানুহজনক। ক'ত লগ পাইছিলো? সচাকৈয়ে মই আচৰিত হলো। গাৰ গঠন, খোজ-কাটল, মুখৰ অবয়ব। হয় সেই জনেই হব। কিন্তু ইয়াত কিয়? বা কেনেকৈ আহিল?

মোৰ হেট্‌টো ঠিক কৰি লৈ মই মোৰ কলা গগলচ যোৰৰ মাজেদি মানুহজনক পুনৰ নিৰীক্ষণ কৰিলো। ঠিকেই সেইজন মানুহেই। মুজা মোহ্‌তা অৰ্থাৎ মুজা মহাদেউ। মোৰ ল'ৰালি কালত লগ পোৱা মুজা মোহ্‌তা।

১৯৬০ চনৰ জুলাই মাহৰ শেষৰ ফালৰ কোনোবা এটা ৰাতিৰ কথা। মই তেতিয়া হাইস্কুলৰ দশম মান শ্ৰেণীত আছিলো। বোধহয় গৰমৰ বন্ধ হৈছিল। ১৯৬১ চনত মেট্ৰিক পৰীক্ষা দিবলৈ সাজু হৈছিলো। কিন্তু যিদৰে ভাবিছিলো সেইদৰে নোৱাৰিলো কাৰণ ১৯৬০ চনৰ জুলাই মাহত কটন কলেজৰ ছাত্ৰ ৰঞ্জিত বৰপুজাৰীক পুলিচে গুলি কৰি মৰাত অসমত জুই জ্বলিছিল। অসমত অসমীয়া ভাষা হব লাগে। ফলত জনজাগৰণ হৈছিল আৰু শেষত গৈ ই হিংসাত্মক ৰূপ লৈছিল। তেতিয়া আমি কথাবোৰ ভালদৰে বুজা নাছিলো। হিংসাত্মক আক্ৰমণৰ বলি হৈছিল এটা বিশেষ সম্প্ৰদায়। আক্ৰমণৰ ফলত

অসমৰ বুকুত তেজৰ নদী বৈ গৈছিল। গোবেশ্বৰতো তেনে এটা অতি শোকাবহ দুৰ্ঘটনা ঘটিছিল।

গোবেশ্বৰ আমাৰ গাঁৱৰপৰা বেছি দূৰ নহয়। হয় যদি দহ বাৰ মাইল। সেয়ে আমি ঘটনাটোৰ ভয়াবহ ৰূপটো ভালদৰে উপলব্ধি কৰিছিলো।

মানুহে মানুহক জন্তুৰ দৰে কাটিব পাৰে বুলি আমি বিশ্বাস কৰা নাছিলো।

এদিনাখন শুনিলো বাইহাটা চাৰিআলিৰ ওচৰ-পাজৰৰ গাঁৱৰ পৰা দোভাগ ৰাতি বহুত মানুহক পুলিচে অতর্কিতে ধৰি নিছে।

পুলিচক আজিৰ মানুহে সিমান ভয় নকৰে বৰং ঘৃণা কৰে। আমি কিন্তু ডাকোৱালে খাকী কাপোৰ পিন্ধি আহিলেও ভয়তে ঘৰ সোমাইছিলো।

আমাৰ গাঁৱতো মানুহৰ মাজত আলোচনা হ'ল। কি ঠিক-গোবেশ্বৰৰ ঘটনাৰ অজুহাতত আমাকো ধৰি নিব পাৰে। পুলিচৰ আগততো কোনো সঁচা মিচা নাই। পুলিচৰ হাতৰ পৰা কেনেকৈ ৰক্ষা পৰিব পাৰি তাৰ উপায় উদ্ভাৱন কৰাৰ বাবে নামঘৰত মেল বহিল। মেলত সিদ্ধান্ত হ'ল যে মেইন ৰাস্তাৰ পৰা গাৱঁৰ ভিতৰলৈ সোমোৱা বাটবোৰত ৰাতি ৰাতি পহৰা দিয়া হব। পহৰা দিওঁতে কোনেও টর্চ বা কোনো পোহৰৰ ব্যৱস্থা কৰিব নোৱাৰিব। পুলিচ অহা গম পালেই তেওঁলোকে বাটে বাটে এটা বিশেষ শব্দ কৰি দৌৰিব।

ব্যৱস্থাটো হোৱাত আমি ভালেই পালো। অন্ততঃ শান্তিৰে শুব পাৰিম। পিচে কথাটো ওলোটাহে হ'ল। সেই বিশেষ শব্দটো কেতিয়া হয় তালৈ কাণপাতি থাকোতে পঢ়া-শুনাও নোহোৱা হ'ল আৰু টোপনিও নহা হ'ল।

সেইদিনা গোটেই দিনটো কিন্‌কিন্ কৰে বৰষুণ। গাঁৱৰ বাট পথ বোকাৰে উপচি পৰিছে। বাহিৰত ওলাব নোৱাৰি। সাজ পধূলিতে আমাৰ ঘৰত উপস্থিত হ'লহি মুক্তা মোহন্ত। আমাৰ গাঁৱৰে। সম্বন্ধত আমাৰ মহা হয়। মোহন্তৰ ঘৰ মেইন ৰাস্তাৰ

ৰাবত আৰু আমাৰ ঘৰ গাঁৱৰ ভিতৰত। মোহতাৰ উপস্থিতি মই সিমান ভাল পোৱা নাছিলো কাৰণ মোৰ যথেষ্ট পঢ়াশুনা আছে। তাতে আমাৰ আকৌ একেটাই খেৰৰ ঘৰ। বৰষুণ ডাঙৰকৈ দিলে চৌচৌকৈ উকষে। মোহ্‌তাই মোৰ পঢ়া লেম্পটোৰ ওচৰলৈ আহি মোক কলে—

"অ' বাপা! আজি পঢ়্‌ৰে হব নাল্‌গে দে। ক'বাত পলোৱাৰ বুদ্ধি কৰ।"

মোহতাৰ কথাত খং উঠিছিল যদিও মোৰো খুব ভয় লাগিছিল। ভয়তকৈও মোৰ বেছি চিন্তা হৈছিল পৰীক্ষাটোৰ কাৰণে। কেনো কাৰণত পৰীক্ষা দিব নোৱাৰিলেই দুৰ্গতিৰ সীমা নোহোৱা হব কিয়নো মই পাচ কৰিয়েই যিকোনো এটা চাকৰিত নোসোমালে নচলে।

গাঁৱত যদি কোনো অতি ভাৰী বস্তু দাঙিব লাগে লগে লগে ডাক পৰে মুজা মোহ্‌তাৰ। অথচ ইমান ভীমকায় মানুহজন ইমান ভীতু।

দেউতাও মোহ্‌তাৰ ওচৰলৈ আহিল। দেউতাই মোহ্‌তাক সুধিলে— "কি হৈছে শালপতি। কিয় আহিলা?"

মোহ্‌তাই উত্তৰ দিলে –"আজি ভাঠ্‌বেলা বোলে আমাৰ ঘৰক আটা (এটা) খাকী পিন্ধা মানুহ আহিছিল। মোৰ কথা সুধ্‌ছিল আৰু গাঁৱৰ কাবাৰ কাবাৰ কথাও সুধ্‌ছিল বোলে। কি ঠিক কিজানি ৰাতি ধৰি লৈ যায়। সেইকোণ্ডে পলে আহ্‌ছু।"

কথাটো দেউতাই শুনিবহে পালে; লগে লগে বাহিৰ হ'ল। কাৰণ কথাটো গাঁৱৰ মানুহক কব লাগে। ইতিমধ্যে কথাটো ৰজন-জনাই গ'ল।

সেইদিনা মোৰ আৰু পঢ়া নহ'ল। সোনকালে ভাত খাই লেম্পটো একেবাৰে কমাই দি আমি বহি থাকিলো।

তেতিয়া ৰাতি বাৰমান বাজিছে। মই মোহ্‌তাৰ মুখখনলৈ চালো। ভয়তে মানুহজন শেঁতা পৰিছে; ওঁঠ কেইটা শুকাই গৈছে।

কোন মুহূৰ্তত উঠি দৌৰ মাৰে ঠিক নাই। আমি বাহৰ দুৱাৰখন অলপমান খুলি থৈছো যাতে কিবা এটা শব্দ হলেই জীবাই লৰ মাৰিব পাৰো।

এনেতে বহু দূৰৈৰপৰা প্ৰথমতে এটা তাৰপিছত দুটা তাৰপিছত অগণন থপাথপ্ থপাথপ্ খোজৰ শব্দ আমি শুনিবলৈ পালো।

খোজৰ শব্দবোৰ আমাৰ ওচৰলৈ ইমান জোৰেৰে আগুৱাই আহিছিল যে আমি আৰু কোনো কথাই ভবাৰ সময় নাপালো। মোহ্তা আৰু মই জীবাই লৰ মাৰিলো বাটেদি। বাটত অগণন মানুহ। কাৰো কথা কোৱাৰ সময় নাই। সকলোৱে কেৱল দৌৰিছেহে দৌৰিছে। বোকাত কোন ক'ত পৰিছে ঠিক নাই। কিন্তু পৰিছে যদিও দৌৰিবলৈ এৰা নাই। প্ৰত্যেকৰ মুখত এটাই কথা — "পুলিচ আহিছে ভাইহত।"

ৰাস্তাৰে দৌৰি দৌৰি চুবুৰী পাৰ হৈ মোহ্তা আৰু মই জানৰ দলঙখন পালো। জানটো ফেনে ফোটোকাৰে পৰ্ণ কোবাল গতিত ধাৰ বৈ আছে। মোৰ ভৰিত ইমান বোকা লাগি আছিল যে কাঠৰ দলঙখনত পিচল খাই মই পানীত পৰি গলো। ভাগ্যে মই অলপ অচৰপ সাঁতুৰিব পাৰো। নহলে লগে লগে তল গলোহেঁতেন। যেতিয়া মই পাৰত থিয় হলো তেতিয়া দেখিলো মোহ্তাৰ সমগ্ৰ শৰীৰ ভিজা অৰ্থাৎ মোহ্তাই মোক উদ্ধাৰ কৰিছে। নহলে পানীৰ যিহে কোবাল ধাৰ আছিল মই হয়তো উঠি আহিবই নোৱাৰিলোহেঁতেন। জানৰ পাৰৰ পৰাই মোহ্তাই মোক কান্ধত উঠাই লৈ আহিল। মোহ তাই মুৰৰ পাগুৰিটো খুলি মোক গামোচা এখন দিলে। মই পিন্ধি ললো। আমি লাহে লাহে একাষ্ঠু পানী ভাঙি ভাঙি চাপতি পুখুৰীৰ পাৰত থকা নতুনকৈ বোৱা কুঁহিয়াৰ তলিৰ মাজলৈ সোমাই গলো। গৈ দেখিলো প্ৰতিডাল কুঁহিয়াৰৰ কাষত একোজনকৈ মানুহ। মানুহবিলাকে ইমান ভয় খাইছিল যে জোনাকী পৰুৱাই ধিমিকধামাক পোহৰ কৰিলেও পুলিচৰ টৰ্চৰ পোহৰ বুলি

ভয়তে ইমানে নিজৰক সাবটি ধৰি কান্দিছিল—

'আমাৰ কি গতি হ'ল ভাইহাত ?'

তাৰপিচত মই মেট্ৰিক পাচ কৰিলো। ধাৰ-ধুৰ কৰি আৰু পৈত্ৰিক সম্পত্তি বিক্ৰী কৰি কলেজত পঢ়িলো। তাৰ পিচত চাকৰি কৰিছিলো। এতিয়ালৈকে চাকৰি পাচটা হ'ল। বহুদিন বহুবছৰ মুজা মোহতাৰ লগ পোৱা নাছিলো। মাজতে এদিন বাইহাটা চাৰিআলি চ'কটোত মুজা মোহতাক লগ পাইছিলো। বিয়া এখনৰ পৰা আহি লাইন বাছৰ কাৰণে বৈ থাকোতে দেখিলো মুজা মোহ্তাক। ঠেলা এখনত বহি আছে। তেতিয়াও মই এইটো চাকৰিলৈ অহা নাই।

মোক দেখিয়েই মুজামোহতা মোৰ ওচৰলৈ দৌৰি আহি কলে- "ভালে আছাহ্ বাপা ? আজি কালি তোক দেখাই নাপাওঁ। চাওৰ মানুহ হলি নহয়। আমি আৰু ক'ত লগ পাম ?" মোহতাৰ কথাখিনিত আবদাৰ মিশ্ৰিত সুৰ।

"তোৰ ভালনে মোহতা ?"

"আমাৰো কিবা খবৰ আছেনে বাপা ? মাটিবাৰী চব বেচা গেল। মাহাজন বুঢ়াৰ ধাৰ মাৰবে নৰি সেহতোৰ ভাণ্ডে ই বেচি দিলো। ইতেন (এতিয়া) এখান চলেছো।"

"মাহীহতৰ ভালনে ?

"ভাল সুধলি দে। গাৱৰ ফালে নাহাহেই আৰু। কেওকে গম পাবি। মাহৰে (মাহীয়েৰ) কেহনেৰাই মৰিল বাপা।"

মোহতাৰ কথাত মই লাজ পালো। সচাকৈয়ে মই বহুবছৰ গাঁৱলৈ অহা নাই। আহিলে কামৰ তাগিদাত বেচি সময় গাঁৱত থাকিব নোৱাৰো। মোহ্তাক যদিও বয়সীয়া যেন দেখা হৈছে স্বাস্থ্যপাতি প্ৰায় আগৰ দৰেই আছে। বুকুৰ চাটি এতিয়াও দুজন ভেকাৰ সমান। হাতৰ মাংসপেশীৰ কোহা এতিয়াও শুকান নাৰিকলৰ দৰে টান হৈ আছে।

"বুঢ়াকালোত সন্তান আটা জন্মো দি মাহবে মৰি থাকসাক। পুন্দ ডাক্তৰোৰ বেজীও দিলো। নবজু বাচাৰা। তাই মৰিও গেল্ মোকো

মাৰি থৈ গেল বাপা। ঈশ্বৰৰ বস্তু। ল'ৰাটোক চাই আছো আৰু।"

মোহ্তাৰ মাতটো সেমেকি উঠিল।

মই মোহ্তাৰ মুখখনলৈ চাব নোৱাৰা হলো। মোৰো বেয়া লাগিল। মোহ্তাৰ ফালে নোচোৱাকৈ সুধিলো-

'ল'ৰাটো কিমান ডাঙৰ হৈছে মোহ্তা?"

"অ তাৰ বয়াস। হ'ল দে দুবছৰমান। বৰ মৰম লগা হৈছে। মোৰ নিচনাই দেখাত।"

মোহ্তাৰ মুখমণ্ডলত এটা আনন্দৰ ৰেখা ফুটি উঠিল ; হওঁক তেওঁ মানুহজনে বিশ বছৰ মানৰ মূৰত কেচুৱা এটা পাইছে। গাঁৱৰ মানুহেতো সন্দেহে কৰিছিল মাহীক কাঠবাজী বুলি।

হঠাতে গাড়ীখন স্টাৰ্ট দিয়াত মই মোহ্তাৰ পৰা বিদায় ললো। মোহ্তাই মোক কলে—"অই বাপা যাবিচোন আমাৰ ফালে কেতিয়াবা মই আজিকালি জুনকুত থাকো নহয়।"

মই গাড়ীত বহিলো। মোহ্তা জুনকুত কিয় থাকে ? বোধহয় আমাৰ গাঁৱৰ মাটিবাৰী বিক্ৰী যোৱাত শহুৰেকৰ ঘৰত থাকে। ৬০ চনত মানুহজন কি আছিল এতিয়া কি হ'ল। বছৰেকত ১০/১২ মে'ন ধান বিক্ৰী কৰিব পৰা মানুহজনে এতিয়া ঠেলা চলায় ; দিন হাজিৰা কৰে। দুদিন পিছত হয়তো মানুহৰ ঘৰে ঘৰে হাত পাতিব লাগিব।

গাড়ীৰ ভিতৰত বহি বহি ভাবি থাকোতে আন এটা ঘটনা মোৰ মানস পটত ভাঁহি উঠিল। ঘটনাটোৰ লগত মুজা মোহ্তাৰ জীৱনৰ ক্ৰম বিৱৰ্ত্তনৰ যেন মিল আছে। লগতে মোৰ জীৱনত প্ৰত্যক্ষ হোৱা ঘটনাবোৰৰ মাজত যেন প্ৰাসংগিকতা আছে।

এদিন পল্টনবজাৰৰ ফুটপাথত এজন ডেকা ল'ৰা লগ পাইছিলো। তেতিয়া গধূলি হয়মান বাজিছে। দুয়োজনে মুখামুখি হোৱাত ডেকাজনে (প্ৰায় ২৫/৩০ বছৰ বয়সৰ) মোক দেখিয়েই মাত দিলে "হেহ্ চিনাকীৰ ভিতৰতে দেখোন।" মই আচৰিত হলো। কাৰণ ল'ৰাজনক মই চিনি পোৱা নাই। মই আঁতৰি আহিব খোজোতেই মোক আগচি ধৰি

সুধিলে—"মোক চিনি পাইছেনে ?" মই ভাবিব পৰা মুখলৈকে নিৰীক্ষণ কৰিলো। ওহো, মনত পেলাব নোৱাৰিলো।

"টকা এটা হব নেকি আপোনাৰ লগত।" ল'ৰাজনে চানাকি চোৱাই চোৱাই মোক অনুৰোধ কৰিলে।

"নাই নহব"। আচলতে মোৰ হাতত টকা আছে, কিন্তু অচিনাকী মানুহজনক টকা এটা দিবলৈ মোৰ ইচ্ছা নহ'ল।

"আঠ অনা হলেও হব।" উপায় নাপাই ডেকাজনক চাৰি অনা এটা দি মই আঁতৰি আহিলো। গোটেই বাটটোতে ভাবি ভাবি ল'ৰাজনক ক'ৰবাত লগ পাইছিলো নেকি মনত পেলাবলৈ যত্ন কৰিলো। ১৯৬৫ চনৰ পৰা এতিয়ালৈকে বহু মানুহক লগ পাইছো; বহু ছাত্র-ছাত্রীক পঢ়ুৱাইছো। তাৰ আগতে মই পঢ়ি থাকোতে অৱশ্যে বেচি মানুহৰ সংস্পৰ্শত অহা নাছিলো। কোনোবা হয়তো ছাত্রও হব পাৰে। অৱশেষত উত্তৰটো ওলাল। মই যেতিয়া বিশ্ববিদ্যালয় মডেল স্কুলৰ শিক্ষক আছিলো তেতিয়া এই ডেকাজন আছিল পঞ্চম নে ষষ্ঠ শ্রেণীৰ ছাত্র। পঢ়াত সিমান এটা ভাল নাছিল। ঘৰ আদাবাৰী নে সেইখিনিৰ ক'ৰবাত। মুছলমান সম্প্রদায়ৰ। সুন্দৰ বগা মৰম লগা চেহেৰা। দেখিলেই মৰম কৰিবৰ মন যায়। এসময়ত স্কুলৰ শিক্ষকতা বাদ দিলো আৰু মডেল স্কুলৰ ল'ৰা-ছোৱালীবোৰ ছবিবোৰ লাহে লাহে ম্লান হৈ আহিল।

সেইজন ল'ৰাই আজি ফুটপাথত পইচা খুজিব লগীয়া হৈছে। মোক হয়তো চিনাকী দিবলৈ টান পাইছে যদিও পইচাৰ লোভটো এৰিব পৰা নাছিল। গতিকে চাৰ বুলি কোৱাত ভেওঁৰ কাৰণে অসুবিধা হৈছিল। ঘটনাটোৱে কেবাদিনো মোক জুমুম কৰিছিল। কেতিয়াবা কেতিয়াবা চিন্তিত হৈ পৰিছিলো দিনবোৰ কেনে হ'ল দেখোন? ছাত্রই চাৰৰ ওচৰত ভিক্ষা খুজিবলগীয়া অৱস্থা হ'ল।

আজিকালি 'চাৰ' হোৱাও কি যে বিড়ম্বনা!

মাহখোৱাত গাড়ীখনক পৰা নামি গোনে গোনে ঘৰলৈ গলো।

সেইদিনাৰ পিছত মুজা মোহ্তাক কোনো দিন মই দেখা নাই। তেনে সম্ভাৱনাও প্ৰায় ক্ষীণ হৈ আহিছিল। কিয়নো পুলিচৰ চাকৰিত সোমোৱাৰ পিছত মোৰ গাঁৱলৈ যোৱা এবাৰো হোৱা নাই।

কিন্তু মুজা মোহ্তা ইয়ালৈ আহিল কেনেকৈ আৰু আহিল কিয়? এসময়ৰ দুইমোনীয়া মানুহজন শুকাই খীনাই হাড়ে চালে লাগিছে। মোহ্তাই হয়তো মোক চিনি পোৱা নাই বা মই যে পুলিচৰ ডাঙৰ অফিচাৰ হৈছো সেইটোও কল্পনা কৰিব পৰা নাই।

ইতিমধ্যে মুজা মোহ্তা ৰেল লাইনৰ কাষৰ অকন মান জুপুৰীটোৰ ভিতৰলৈ সোমাই গ'ল। কেইজনমান কনিষ্টবল তৎক্ষণাত জুপুৰীটোৰ ওচৰলৈ আহি মোহত্তাক ধমকি দিলে—

"হেই বুঢ়া। ওলা এতিয়াই। মৰিবলৈ জাগা নাপালি।" এইবুলি ধাপাধুপ্ ঘৰটো ভঙাত লাগিল কনিষ্টবল কেইজনে।

মই লাহে লাহে আগুৱাই গলো। অন্ততঃ আজি ৰাতিটো নভঙাকৈ ৰাখিব পাৰিলেও মুজা মোহ্তাই বসন্ত হোৱা শিশুটোৰ কিবা এটা ব্যৱস্থা কৰিব পাৰিব।

কিন্তু মই গৈ পাওঁ মানে মুজা মোহ্তাই মোক পানীৰ পৰা উদ্ধাৰ কৰি আনি কান্ধত যেনেকৈ উঠাই নিছিল ঠিক তেনেকৈয়ে নিজৰ সন্তানকো কান্ধত লৈ ঘৰৰ বাহিৰ হৈ ৰেলৰ লাইনৰ স্লিপাৰৰ ওপৰেদি পশ্চিম মুৱাকৈ বেগাবেগিকৈ খোজ দিলে।

মই মুজা মোহ্তাক মাত দিম বুলি ভাবিও মুখেৰে এটা শব্দও উচ্চাৰণ কৰিব নোৱাৰিলো।

●

উচ্ছিষ্ট

মই আৰু মোৰ সদ্যবিবাহিতা পত্নী নীলিমা। আমি দুজনে নগাঁৱলৈ ৰাওনা দিছো চৰকাৰী বাছেৰে। আগষ্ট মাহৰ অসহ্য গৰম। ক'তো এটা গছৰ পাত লৰচৰ কৰা নাই।

ডবকা বাছ ষ্টেচন পাইছো মাত্ৰ; এনেতে গাড়ী ব্ৰেক ডাউন হ'ল। গতিকে হামবেণৰপৰা অহা বাছখনত নগলে আৰু গত্যন্তৰ নাই। তেতিয়ালৈকে আৰু দুই ঘণ্টা বাকী।

উপায়হীন হৈ দুয়ো নামি গলো। নাৰিকলৰ ডাবৰ পানী খাম বুলি ৰাস্তাৰ কাষলৈ আগুৱাই গলো। আচৰিত কথা সচৰাচৰ থকাৰ দৰে আজি এখনো দোকান নেদেখিলো। সকলো বন্ধ।

অন্যনোপায় হৈ নীলিমাক প্ৰস্তাৱ দিলো—"মোৰ বাল্যকালৰ সহপাঠী ইয়াকুবৰ ঘৰ ইয়াতে। তাৰ ঘৰলৈ যাওঁ আহা। বহুদিন লগো পোৱা নাই। খবৰ এটাও লোৱা হ'ব।" "বলা। কিন্তু আমাৰ বিয়া সম্পৰ্কীয় কথা একো ক'ব নোৱাৰা।"

"কিয় ইয়াকুবেও দেখোন হেমাক পলুৱাই আনিছিল? তেতিয়া মইয়েই তাক সহায় কৰিছিলো। হ'ব ব'লা। তোমাৰ আপত্তি আছে যেতিয়া মোৰ মুখেৰে এষাৰো কথা নোলাব।"

ইয়াকুব আৰু মই। দুয়ো নগাঁৱত থাকি পঢ়িছিলো। পঢ়াত দুয়োজনে আছিলো মহা মহা পণ্ডিত। বলখেলাৰ নামত দুয়ো আছিলো পাগল, মই কোনোমতে ঠেলিহেঁচি দশমমান শ্ৰেণীলৈ পঢ়িলো। ইয়াকুবে কিন্তু অষ্টমমানৰ পৰা আগুৱাব নোৱাৰিলে। তাতে ইতি কৰি হেমাক পলুৱাই আনি ঘৰ সংসাৰ কৰিলে।

ভবকাৰ নিজৰ ঘৰত এতিয়া দুয়ো থাকে। ল'ৰা—ছোৱালী কিমান হৈছে সেই খবৰ এতিয়া নাপাওঁ।

নাৰিকল দুজোপাৰ মাজেদি সোমাই গৈ ইয়াকুবৰ চোতালত প্ৰবেশ কৰি দেখিলো—এটা জৰাজীৰ্ণ ঘৰ আৰু এখন চালি। চৰকাৰী ৰাস্তাৰ ফালে মৰা পাটৰ শুকান ঠাৰিবে বেৰ এখন দিছে যদিও গৰুৰ গোবৰ মুত পৰি মাজে মাজে বেৰখন পচি গৈছে। চালত দুটা বগা পৰা কোমোৰা। চাৰি পাঁচ ডাল বচী কেবাটাও পুৰণ চিন কৰি টানি তাত মৰাপাট মেলি দিয়া হৈছে। চোতালৰ একোণত দুটা আহুধানৰ নবাৰ দ'ম। নবাৰ গোন্ধটোৱে মোক স্মৃতিত আঘাত কৰিলে কাকো নেদেখি মাত লগালো।

"ইয়াকুব। অঁ ইয়াকুব। ঘৰত আছ'নে?' ঘৰৰ ভিতৰৰ পৰা কোনোবা এজন দৌৰি আহিল। ইয়াকুবে আচৰিত হৈ কলে—

"আৰে কল্যাণ তই! অ হেমা, হেমা। চোৱাহি কোন আহিছে? শেৱালি, জিন্তু ·· ক'ত গ'ল অ' এইমখা? ইস্ তই যে গৰীবৰ কথা মনত ৰাখিছ কল্যাণ!" এইবুলি ইয়াকুবে মোৰ হাতত ধৰি গোহালি ঘৰটোৰ ছাঁত বহিবলৈ এখন হাত ভঙা চকী আগুৱাই দিলে। তাৰ গামোচাখনেৰে চকীখন মচি মচি বিৰক্তিৰে কলে—

"কিবা এটা বস্তু যে চিজিল কৰি ৰাখিব শিকিলেহেতেন ইহঁতে। কেৱল পেটত কিবা এটা বস্তু সুমাই থোৱাৰ চিন্তা।"

ইতিমধ্যে আমাৰ চাৰিওফালে ইয়াকুবৰ ল'ৰা ছোৱালী কেইটাই আমাক আগুৰি ধৰিলেহি। কাষ্ঠিত হেমা দণ্ডায়মান। মুখত লাজৰ হাঁহি। আজি পোন্ধৰ বছৰ আগতে হেমাৰ এইটো হাঁহিয়েই মই দেখিছিলো। যেতিয়া তাইক ইয়াকুবৰ কাৰণে পলুৱাই আনি—বলৈ গৈছিলো তেতিয়া তাইৰ বয়স আছিল বাৰ নে তেৰ। বয়সৰ আচোৰেও দাৰিদ্ৰ্যৰ কৰ্কশতাইও এই হাঁহিত আঁচোৰ মাৰিব পৰা নাই। কেৱল চকুৰ তলত ক'লা দাগ পৰিছে।

"কি ভাবিছ কল্যাণ? বহ আকৌ। মাচোন শেৱালি সিহঁতৰ

পৰা মূঢ়া এটা লৈ আন। মাহীয়েৰক খহিবলৈ দে।"

মই ৰহি পৰিলো। বহাৰ লগে লগে বুঢ়া মানুহৰ দাঁত লৰাৰ দৰে চকিখন লৰি উঠিল। "কচোন কল্যাণ ক'ৰপৰা আহিলি? ইমান দিনৰ মূৰত দেখিছো তোক।" "ডিফুৰ পৰা। ডিফুলৈ অাসহী খাবলৈ গৈছিলো।"

"কিয় তই কলিকতাত নাথাক জানো?"

"থাকো। কেইদিনমানৰ কাৰণে আহিছো। এওঁক তই শেৰালিৰ ম্যাহীয়েক বুলি কিয় কলি?"

"অ বপুৰা নাজানো বুলি ভাবিছ? মোৰ দৰে তয়ো এইখন কৰিলি। মই যেনিবা মুছলমানে হিন্দু ছোৱালী আনিছো। তই যেনিবা বামুণে কোঁচৰ ছোৱালী আনিছ। পাৰ্থক্য এইকণহে। অৰ্থাৎ তই মোৰ এতিয়া শালপতি মানে নীলিমা মোৰ খুলশালী। নে কি কোৱা নীলিমা?"

নীলিমা তলমূৰ কৰি হেমাৰ ওচৰলৈ আগুবাই গ'ল। নীলিমাৰ হংস গমন লক্ষ্য কৰি ইয়াকুবে ৰগৰ কৰিলে—জিনিচটো বেয়া নহয়। সাজোনে কাচোনে একেবাৰে বঙালী বধু। কলিকতাত থাকি এতিয়া বঙালী ভদ্ৰলোক বনি গলি।"

"কিয় তয়ো দেখোন হিন্দু বনি গলি।"

"ক'ত প্ৰমাণ আছে?"

"হেমাৰ সেন্দুৰৰ ফেঁটটো জানো মচিব পাৰিছ? আৰু ইহঁতৰ নাম কেইটা?"

"মুছলমান মাইকীৰ মুখলৈ চাইছ কিয়? এইটো তোৰ অন্যায়।"

"বোৰ্খা ক'ত? চকুকেইটা মেলি থকাৰ কাৰণে নে মুদি থকাৰ কাৰণে।"

হো হোকৈ দুয়ো হাঁহি দিলো। অৰ্থপূৰ্ণ ইংগিত এটাৰে অলপ নৰমসুৰত ইয়াকুবে মোক সুধিলে—

"কেইমাহ চলিছে এতিয়া?"

"চাৰিমাহ।"—মই উত্তৰ দিলো।

ইয়াকুব যেন এজন বিজ্ঞ অভিভাৱক যেন বঙ্গখেলাৰ কেপ্তেইন এনে এটা ভাবেৰে মোক উপদেশ দিলে—"এনে সময়ত মটৰত অহা যোৱা কৰিছ কিয় কল্যাণ ? তই মানে মূৰ্খামি কৰিব নেৰিলি। বল খেলোতেই তই কেতিয়াবা কেতিয়াবা এনে মূৰ্খামি কৰিছিলি কাৰণেই আমি হাৰিছিলো। বুইছ। ভাল ভাল বস্তু খুৱাবি। আপেল মালভোগ কল, আঙুৰ, প'লেং শাকৰ ঝোল, মাগুৰ মাছ, মুৰগী, আইৰণ টনিক আৰু ·· ··· ।"

"বুজিছো বহ। তই ইতিমধ্যে ডাক্তৰ হৈ পৰিছ। তোৰ সময়ত কি কি খুৱাইছিলি কছোন ?"

মই লক্ষ্য কৰিলো ইয়াকুব হঠাৎ গহীন হৈ পৰিল। প্ৰশ্নটো কৰি মই নিজে বিপাঙত পৰিলো। স্থান কাল আৰু ইয়াকুবৰ অৱস্থাৰ মোৰ খেয়ালেই নহ'ল। আমি যেন তেতিয়াৰ বাল্যবন্ধু। ময়ো জানো মই এজন ষ্টেট বেংকৰ চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী হৈ ইয়াকুবে কোৱা খাদ্যৰ লিষ্টখন কেতিয়াও কাজে-কামে খটুৱাব নোৱাৰিম। কথাটো পাতল কৰাৰ কোনো উপায় উদ্ভাৱন কৰাৰ আগতেই ইয়াকুবে গহীনভাৱে কলে—

ডাক্তৰৰ উপদেশ শুনোতে শুনোতে মোৰ মুখস্থ হৈ গৈছে কল্যাণ। মোৰ কিয় মোৰ দৰে বহুতৰে এনেদৰে মুখস্থ আছে। কেৱল কাৰ্যক্ষেত্ৰহে হৈ নুঠে।

ইয়াকুবৰ কথা শেষ নৌহওঁতেই দেখিলো আমাৰ সন্মুখত এদল একৰকম উন্মদপ্ৰায় ডেকাৰ দল। সকলোৰে মূৰত একোটা বগা টুপী, শিকলত পাঞ্জাবী কুৰ্ত্তা। মোৰ তেতিয়াহে মনত পৰিল আজি শুকুৰবাৰ। বোধহয় নামাজৰ সময় হৈছে।

"হেই ইয়াকুব কাফেৰ! তোৰ এতিয়াও মিটিঙলৈ যাবৰ সময় হোৱা নাই ?" কোনোবা এজনে ইয়াকুবক লক্ষ্য কৰি বিতৃষ্ণা আৰু শ্লেষভৰা বিদ্বেষেৰে কথাখিনি কলে—"তই এতিয়াই আহ। দেখি কৰিলে টানি লৈ যাম কুত্তাৰ বাচ্চা ?"

ইয়াকুবৰ কোনো উত্তৰলৈ বাট নাচাই সিইঁত গোঁগোঁৱাই গুচি গ'ল। মই তেখা লাগি চাই বলো ইয়াকুবলৈ। কি এনে গুৰুতৰ দোষ কৰিছে ইয়াকুবে তাকে জুকিয়াই চাবলৈ যত্ন কৰিলো। পুৰণা কোনো কথাৰ সম্ভেদ নাপালেও এটা কথা বুজিলো যে কোনো এক আবেগ প্ৰৱণতাৰ বলি হৈছে এই নতুন পুৰুষ ; ইয়াকুবক 'কাফেৰ' বুলি অশ্লীলভাৱে গালি পৰাত বুজিলো ই নিশ্চয় ধৰ্মীয় আবেগ প্ৰৱণতা। ধৰ্মত জানো এনে অশিষ্টাচাৰৰ স্থান আছে ? আছে যদি তেন্তে ই ধৰ্মই নহয়। নাই যদি তেন্তে এনে হ'ল কিয় ? কোন ইয়াৰ বাবে দায়ী ? ধৰ্মৰ নামত ঠিকা লোৱাসকলক মানুহে চিনি নাপায় কিয় ? নানান প্ৰশ্ন মনলৈ আহিল। ইয়াকুবক কথাটোৰ ভু লবলৈ আগ্ৰহ কৰি মুখ মেলোতে ইয়াকুবে কলে—"তই আচৰিত হৈছ নহয় কল্যাণ ! মুছলমানে ভাবে মোক কাফেৰ বুলি আৰু হিন্দুৱে ভাবে মুছলমানৰ দালাল বুলি। কিযে হৈছে মানুহবিলাকৰ !" দেখিলি পিলিঙাবোৰে কেনেকৈ এটা জাতিৰ এটা ধৰ্মৰ দায়িত্ব লোৱাৰ গৰ্বেৰে অগ্ৰজসকলক নাকচ কৰিবলৈ ওলাইছে।"

"তই কি কব বিচাৰিছ ?"

"জান কল্যাণ। আজি মছজিদত ইলেকচনৰ মিটিঙ আছে। মোৰ যাবলৈ ভয় লাগিছে। মই যাকে লগ পাইছো তাকে কৈছো ধৰ্মৰ নামত বা ভাষাৰ নামত কোনো দল কৰিব নালাগে। এনে কৰিলে আমি সদায় দ্বন্দ্ব খৰিয়াল কৰি থাকিব লাগিব। সিইঁতৰ যুক্তি হ'ল অস্তিত্ব ৰক্ষাৰ নামত যদি এদলে ৰাজনৈতিক দল গঠন কৰিব পাৰে আত্মৰক্ষাৰ নামত আমি কৰিব নোৱাৰো কিয় আৰু ইয়াৰ বিৰোধিতা কৰাৰ কাৰণেই সিইঁতৰ মনত মই কাফেৰ।

মই ইয়াকুবক নতুন দৃষ্টিৰে বিবেচনা কৰিবলৈ ললো। ভাবিছিলো ইয়াকুব এতিয়াও সেই আগৰ গোঁৱাৰ আৰু তৰলা মনৰ হৈ আছে, কিন্তু আজি ইয়াকুবক নতুন অভিজ্ঞতাই জ্ঞান দিছে। বল খেলত হাৰিলে যিজন ইয়াকুবে খঙে বেঙাৰে কান্দি দিছিল সেইজন

ইয়াকুব আজি জীৱনত হাৰিও মানুহৰ নানান লাঞ্চনা গঞ্জনা খাইও যুক্তিপূৰ্ণ দৃষ্টিভংগীৰে সত্যৰ বাটত ভৰি দিবলৈ আগবাঢ়িছে।

"কিন্তু ইয়াকুব ভাই ইয়াত ভয় খাবলগীয়া কিটো আছে?" - প্ৰশ্নসূচক দৃষ্টিৰে তাৰপৰা উত্তৰ বিচাৰিলো। ইয়াকুব অলপ পোন হৈ বহিল আৰু গহীন হৈ ক'বলৈ ললে।

"ভাই নাজান কল্যাণ ১৯৮৩ চনৰ অসমৰ ইলেক্‌চনৰ কথা। তাই বোধহয় তেতিয়া কলিকতাত। ইয়াত থাকিলে জানিলিহেঁতেন মৃত্যুৰ যমদূতবোৰে মানুহৰ ঘৰে ঘৰে কিদৰে ঘূৰি ফুৰিছিল।".

সেই দিনা কি তাৰিখ আছিল পাহৰিলো। মোৰ মা আৰু মোৰ দহ বছৰীয়া ল'ৰা মিন্টু গধূলি এখন গাঁৱৰ মাজেদি ঘৰলৈ আহি আছিল। কিন্তু সিহঁত আহি ঘৰ নাপালে কোনোদিনে। নদীত তিনিদিন পিচত বস্তাৰ ভিতৰত সিহঁতক পালো কল্যাণ।"

ইয়াকুবলৈ ভয়ে ভয়ে চালো-অস্বাভাৱিক হৈ পৰিছে নেকি? মোৰ চকুপানী ওলাই আহিব খুজিছিল। লুকুৱাবলৈ যত্ন কৰিলো। প্ৰস্তৰৰ দৰে কঠিনতা লক্ষ্য কৰিলো ইয়াকুবৰ মুখ মণ্ডলত। অবিচলভাৱে ইয়াকুবে কবলৈ ললে — ।

"তেতিয়া ভয় লাগিছিল সিহঁতক। আজিৰ ইলেকচনত ভয় লাগিছে ইহঁতক।

এইবাৰ বা কাক হেৰুৱাব লগীয়া হওঁ? ধৰ্মৰ কাজিয়া ভাষাৰ কাজিয়া, চিৰস্থায়ী কৰা হ'ল। কি হৈছে এই মানুহবোৰৰ? বয়সে ভেওঁলোকক কি শিকালে? এনেভাৱে অপৰিপক্ক জ্ঞানৰ ওচৰত আত্ম সমৰ্পণ কৰা হ'ল কিয়? আজি মানুহৰ মনো-জগতত কিহৰ অভাৱ ঘটিছে? নানান প্ৰশ্নই মোক আগুৰি ধৰিলেহি। ইয়াকুবৰ দৰে সবল মানুহৰ আজি নিৰাপত্তা নোহোৱা হৈছে কিয়?

দেখিলো ইয়াকুবৰ চকুৰে গিৰ্‌গিৰ্‌কৈ চকুপানী নামি আহিছে। ইয়াকুবে মুখখন ঘূৰাই ললে। তাক কান্দিবলৈ এৰি দিলো। কান্দক সি। এই কান্দোনৰ দাম আছে। আজি নহয় কালি এই কান্দোনৰ মূল্যায়ন হ'ব।

এটা সময়ত ইয়াকুবে গামোচাৰে চকুহাল মচি মচি মোলৈ চালে।

"মিটিঙলৈ নাযাব ইয়াকুব ?"

"যাম। কিন্তু কি কম তাকে ভাবি পোৱা নাই কল্যাণ, কাৰণ চাবি এদিন নহয় এদিন এই দুই শক্তিৰ মাজত মাৰপিট, খুন জখম নিশ্চয় লাগিব। এই কথাতো কাকো বুজাব নোৱাৰিম।"

"শুন ইয়াকুব।" তাক মই মোৰ ওচৰলৈ টানি আনিলো। আৰু কলো—"ৰাইজক কবি আমি আজি উচ্ছিষ্টৰ ভাগ লবলৈ এনেদৰে খোৱা কামোৰা কৰি কোনো লাভ নাই ৰাইজ। এই উচ্ছিষ্ট কাৰ সেইটোহে চিনিব লাগে ; কোনে আমাক খুৱাইছে তাক জানিব লাগে। আমি উচ্ছিষ্ট নাখাওঁ বুলি সঙ্কল্প কৰিব লাগে এই সাধাৰণ কথাটোও তই কব নোৱাৰিবি নে ?"

ইয়াকুবৰ মুখখন হঠাতে উদ্ভাসিত হৈ পৰিল। এটা আনন্দৰ ৰেখা ফুটি উঠিল তাৰ মুখমণ্ডলত।

"কি কলি কল্যাণ ? তই ইমান দেখি কৰিলি কিয় ?"

হঠাতে ইয়াকুবে খোজ ললে আৰু কলে—"তই বহ কল্যাণ মই এতিয়াই যাম।"

পাগলৰ দৰে ইয়াকুবে মছজিদৰ ফালে দৌৰ দিলে।

পাশা খেলৰ প্ৰতি

বাষ্ট্ৰীয় ঘাইপথৰ বাওঁহাতে ডুমুনীচকী বাছষ্টেণ্ড। কামৰূপ আৰু দৰং জিলাৰ সীমা বৰনদীৰ পশ্চিমপাৰে অৱস্থিত ডুমুনীচকী বাছ ষ্টেণ্ডত মিনিবাছৰ পৰা নামি পৰিলো। দিনটো শনিবাৰ। বৰনদীৰ পূবকালে এখন বাজ্জৰো বজাৰ বহে প্ৰতি শনিবাৰে। বজাৰৰ মাজেদি বৰনদীৰ মথাউৰিয়েদি মই হেতেমভোলা গাঁৱলৈ খোজ ললোঁ। হেতেমভোলা, শাহগৰা, গণেশ কুঁৱৰী, কুঁৱৰীজান হৈ কুকুৰাৰলৈ যিটো ৰাস্তা গৈছে সেইটোৱে কোনো গাড়ী-মটৰ নচলে। কেৱল ইটাৰ ভেটাৰ পৰা ইটা নিয়া ট্ৰাক কেইখনমান অহা-যোৱা কৰে।

ডুমুনীচকীৰ পৰা হেতেমভোলা পাঁচ কিলোমিটাৰমান হ'ব। গোটেই অঞ্চলটো মুছলমান প্ৰধান। মাজে মাজে জনজাতি আৰু অজনজাতিৰ হিন্দু মানুহো আছে।

অঞ্চলটোৰ দক্ষিণফালে তেতেলীয়া পাহাৰ, গণেশকুৱৰী পাহাৰ, কুৱৰী পাহাৰ, মাইদাটা পাহাৰ। মাজতে তিনিটা নে চাৰিটা ইটাৰ ভেটা।

মথাউৰিৰ বাওঁহাতে চকুৰে মনিব নোৱাৰা খেতিপথাৰ। দিনটো মনত নাই। বোধহয় ডিচেম্বৰ মাহৰ প্ৰথম সপ্তাহ। চাৰি কিলো-মিটাৰমান যোৱাৰ পিছত মই ডাঙৰ গছ এডালৰ ছাঁত বহিলোঁ। শালিধানৰ সীমাহীন পথাৰখন সোণগুটিৰে পৰিপূৰ্ণ। পকাধানৰ মাজে মাজে কাঁচিৰ চিক্‌মিকনি। পকাধানৰ সুবাস আহি মোৰ নাকৰ বন্ধ্ৰত প্ৰবেশ কৰিলে। মাজে মাজে ক'লা ক'লা মুৰবোৰ এবাৰ উঠিছে এবাৰ নামিছে।

এক অজান আনন্দত মই আপ্লুত হৈ পৰিলো। এনেদৰেই আমি আহি আছো। পথাৰত সোণগুটি ছটিয়াইছো বছৰৰ পিছত বছৰ; শতাব্দীৰ পিছত শতাব্দী।

মই মোৰ অন্তৰ্দৃষ্টি ভৱিষ্যতৰ অনন্তগৰ্ভলৈ মেলি দিলো। হে মহাকাল ! তোমাৰ গৰ্ভত মোক অনন্তকাল জীয়াই থাকিবলৈ দিয়া। পৃথিৱীৰ এই অপৰূপ সৌন্দৰ্য্য উপভোগ কৰিবলৈ দিয়া।

ঃ ক'ত যাবি বাপা ?

হঠাৎ কাৰোবাৰ মাতত ঘুৰি চাই দেখোঁ, মোৰ পাছফালে গাঢ় নীলা লুঙী পৰিধান কৰা দীঘল পকা ডাড়িৰে এজন আদ-বয়সীয়া মানুহ। মই অনুমান কৰিলো মানুহজন মুছলমান সম্প্ৰদায়ৰ

ঃ ক'ত যাবি বাপা ? — কথাৰ সুৰ কামৰূপীয়া।

ঃ হেন্তেমভোলালৈ যাম। – মই উত্তৰ দিলোঁ যদিও মোৰ খোকোজা লাগিল।

ঃ কাৰ ঘৰত যাবি ?

ঃ কাতিৰাম বড়োৰ ঘৰলৈ।

ঃ কিবা সম্পৰ্কীয় হয় নেকি ? — কিয় মানুহজনে মোক তেনেকৈ সুধিলে অনুমান কৰিব নোৱাৰিলেও মোৰ ধাৰণা হ'ল এই প্ৰশ্নটোৰ কিবা যেন অৰ্থ আছে। কাৰণ, মই জনজাতিৰ লোক নহয় আৰু তেওঁ লোকৰ লগত সম্পৰ্ক স্থাপন কৰাৰো কোনো সময় নাই। মই উত্তৰ দিলো।

ঃ মই মোৰ অফিচৰ কামৰ বাবেহে আহিছোঁ।

তেনেহ'লে ইমান দেৰি ইয়াত কিয় বহি আছ ? — মোৰ লাহে লাহে খং উঠি আহিছিল যদিও ভদ্ৰতা ৰাখি কলো-

ঃ চহৰত থকা মানুহ। খোজ কঢ়া অভ্যাস নাইতো !

ঃ বেয়া নাপাব' যদি কথা এটা কওঁ, বাপা। আমাৰ ইয়ালৈ কোনো চাকৰি কৰা মানুহ আহিলে ইটাৰ ভেটাৰ গাড়ীত বা কাৰোবাৰ চাইকেলৰ কেৰিয়াৰত অহা যোৱা কৰে। লাজ নকৰ যদি মোৰ চাইকেলৰ কেৰিয়াৰতে উঠ। বড়োৰ ঘৰৰ ওচৰত তোক নমাই দিব পাৰিম।

মানুহজনৰ স্পৰ্দ্ধা দেখি মোৰ চকুকেইটা টিক্ টিক্ কৰে ৰঙা

হৈ পৰিল আৰু কানৰ লতি দুটা গৰম হৈ উঠিল। মই কিবা কোৱাৰ আগতেই মানুহজনে কোৱা আৰম্ভ কৰিলে –

ঃ খং কৰিব নালাগে, বাপা। আজি কেইদিনমান আগতে মংগলদৈৰ পৰা ডাঙৰ নেতা এজন আহিছিল। পিছে তেওঁৰে দুৰ্ভাগ্য। হ'ল তেওঁৰ গাড়ীখন বেয়া। গধূলি হৈছে মাত্ৰ। নিজে গাড়ী চলাই আহিছিল। পিছে বপুৰাকো মেয়েই এইখন চাইকেলেৰে ভুমুনী চকীত থৈ আহিলোঁ।

মই মানুহজনৰ মুখখনলৈ দৃষ্টি নিক্ষেপ কৰিলো। কোনো কৃত্ৰিমতা নেদেখিলোঁ। মানুহজনৰ সৰলতা আৰু সহানুভূতি দেখি ভাল লাগিল। মোৰ খঙটো নামি আহিল। কিন্তু যি কাৰণতে নহওঁক - মই তেওঁৰ চাইকেলৰ কেৰিয়াৰত নুঠিলো।

ঃ বাপা, চালকেলত নুঠ নাই। কিন্তু ইয়াৰপৰা সোনকালে যা। ঠাইখন ভাল নহয়। এই দুপৰীয়াখন অকলে থাকিব নালাগে। এইভাল গছত এটা 'জিনিছ' আছে।

ঃ জিনিছ? কি জিনিছ আছে?

মানুহজনে বহুত সময় নিমাত থাকি কওঁ নকওঁকৈ ক'লে, ডালবিৰা।

এনেকুৱা আলৌকিক কথাত মোৰ বিশ্বাস নাই যদিও মই মানুহজনক সন্মান কৰিয়েই খোজ দিলো। হঠাতে গছ জোপাৰপৰা এটা শগুণ ঢপ্ ঢপাই উৰি গ'ল। মানুহজনলৈ চালো। দেখিলোঁ তেওঁ তেওঁৰ নিজৰ বুকুখনত থু পেলাই সোঁহাতখনেৰে বুকুত চপৰিয়াব ল'গিছে। তাৰপাছত অলপো পলম নকৰাকৈ চাইকেলখনত জাপ মাৰি উঠি ক'লে—

ঃ দেখিলি নহয়, বাপা? নামটো কোৱা কাৰণে কেনে কৰিলে? ভাই আহি থাক।— তেওঁ আৰু মোলৈ অলপো বাট নাচাই কোৱা-কুৰিকৈ চাইকেলত পেডেল মাৰিলে। মই হতভম্ব হ'লো। বিজন মানুহে মোক চাইকেলত নিব বিচাৰিছিল সেইজনে ভয়তে মোক এৰি পলাল।

এটা সময়ত বৰনদীৰ মাথাউৰিৰ পৰা ৰাওঁহাতেৰে নামি আহি ৰিখন গাঁও পালো, সেইখনেই হেতেমভোলা। হিন্দু মুছলমান আৰু জনজাতিৰ বসতিস্থান। গ্ৰেভেল দিয়া ৰাস্তাটোৰ পৰা চুবুৰীৰ ভিতৰলৈ সোমাই গ'লোঁ।

মই গৈ কাতিৰাম বড়োৰ ঘৰৰ চোতালত ভৰি দিলো।

চোতালত এজনী মানুহে বুকুত মেখেলা পিন্ধি উখোৰা ধান মেলি দি ধানৰ মাজৰপৰা সিজোৰা আলু বাচি বাচি খৰাহীত থৈ আছে। মোক সমুখত দেখি তৎক্ষণাত বুকুৰ মেখেলাখন ওপৰলৈ নি বান্ধি ল'লে আৰু ক'লে—

ঃ কাক বা বিচাৰিছে ?

ঃ এইটো কাতিৰাম বড়োৰ ঘৰ হয়নে ?

ঃ হয়

ঃ তেওঁকে বিচাৰিছোঁ।

ইতিমধ্যে কাতিৰাম বড়োৱে মুখখন গামোচাৰে মচি মচি হাতত মূঢ়া এটা লৈ ঘৰৰ পৰা ওলাই আহিল। তেওঁৰ বয়স অনুমান ষাঠিৰ ওচৰাওচৰি। চেহেৰাটো কিন্তু বেছ হৃষ্টপুষ্ট। চুলিত এতিয়াও ধুসৰ ৰং ধৰা নাই।

মই মূঢ়াটোত বহিলোঁ। তেওঁ পীৰা এখনত বহি সুধিলে, "কি কাৰণত বা আহিল, বাপা? চিনিও নাপাওঁ; জানিও নাপাওঁ।" এইবুলি তেওঁ তৃতীয় পুৰুষত কলে—

ঃ হেৰি নহয়, চাওঁ, তামোলৰ বটাটো লৈ আহ। পাত চাধা-খিনি চুঙাটোত আছে।

মই ক'বলৈ আহিছো, কিয় আহিছো সকলো কথা তেওঁক ক'লো। তেওঁ কুমুলীয়া তামোলৰ বাকলি বাখি মোকো এখন বাচিলে।

তেওঁ তামোলৰ পাগ নুঠালৈকে চাধা আৰু চ ণ মুখত ভৰাই শেষত ক'লে—

ঃ অকণমান ধান কাটি কি হ'ব, বাপা ? খেতি ভাল হোৱা নাই। বানপানীয়ে মাৰিছে। মই কলো ভাল হোৱা ধানৰ ডোব লা এটাত কাট। কিন্তু তেওঁ দেখোন নাকাটিলে। কি হিচাপ কৰিব বিচাৰিছে নাজানো বাপা।

মই বুজিলো, অফিচৰ মানুহজনে নিয়মতেই কাম কৰিছে। মই তেওঁক বুজাই ক'লো যে এনেকৈ ধান কাটি মাৰি দেশৰ কিমান চাউল উৎপাদন হয় সেইটো হিচাপ কৰিব চৰকাৰে। দেশলৈ চাউল আমদানি কৰিব লাগিব নে নালাগে সেইটো জনা যাব তাৰপৰা। লগতে আমাৰ অৱস্থা কেনে হৈছে সেইটোও জানিম।

মই তেওঁক কথাখিনি কলোহে মাত্ৰ, তেওঁ মোক হতবাক কৰি ক'লে—

ঃ বেয়া নাপাবি, বাপা। চহৰত বহি বহি খোৱা মানুহবোৰক কেনেকৈ খুৱাব পাৰি তাৰবাবে ইমান হিচাপ নিকাচ। আমি খাইছোঁ নে মৰিছো তাৰ প্ৰতি কাৰো নজৰ নাই। তোবো নাই; তইঁতৰ দৰে মানুহবোৰৰো নাই। ৰাজা-মন্ত্ৰীৰো নাই।

এনে পৰিস্থিতিৰ মুখামুখি হম বুলি ভবা নাছিলো। মই অলপ অস্বস্তি অনুভৱ কৰিলো। মোৰ বুজিবলৈ বাকী নাথাকিল, মানুহজনৰ কাৰোবাৰ ওপৰত ক্ষোভ পুঞ্জীভূত হৈ আছে। এনেতে তিনি বছৰমান বয়সৰ কেচুৱা এজনীয়ে বড়োৰ কোলাত উঠি লৈ বড়োৰ মুখৰ পৰা বস্তু উলিয়াই আনিবলৈ চেষ্টা কৰিলে। তেওঁ অকণমান খোৱা তামোল আনি ছোৱালীজনীৰ ওঁঠ দুটাত লিপি দিলে। ছোৱালীজনী খুব মৰম লগা। মই পৰিস্থিতি স্বাভাৱিক কৰিবৰ বাবেই ক'লো —

ঃ হেৰি নহয় কাকা, এইজনী বোধহয় আপোনাৰ নাতিনী?

ঃ মোৰেই নাতিনী, বাপা। নাতিনী হ'লে কি হ'ব। মোক পিতাক বুলি ভাবে তাই। খাওতে-শোওতে, উঠোতে বহোতে তাই মোৰ লগতে থাকে। ৰাতিও মোৰ লগতে শোৱে। তাইক লৈ সমস্যাত পৰিছো, বাপা।

ঃ কিয়, তাইৰ মাক দেউতাক ?

ঃ সেয়া বহুত কথা, বাপা। —

এইবুলি কাকাই তাইৰ জন্ম কাহিনী শুনালে। পিতাক আন্দোলনৰ ডাঙৰ নেতা আছিল। সি নেতা কেনেকৈ হ'ল নাজানো। কিন্তু নেতা হোৱাৰ যোগ্যতা যে নাছিল সেইটো মই ভালকৈ জানো। কাৰণ, সি এবাৰ এবাৰ কৈ তিনিবাৰ মেট্ৰিক দি পাচ কৰিব নোৱাৰিলে।

এদিনাখন আন্দোলন শেষ হ'ল আৰু সি ডাঙৰ ঠিকাদাৰ হ'ল। ঠিকাৰ টকাখিনি লৈ পাখাই-পাখাই গোটেইখিনি হজম কৰি এদিনাখন এইৰ মাকক গুৱাহাটীৰপৰা লৈ আহিল। এইৰ মাক হ'ল বামুণৰ ছোৱালী। বোৱাৰীৰো ঘৰত কোনো নাছিল, কেৱল মাকজনী। দুয়ো আন্দোলনত লাগি থাকোঁতে চিনাজনা হ'ল নেকি! দুয়ো মোৰ ঘৰত সোমাল আৰু মইও সিহঁতক গ্ৰহণ কৰিলো। কিন্তু বিয়া হোৱাৰ কেইমাহমান পিছতে মটৰ চাইকেলখন আৰু ৰেডিঅ'টো বিক্ৰী কৰি সি ঘৰৰ পৰা পলাল। তাক বোৱাৰীৰ মোহে আমুৱালে বাপা।

ইপিনে বোৱাৰীৰ গা-ভাৰী। ঘৰৰ উপাৰ্জনো কম, কোনোপধ্যে বছৰটো চাউলে নোজোৰে। বোৱাৰী হল চহৰৰ ছোৱালী। কামবনো গাঁৱৰ মানুহৰ দৰে কৰিব নোৱাৰে। মোৰ উপায় নোহোৱা হ'ল, বাপা।

এদিনাখন বোৱাৰিও এইৰ জন্মৰ এমাহমান পিছতে আমাক কন্দুৱাই থৈ গুচি গ'ল। চিকিৎসাৰ অভাৱতে তাই মৰি থাকিল। লক্ষ্মীহেন বোৱাৰী আছিল, বাপা। — এই বুলি কাকাই দীঘলকৈ উশাহ এটা লৈ ঘৈণীয়েকক ক'লে—

ঃ হেৰি নহয়। বিয়নীক মাতচোন।

কপাল উদং, আদবয়সীয়া বগা কাপোৰ পৰিহিতা মানুহ এজনী ঘৰৰ ভিতৰৰ পৰা ওলাই আহিল। মই অনুমান কৰিলো, তেওঁ

আগৰপৰাই আমাৰ কথাবোৰ ভঙ্গি আছিল।

ঃ এঁৰেই মোৰ বিয়নী, বাপা। মাজে মাজে নাতিনীয়েকৰ খবৰ লবলৈ আহে।

কথাৰ কোনো পাততনি নেমেলাকৈ তেওঁ ক'লে — কেও কিছু নাই। অ'ত দুদিন ত'ত দুদিন। পুৰণি ঘৰ এটা আছে। তাকে ভাৰাত দিছোঁ। তাবে কিবাকৈ চলি থাকোঁ।

তেওঁ মোৰ ওচৰতে পীৰা এখন পাৰি বহি ল'লে। মোৰ ডিঙিলৈকে বাৰে বাৰে প্ৰশ্ন এটা আহি উভতি গৈছে। কম কম বুদ্ধিও সাহস গোটাব পৰা নাই। জানোছা কাকাৰ পৰা আকৌ টান কথা শুনিব লগা হয়। তথাপিতো সুধি পেলালো -

ঃ আপোনাক -আপোনাৰ সমাজে বেয়া নাপায় জানো ?

ঃ কিয় বোপাই ?

ঃ এই ধৰক, মানে কাকাইতৰ লগত লেটিপেটি কৰা কাৰণে ? মানুহজনীয়ে এটা হুমুনিয়াহ কাঢ়িলে আৰু নিৰ্ভীকভাৱে ক'লে—

ঃ কোনোবাই বেয়া পালেও মই জানো নাতিনীজনীৰ ওচৰলৈ নহাকৈ থাকিব পাৰিম ? মোৰ দৰে কাৰোবাৰ হওকচোন, তেওঁলোকে পাৰে নেকি ? এতিয়া আৰু আমাৰ দিন নাই, বোপাই। এতিয়া তোমালোকৰ দিন। মানুহে বেয়া পালেও উপায় নাই।

মানুহজনীৰ যুক্তি দেখি মই আচৰিত হোৱা নাই। কাৰণ এনে ঘটনা গুৱাহাটীত হেজাৰ-বিজাৰ হৈ থাকে আৰু তাক সকলোৱে সহজ ভাবে গ্ৰহণ কৰে। মই ঘড়ীটোলৈ চালো। তিনি বাজিছে। যাবলৈ উঠি কাকাক সুধিলোঁ।

ঃ কাকা, আপোনাৰ ল'ৰাৰ এতিয়ালৈকে কোনো শুভসূত্ৰ পোৱা নাই নেকি ?

ঃ অহকাণ-পহকাণে শুনিছো, সি হেনো আকৌ আন্দোলনত নামিছে।

ঃ আন্দোলনত নামিছে মানে ?

ঃ তই জানিও নজনাৰ তাও ধৰিছ। কিন্তু, আমাৰ সম্প্ৰদায়ৰ মানুহখিনিক আকৌ বেলেগ এখন ৰাজ্য লাগে বোলে! তাত লাগিছে সি এইবাৰ। তাৰ আৰু আছে কি? য'তেই মৰামৰি-কটাকটি, তাতেই সি।

ঃ কিন্তু আপুনি আপোনাৰ সম্প্ৰদায়ৰ মানুহে কৰা আন্দোলন সমৰ্থন নকৰে নেকি?

মোৰ প্ৰশ্নটোৰ উত্তৰ কাকাই পোনে পোনে নিদি তেওঁ মোকহে প্ৰশ্ন কৰিলে—

ঃ মোৰ ল'ৰাৰ দৰে ধদুৰাবোৰে যেতিয়া দেশৰ নেতা হ'বলৈ যায়, তেতিয়া দেশৰ মঙ্গল হ'বনে, বাপা? বুঢ়িছৰ দিনতো মোৰ ঘৰৰ ওপৰেদি বানপানী বাগৰি গৈছিল এতিয়াও যায়। তেতিয়াও আমাৰ অঞ্চলৰ মানুহে কোনোবাই ছমাহ কোনোবাই তিনিমাহ ধান চাউল মিলাব পৰা নাছিল, এতিয়াও নোৱাৰে। কিহৰ বাবে আমি ইমানখিলাক আন্দোলন কৰিলোঁ? কিহৰ বাবে আমি আমাৰ মাজত কাজিয়া-পেচাল কৰিলোঁ? আমি কাকো বিশ্বাস নকৰোঁ, বাপা। আমাক পাশাখেলৰ গুটি কৰিছে।

কথাৰ ধৰণটো অন্যফালে গতি কৰাত মই ছোৱালীজনীৰ মূৰত হাত ফুৰাই তৎক্ষণাৎ কাকাৰ চোতালৰ পৰা বাহিৰ হ'লো।

কুঁৱৰীজানৰ পৰা উভতি অহা খালী ট্ৰাক এখনত উঠি মই ডুমুনীচকি পালোঁহি।

বাছষ্টেণ্ডত থিয় হৈ মই বাৰে বাৰে কাকাৰ কথা কেইষাৰ পাগুলিয়াইছোঁ - "আমাক পাশাখেলৰ গুটি কৰিছে বাপা। পাশাখেলৰ গুটি!"

প্ৰজন্মৰ প্ৰতিশ্ৰুতি

যিটো নৰ্দমালৈ মায় সেইটোতে জাক জাক ল'ৰা-ছোৱালীৰ লগত প্ৰতিযোগিতা কৰি তিষ্ঠিব নোৱাৰি শেষত গৈ সিহঁতে অভিজিত বৰুৱাৰ নৰ্দমাটো আবিষ্কাৰ কৰিলে। বৰ্ত্তমানে সেইটোৱে আটাইতকৈ নিৰাপদ নৰ্দমা। খোৱাবস্তুও যথেষ্ট পৰিমাণে পোৱা যায়। সিহঁত মানে বিহুৰামৰ সাত আঠ বছৰ বয়সৰ ল'ৰা-ছোৱালীহালে এতিয়া সদায় এই নৰ্দমাটোলৈ যায়। বৰুৱাৰ ঘৰৰপৰা বিহুৰামৰ ঘৰ আধা-মাইলমান দূৰৈত। তামোলৰ চকুৱা লগোৱা বেৰৰ জলঙাইদি টি বি আক্ৰান্ত বিহুৰামৰ কাঁহৰ শব্দ আহি বতাহত ওপঙি ফুৰে। আজি কালি সেই ফালেদি মানুহ যাবলৈ বাদ দিছে। কি ঠিক আজি হোৱা নাই কাইলৈ হৈ যাব পাৰে। এনে মাৰাত্মক বেমাৰীৰ বিষয়ে আলোচনা কৰাও ভয়ৰ কথা।

বৰুৱাৰ নৰ্দমাত কিবা নহয় কিবা বস্তু দৈনিক পোৱা যায়। সেয়ে সিহঁত দুয়ো দিনৰ দিনটো তাতে টোপ দি বৈ থাকে।

বৰুৱাৰ চাকৰ কাতিৰামে সিহঁতক জানে। এসময়ত কাতিৰাম আৰু বিহুৰাম একেলগে বিষ্ণুৰাভাৰ আদৰ্শত উদ্বুদ্ধ হৈ কাম কৰিছিল। তেতিয়া তেওঁলোক আছিল চফল ডেকা। সেয়ে সুবিধা হলেই কেতিয়াবা কেতিয়াবা কাতিৰামে পেলনীয়া বস্তু পেলাই নিদি বাচন ধোৱাৰ চলেৰে নৰ্দমাৰ ওচৰত বৈ থকা বিহুৰামৰ ল'ৰা ছোৱালীহালক দি দিয়ে।

এঢলীয়া ৰাস্তাৰ কাষৰ বিৰাট গছডালৰ তলত বহি বিহুৰামৰ ঘৈণীয়েক কদমীৰ কেচুৱাক পিয়াহ দি থাকোতে চকু দুটা মুদ খাই

আহিল। কেচুৱাৰ হোপাত মাজে মাজে চকু দুটা মেল খালেই কদমীয়ে ইহঁত দুটা আহি পালে নেকি নজৰ কৰে। শতছিন্ন চাদৰখনেৰে বুকুখন ঢাকি লবলৈ চেষ্টা কৰোতে কদমীয়ে দেখিলে ইহঁত দুয়ো বিৰাট দালানটোৰ কাষৰ সুৰসুৰীয়া বাটটোৰে ৰাস্তালৈ উঠি আহিছে।

বিহুৰামে যেতিয়া কদমীক বিয়া কৰায় তেতিয়া কদমীৰ বয়স পোন্ধৰ বছৰ; এতিয়ামানে হৈছে যদি পঁচিশ। এই ভৰ যৌৱনতে কদমীলৈ বিপদ খুব আচৰিত ধৰণে নামি আহিল। দুই কেজি ওজনৰ হাতুৰীৰে শিল ভঙা বিহুৰামে এদিন হাতুৰীতে তেজ বমি কৰিলে; লাহে লাহে বিহুৰাম ঔষধ আৰু খাদ্যৰ অভাৱত সংকুচিত হৈ লাকুৰ দৰে হৈ পৰিল। দুই আঠুৰ মাজত মূৰটো সোমাই কাঁহি কাঁহি হাতুৰীটোৰ ওপৰতে ৰহিবলৈ ললে।

ৰাস্তাৰে পাৰ হৈ যোৱা কেইটামান লুভীয়া চকুৰ পৰা কদমীয়ে নিজকে ৰক্ষা কৰিবলৈ ৰাস্তালৈ পিছ দিওঁতেই কদমীৰ ওচৰত ইহঁত দুয়ো থিয় দিলেহি।

"মা মা! আজি বহুত আনিছো।"

"হয়? কাতিৰামে দিছে নেকি?"

"নাই দিয়া। কাজলৰ দেউতাক ইমান বেয়া। কাতিৰাম খুৰাকো ধমকি দিছে, আমাকো খেদি দিছে।"

"আহ আজিৰ পৰা দেখাকৈ নাযাবি। মুখেৰে পেকপেকাই থাক কাৰণেহে তহঁত যোৱা গম পায়। চাওঁ কি কি আছে?"

কাপোৰৰ টোপোলা দুটাৰ পৰা টোপাটোপে পৰি থকা ৰসৰ টোপালবোৰৰ গোন্ধ নাকত লগাত কদমীৰ জিভাৰ পানী আহিল। টোপোলা দুটা খুলি চালে কদমীয়ে। কদমীৰ মুখখন উজ্জ্বল হৈ পৰিল। আজি বহুদিনৰ পৰাই গিৰিয়েকক মুৰগীৰ মাংস খুওৱাৰ কথা শুনি আহিছে কদমীয়ে। এই বেমাৰত হেনো বৰ ভাল। কদমীয়ে তাৰাতাৰিকৈ মেখেলাখন টানকৈ বান্ধি চাদৰখন পেচ মাৰি প্ৰায় দৌৰাৰ দৰেই খোজ দিলে।

"তইঁতে মাংসখিনি নাখাবি। দেউতাৰক খুৱাব লাগিব।" কদমীয়ে ল'ৰা-ছোৱালীহালক সাৱধান কৰি দিলে।

"মা। ই তাতে চাৰি পাঁচ টুকুৰামান খালে। মই এটুকুৰাও খোৱা নাই।"

বিহুৰামৰ ছোৱালীজনীয়ে মাকৰ ওচৰত আপত্তি কৰিলে। কদমীয়ে জন্মিলৈ চালে। জন্মিয়ে দোষী দোষী ভাবেৰে কলে—

"মোকতো কোৱা নাই দেউতাক মাংস খুৱাব লাগে বুলি। আজিৰপৰা কোনোদিন নাখাওঁ।" এইবুলি জন্মিয়ে হাতত থকা আধা খোৱা মাংস টুকুৰা টোপোলাত সোমাই থৈ ভাতৰ মাজৰ পৰা বিচাৰি বিচাৰি আলুৰ টুকুৰা এটা উলিয়াই ল'লে।

"অ বাইদেউ! আলুৰ টুকুৰাবোৰো মাংস মাংস যেন লাগে অ'। তই খাই চাছোন।"

জন্মিয়ে তাৰ আধা খোৱা টুকুৰাটোৰ পৰা অকণমান বায়েকক দিলে। বায়েকে টপকৈ গিলি আঙুলি দুটা চেলেকি হাতখন শুঙি চাই ক'লে—

"হয় মা। মাংসৰ লগত ৰন্ধা কাৰণেহে তেনে লাগিছে।"

বাহ্তাৰ পৰাই বিহুৰামৰ কাঁহ শুনিলে কদমীয়ে। গাৰ তত হেৰুৱাই কদমী পোনে পোনে ঘৰৰ ভিতৰলৈ সোমাই গৈ বিহুৰামৰ বুকুখন পিহি দিলে।

"কদমী আহিছ? ক'ত গৈছিলি ইমান পৰ? পানী খাবৰ মন গৈছে।"

বিহুৰামে ঘৈণীয়েকক নাম ধৰি খুব কমেই মাতে। বেমাৰ হোৱাৰ আগতেতো কেতিয়াও নাম ধৰি মতাই নাছিল। এতিয়াহে বিহুৰামে কদমী বুলি মাতিবলৈ লৈছে। কদমীয়ে বুজে যে গিৰি-য়েকক এই সময়খিনিত তাইক ওচৰত বৰ প্ৰয়োজন হয়। নিজৰ ওপৰত আস্থা আৰু সাহস হেৰুৱালে বিহুৰামে কদমীক একেবাৰে ওচৰতে বিচাৰে। কথা প্ৰসংগত বিহুৰামে এই কথা

কদমীক বহুদিন কৈছেও। তেতিয়াই কদমীৰ ভয় লাগে। তাই তেতিয়াহে যেচি দুৰ্বল হৈ পৰে। ইয়াৰ পিচত কি হব? তিনিটা ল'ৰা-ছোৱালী লৈ কদমী কেনেকৈ চলিব? এতিয়া অন্ততঃ নৰ্দমাত বস্তু পোৱাতে আছে তাৰ পিচত যেতিয়া তাতো নোপোৱা হব?

গিৰিয়েকৰ অলক্ষিতে চকুপানীখিনি মচি লৈ কদমীয়ে পানীৰ ভঙা গিলাচটো আৰু মাংসৰ পাতখন গিৰিয়েকৰ আগত দাঙি ধৰিলে—

"চাওঁ। টোপনি আহিল নেকি? এয়া লোৱা।"

"কি?" চকুদুটা মেলি খাদ্যবস্তুখিনি দেখি বিহুৰাম আচৰিত হল।

"কৰপৰা আনিলি? কান্তিৰামে দিলে বোধহয়? সদায় সদায় এনেকৈ নানিবি বুইছ।"

"কান্তিৰাম খুৰাই নাই দিয়া দেউতা। আমিহে হাকুটিয়াই হাকুটিয়াই আনিছো।" জম্মিয়ে দেউতাকৰ সোঁহাতৰ বুঢ়া আঙুলিত ধৰি গৰ্বেৰে কথাখিনি কলে।

"মনে মনে থাক জম্মি। মুখ ভাঙিম তোৰ। অনবৰতে মুখখনেৰে পেকপেকাই নাথাকিবি।"

কদমীৰ ধমকত জম্মিয়ে ভেবালাগি মাকলৈ চালে। বিহুৰামৰ গাটো আৰু দুৰ্বল লাগিল। বিহুৰাম নিমাত হৈ ওপৰলৈ মুখ কৰি বহুত সময় পৰি থাকিল।

"কদমী! শেষত মই ইহঁতক এই ৰাস্তালৈ ঠেলি দিলো। তাৰমানে ইহঁত এনেকৈয়ে বাচি আছে।" কথাখিনি কৈ বিহুৰামে চকুদুটা মুদিলে।

জম্মি আৰু তাৰ বায়েক দুয়ো বাহিৰলৈ ওলাই আহি কেচুৰাৰ লগত খেলিবলৈ ললে। জম্মিয়ে বায়েকক কলে—

"বাইদেউ মই ডাঙৰ হলে কি কৰিম জান? কাজল-ইহঁতৰ মুৰগীবোৰ ধৰি আনি দেউতাক খুৱাম।"

"মৰো ৰাম দে তোৰ লগত। কিন্তু হেৰি নহয়। চুৰ কৰি আনিলে দেউতাই খেয়া পাব নহয়।"

"ইস্ কিয় চুৰ কৰিম ? দেখাদেখিকৈ ধৰি আনিম।"

"তই অকলে পাৰিবি জানো ? তোক কাজলৰ দেউতাকে ধৰি পিটন দিব।"

"অকলে কিয় যাম ? ৰূপসিং, হাইদৰ, নৰেন, বাবুল ফিৰোজাহঁতকো লৈ যাম। কাজলে মুখ মেলি চাই থাকোঁতে আমি লৈ আহিম। তেতিয়া কাজলৰ দেউতাকো বুঢ়া হব।

"মোৰ হলে ভয় লাগে ভাই। সিহঁতৰ যেনিবা কুকুৰ নাই। থাকিলে মই নৰ্দমালৈকো যাব নোৱাৰো।"

"তই বৰ ভয়াতুৰ। আমি কুকুৰ থাকিলেও ভয় নকৰো।"

বিহুৰামৰ চকুপানীখিনি মচি দি কদমীয়ে বিহুৰামক আশ্বাস দিলে—"ভাল হৈ উঠাচোন।"

এইবাৰ আমি চাৰিওজনে শিলভঙাত লাগিব পাৰিম। তেতিয়া আমাক কোনে পায় ?

কদমীয়ে কব খুজিছিল তেতিয়া চাৰিওজনে আয় কৰিলে আজিৰ দৰে ইহঁতে নৰ্দমাত খোৱাবস্তু বিচাৰি যাব নালাগে। কিন্তু কথাখিনি কদমীয়ে খুলি কব নোৱাৰিলে। নকলেও বিহুৰামে হলে অৰ্থ বুজি পালে। সি কলে—

"মোৰ আশা এৰ কদমী। মোৰ হাতুৰীটোকে জন্মিৰ হাতত দিবি। চাবি তাৰ পাহাৰ ভাঙিব পৰা শক্তি হব।"

বিহুৰামে সমস্ত শক্তি প্ৰয়োগ কৰি কথাখিনি কলে। কওঁতে তাৰ মুখখনত এক জ্যোতি বিৰাজ কৰিলে। আৰু কব খুজিছিল ; কিন্তু তাৰ আগতেই তাৰ লেথাৰি নিচিগা কাঁহ আৰম্ভ হ'ল। কাঁহি কাঁহি বাঁহৰ চাঙখনৰ পৰা নামি আহিল বিহুৰাম। কদমীৰ গাত তত্ হেৰাল। কি দিব কি নিদিব এনে ভাবেৰে কদমীয়ে এবাৰ ইটো চুকলৈ এবাৰ সিটো চুকলৈ লৰা-ঢপৰা কৰিলে। ৰচীৰে ওলোমাই থোৱা ঔষধৰ খালি পুৰণা বটলটোত হাত দি একো ভাবি নাপাই কদমীয়ে বিহুৰামক তাইৰ

উদং প্ৰায় বুকুখনৰে সাবটি ধৰিলে। কদমীৰ পিঠিয়েদি বিহুৰামৰ এসোপা তেজ আৰু খেকাৰ বৈ আহিল। লাহে লাহে বিহুৰামে কদমীৰ কান্ধত মূৰটো থৈ চকু দুটা মুদি দিলে। কদমীৰ যৌৱনোচ্ছল বুকুত বিহুৰামৰ বুকুৰ ধপধপনিয়ে সঘনে আঘাট কৰিলে। মৃত্যু যেন সশব্দে ঘোৰাদৌৰ দি আগবাঢ়ি আহিছে। শেহাই শেহাই বিহুৰামে কলে—

"তোৰ মৰমৰে মোক জীয়াই ৰাখিব নোৱাৰিবি কদমী। মই মৰিম। কিন্তু মই ভালপোৱা আদৰ্শ অমৰ।"

কদমীৰ কান্ধৰ ওপৰত মূৰটো থৈ বিহুৰামে আৰু কব খুজিছিল—বিপদত ভাঙি নপৰিবি কদমী। সমাগত দিনৰ উজ্জ্বল আশা বুকুত বান্ধ। দিনবোৰ সদায় এনেদৰেই যাব নে? কিন্তু বিহুৰামে কব নোৱাৰিলে। ঘন ঘন উশাহ লৈ কদমীৰ চকুপানীখিনি মচি দিওঁতে চিঞৰ শুনিলে জম্মিৰ।

"মা মা। বাইদেৱে কাঁহোতে এসোপা তেজ ওলাইছে।"

হাতৰ মুঠিটো টান কৰি বিহুৰাম পোন হৈ থিয় দি কদমীলৈ চাই অস্ফুত ভাষাৰে কলে, তাৰ মানে তাইৰো হ'ল?

●

ধলফাট

॥ ১ ॥

ঘটনাটো তৎক্ষণাৎ ৰাষ্ট্ৰ হৈ পৰিল। গোটেই গাওঁখনতে ইমূৰৰ পৰা সিমূৰলৈকে কথাটো ৰজনজনাই গ'ল। ধলফাট দিছে মাত্ৰ। চকু মোহাৰি মোহাৰিয়েই মানুহবোৰে ইজন সিজনকৈ কাদেৰৰ চোতালত ভৰি দিলে। আচলতে ঘটনাটো কেনেকৈ ঘটিল তাক লৈ সকলোৱে উদ্‌গ্ৰীৱ আৰু সন্ত্ৰস্ত। দল বান্ধি বান্ধি পহৰা দিয়াৰ ফাঁকেদি কেনেকৈ মানুহজনী মাজ চোতাল পালে ?

মানুহবোৰে আচৰিত হোৱাৰ লগে লগে ভয়ো খালে। ভানোচা কোনো পৰিকল্পিত ছলনা কৰা হৈছে।

নবেম্বৰ মাহৰ এই হিম চেঁচা ৰাতি মানুহজনী ক'ৰ পৰা কেনেকৈ আহিল এই লৈ গুণাগঁথা কৰিবলৈ ধৰিলে। ৰক্তাক্ত নিৰ্বাচন হৈ যোৱাৰ আজি দহমাহো হোৱা নাই। মানুহৰ মনৰ পৰা এতিয়াও সেই দুঃস্বপ্ন আঁতৰি যোৱা নাই।

মাজ চোতালত অজ্ঞান হৈ পৰি আছে মানুহজনী। কোনোৱে মানুহজনীক দাঙি ভিতৰলৈ নিবলৈ সাহস কৰা নাই। আন ধৰ্মৰ মানুহ এজনীৰ গাত হাত দিবলৈ কাৰো সাহস হোৱা নাই। মানুহবোৰে শুশ্ৰূষা কৰাৰ পৰিবৰ্তে ভয়তে পেঁপুৱা লাগি আঁতৰি আঁতৰি থাকিল যদিও কাদেৰৰ চোতালৰ পৰা সিহঁত আঁতৰি যোৱা নাই। সিহঁতে কথা কোৱাৰ পৰিবৰ্তে বোবাৰ দৰে থিয় হৈ থাকি ভাবিছে হয়তো এতিয়াই কোনো ডাঙৰ দুৰ্ঘটনা ঘটিব।

ইতিমধ্যে ডেকা ল'বাৰ দল এটাক গাঁৱৰ ইমূৰ-সিমূৰ, অলি-গলি পৰীক্ষা কৰিবলৈ পঠিওৱা হ'ল। দলটোৰ প্ৰত্যেকৰ হাতত আত্মৰক্ষাৰ বাবে কিবা নহয় কিবা এটা অস্ত্ৰ।

কেইজনমানে ঠিক কৰিলে যে কথাটো পুলিচত জনাব লাগে। কিন্তু কেইজনমানে ক'লে—পুলিচৰ ওচৰলৈ গ'লে সিহঁতকহে ধৰি বান্ধি কিলাব। দৰকাৰ নাই। পুলিচ যেতিয়া সিফলীয়া, তাত গৈ লাভ নাই।

আতংকত মানুহবোৰে মানুহজনীক এটা বিৰাট বিপদ যেন অনুভৱ কৰিলে।

অৱশেষত ঠিক হ'ল ওচৰৰ গাঁৱত খবৰ দিয়া হওঁক কাৰণ সিহঁতে অনুমান কৰিলে মানুহজনী সেইখন গাঁৱৰে হব। কিন্তু কেইজনমানে তাৰ প্ৰতিবাদ কৰিলে—ইয়াকে কৰিলে গাওঁ খনলৈ বিপদ চপাই লোৱাহে হব কাৰণ তেওঁলোকে আমাৰ সততাক বিশ্বাস কৰিব বুলি আশা কৰিব নোৱাৰি।

কিন্তু মানুহজনী আহিল ক'ৰ পৰা বা আনি থৈ গ'ল কোনে? কথাটোৰ ৰহস্য কি?

॥ ২ ॥

মানুহজনীক প্ৰথমতে দেখিছিল কাদেৰে। তেতিয়াও ধলফাট দিয়া নাই,

আজি ন-দহমাহে কাদেৰে শান্তিৰে শুব পৰা নাই। ধলফাট দিয়াৰ লগে লগেই তাৰ বুকুখনত এটা বিষ উঠে আৰু যিমানে পোহৰ হবলৈ ধৰে সিমানে বিষটো তীব্ৰ হবলৈ ধৰে। পাহৰিবলৈ চেষ্টা কৰে যদিও সি পাহৰিব নোৱাৰে। বিষটো উঠিলেই সি বাহিৰলৈ ওলাই আহে। এনেদৰে আজিও কাদেৰে ওলাই আহিয়েই চোতালত দেখিলে মানুহ এজনী পৰি আছে।

আচলতে কাদেৰৰ ঘৰ এইখন গাঁৱত নহয়। তিৰাশীৰ কুখ্যাত নিৰ্বাচনৰ সময়ৰ কোনো এটা দিনত কাদেৰে নিজৰ গাওঁ এৰি এই গাঁৱত থাকেহি। তেতিয়াৰ পৰাই কাদেৰ এই গাঁৱৰ বাসিন্দা।

তাৰ ঘৰ আছিল দীমালপাৰত। কপিলী আৰু কিলিং নদীৰ মিলন স্থলত মিলিছে দীমালজান। —এটা ত্ৰিবেণী সংগম। দীমাল-জানৰ পাৰতে দীমালপাৰ। দীমালজানৰ এপাৰে বসন্ততৰী, আলি-ছিঙা, আনটো পাৰত বুকডোবা হাবি, বুকডোবা বিল আৰু বৰজোলা। খৰালি দুই তিনি মাহৰ বাহিৰে আন সময়ত পানীৰে পূৰ্ণ হৈ থাকে গোটেই অঞ্চল। এই ত্ৰিবেণী সংগমৰ এফালে বৰপায়ক ১ নং গাওঁ অৰ্থাৎ নেলী আৰু আনফালে ধৰমতুল। তাৰ মাজত জলাশয় আৰু জলাশয়ৰ মাজতে দ্বীপৰ দৰে এই গাওঁ কেইখন।

নিৰ্বাচনৰ সময়ৰ কোনো এটা দিনৰ ঘটনা। বোধ হয় শুকুৰবাৰ সেই দিনা।

তেতিয়াওঁ ধলফাট দিয়া নাই।

কাদেৰৰ ঘৈণীয়েক অম্বিয়াই প্ৰসৱ বেদনাত চট্‌ফটাই আছে। মাজৰাতিৰ পৰাই বেদনা আৰম্ভ হৈছে। এতিয়াও গা খালাচ হোৱা নাই। তিনিজনী বুঢ়ী মানুহ আম্বিয়াৰ লগত লাগি আছে। মোল্লা চাহাবৰ মন্ত্ৰপুত পানীও খুওৱা হৈছে। তথাপিতো ফল ধৰা নাই। কাদেৰৰ একমাত্ৰ তিনি বছৰীয়া ল'ৰাটো বিছনাত এতিয়াও টোপনিত লালকাল।

কাদেৰে অস্থিৰ হৈ চোতালত ইফাল সিফাল কৰিছে। মাজে মাজে বাঁহৰ দুৱাৰখনৰ ওচৰলৈ আহি কাদেৰে কেঁচুৱাৰ ক্ৰন্দন শুনে-নেকি কাণ ঠি কৰিছে ওহো।

ডাক্তৰৰ ওচৰলৈও যাবলৈ কাদেৰে সাহস কৰিব পৰা নাই। এই ৰাতিখন গ'লে ক'ত বা কি হয়। আনকি দিনৰ ভাগতে গাঁৱৰ মানুহ দূৰলৈ যাবলৈ সাহস নকৰে। দেশৰ যিহে পৰিস্থিতি।

এনেতে দূৰৈৰ পৰা ভাহি আহিল ফজৰৰ আজান। কাদেৰে

গাঁত সাহস পালে। আল্লাৰ ওচৰত কাকুতি কৰিলে—আম্বিয়াক ৰক্ষা কৰা খোদাতাল্লা।

লাহে লাহে ধলকাট দিলে। কাহিলি কাহিলি পোহৰৰ লগে লগে কাহিখনৰ দৰে ঘূৰণীয়া টিক্‌টিক্ কৰে ৰঙা সূৰ্য্যৰ প্ৰতিশ্ৰুতিপূৰ্ণ ভুমুকিত কাদেৰৰ মনটো ফৰকাল হৈ পৰিল। মনতে কাদেৰে কেইটামান নাম আওৰালে। ল'ৰা যদি হয় তাৰ নাম সঁকয আৰু ছোৱালী যদি হয় তাইৰ নাম কিৰণ। আঃ কি বঢ়িয়া হ'ব! সি আনন্দত অভিভূত হৈ বাঁহৰ দুৱাৰখনৰ ওচৰলৈ দৌৰ মাৰিলে। নাই তেতিয়াও কোনো ক্ৰন্দন তাৰ কাণত নপৰিল। কেৱল আম্বিয়াৰ চিঞৰ বাখৰ— মা মৰিলো মা।

হঠাৎ কাদেৰে শুনিলে ধৰমতুলৰ ফালৰ পৰা মাইকত সমস্বৰে কোনোবাই চিঞৰিছে— "জয় আই অসম, জয় আই অসম।"

কাদেৰ আতংকত বাটৰ দুৱাৰমুখলৈ দৌৰি আহিল। দেখিলে গাঁৱৰ সিটো মূৰত ধোৱাৰ কুণ্ডলী আৰু মানুহৰ কোহৰাল। কোহ-ৰালটো ক্ৰমান্বয়ে তাৰ ঘৰৰ ওচৰলৈ আগবাঢ়ি অহা যেন লাগিল কাদেৰৰ। সি বিপদৰ আশংকা কৰি চোতালত থমকি ৰল। কি কি কৰিব কি নকৰিব একো ঠিৰাং কৰিব নোৱাৰি কাদেৰ পোন চাটেই ঘৰৰ দুৱাৰখনৰ ওচৰত থিয় হৈ আতংকিত কণ্ঠে চিঞৰিলে "পেহী, দুৱাৰখন বন্ধ কৰি দে।" কাদেৰ তৎক্ষণাৎ গোহালিৰ ঘৰৰ পুৰণা চালত লাগি থকা চাঙখনত উঠি মূৰে গায়ে মৰাপাটৰ কোচা কেইটামান জাপি ললে।

দুৱাৰখন খুলি পেহীয়েকে কাদেৰক সুধিলে— "কাদেৰ, অ' কাদেৰ! কি হৈছে? ক'ত আছ তই?"

কাদেৰৰ উত্তৰ অহাৰ আগতেই পেহীয়েকৰ সন্মুখত থিয় হ'ল দুজন বন্দুকধাৰী।

তাৰ পিচত এৰি এৰি গাচোটা গুকম্ গুকম্ শব্দই কাদেৰৰ কাণৰ পঁদাত আঘাত কৰিলে।

সকলো নিস্তব্ধ। কেৱল চাৰিওফালে গুকম্ গুকম্ বন্দুকৰ শব্দ।

হঠাতে কাদেৰে অনুমান কৰিলে দুজন মানুহে তাৰ চাঙখনৰ তলতে ফুচ্ ফুচাব লাগিছে। সি তেতিয়া মৃত্যুক্ষণ গণিলে। এই মুহূৰ্ত্তে তাৰ জীৱন শেষ হব। কোনোবা এজনে কোবা শুনিলে-

—দিয়াচলাই আছে নেকি?

—কিয়? সিজনে সুধিলে।

—মৰাপাটত জুই লগাই দে।

—দৰকাৰ নাই বেটাহঁতৰ এটাও নাই। সব শেষ। ওলা ইয়াৰ পৰা সোনকালে। পাৰিলে আৰু কেইজনক......

—ৰহ! আৰু এটা বাকী আছে।

—ক'ত?

—পেটৰ ভিতৰত। কি ঠিক কিবাকৈ জন্ম পালে?

—মৰা মানুহৰ পেটৰ পৰা জন্মিব?

—কিয় অহি ৰাৱণৰ নাম শুনা নাই?

তাৰ পিচত আৰু এটা গুকম্ শব্দ।

এটা সময়ত যেতিয়া মৰিশালিৰ নিস্তব্ধতাই বিৰাজ কৰিলে তেতিয়া কাদেৰে লাহে লাহে নিজৰ ঘৰৰ কাষলৈ আগবাঢ়ি গ'ল। সি দেখিলে দুৱাৰমুখতে মুখ থেকেচা খাই পৰি আছে তাৰ পেহীয়েক। সি লাহে লাহে ঘৰৰ ভিতৰলৈ সোমাই গ'ল। দেখিলে আম্বিয়াই তাৰ তিনি বছৰীয়া কেঁচুৱাটোক সাৱটি নিঃচিন্তে শুই আছে। আম্বিয়াৰ পেট আৰু মূৰৰ পৰা ওলাই অহা তেজৰ ডোঙাত ভল গৈ আছে তাৰ কেঁচুৱা। কাদেৰে দেখিলে তাৰ আপোন বায়েকজনী বাঁহৰ বিচনাখনৰ তলত বাঁহৰ খুটা এটাত খামুচি ধৰি উবুৰি খাই পৰি আছে, আৰু তাৰ সম্বন্ধীয় খুৰীয়েক-জনীয়ে ঘৰটোৰ চুক এটাৰ বেৰত আউজি বহি আছে; যেন জীৱিত এজনী মানুহ; কাদেৰক যেন কব খুজিছে— "মানুহবিলাকৰ কি হৈছে

কাদেৰ ? আমি কাৰ কি অপকাৰ কৰিছিলো ?”

কাদেৰে আমিৰাৰ কপালৰ গুলি লগা ঠাইডোখৰৰ পৰা গোট মাৰি ক'লা পৰা তেজৰ টুকুৰাটো একৰাই দিলে আৰু তাৰ তিনি বছৰীয়া কেঁচুৱাৰ গুলি লাগি নষ্ট হোৱা চকুটো মেলিবলৈ চেষ্টা কৰি নিথৰ হৈ চাই থাকিল। কাদেৰৰ চকুৰে পিৰ্‌ পিৰ্‌কৈ চকুলো নামি আহিল। সি মুখৰ ভিতৰতে ভোৰ ভোৰালে— “তই মোক এৰি থৈ গলি আমিৰা।” হুকহুকাই কান্দি দিলে সি।

হঠাৎ কাদেৰে শুনিলে — “আহ ঐ আহ।”

“ওলাই আহ।”

“খেদ ঐ খেদ।”

“..............”

তাৰ পিচত আকাশ বতাহ কঁপোৱা অট্টহাস্য। মৃত্যুৰ দূতবোৰে যেন কাদেৰক খেদি আহিছে। কাদেৰে তৎক্ষণাৎ আমিৰাৰ ওচৰতে উলমুৰাকৈ শুই দিলে। কাদেৰে শুনিলে তাৰ চোতাললৈ এদল মানুহ দপদপাই সোমাই আহিছে। সিহঁতে চোতালত কুতকুতাই কিবা কিৰি কৈছে। সি তেতিয়া নিশ্চল হৈ পৰি থাকিল। কন্তেক পিচত কাদেৰে অনুমান কৰিলে তাৰ ওচৰতে কোনোবা এজন বৈছেহি। সি নিশ্চিত মৃত্যুৰ ক্ষণ গণিবলৈ ধৰিলে। ক্ষন্তেক পিছতে সি অনুমান কৰিলে মানুহজনে আমিৰাৰ মৃত দেহটো স্পৰ্শ কৰিছে। তাৰ পিচত আমিৰাৰ মৃত দেহটো সামান্য জোকাৰ খাই উঠিল। চোতালত কোনোবাই গলগলীয়া মাতেৰে আদেশ দিয়া শুনিলে কাদেৰে— “দে মোৰ হাতত।”

কাদেৰে চকু দুটা মেলি পৰিস্থিতিৰ বুজ ললে। সি বুজিলে সিহঁত ইতিমধ্যে আঁতৰি গৈছে। সি উঠি বহিল আৰু ঠেঙা লাগি পৰি থকা আমিৰাৰ ডিঙিটোলৈ মন কৰিলে। দেখিলে আমিৰাৰ ডিঙিত থকা সোণৰ চেইনডাল এতিয়া নাই। তাৰ বুজিবলৈ বাকী নাথাকিল মানুহজনে কিয় আমিৰাক স্পৰ্শ কৰিছিল।

কাদেৰে লাহে লাহে ঘৰৰ বাহিৰ হ'ল। ঘৰৰ পিছফালেদি ফিলিঙৰ পাৰলৈ গোনালে। এটা সময়ত যেতিয়া সি ৰাষ্ট্ৰীয় ৰাজ-পথ পালে তেতিয়া হঠাৎ তাৰ চকু পৰিল তাৰ উন্মুক্ত বুকুখন আন্ধাৰৰ তেজেৰে লুতুৰি পুতুৰি হৈ পৰিছে।

॥ ৩ ॥

এই যে গাওঁ এৰিলে কাদেৰে তাৰ আৰু দীমালপাৰলৈ যোৱা নহ'ল। কাদেৰে নিজকে প্ৰবোধ দিলে—জীৱনৰ সকলো বস্তুৱেই যেতিয়া হেৰাই গ'ল তেতিয়া আৰু জীৱনৰ প্ৰতি মোহ ৰাখি লাভ কি ?

তেতিয়াৰ পৰাই কাদেৰ এইখন গাঁৱত আছে। মানুহে মৰম কৰি তাক এটুকুৰা মাটি দিছে। তাতে সি জুপুৰি এটা বান্ধি জীৱনৰ শেষ কালছোৱা কটাবলৈ স্থিৰ কৰিছে। তাৰ মনত এটাই মাত্ৰ দুখ ৰৈ গ'ল। সি বাচি থাকিল কিয় ? বা বাচি থকাৰ চেষ্টা কৰিছিল কিয় ? সাহসেৰে প্ৰতিবাদ কৰোঁতে যদি মৰিবলগীয়া হয় তাৰ সমানতো আনন্দ নাই। সি কিয় এনে নীচ কাম কৰিলে ? এইটো চিন্তা আহিলেই কাদেৰ অস্থিৰ হৈ পৰে আৰু তাৰ প্ৰায়শ্চিত্ত বিচাৰি ব্যাকুল হৈ পৰে। সদায় কাহিলি কাহিলি পোহৰ হোৱাৰ সময়তে কাদেৰে বুকুত এটা তীব্ৰ বিষ অনুভৱ কৰে আৰু সেই যন্ত্ৰণাৰ পৰা মুক্তি পাবৰ কাৰণে বাহিৰলৈ ওলাই আহে। সি আত্মগ্লানিত মুখেৰে ভোৰ-ভোৰায়—পুৰুষ হৈ পুৰুষৰ কাম কৰিব নোৱাৰিলোঁ। আল্লিয়া। মোক ক্ষমা কৰ।

॥ ৪ ॥

ৰাতি তেতিয়া দহ বাজিছে। কমলই ঘৈণীয়েক ৰূপালীক ওচৰ চপাই ললে। ৰূপালী কমলৰ বুকুৰ মাজত সোমাই পৰিল।

এটা সমগ্ৰত কৰ্ণই বৈশ্যৈকক ক'লেও নকৰিবি বুইছ। পোহৰ হোৱাৰ আগতে আহি পাম। গাওঁখনলৈ যাবই লাগিব। নহলে

—আজি নগলে নহয় নেকি ? মনটোত দেখোন বেয়া চিন্তা বোৰ আহিছে। আজি ৰাতিটো থাকি যোৱাচোন।

—তই অবুজন নহবি ৰূপালী। তই মোতকৈ বেছি পঢ়া শুনা কৰিছ; তইহে মোক বুজাব লাগিছিল দেশৰ কথা, ৰাইজৰ কথা, অসমীয়া মানুহৰ মনৰ কথা। দেশৰ দুৰ্যোগত আমি হাত সাবটি বহি থাকিলে নহব ৰূপালী। আমি কিবা এটা কৰিবই লাগিব। সেই সুযোগ আহিছে; সুযোগ এবাৰেই আহে। অসমী আইৰ ফুল কুমলীয়া সন্তানৰ আহ্বানে আমাক এনে সুযোগ দান কৰিছে। তেনে স্থলত তই আজি বুজিও নুবুজাৰ দৰে কৰিছ।

—কিন্তু ······ ···

—কোনো কিন্তু নাই ৰূপালী! তই মোক বাধা নিদিবি। অসম আইৰ এনেহেন মহান নেতা দুজনৰ বাণী মোৰ কাৰণে ঈশ্বৰৰ বাণী। তাক মই আখৰে আখৰে পালন কৰি যাম। দেশৰ কাৰণে আত্ম বলিদান দিব পাৰাৰ নিচিনা কি পুণ্য কাম আছে ৰূপালী ? মনৰ পৰা সংকোচ আঁতৰ কৰি মোক আশীৰ্ব্বাদ দে যেন মই সফল হৈ আহিব পাৰো।

গিৰিয়েক কমলৰ কথাত ৰূপালীৰ যুক্তি হেৰাল। ৰূপালীৰ বহুতো কব লগীয়া আছিল; কিন্তু ৰূপালী কমলৰ দুৰ্দমনীয় পৌৰুষৰ আগত মৌন হৈ থাকিল; ভিতৰে ভিতৰে গৌৰৱ বোধ কৰিলে যদিও বাহিৰত প্ৰকাশ নকৰিলে।

হঠাতে কমল ঠিয় হ'ল আৰু যাবলৈ সাজু হ'ল। ৰূপালীৰ কপালত চুমা এটা খাই কলে—

—মোৰ অবিহনে অসমৰ অগণন জনতা তোৰ লগত আছে ৰূপালী।

কপালীয়ে লগে লগে কমলৰ মুখখন তাইৰ হাতেৰে খেঁচা মাৰি ধৰিলে। তাইৰ চকুপানী টোপ কমলৰ ডৰিত পৰিল। আঁচলেৰে চকুহাল মচি কমলক থোকাথুকি মাতেৰে কলে— "তুমিতো এবাৰো মোক নুসুধিলা মই কিয় তোমাক যাবলৈ মানা কৰিছো।"

—এতিয়াই ক। দেৰি নকৰিবি। আমাৰ হাতত বেছি সময় নাই। ৰাতিটো পোহৰ হলেই ভোট দিবলৈ যাব সেইখন গাঁৱৰ মানুহে। যেনে তেনে সিহঁতক ৰখাব লাগিব।

কপালীয়ে যেন লাজ কৰিছে তেনে অনুমান হ'ল কমলৰ। কপালী ইতস্ততঃ কৰাত কমলই কলে—

—নকৰ কেলেই?

—মোৰ আজি পাচ দিন হ'ল, মই গা-ধোৱা নাই।

কমল হঠাৎ থমকি ৰল। কি কৈছে এইয়া কপালীয়ে? কমলৰ মনত বিজুলীৰ ৰেখা বৈ গ'ল যদিও সি মনতে ভাবিলে হয়তো কোনো বিশেষ কাৰণত এনে হব পাৰে।

—আজি সাত আঠ বছৰে নহ'ল যেতিয়া এতিয়া আৰু সেই আশা নকৰাই ভাল কপালী। ৰাইজৰ সন্তি-সন্ততিয়ে আমাৰো সন্তি-সন্ততি।

—মই বুজি পাইছো কাৰণেহে কৈছো।

কমলই কপালীৰ আশাবাদী মনটোক নিৰাশ নকৰি তাইৰ মূৰত হাত ফুৰাই কলে—ভগৱানে মোৰ কপালীক কৃপা কৰক। এই বুলি কমলই কপালীৰ হাতখনত চুমা খালে।

এনেতে দুৱাৰত এটা মৃদু টোকৰ পৰিল। কপালী চক্ খাই উঠিল। ক্ষীণ কণ্ঠেৰে আগন্তুকে মাতিলে—"কমলকা"

কমলই বুজিলে নবেন আহিছে। তেতিয়া কমলই কপালীক নির্দেশ দিলে— "দেৰি হ'ল কপালী। যা মাৰ লগত শুই থাক গৈ। বাহিৰ ভিতৰত কেতিয়াও দুৱাৰ খুলি নিদিবি। বুইছ। চি আৰু পিয়ে পিয়াপি দি কৃৰি আছে।"

কপালীয়ে কিবা এটা কব খুজিছিল কিন্তু সেইকালে কল্পই কান নিদি ওলাই আহিল। নবেনক ফুচফুচাই সুধিলে,—"বস্তুটো আনিছ।"

—ও, আনিছো।

—কিমান কিলোগ্ৰামবটো আনিছ ?

—পোন্ধৰ কিলোগ্ৰামৰ।

হাতত সাবে ভবিত সাবে কল্পইতৰ দসটো পথাৰৰ মাজেদি নিৰ্দিষ্ট গাওঁখনলৈ খোজ ললে।

কল্প যি গ'ল সি আৰু উভতি নাহিল। নিজ হাতে বিস্ফোৰিত কৰা বোমাৰ আঘাতত তাৰ দেহ ছিন্ন ভিন্ন হৈ পৰি থাকিল গাওঁ খনৰ সোমাজৰ দলঙৰ চাৰিওফালে। নবেনে কল্পৰ ছিন্ন মুণ্ডৰ বিকৃত অংশ এটা লৈ কোনোমতে নিজ গাঁৱলৈ পলাই আহিল।

ৰাতিপুৱা কল্পইতৰ ঘৰ লোকে লোকাৰণ্য। মাজচোতালত বগা কাপোৰেৰে ঢাকি থোৱা আছে কল্পৰ ছিন্ন মুণ্ড। মৃতকৰ বেদীৰ চাৰিওফালে এপাক ঘুৰি আহোতে মতা মানুহবোৰে এপাহ এপাহকৈ ফুল দি আহিছে। মাইকী মানুহবোৰে চোতালৰ এমূৰত দেৱীৰ দৰে বহুৱাই ৰখা কপালীক প্ৰদক্ষিণ কৰোতে মুখেৰে উচ্চাৰণ কৰিছে "জয় আই অসম"। ওখ কাঠিত বহুৱাই ৰখা হৈছে কল্পৰ মা-দেউতাকক। দেউতাকৰ ডিঙিত আৰু মাকৰ হাতত একোখনকৈ ফুলাম গামোচা। বীৰ সন্তানৰ পিতৃ আৰু বীৰ প্ৰসৱিনী মাতৃক ৰাইজে বিনম্ৰভাৱে শ্ৰদ্ধা নিবেদন কৰিছে।

কল্পৰ ঘৰখন যেন তীৰ্থভূমি। অলি গলিয়ে নিবৰচ্ছিন্ন কেৱল মানুহৰ সোঁত কল্পইতৰ ঘৰলৈ।

জনসমুদ্ৰৰ মাজত কপালীয়ে নিজৰ অস্তিত্বকে হেৰুৱাই পেলালে। তাইৰ বাবে বাবে মনত পৰিল গিৰিয়েকে কোৱা কথাবাৰ —"মোৰ অবিহনে অসমৰ আপামৰ জনতা তোৰ পিছত আছে কপালী।" তাইতো ভবা নাছিল তাইৰ অজানিতে তাইৰ গিৰিয়েক এনে

এখন উচ্চ আসনত অৱস্থিত হৈছে।

দিন যোৱাৰ লগে লগে ৰাধীৰ তামোল পাণো শেষ হৈ আহিল আৰু মানুহৰ আহ-যাহো কমি আহিল। তদুপৰি ঘৰখনত ৰূপালীৰ উপস্থিতি যেন অবাঞ্ছিত; তাই যেন এলাগী এনে এটা পৰিবৰ্ত্তন ৰূপালীৰ চকুত ধৰা পৰিল। ৰূপালীয়ে অনুভৱ কৰিলে তাইৰ বিপদ ঘনীভূত হবলৈ ধৰিছে।

এই কেইদিনমানৰ ভিতৰতে তাই আটাইতকৈ ডাঙৰ সত্যটো উপলব্ধি কৰিলে। তাইক পোহপাল দিয়াত যেন কাৰো দায়িত্ব নাই; এই বিষয়ত যেন সকলো উদাসীন।

ৰূপালীয়ে সকলোৰে অলক্ষিতে চকুপানী টুকিলে। মানুহজন মৰিও গ'ল, তাইক মাৰি থৈও গ'ল।

বিশেষকৈ শাহুয়েকে এই ক্ষেত্ৰত তাইৰ বিৰুদ্ধে ভূমিকা গ্ৰহণ কৰাত তাই মৰ্মাহত হ'ল।

গিৰিয়েকৰ মৃত্যুৰ এমাহমানৰ পিছত এদিনাখন ৰাতিপুৱাই ৰূপালী বিছনাৰ পৰা উঠি আহিয়েই বাহিৰত উৰাক্ উৰাক্ কৈ বমি কৰি যেতিয়া সুস্থিৰ হ'ল তেতিয়া তাই দেখিলে তাইৰ ওচৰত শাহুৱেক থিয় দিছে।

—কি হৈছে আপী তোৰ ?

—একো হোৱা নাই মা।

—তই মোকো ফাঁকি দিব খুজিছ? তিনি চাৰিটা ল'ৰা-ছোৱালীৰ মাক হ'লোহি, মই নাজানো ?

এইবুলি উচাট মাৰি বৰ্‌বৰ্‌কৈ বুলি গতি কৰিলে। ৰূপালীয়ে মনতে ঠিক কৰিলে কথাটো শাহুৱেকক কোৱাই ভাল। ভাল খবৰ এটা শাহুৱেকক কোৱা কি বেয়া কথা হ'ব পাৰে। এদিন হলেও ক'ব লাগিব। ৰূপালীয়ে শাহুৱেকৰ পিছে পিছে গৈ বৰ ঘৰৰ ভিতৰত শাহুৱেকক ক'লে—"মা! ভগৱানে বোধ হয় ভড়ালী দিছে। সিদিনাখন মই তেওঁকো কৈছিলো। কিমান কাকুতি কৰিলো মানুহজনক। ওহো।

নুশুনিলে মোৰ কথা। শেষত মোক মাৰি থৈ গুচি গ'ল।"

ৰূপালী ফেকুৰি উঠিল।

—তোৰ লাজ নালাগিল এনে কথা ক'বলৈ। নিলাজী ক'ৰবাৰ। এই কেইদিনতে তোক চিনি পাইছো। কি চাবি তাইৰ সোধ পোছ। বিধবা বুলি অলপো যদি গাত হুচ থাকিল হয়।

—মা! বিশ্বাস কৰক মা। একমাত্ৰ ভগবানে জানে মই……।

—মনে মনে থাক। তই পাপী। তই শেষত ইয়াকেই কৰিলি। ঘৰখনৰ মুখত ছাই সানিলি।

—মা। —শোকত ৰূপালী কণ্ঠ বোধ হৈ পৰিল। ৰূপালী দৌৰ মাৰি গৈ বিছনাত দীঘল দি পৰি হুকহুকাই কান্দিবলৈ ধৰিলে।

ৰাতিপুৱাই মুখ হাত ধুই মুঢ়াটোত বহি ৰূপালীৰ শহুৰেকে চাহত মুখ লগাইছে মাত্ৰ। এনেতে শাহুৱেক আহি কাষত পীৰাখন পাৰি বহিল আৰু ক্ষীণ কণ্ঠে বুঢ়াক ক'লে---

-- হেৰি নহয়। এই আমাক নাক কাণ কটা খেদালে।

---কাৰ কথা কৈছ তই ?

---কাৰ কথানো কম ? আপোনাৰ গুণৱন্তী বোৱাৰীৰ কথা।

---কি হৈছে খুলি নকৰ কেলেই।

---খুলি কবলৈ কিটো আছে ? আমাৰ বংশত কলংক সানিলে তাই। মৰি গ'ল বাচা তাৰ নামত কলংক সানিলে। এইক ঘৰৰ পৰা নেখেদিলে আমি মুখ উলিওৱাই টান হ'ব। ক'ৰপৰা যে এইজনী চপাইছিলো।

কি পেক্ পেক্ কৰি আছ ? কথাটো কি ?

—তাই কেতিয়াবাই গা ধুব লাগিছিল। কিন্তু ……

— তইত তিৰীমানুহবোৰে ছাঁটোকে ভূত বুলি ভাব। মানুহৰ বেমাৰ-আজাৰো হ'ব নোৱাৰে। পিছিয়েকটো মৰিবৰ আজি এমাহো হোৱা নাই। তাতে চিন্তাত অলপ ইফাল সিফাল হ'ব নোৱাৰে নহয় ?

বুঢ়াই খঙেৰে বুঢ়ীক ধমক দিলে।

—ঘৰখনত কি হৈছে কি নহৈছে তাৰ খবৰ নাৰাখে। কেৱল মোৰ ওপৰত বৰ মতা। তাই মোক নিজেই ক'লেহি। এতিয়া মইহে মিছা ক'লো।

বুঢ়াই ভভক খালে। কথাটো শুনেহলে কিবা এটা হয়। বুঢ়াই ওলোটাই বুঢ়ীক প্ৰশ্ন কৰিলে— "ৰূপালীয়ে নিজেই কৈছে যেতিয়া তাত সন্দেহ কৰিবলগীয়া কিটো আছে।"

—আজি সাত আঠ বছৰে যিটো নহ'ল সেইটো হঠাতে কেনেকৈ ‥ ‥ । বুঢ়ীয়ে বুঢ়াক পাকে পকাৰে এটা অশুভ ইংগিত দিলে।

—মই বোৱাৰীকঁ এবাৰ লগ পাব লাগিব। ঈশ্বৰৰ ইচ্ছা থাকিলে কোনে জানে … ?

—লাজ নালাগে। নিলাজ ক'ৰবাৰ! এইবুলি বুঢ়ী উঠি যাব খোজোতে বুঢ়াই বুঢ়ীক সাৱধান কৰি দিলে— "শুন। এই কথা মোক যি ক'লি ক'লি। বাহিৰত ঘুণাক্ষৰেও যাতে নোলায়। দেশৰ বাবে আত্ম বলিদান দিয়া ঘৰৰ যাতে মৰ্যদা অক্ষুন্ন থাকে। আৰু বোৱাৰীৰ যদি কিবা অসুবিধা হয় কথা ভাল নহ'ব। কৈ দিলো।

কথাটো কিন্তু গোপনীয় হৈ নাথাকিল। বুঢ়ীয়ে অৱশেষত কথাটো মাজু বোৱাৰীয়েকক ক'লে লগতে ইও ক'লে— "তই কাকো নকবি বুইছ। বুঢ়াই জানিলে শুদাই নেৰে। তোকহে ক'লো।"

মাজু বোৱাৰীয়েকে দুদিনমান পেটত ৰাখিছিল যদিও ই যেন এটা বদ হজমীৰ সৃষ্টি কৰি পেটত পাক দিবলৈ ধৰিছে এনে ভাব হ'ল মাজু বোৱাৰীয়েকৰ। শেষত কথাটো গিৰিয়েকৰ কাণত পৰিল। গিৰিয়েক গজি উঠিল। এনে গৰ্হিত কাম এইখন ঘৰত হ'ব নোৱাৰে। ইয়াৰ এটা চয় নিশ্চয় হ'ব লাগিব। গৈ গৈ কথাটো অহকাণে পহকাণে গোটেই অঞ্চলটোত বিয়পি পৰিল।

"কন্নৰ বৈশ্যীয়েকে দেশৰ নামত কলংক সানিলে। ছহিদৰ মুখত কালিমা সানিলে।" পৰিস্থিতি অৱশেষত এনে এটা অৱস্থাত উপনীত হ'ল যে স্থানীয় ছাত্র সমিতি আৰু সংগ্ৰাম পৰিষদে কথাটোত হস্তক্ষেপ কৰিবলগীয়া হ'ল কাৰণ এতিয়া কলংক কেৱল কন্নইৰৰ ঘৰতে আবদ্ধ থকা নাই, ই বাজহুৱা স্বাৰ্থৰ পৰিপন্থী হিচাপে থিয় দিছে। নিষ্কলংক আন্দোলনটোৰ ওপৰত কলংক ছটিওৱাৰ উপক্ৰম হৈছে! সেয়ে তেওঁলোকে কলিতে কথাটো নিঃশেষ কৰিবলৈ মানুহ লগালে। এদিন নবেনৰ বৈশ্যীয়েক আহি কপালীক বুজালে। কিন্তু কপালী মান্তি নহ'ল। কপালীয়ে বৰং প্ৰতিবাদ কৰি ক'লে-- "মোৰ কথা মইহে জানো। মোৰ আত্ম-বিশ্বাস আছে। মই মোৰ স্বামীৰ তেজ মঙহৰ বীজ লৈ ফুৰিছোঁ। তাৰ ওপৰত কাৰো অধিকাৰ নাই"

---কিন্তু কথাটো দেখোন বেলেগ ধৰণে প্ৰচাৰ হৈছে।

--প্ৰচাৰ হ'ল বুলিয়েই তোমালোকে তাকে বিশ্বাস কৰিবা? এবাৰো মোক মানুহবোৰে সুধি চাইছেনে? উৰা বাতৰিৰ ওপৰত ভিত্তি কৰিয়েই মানুহবোৰ দেশপ্ৰেমত মত্ত হৈ পৰিছে। মোৰ কাৰণেই তেওঁলোকৰ সন্মান গ'ল; দেশপ্ৰেমত কালিমা পৰিল। ভৰ যৌবনত মোৰ কপালৰ সেন্দুৰ তেওঁলোকে মচি দিব পাৰে কিন্তু ভৰণ পোষণৰ ব্যৱস্থা লবলৈ তেওঁলোক আগবাঢ়ি আহিব নোৱাৰে। তেওঁলোকক কৈ দিবা— মোৰ স্বামীৰ দান মই কেতিয়াও বিফলে যাব নিদিওঁ। লাগিলে অকলে থাকিম।

—কিন্তু বাইদেউ! হাজাৰ হাজাৰ মানুহে যিটো বিশ্বাস কৰে তাক তুমি অকলে খণ্ডন কৰিব পাৰিবা জানো ?

—তুমি কি বিশ্বাস কৰিছা?

কপালীৰ প্ৰশ্নত নবেনৰ বৈশ্যীয়েক জদ হৈ পৰিল! খেবো গেবোকৈ নবেনৰ বৈশ্যীয়েকে উত্তৰ দিলে।

—সকলোৰে যি বিশ্বাস কৰে।

—তাৰ মানে তোমালোকে দেশৰ নামত ইয়াকেহে কৰি ঘূৰি ফুৰিছা আৰু সেয়ে তোমালোকৰ নিজৰ নিজৰ চৰিত্ৰ মোৰ গাত্তো লেটিয়াবলৈ চেষ্টা কৰিছা।

—বাইদেউ। আপোনাৰ কথাই কামে আপোনাৰে ক্ষতি কৰিব। মই হলে ভাল দেখা নাই। —নৰেনৰ বৈণীয়েকে খঙতে কথাখিনি কৈ যাবলৈ ঠিয় হ'ল।

—মোৰ কি ক্ষতি কৰিবলৈ বাকী এৰিছা তোমালোকে? শেষত মোৰ শেষ আশাকণো তোমালোকে ধ্বংস কৰিবলৈ আগবাঢ়িছ'। সত্য যদি আছে সি এদিন প্ৰকাশ হবই। একমাত্ৰ ভগৱানে দেখি আছে।

কপালী এতিয়া ঘৰে বাহিৰে বাটে-ঘাটে সকলোৰে চকুৰ কুটা দাঁতৰ শূল; সকলোৰে ঘৃণাৰ পাত্ৰ। কেৱল তাইৰ শহুৰেকেহে তাইক স্নেহৰ দৃষ্টিৰে চায়; তাইৰ প্ৰতি দৃষ্টি ৰাখে। শহুৰেকহে এতিয়া তাইৰ একমাত্ৰ আশ্ৰয়ৰ স্থল।

কপালীৰ বিপদ সঁচাকৈয়ে ওচৰ চাপি আহিল যেতিয়া শহুৰেকে এদিনাখন মৃত্যুশয্যাত ঠাই ললে। কপালীয়ে চকুৰে ধোৱা কোৱা দেখিলে।

কপালীৰ তেতিয়া নমাহ চলি আছে।

শাহুৰেক বুঢ়ীৰ উৎপীড়নত কপালীৰ দিন নাযায় ৰাতি নুপুৱায়। কথাই কথাই শাহুয়েকে গালি পাৰে। "ওলাই যা এইখন ঘৰৰ পৰা। যি পৈয়েৰৰ লগত এইখন কৰিছ তাৰ লগত থাকিব এৰি ইয়াত আছ কিয় চালী, নাককাটী নিলাজী! তোক চাইহে আছো। তোক শিয়াল কুকুৰৰ দ্বাৰাই ভক্ষণ কৰাম।"

কপালীয়ে জুকিয়াই চালে নিজৰ পৰিস্থিতিৰ কথা। তাই দেখিলে ইয়াত যদি আৰু কেইদিনমানো থকা যায় তেনে হলে বংশ ৰক্ষা কৰা দূৰৈৰ কথা নিজৰ জীৱনটোকে ৰক্ষা কৰা টান। কপালীয়ে বুজিলে যে দুখীয়া হওক দুসাজ খাবলৈ পাওক থাকিব লাগিলে

নিজৰ মাকৰ ঘৰখনক বাহিৰে নিৰাপদ ঠাই ক'তো থাকিব নোৱাৰে। ৰূপালীয়ে অৱশেষত নিজৰ মাকৰ ঘৰলৈ যাবলৈকে মনস্থ কৰিলে।

ৰাতি তেতিয়া দুটা নে তিনিটা বাজিছে। হাতত এটা সৰু টোপোলা লৈ ৰূপালী ঘৰৰ বাহিৰ হ'ল। নবেম্বৰ মাহৰ শালি-ধানৰ পথাৰৰ আলিয়ে আলিয়ে তাই মাকৰ ঘৰলৈ পোনালে। মাজৰ এইখন গাওঁ পাৰ হলেই সেইখন মাকৰ গাওঁ। তাইৰ গাত মাথোন এখন পাতল চাদৰ। হাড় কপোৱা ঠাণ্ডাত তাইৰ হাত-ভৰি জঠৰ হোৱাৰ উপক্ৰম হ'ল। কিছুদূৰ গৈ তাই অনুমান কৰিলে তাইৰ পেটত এটা বিষ উঠি আহিছে। অলপ পিছত হঠাৎ বিষটো নাইকিয়া হ'ল; তাৰ পিছত আকৌ। এই ভীষণ ঠাণ্ডাতো তাই জৰ ঘামে ঘামিবলৈ ধৰিলে। মৰণত শৰণ দি তাই বেগ দিলে।

ৰূপালীৰ কিন্তু মাকৰ গাওঁ পোৱা নহ'ল। মাজৰ গাওঁখনৰ কোনো এঘৰ মানুহৰ ঘৰৰ ভিতৰলৈ সোমাই যাবলৈ বাধ্য হ'ল। ৰূপালী কেনেকৈ যে মানুহ ঘৰৰ চোতাল পালেহি কব নোৱাৰে। চোতালত ৰূপালী অজ্ঞান হৈ পৰি গ'ল।

তেতিয়া প্ৰায় ৰলফাট দিয়াৰ সময় হৈছে।

॥ ৬ ॥

এঘণ্টাতকৈও বেছি সময় কাদেৰৰ চোতালত ৰূপালীক চিৰিয়া-খানাৰ আচৰিত প্ৰাণীক চোৱাৰ দৰে চাই থাকিল মানুহবোৰে। ফ্লানেল কাপোৰৰ হাত দীঘল চোলাটোৰ বুটাম মাৰি মাৰি মানুহৰ ভিৰ ফালি সোমাই আহিল বুঢ়ী এজনী। বুঢ়ীজনীয়ে বকিবলৈ ধৰিলে।

হায় আল্লাহ! তহঁতে নিলাজৰ দৰে চাই আছ? তহঁত ইমান নিৰ্দয় নে? হেই হাচিনা তই বুঢ়ী হলি কোনকালৰ পৰা?

কোনোবা এজনে লাহেকৈ মাত দিলে।

—বহু মাহী। অন্য ধৰ্মৰ মাইকী মানুহ। কিবা এটা হওঁক। তাৰ পিছত তই আমাক বচাব পাৰিবি নে?

—বেছি কথা নকৰিব আব্দুল। তইঁত মতা মানুহবোৰে আল্লাৰ দানৰ কি মোল বুজিবি? তইঁতে মহম্মদৰ হদিচ পাহৰি গৈছ। ল দাঙি ল এতিয়াই। ভিতৰলৈ নে।

বুঢ়ীৰ কথাত জুমটোত ফিচ্ ফিচ্ কথা আৰম্ভ হ'ল। দুই একোজনে গা লৰালে যদিও কোনো এজনো আগুৱাই নাহিল।

কাদেৰে মানুহবোৰৰ মুখকেইখন একালৰ পৰা চাই গ'ল। সি বুজিলে যেন ভয়তে মানুহবোৰে তাৰ পৰা দৌৰি পলাব বিচাৰিছে। হঠাতে কাদেৰৰ গাত ক'ৰ পৰা সিংহৰ দৰে দুঃসাহস আহি পৰিল, সি তৎক্ষণাৎ ৰূপালীক দুই হাতেৰে দাঙি ভিতৰলৈ লৈ গ'ল। বুঢ়ীজনী পিছে পিছে দৌৰি গ'ল আৰু লগতে দুই এজনী বুঢ়ীকো টানি নিলে। মাইকী মানুহৰ জুমৰ পৰা বুঢ়ীৰ পিছে পিছে কেৰাজনীও মাইকী মানুহ ভিতৰ সোমাল।

দুঘণ্টামান পিছত কাদেৰে শুনিলে তাৰ ঘৰৰ ভিতৰত কেঁচুৱাৰ ক্ৰন্দন। কাদেৰৰ চিৰিংকৈ আমিয়ালৈ মনত পৰিল; যেন আমিয়াৰ কেঁচুৱাৰ ক্ৰন্দন শুনিছে কাদেৰে।

ঘটনাটো বনজুইৰ দৰে বিয়পি পৰিল চাৰিওফালে। নবেল-ইতৰ গাঁৱতো ঘটনাটোৰ প্ৰচাৰ হোৱাত সকলোৰে মুখত বু বা চলিল। গধুলি নামঘৰত মেল বহিল। মেলৰ সিদ্ধান্ত ক্ৰমে অঞ্চলটোৰ সকলোবোৰ চকত পোষ্টাৰ মৰা হ'ল।

"দেশদ্ৰোহী কোন?"

"ৰূপালী।" ☆

কলিৰ সুৰ্য

॥ ১ ॥

"অই কুকুৰৰ পোৱালীহঁত। চালা চুৱৰহঁত। তহঁতক.........
চাইহে আছোঁ। চিনি পোৱা নাই বীৰেণ বাপেৰক। বজাৰত বৌমাছ কিনিবি আৰু গোটে গোটে গিলিবি।......। ভূমিকম্প বাপেৰ আহক বহু। তইঁতৰ দছ তালা বিল্ডিং কোন বাপেৰে ৰাখিব পাৰে ? বীৰেণ বাপেৰেৰ ঘৰ চা। দছটা ভূমিকম্পই মোৰ......(অশ্লীল) লৰাব নোৱাৰে।"

ঠেক পকা ৰাস্তাটোৰে চিঞৰি চিঞৰি অহা বীৰেণ মাতালৰ বক্তব্য শুনি চুবুৰীটোৰ মানুহবোৰে বুজিলে যে এতিয়া ৰাতি নটা বাজিছে। চহৰখনৰ ব্যস্ত অঞ্চল এটাত অৱস্থিত এটা চৰকাৰী অফিচত বীৰেণ চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী।

ভূদেৱ হাজৰিকাৰ ঘৰৰ ওচৰ পাওঁতে বীৰেণৰ মাতটো লাহে লাহে সৰু হৈ আহিল। লগে লগে ভূদেৱ হাজৰিকা পাঁচ তলাৰ-পৰা নামি আহিল। ভূদেৱ হাজৰিকাই বীৰেণৰ স্বভাৱটো জানে। সদায়েই সি এইখিনি সময়ত তেওঁৰ লোহাৰ গেটখনত সেই কামটো কৰে। ভূদেৱ হাজৰিকাৰ হাতত এডাল বেতৰ লাঠি। হাজৰিকাই ল'নখন নৌপাওঁতেই বীৰেণে হাজৰিকাৰ গেটখনত পেচাব কৰিবলৈ ধৰিলে।

সদায় ৰাতিপুৱা চাকৰ-নাকৰ লগাই দি ফেনাইল, নেফ্থেলিন আদিৰে হাজৰিকাই চাফা কৰায়। বীৰেণৰ এনে অপকৰ্মত হাজৰিকা অতীষ্ঠ হৈ পৰিছে।

সেয়ে হাজৰিকাই বেতৰ লাঠিডাল লৈ ফট ফট নামি আহিল।

হয় ইফাল নহয় সিফাল।

"নটীৰ বাচ্ছা। আহ। ওলাই আহ। চুই চাচোন বীৰেণ ৰাপেৰক। চালা কুত্তা মোৰ মাটিত মই পেচাৰ কৰিছোঁ; তোৰ তাত কি হ'ল?" বীৰেণে ঢলং পলংকৈ ভূদেৱ হাজৰিকাক সাৱধান কৰি দিলে।

"ৰহ তোক আজি খতম কৰিহে এৰিম"—এইবুলি হাজৰিকাই বীৰেণক খেদি গ'ল। বীৰেণে দৌৰ মাৰি কিছু দূৰৈত থিয় দি চিঞৰিলে—

"অই কুক্কুৰ্। চিনি পোৱা নাই বীৰেণক। চুই চাচোন তই চুই চা। মোৰ মাটিত মই ৰাতি দোভাগত হ'লেও পেচাব কৰিম। তই মোৰ... ..(অশ্লীল) কৰিবি।"

হাজৰিকা আৰু আগুৱাই নগ'ল। মান সন্মান ৰো প্ৰশ্ন আছে। মাতালৰ লগত যুজ কৰিলে সন্মানহে যাব। তেওঁ উভতি আহি আৰামী চকীখনত বহি পৰিল।

২

ভূদেৱ হাজৰিকাই আজি পয়ত্ৰিশ বছৰ আগতে যোগান বিভাগৰ ইন্সপেক্টৰ হৈ চাকৰিত সোমাইছিল। যেতিয়া চাকৰিত সোমায় তেতিয়া হাজৰিকা চফল ডেকা। তেতিয়াই হাজৰিকাই বীৰেণৰ দেউতাকক নিজৰ অফিচৰ ৰাতিৰ চকিদাৰ হিচাপে পাইছিল। বীৰেণৰ দেউতাক ধনবাহাদুৰো হাজৰিকাৰ প্ৰায় সমবয়সীয়া। কিন্তু ধন বাহাদুৰেও ইতিমধ্যে বিয়া কৰাইছিল। বৰ্তমান ভূদেৱ হাজৰিকাৰ ঘৰ য'ত তাতেই মাটিৰ আচল মালিকে ধন বাহাদুৰক মাটি ৰখীয়া কৰি ৰাখিছিল। থাকোতে থাকোতে ধন বাহাদুৰে মানুহৰ ঘৰত

কাম বন কথা অসমীয়া ছোৱালী এজনী চপাই ললে। তাই আছিল অভি দেখনিয়াৰ। তেতিয়া তাইৰ বয়স পোন্ধৰ নে ষোল্ল। প্ৰথমতে তাই ধনবাহাদুৰক নিজৰ মানুহ কৰি লৈ শুদ্ধ সিদ্ধান্ত কৰা বুলিয়েই ভাবিছিল। কিন্তু সময় গৈ গৈ যেতিয়া বিয়া হোৱাৰ দহ বছৰ পিছতো এটা সন্তানৰ মুখ নেদেখিলে তেতিয়াহে তাই উপলব্ধি কৰিলে যে ধন বাহাদুৰৰ সন্তান জন্ম দিব পৰা ক্ষমতা নাই।

এটা সময়ত মাটি ৰখাৰ বাবদ ধন বাহাদুৰক মাটিৰ মালিকে তিনি কঠা মাটি দি বাকী মস্ত এলেকা এটা বিক্ৰি কৰি দিলে।

সেইখিনি মাটিতে ধন বাহাদুৰে এটা খেৰৰ জুপুৰী সাজি দুয়ো সোমাই থাকিল। তাৰ ওচৰতে ভুদেৱ হাজৰিকাৰ ভাৰা ঘৰ। প্ৰথমতে ভুদেৱ হাজৰিকাই ধন বাহাদুৰ আৰু তেওঁৰ মাজত পাৰ্থক্য ৰাখি চলিবলৈ চেষ্টা কৰিছিল যদিও প্ৰয়োজনত ধন বাহাদুৰৰ দ্বাৰা ইটো সিটো কৰাই লওঁতে শেষত ভাল ঘনিষ্ঠতা আহি পৰিল। ঘনিষ্ঠতা এনে এটা পৰ্যায়লৈ গল যে ধন বাহাদুৰৰ ঘৈণীয়েকে ভুদেৱ হাজৰিকাক ভাত ৰান্ধি নুখুৱালে হাজৰিকাৰ জিভাত নলগা হ'ল। পিছত ঘটনা ইমান দূৰলৈ পৰিব্যাপ্ত হল যে ভুদেৱ হাজৰিকাৰ লগত ধন বাহাদুৰৰ ঘৈণীয়েকে প্ৰয়োজনীয় কথা এটা কৈ হাঁহিলেও মানুহে এটা বেলেগ অৰ্থৰ সোৱাদ পোৱা হ'ল। হাঁহিৰো যে এটা বিশেষ ভাষা আছে সেইটো মানুহে ভালদৰে বুজি উঠিল।

এটা সময়ত বীৰেণৰ জন্ম হ'ল। কোন চনত বীৰেণৰ জন্ম হ'ল সেইটো মাক অৰ্থাৎ ধন বাহাদুৰৰ ঘৈণীয়েকৰ খুব ভালকৈ মনত আছে। বোধহয় ১৯৫৬ চন।

বীৰেণৰ বয়স যেতিয়া এবছৰ তেতিয়া ধন বাহাদুৰ এক দুৰাৰোগ্য ৰোমাৰত আক্ৰান্ত হৈ মৃত্যুমুখত পৰিল। বহুখিনি টকা ভুদেৱ হাজৰিকাই ধনবাহদুৰক চিকিৎসাৰ বাবে ধাৰে দিছিল। টকাসোপা খৰছ হ'ল কিন্তু ধন বাহাদুৰ নাবাচিল। ধন বাহাদুৰৰ ঘৈণীয়েকে ধোৱা কোৱা দেখিলে।

এদিনাখন যেতিয়া ভূদেৱ হাজৰিকাই বীৰেণৰ মাকক ক'লেহি— "বীৰেণৰ দেউতাকে মাটি ডেৰ কঠা মোক লিখি দি গৈছে" তেতিয়াহে বীৰেণৰ মাকৰ মূৰৰ ওপৰত সৰগ ভাঙি পৰিল। এদিনো মানুহজনে কথাটো কব নাপায়নে ? মানুহে ধন বাহাদুৰৰ ঘৈণীয়েকৰ আপত্তিত কোনো গুৰুত্ব নিদিলে। চৰিত্ৰৰ গোলমাল থকা মানুহ এজনীৰ সমস্যাত কোনে মূৰ সোমাব। কেইজনমানে হাজৰিকাৰ হকেহে ক'লে - "ইমান টকা মানুহে এনেয়ে দিব নেকি ? দেশত কিবা আইন-কানুন নোহোৱা হ'লনে ?"

উপায় নাপাই ধন বাহাদুৰৰ ঘৈণীয়েকে মাইকী মানুহৰ মাজত কথাটো উলিয়ালে—"চাওঁকচোন হাজৰিকা চাবে আমাৰ ডেৰ কঠা মাটি অন্যায়কৈ লঁব বিচাৰিছে।"

কোনোবা এজনী পেটত কথা ৰাখিব নোৱাৰি বমি কৰাৰ দৰে কৈ পেলালে– "চাৰ নে তোৰ পৈয়েৰ ? নাককাটী ? মতাটো থাকোঁতেই হাজৰিকাৰ লগত ৰাতি দহ বজালৈকে চুপতি মাৰি আছিলি। সকলো দিয়াৰ পিছত এতিয়া মাটিখিনি দিলে তোৰ কিভাল লোকচান হয় ? দৰকাৰ হ'লে এনেকে লগে থাকিব পাৰিবি। থুই ক'তা নিলাজী ক'ৰবাৰ।"

আন এজনীয়ে জেৰ টানি ক'লে— "তই আমাৰ ঘৰে দুৱাৰে নাহিবি বুইছ ? জাৰজ সন্তান এটা লৈ আমাক মুখ নেদেখুৱাবি। চাচোন তোৰ পুতেৰৰ মুখখন কাৰ দৰে হৈছে ?"

লাজ আৰু দুখত বীৰেণৰ মাক তাৰপৰা উঠি আহিল। ধন বাহাদুৰৰ ডেৰ কঠা মাটিতেই এতিয়া হাজৰিকাৰ পাঁচ তলা বিল্ডিং আৰু কাষতে বীৰেণৰ খেৰৰ জুপুৰী।

এনে দুৰ্বলতাৰ কাৰণেই ভূদেৱ হাজৰিকাই বীৰেণৰ এনে সামাজিক অত্যাচাৰকো সহ্য কৰিবলৈ বাধ্য হৈছে।

আৰামী চকিখনত আউজী থকা হাজৰিকাৰ কথাবোৰ পাগুলিয়াহে সিমানেই তেওঁৰ কপালত ঘামৰ টোপাল বিৰিঙি উঠিছে। পুহ মাহৰ

হিম চেঁচা ঠাণ্ডাতো হাজৰিকা অৱঘামে ঘামি উঠিল। জীৱনটো চলাই নিয়াটোও তেওঁৰ বাবে কি যে এক বিড়ম্বনা!

॥ ৩ ॥

ঢলং পলংকৈ বীৰেণ নিজৰ ঘৰ সোমাল। বীৰেণে দেখিলে টিমিক ঢামাককৈ জ্বলি থকা চাকি এগছৰ কাষত তাৰ বাবে ভাত সাজি থোৱা আছে। সাধাৰণতে বীৰেণৰ ঘৈণীয়েক সি নহালৈকে নোশোৱে। কি ঠিক ক'ত বা কি গোলমাল কৰি আছে?

ঘৈণীয়েকে গুৱাল গালি আৰম্ভ কৰিলে —

"দিন নাই ৰাতি নাই কেৱল মুত সোপা খাই আহিব আৰু ৰাস্তাই ঘাটে কাজিয়া কৰি আহিব। ভগৱানে এইহে লিখিছিল মোৰ কপালত।" —এইবুলি ঘৈণীয়েক উঠি আহি ভাতৰ কাঁহিখন আগবঢ়াই দি ক'লে —"মই কাৰণেহে সহ্য কৰি আছোঁ। কাৰোবাৰ জীয়েক হ'লে দুৱাৰ বন্ধ কৰি বাহিৰত থৈ দিলে হয়।"

"অই জহনীত যাতী! পেক্ পেক্ কৰি নাথাকিবি কিন্তু। কৈ দিছোঁ।"

এইবুলি বীৰেণে ভাতৰ কাঁহিখনত হাত দি দেখিলে কেৱল নিমখ অকণমান আৰু এটা কেঁচা পিঁয়াজ ভাতৰ ওপৰত পৰি আছে।

বীৰেণৰ খঙটো টিঙিচকৈ মূৰত উঠিল।

"অই কুকুৰৰ জীয়েক। এইহে দিছ খাবলৈ। বজাৰত বস্তুৰ আকাল লাগিছে? আঞ্জা ক'ত?"

"নাই। থাকিলেহে ৰান্ধিম।"

"দোকানৰপৰা আনিব নোৱাৰিলি?"

"ইমান সোপা বাকী হৈছে। আৰু বাকী নিদিও বুলি কৈছে।"

জলকীয়া এটা দে।"

"নাই জলকীয়া।

"বেৰত যে মই আধাখোৱা জলকীয়াৰ টুকুৰা এটা গুজি থৈছিলো সেইটোকে দে।"

"মই খাইছোঁ।"

"তই খইছ। হু তই খাইছ নটী। নাখাওঁ যা।"

বীৰেণে খঙতে ভাতৰ কাঁহিখন দলি মাৰি দিয়াত ওচৰতে বহি থকা ঘৈণীয়েকৰ কপালত লাগি মজিয়াত থেকেচা খাই পৰিল। ভাতবো। কাঁহিখন। চাৰিওফালে কেইবাটাও বৃত্ত হৈ ছিটিকি পৰিল। খঙৰ ভমকত বীৰেণ বিছনাত দীঘল দি পৰিল। ঘৈণীয়েকে কপালখন আঁচলেৰে হেঁচা মাৰি জীয়েক চম্পাৰ ওচৰত শুই থাকিল।

এটা সময়ত বীৰেণে বিছনাত পৰি থাকি দেহ বিচাৰৰ গীত জুৰিলে।

> হে প্ৰাণ গোপাল পাতিলা মায়াৰে খেলা
> অ' মোৰ দয়াল অ'।
> একগুটি ঘৰ যিবা থাকৰ জীৱৰ আছে
> সিও ঘৰ লৈয়া গৈলা ধুমুহা বাতাসে।
> প্ৰাণ গোপাল অ' ...।

ৰাতিপুৱা উঠিয়েই বীৰেণে দেখিলে ঘৈণীয়েকৰ কপালখন বৰকৈ ওখহি উঠিছে। সি ভবাই নাছিল যে কাঁহিখন ইমান জোৰে লাগিব।

বাহিৰৰপৰা কিবা এটা হাতত লৈ আহি ঘৈণীয়েকৰ ওচৰত থিয় হৈ সি ক'লে—"চাওঁ। এইফালে আহচোন। কি চাই আছ? নাহ কিয়?" --- এইবুলি সি ঘৈণীয়েকৰ কপালখনত জাৰ্মানী বনৰ ৰস লগাই থাকি ক'লে --- "খং উঠিলে মোৰ ওচৰলৈ নাহিবিচোন।" ঘৈণীয়েকৰ চকুৰে গিৰ্ গিৰ্ কৈ চকুপানী নামি আহিল। অ'াচলেৰে চকুপানীখিনি মচি লৈ ঘৈণীয়েকে কলে—

"কথা এটা হ'ল নহয়?"

"কি?"

"চম্পা ডাঙৰ হ'ল। ৰাতিয়েই হৈছে।"

তেতিয়াহে বীৰেণে অনুমান কৰিলে চম্পাক সি বহুত সময় দেখা নাই। চাহৰ কাপটোত শোহা মাৰি বীৰেণ বহুত সময় মৌন হৈ ৰ'ল।

"এনে সময়ত কাপোৰ এযোৰ যদি দিব নোৱাৰো মানুহে কি বুলিব ? তদুপৰি ওচৰ-পাজৰৰ মানুহক কিবা এটা নুখুৱালে ভাল হ'ব জানো ?"

ঘৈণীয়েকৰ প্ৰশ্নত বীৰেণে হা না একো নামাতিলে। কথাটো হওঁতে হয়। কিন্তু পইচা এটা হাতত নাই আৰু সময়ো এদিনহে মাজতে। বীৰেণ কিছু চিন্তিত হৈ ঘৈণীয়েকক কলে—"ৰহচোন অফিচৰ পৰা আহো। কিবা এটা কৰিব লাগিব।"

বীৰেণে এতিয়াহে ভালকৈ উপলব্ধি কৰিলে যে তাৰ মূৰত এটা ডাঙৰ বোজা আহি পৰিছে। ইমান দিনে সি এবাৰো এনে কথা ভবাই নাছিল। ঘৈণীয়েকৰ ওচৰলৈ আহি বীৰেণে ক'লে-- "মই অফিচৰপৰা আহো। দেৰি হলেও চিন্তা নকৰিবি।" এইবুলি বীৰেণ হতহতাই ওলাই গ'ল।

চাওঁতে চাওঁতে আবেলি হ'ল। বীৰেণৰ তেতিয়াও দেখা দেখি নাই। ঘৈণীয়েক বৰ চিন্তাত পৰিল। যদি আজিও মদৰ আড্ডাত বহে। কথাটো ভবাৰ লগে লগে ঘৈণীয়েকৰ মূৰটো আচন্দ্ৰাই কৰিলে। এনেদৰে ভবা-গুণা কৰি থাকোতে ঘৈণীয়েকে দেখিলে বীৰেণ আহি তাইৰ সন্মুখত। তেতিয়া আবেলি চাৰি-মান বাজিছে। আহিয়েই ঘৈণীয়েকক ক'লে-- "হো ল'চোন এইখিনি।"

"কিমান আছে ?"

"এহাজাৰ।"

"ক'ৰপৰা আনিলে ?"

"তোক কিয় লাগে ? আনিছো ক'ৰবাৰপৰা।"

"মাহৰ শেষত কোনে দিলেনো ?"

"শ্যাম সুন্দৰে। তাৰো হাতত টকা নাছিল। সিও মোৰ দৰেহে চাকৰি কৰে। সি তাৰ কো-অপাৰেটিভত থকা টকা উলিয়াই ধাৰলৈ দিছে। এইটো ইমান ভাল বস্তু বুলি জনা নাছিলো। আমিও থ'ব লাগিব।"

"মই দেখোন আগতেই কৈছিলো। আপুনিহে খেঙ্ খেঙাই উঠে।"

"এই কাণত ধৰিছো। অহা মাহৰ পৰাই আৰম্ভ কৰিম।" এইবুলি বীৰেণে নিজৰ কাণ দুখনত নিজে ধৰি ঘৈণীয়েকক ক'লে-- "আজিৰপৰা সিব্ৰিধ বস্তু নাখাওঁ।

"এনেকৈ কিমান দিন শপত খাইছিল। কিন্তু কথা ৰাখিব পাৰিছে জানো ?"

"এইবাৰ চাই থাকচোন। বীৰেণে কি কৰিব নোৱাৰে ?"

বীৰেণৰ দৃঢ়তা দেখি ঘৈণীয়েকৰ মনটো বৰ পাতল যেন লাগিল। এইজনহে আচল মানুহ। তেতিয়া ঘৈণীয়েকে কওঁ নকওঁকৈ ক'লে— "হাজৰিকানীয়ে টকা পাঁচশ দি গৈছে চম্পাৰ খবৰ শুনি। চম্পাৰ কাজত লগাবলৈ। আপুনি যাতে ৰাতি ৰাতি সেই কামটো নকৰে তাৰ বাবে অনুৰোধ কৰিছে।"

"কি" বীৰেণ জাঙ্ৰ খাই উঠিল। বীৰেণে ঘৈণীয়েকক একৰকম ধমক দি ক'লে - "যা এতিয়াই। পইচা ওভোতাই দি আহ। পইচাৰে মানুহ কিনিবলৈ আহিছে। আনক কিনিব পাৰিলেও সি নটীৰ বাচ্চাই মোক কিনিব নোৱাৰিব। মোৰ মাটিত মোৰ ইচ্ছামতে যি কৰো তাকে কৰিম সি মাতিবৰ কোন? সি ভাবিছে মই মোৰ জন্ম বৃত্তান্ত নাজানো বুলি। তাক চাইহে আছো। কোনোবাদিন তাকো শেষ কৰিম মইও জেলত যাম। যা বুলিছো নহয় এতিয়াই যা।"

"কিন্তু আপুনি ৰাতিৰাতি আন মানুহৰ দুৱাৰ মুখত এনে কাম কিয় কৰিব লাগে ? মানুহে আমাকহে বেয়া বুলিব ।"

"তই ভাবিছ নেকি মই কথাটো বুজি নাপাওঁ । কিন্তু মোৰ জীৱনটোৰ কথা মনত পৰিলেই তাক শেষ কৰি দিবৰ মন যায় । আৰু কোনোবাদিনা শেষ কৰিমো ।"

"হৈছে হৈছে ।" এইবুলি ঘৈণীয়েকে তাৰ মুখখনত হাতেৰে হেঁচামাৰি ধৰিলে । ঘৈণীয়েকে দেখিলে গিৰিয়েকৰ চকুৰে গিৰ্‌ গিৰ্‌কৈ চকুপানী নামি আহিছে ।

দেউতা

তেতিয়া ৰাতি বাৰ। বাহিৰত জুন মাহৰ কিণ কিণ বৰষুণ। বিনয়কৃষ্ণ বৰুৱাই লাহে লাহে বাৰাণ্ডাত ভৰি দিলেহি। খোজ থৰকবৰক। কথাটো যেতিয়াই শুনিলে তেতিয়াৰ পৰাই বিনয়কৃষ্ণ বৰুৱা অস্থিৰ। গোটেই দিনটো ধৰি ঘৈণীয়েক বিছনাত পৰি আছে। গধূলি এবাৰ চকু মেলি চাইছিল যদিও পুনৰ অজ্ঞান হৈ পৰিছে।

ঘৈণীয়েকৰ ওচৰৰ পৰা আহি বাৰাণ্ডাত অস্থিৰভাৱে বৰুৱাই ঘূৰা ফিৰা কৰিবলৈ ধৰিলে। খুটা এটাত আউজি বৰুৱাই নিজৰ ভিতৰতে যুক্তি দি চালে—কিয় এনে কৰিলে? কিয় এনে হ'ল? কিমান মৰমৰ মাজত ডাঙৰ দীঘল কৰিলো তাইক! জন্মৰ দিনাখনৰ পৰাই কষ্ট কি বস্তু; কঠোৰতা কি বস্তু তাক জানিবলৈ দিয়া নাছিলো। ইমান মৰমকো নেওচা দি গুচি গ'ল কিয়? আপোনা আপুনি ওলাই অহা নাকৰ পানীখিনি মোহাৰি ইমুখ কৰোতে দেখিলে ঘৈণীয়েক আহি বৰুৱাৰ ওচৰত থিয় দিছে। বৰুৱাই শান্ত কণ্ঠে ঘৈণীয়েকক সাৱধান কৰি দিলে—"তুমি উঠি আহিছা কিয়? বলা শুই থাকিবা।"

ঘৈনীয়েকে বৰুৱাৰ হাতখন খামুচি ধৰি নিজৰ মুখৰ ভিতৰতে ভোব ভোবলে—"দুষ্টাত্মা আহিছিল গুচি গ'ল। তাকে আমি ভাবি থাকিব লাগে কিয়?" বৰুৱাই বুজিলে ঘৈণীয়েকৰ কথাবোৰ সংগতি হীন হৈ পৰিছে; মনৰ ভাৰসাম্য হেৰুৱাবলৈ আৰম্ভ কৰিছে।

"আপুনি ভাবিছে মই পাগল হৈছো" পুনৰ ঘৈণীয়েকে কবলৈ

ধৰিলে ; যেন নাটকত্বহ বচন মাতিবলৈ ধৰিছে— "নাই হোৱা পাগল কিন্তু তাই মোক এনেদৰে অকলে এৰি থৈ যাব নালাগিছিল। তাইৰতো দোষ নাছিল। মোৰহে দোষ . .."

"নীতা।" বৰুৱাৰ মাতটো ইমান কৰ্কশ হৈ ওলাই আহিছিল নীতা বৰুৱা হঠাৎ স্তব্ধ হৈ পৰিল আৰু ফেল্ ফেলকৈ গিৰিয়েকৰ মুখনলৈ চাই থাকিল ; যেন একো বুজি পোৱা নাই। বৰুৱা তৎক্ষণাৎ আগুৱাই গৈ ঘৈণীয়েকৰ মূৰটো নিজৰ বুকুৰ মাজত সুমুৱাই লৈ পিহি দিলে। ঘৈনীয়েকৰ চকুৰ পানীৰে বৰুৱাৰ বুকুখন ভিজি গ'ল। বৰুৱাই বুকুখনত এটা বিষ অনুভৱ কৰিলে।

বিনয়কৃষ্ণ আৰু নীতা। ভাৰতবৰ্ষ স্বাধীন হোৱাৰ দুবছৰমান হৈছে। তেতিয়াৰ পৰাই বিনয়কৃষ্ণ আৰু নীতাই টেলিগ্ৰাফ অফিচত একেলগে কাম কৰিছিল। তেতিয়াই দুয়োজনৰ মাজত মধুৰ সম্পৰ্ক গঢ়ি উঠিছিল। এই সম্পৰ্ক বেচি গাঢ় হৈ পৰিল যেতিয়া দুয়ো এটা বাওঁপন্থী ইউনিয়নৰ কামত মনোনিবেশ কৰিলে। শেষত এই সম্পৰ্কই বিবাহ সম্পৰ্কত পৰিণত হ'ল ; দুয়ো দুয়োকে আপোন কৰি ললে। ইউনিয়নৰ কাম কাজত দুয়ো এনেভাৱে জড়িত হৈ পৰিল যে দুয়োৰো জৈৱিক প্ৰযোজন আৰু আদৰ্শৰ প্ৰয়োজন একাকাৰ হৈ পৰিল।

বিয়া হোৱাৰ দহবছৰ পিছত তেওঁলোকৰ কোলালৈ আহিল এটি শিশু। নাম ৰাখিলে ৰবিতা।

ৰবিতাই বিনয়কৃষ্ণ আৰু নীতা বৰুৱাৰ একমাত্ৰ সন্তান।

মাহটো জানুৱাৰী নে ফেব্ৰুৱাৰী। ৰবিতা দ্বিতীয় বাৰ্ষিক কলেজৰ ছাত্ৰী। ছাত্ৰ-ছাত্ৰীৰ সমুখত জীৱন মৰণ পণ। তৰিলে দেশ মৰিলে স্বৰ্গ।

মৃত্যুৰ দূতবোৰক হেলাৰঙে ধ্বংস যজ্ঞ সাধিবলৈ চাৰিওফালে এৰি দিয়া হৈছে। প্ৰতিজন মানুহৰ পিছে পিছে জিভা ঘূৰি ফুৰিছে মৃত্যু বিভীষিকা।

কিন্তু সহস্ৰ নিনাদত আকাশে বতাহে নিনাদিত হৈছে "এই জুই জ্বলিছে জ্বলিবই।"

ববিতা থিৰেৰে থাকিব নোৱাৰিলে। ববিতা জপিয়াই পৰিল এই মহাযজ্ঞত। কপালত তিলক আঁকি আহুতি দিবলৈ ববিতা উত্ৰাৱল হৈ পৰিল। ববিতাৰ হৃদয় তন্ত্ৰীত অহৰহ বাজি থকা হ'ল- "আজিৰ অসমীয়াই নিজক নিচিনিলে অসম ৰসাতলে যাব।" যিমানে বাজে সিমানে তাৰ অৰ্থ হয় অভিনব।

জীৱনৰ সাৰ্থকতা ববিতাৰ আগচোতালৰ শেৱালী জোপাৰ কাষত থিয় দিছেহি।

সৰ্বোত্তম সময়ৰ আহ্বান
দেওদি নাচি-ফুৰিছে সময় যৌৱন,
অপচয় তিলমানো
উত্তৰ পুৰুষৰ বাবে মৃত্যুবাণ
আহা আহা সময়
এইয়ে যুগৰ চৰম ভালপোৱা।

বাহিৰত ঘিটমিট্ কৰে অন্ধকাৰ। ববিতাই টৰ্চটো মাৰি ঘড়ী টোলৈ চালে। ৰাতি এক বাজিছে। আজি দুই তিনিমাহ ধৰি তেওঁলোকৰ চকুত টোপনি নাই। বাস্তবিকতে পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত মানুহে ৰাতি টোপনি মৰা বাদেই দিছে; কি ঠিক কোন মুহূৰ্ত্তত কোন ফালৰ পৰা আক্ৰমণ হয় তাক কোনে জানে।

ববিতাই শুনিলে গিৰিপ্ গিৰিপ্ বুটজোতাৰ শব্দ। ভয়তে ববিতা আৰু ববিতাৰ মাকে লেপখন জাপি লৈ ঈশ্বৰৰ নাম ললে। দেউতাক থাকিলে যেনিবা সাহস অকণমান থাকিলহেঁতেন। ববিতাৰ মাকে নিজক নিজে কলে — কিমান কলো মানুহজনক ট্ৰেন্সফাৰ লৈ অহাৰ কথা। কিন্তু নাহে। কি যে মজা পাইছে তাত থাকি! ববিতাই মাকৰ ওচৰত অভিযোগ কৰি কলে — "দেউতা আহিব নালাগে মা। নহা কাৰণেই আমি শান্তিত আছো। নহলে··· ।"

"কিন্তু এনেকৈ চি, আৰ, পি ৰ অত্যাচাৰৰ পৰা কিমান দিন হাত সাৰি থাকিব পাৰিম বুলি ভাবিছ ?" "আমি সকলো লাঞ্চনাৰ বাবে প্ৰস্তুত থাকিব লাগিব মা। যুগৰ আহ্বানত আমি নিঃশেষ হৈ যোৱাটো বৰ ডাঙৰ কথা নহয়। অথচ দেউতাই হাজাৰ হাজাৰ মানুহ যি ফালেদি গৈছে সেই ফালেদি নগৈ নিজৰ ৰাস্তাৰে গৈ আছে। এইটো জানো বুদ্ধিমানৰ কাম হৈছে ?"

"কি কৰিবি ? যিটো বুজিছে সেইটোকে ঠিক বুলি বুজিছে মানুহজনে।"

হঠাতে দুৱাৰত এটা মৃদু টোকৰ পৰিল। ববিতাইঁতে ভয়তে চক্‌খাই উঠিল। কিছুসময় মৌন হৈ থাকি পৰিস্থিতিটো বুজিবলৈ চেষ্টা কৰিলে। ববিতাৰ অঠ কণ্ঠ শুকাই গ'ল। এটা ক্ষীণ কণ্ঠ ভাহি আহিল ববিতা। ফিচ্ ফিচ্‌কৈ মাতিছে যদিও ববিতাই বুজিলে মাতটো 'ফুলদা'ৰ। ববিতাই লাহেকৈ দুৱাৰখন খুলি দিলে।

"ফুল দা! ইমান ৰাতি খন কিয় আহিলা ?'

"চি আৰ পি যে আমাৰ ঘৰ ঘেৰাও কৰিছে। মই পলাই আহিছো।"

ববিতাৰ মাকে টৰ্চ্‌টো মাৰি ফুলৰ মুখখনলৈ চালে। আতংক গ্ৰস্ত মুখখনত কিন্তু দৃঢ়তা আছে।

"চি, আৰ, পিয়ে যদি আমাৰ ঘৰো ঘেৰাও কৰে ; তেতিয়া ?" ববিতাৰ মুখমণ্ডলত এটা ভীতু ৰেখা ফুটি উঠিল। মমডালত অগ্নি সংযোগ কৰি কাণ সজাগ কৰি ৰাখিলে ববিতাই। এতিয়াই হয়তো দলে দলে চি, আৰ, পি ভৰি পৰিব।

কথাতো নোহোৱা নহয়। অঞ্চলটোৰ ভিতৰতে প্ৰথম শ্ৰেণীৰ ছাত্ৰ নেতা হল ফুল। গতিকে ফুলক এৰেষ্ট কৰাৰ বাবে চেষ্টাৰ ত্ৰুটি কৰা হোৱা নাই। ববিতাৰ মাক চিন্তান্বিত হৈ পৰিল। এই মুহূৰ্ত্তত নিৰাপত্তা আজিৰ সময়ত সবাতোকৈ আগত। ববিতাৰ মাকে ববিতাক কলে— যা চোন ববিতা। মোৰ মেখেলা-চাদৰ এযোৰ লৈ আহ।

মমৰ কম্পিত, পোহৰত ৰবিতাই ফুলৰ মুখলৈ আৰু ফুলে ৰবিতাৰ মুখলৈ চালে। ফুলৰ ফালে চাই ৰবিতাৰ মাকে ফুলক বুজালে— "লাজ কৰাৰ কাৰণ নাই। দেশৰ ভবিষ্যত তোমালোক। তোমালোকৰ প্ৰতিটোপাল তেজে গঢ়িব সোণৰ অসম। কিন্তু চেফ্‌টি ফাষ্ট।" মাকৰ আগত মেখেলা চাদৰ এযোৰ ডাঙি ধৰিলে ৰবিতাই।

"হো লোৰা পিন্ধা তাৰাতাৰি।'

"নালাগে বাইদেউ।" অল্পভাষী ফুলে পিন্ধিবলৈ আপত্তি কৰিলে।

"এই পৰিস্থিতিত দুৰ্জ্জয় পৌৰুষ দেখুৱাব নালাগে বুজিছা। জানা বিশ্ববিখ্যাত বহু নেতাই মাইকী মানুহৰ বেশ লৈ ৰক্ষা পৰিছিল। ৰবা ময়েই পিন্ধাই দিওঁ; তুমি মোৰ লৰাৰ দৰে।" এই বুলি ৰবিতাৰ মাকে নিজে কামত লাগি পৰিল। ফুলেও যান্ত্ৰিকভাবে সম্মতি জনালে। মৃত্যুৰ ক্ষণ গণি থকা মানুহে যেনেকৈ নিজৰ ওপৰত আশা এৰি দিয়ে ফুলেও তেনেকৈ আশা এৰি দিলে। কাৰণ এতিয়াই হয়তো ৰাইফলৰ বেয়নেটৰ খোচ ফুলৰ ওপৰত উপৰ্যুপৰি পৰিব, দুটামান বিকট চিঞৰ মৰাৰ বাহিৰে ফুলৰ আৰু কৰণীয় নাথাকিব। হঠাতে ৰবিতাই ফিক্‌কৈ হাঁহি দিলে।

"চোৰাচোন মা ফুলদাৰ মুখখনলৈ।"

ৰবিতাৰ মাকে ফুলৰ মুখখনলৈ চাই ইস ইস্ কৰি পুনৰ কাপোৰযোৰ খুলি পেলালে।

"কি চখে পাইছে তোমালোকক দাড়ি গোফ ৰাখি থোৱাৰ?"

গিৰিপ্ গিৰিপ্‌কৈ পুনৰ বুধ জোতাৰ শব্দ লাহে লাহে আগ বাঢ়ি আহিল। তিনিওজনে হতবুদ্ধি হৈ সুৰক্ষিত ব্যৱস্থাৰ কথা ভাবিলে যদিও কোনো সিদ্ধান্তত উপনিত হব নোৱাৰিলে। হঠাতে ৰবিতাৰ মাকে ৰবিতা আৰু ফুলক দুয়োহাতে টানি নি এখন বিচনাতে শুৱাই দি লেপখন মূৰে গাই জাপি দি দুৱাৰখনত ভেজা দি বহি পৰিল।

ক্ৰমাম্বয়ে বুট জোতাৰ শব্দবোৰ ডাঙৰ হৈ আহিছে। লাহে লাহে ঘৰৰ ওচৰ পাইছেহি। লাহে লাহে শব্দবোৰ ক্ষীণ হৈ পৰিল আৰু এটা সময়ত নোহে'ৱা হৈ পৰিল।

মৃঢ়াটোত চিলমিল টোপনিৰ মাজতে ৰবিতাৰ মাকে শুনিলে ওচৰৰ ধান বনা মিলৰ চাবি বজাৰ ঘণ্টাধ্বনি। পোহৰ হবলৈ বেছি পৰ নাই।

বাটেৰে মানুহ খোজকাঢ়ি যোৱাৰ শব্দ শুনিলে ৰবিতাৰ মাকে। দুই এটা গুণগুণনিও কাণত পৰিল। বোধহয় কুহিয়াৰতলি বা জংগলৰ পৰা মতা মানুহবোৰ দুই এজনকৈ ঘৰলৈ আহিবলৈ আৰম্ভ কৰিছে। দিনৰ ভাগত মানুহবোৰ যেনে তেনে ঘৰতে থাকে। ইটো সিটো কাম কৰে; ৰাতি হলেই হাতত দা থৈলা দিয়াচেলাই কোনোবাই পাৰিলে আঠুৰা লৈ জংগল পাহাৰৰ তলি, কুহিয়াৰৰ তলিত সোমাই থাকে। বিশেষকৈ এই কেইদিন চাকৰি থকা মানুহবোৰ এজনো ঘৰত নাথাকে। কাৰণ ধৰিব পাৰিলেই ইলেক্চন ডিউটিলৈ পঠিয়াই দিব।

ৰবিতা আৰু ফুলৰ ফিচ ফিচ্ কথা কাণত পৰিল; বোধহয় ভবিষ্যত কাৰ্য্যপন্থা আলোচনা কৰিছে দুয়োজনে। এই যৌৱন এক আদৰ্শৰ যৌৱন। ৰবিতাৰ মাকে নিজৰ এখি অহা যৌৱনটোলৈ মনত পেলালে। কি যে কু-সংস্কাৰেৰে বেষ্টিত গৰালৰ দৰে তেওঁ লোকৰ পৰিবেশ আছিল। বিনয়কৃষ্ণৰ লগত মিলা-মিচা কৰোতে মানুহে কত কিমান বদনাম ৰটনা কৰিছিল।

আজিৰ যৌৱনত নীচতা নাই; হীনতা নাই।

এনেদৰে কথাখিনি পাগুলি থাকোতে হঠাতে দুৱাৰত টোকৰ শুনিলে ৰবিতাৰ মাকে। চক্ খাই কোন বুলি অস্বাভাৱিক ধৰণে প্ৰশ্ন কৰিলে।

"মই নীতা।" মাতটো বুজিলে। হকভাল লাহেকৈ খুলিলে নীতা ৰকৱাই।

বিনয়কৃষ্ণ বৰুৱা ভিতৰলৈ সোমাই আহিল। "এনেদৰে ৰহি আছা কিয় ? "ৰবিতা নাই নেকি ?" "ক'ৰপৰা আহিল ? আহিছে যেতিয়া ভালে হ'ল।" "উত্তৰ লক্ষীমপুৰৰ পৰা বেলত আহিলো। ৰঙিয়াত দেখি নোহোৱা হ'লে সোনকালে পালোহেঁতেন। দিনকাল ভাল নহয়। কোনোৱে কাকো বিশ্বাস নকৰা হৈছে। চাওঁ টৰ্চটো দিয়াচোন ভৰি হাত ধুই লওঁ।"

"কিবা দিগদাৰ হৈছিল নেকি ?"

নীতা বৰুৱাই প্ৰশ্নটো উৎথাপন কৰি বিনয়কৃষ্ণ বৰুৱাৰ মুখ খন অনুসন্ধিৎসু চাৱনিৰে পৰ্যবেক্ষণ কৰিলে। নীতা বৰুৱাই জানে যে আজি কালি চৰম বিপদ নোহোৱা পৰ্যন্ত কোনো বিপদৰ কথা নীতাক নকয়। আগতে দাঁতে ওঠে লাগিলেও বিনয়কৃষ্ণ বৰুৱাই নীতাক মাতি ডেটল ঘঁহি দিবলৈ কৈছিল। বিনয়কৃষ্ণৰ নিজৰ বিপদ নিজে হজম কৰাৰ প্ৰৱণতা আৰম্ভ হ'ল যেতিয়াৰ পৰা নীতা বৰুৱাই বিনয়কৃষ্ণৰ আদৰ্শগত জীৱনৰ পৰা লাহে লাহে আঁতৰি আহিবলৈ আৰম্ভ কৰিলে। জ্ঞানৰ অস্বচ্ছতাৰ কাৰণে নীতা বৰুৱাই ১৯৮০ চন মানৰ পৰা অসমৰ বিয়াগোম আৱেগৰ সোঁতত যেতিয়া নিজকে এৰি দিলে তেতিয়াৰ পৰাই ঘৰুৱা জীৱনত বিনয়কৃষ্ণ নিঃসংগ হৈ পৰিল। সেয়ে তেওঁ ঘৰত নাথাকি বাহিৰত থকাটোকে পছন্দ কৰিলে।

"ঘৰ আহি পাইছো যেতিয়া বিপদ হোৱা বুলি কব নোৱাৰি। উত্তৰ লক্ষীমপুৰৰ পৰা যিটো ডবাত আহিছিলো ৰঙিয়ালৈকে শান্তিৰে আহিছিলো ; কিন্তু ৰঙিয়াৰ পৰাহে মোৰ বিপদ ঘনীভূত হোৱা যেন লাগিছিল।"

"আজিকালি আপুনি কথাবোৰ খুলি নোকোৱা হৈছে ?"

"ৰঙিয়াৰ পৰা যেতিয়া গাড়ী এৰে তেতিয়া মোৰ কাণত পৰিল অসমীয়া কথাৰে সংখ্যাত তাকৰ যদিও কোনোবাই কিবা কৈ আছে। ভুমুকি মাৰি দেখিলো মানুহকেইজন ডেকা ল'ৰা।

তেতিয়া আসন্ন বিপদৰ বাবে মই সাজু হৈছিলো। অথচ মোৰ মাতৃভাষা হ'ল অসমীয়া। কি যে বিড়ম্বনা! এতিয়াও যে মই নিৰাপদ সেই কথাও কোৱা টান।"

নীতা বৰুৱাই দেখিলে বিনয়কৃষ্ণই লাহে লাহে অন্যফালে যাবলৈ আৰম্ভ কৰিছে। তাতে ঘৰতে শুই আছে ফুল। সেয়ে নীতা বৰুৱাই তাৰাতাৰিকৈ টৰ্চটো আনি বিনয়কৃষ্ণলৈ আগ বঢ়াই দি কলে—

"হৈছে হৈছে। আগতে ভৰি হাত ধুই লওঁক। পিচে পৰেও দেশৰ পৰিস্থিতি গাব।"

ভৰি হাত ধুই ঘৰ সোমাব খোজোতেই বিনয়কৃষ্ণই গাৰ কাষেৰে কোনোবা এজন গোঁ-গোঁৱাই পাৰ হৈ যোৱা যেন পালে।

"কোন ? কোন এইজন ? নীতা! চাওঁ ইফালে আহাচোন। কোনোবা এজনে মোক খুন্দিযাবই ধৰিছিল।"

নীতা বৰুৱাই তৎক্ষণাৎ বিনয়কৃষ্ণৰ ওচৰলৈ আহি কলে—

"কোনো নহয়। ভিতৰলৈ আহক।"

"তাৰ মানে তুমি জানা!"

"ৰাতিটো আমাৰ ঘৰত আছিল।"

"আগতে কোৱা কোন সেইজন ?" বিনয়কৃষ্ণৰ চকুত পৰিবৰ্ত্তনবোৰ ডাঙৰ ডাঙৰ ৰূপ লৈ ধৰা দিলে।

"ফুল।"

"ফুল! মোৰ গাত যে পোনতে থু মাৰি দিছিল সেইজন ফুল। ইতিমধ্যে ঘৰখন মোৰ অনুপস্থিতিত ডেকা'ল'ৰাৰ আড্ডা কৰি পেলাইছা। আৰু বুঢ়া বয়সত তোমাৰ আদি ৰসৰ সৃষ্টি হৈছে।

সাধাৰণতে বিনয়কৃষ্ণই কম কথা কয়। কিন্তু আজি বিনয়কৃষ্ণৰ কথাৰ বান্ধ ঢিলা হৈ পৰিল।

"লাজ নালাগে আপোনাৰ এইবোৰ কবলৈ ? দিনক দিনে মানুহজন নিলাজ হৈ গৈছে। মানুহে দেখিলেই লেই লেই ছেই ছেই কৰে; তথাপিতো লাজ নহ'ল মানুহজনৰ। অলপো যদি শুভ-

বুদ্ধিৰ উদয় হ'ল হেন্তেন। নীতাই বৰুৱাই শুভৰ উমকণ্ঠ বহু কিবাকিবি কৈ পেলালে। নীতা! বৰ উত্তেজিত হৈছা তুমি। আজি পচিশ বছৰ ধৰি একেলগে ট্ৰেড ইউনিয়ন কৰিলো; শেষত তুমি এইটোকে বুজিলা।"

"এতিয়া ভালদৰে উপলব্ধি কৰিছো ; মোৰ আগৰ সমস্ত ধাৰণাই আছিল ভুল। এটা ধাৰ কৰা তত্ব ভাৰতবৰ্ষৰ মাটিত বিশেষকৈ অসমত কেতিয়াও প্ৰযোজ্য হব নোৱাৰে।"

"তুমিয়েই যেতিয়া এইদৰে বুজিছা তেতিয়াহলে এই আবেগ প্ৰৱণ যুৱশক্তিটোক দোষ দি কি লাভ। গেলিলিওৰ নাম শুনিছা নিশ্চয়। মইও কম পৃথিবী সূৰ্য্যৰ চাৰিওফালে ঘূৰে। সমগ্ৰ অসমবাসীয়ে মোৰ টেটুত ধৰি নমৰা পৰ্যন্ত মই মোৰ কথা কম। জনস্ৰোতত তুমি অন্ধ হৈ গৈছা নীতা ; এতিয়া তুমি জনপ্ৰিয়তাৰ মোহত মোহান্ধ। কিন্তু তুমি এনেকৈ ভবাতো ভুল যে মোৰ কোনো স ংগী নাই বা মই একেবাৰে নি:সংগ।"

নীতা বৰুৱাই বুজিলে বিনয়কৃষ্ণই অন্তৰত এটা ডাঙৰ আঘাট পাইছে। সেয়ে বিনয়কৃষ্ণৰ কথাবোৰ লাহে লাহে গহীন আৰু সীমিত হৈ আহিছে। এটা সময়ত হয়তো মুখেৰে এটা কথাও নোকোৱা হৈ পৰিব। নীতা বৰুৱাই জুকিয়াই চালে—ইমান দিনৰ মূৰত জীৱনটো বিপন্ন কৰি হলেও বিনয়কৃষ্ণই ঘৰলৈ আহিছে। একমাত্ৰ নীতা আৰু ৰবিতাৰ টানত। কথাটো ভবাৰ লগে লগে নীতা বৰুৱাৰ মনটো গ্লানিৰে ভৰি পৰিল। হঠাতে নীতা বৰুৱা মৌন হৈ পৰিল।

আলনা ডালৰ পৰা গামোচাখন আনি গিৰিয়েকৰ আগত দাঙি ধৰিলে।

"ঠাণ্ডা লাগিব। ভৰি হাত মচি লওঁক।"

ঘৈণীয়েকৰ হাতৰ পৰা গামোচাখন লৈ বিনয়কৃষ্ণ বৰুৱাই নিজৰ ভিতৰতে কোৱাৰ দৰে কলে—

"মই জানো নীতা। মানুহে মোক ঘৃণা কৰিলে তুমি দুখ পোৱা।" বিনয়কৃষ্ণ বৰুৱাৰ মাতত স্নেহৰ কোমলতা।

বিনয়কৃষ্ণ বৰুৱাই মৈণীয়েকৰ মুখখন নিৰীক্ষণ কৰিলে। দেখিলে নীতাৰ চকুহাল চলচলীয়া হৈ পৰিছে।

বিনয়কৃষ্ণ বৰুৱাই সিদ্ধান্ত ললে এইবাৰ গলে আৰু সোনকালে নাহে। কাৰণ দেশৰ পৰিস্থিতি এনেকুৱা হৈ পৰিছে নিজৰ দেউতাক ঘৰলৈ অহাতো সন্তানে পচণ্ড নকৰে।

সেই যি গৈছিল তাৰ পিচত আজি ছয় সাত মাহ ঘৰলৈ অহা নাছিল বিনয়কৃষ্ণ বৰুৱা। আজিও অহাৰ কথাৰ নাছিল। কিন্তু এই দুঃসংবাদটো ট্ৰাঙ্ককল কৰি জনোৱাতহে বিনয়কৃষ্ণ বৰুৱা দৌৰি আহিছে।

নীতাই বিনয়কৃষ্ণৰ বুকুৰ মাজৰ পৰা মূৰটো দাঙি বিনয়কৃষ্ণৰ হাতত চিঠি এখন গুজি দি থোকাথোকি মাতেৰে কলে "তাই মোৰ বুকুৰ মাজত সুমুৱাই থৈ গৈছে।" বিনয়কৃষ্ণই চিঠিখন মেলি ললে। গোট গোট আখৰৰ নাতিদীৰ্ঘ এখন চিঠি। মাজে মাজে আখৰ বিয়পি পৰিছে।

মা,

মোৰে শপত চিঠিখন দেউতাক নেদেখুৱাবা। কাৰণ দেউতাৰ মহানুভৱতা আৰু দূৰদৰ্শীতাৰ ওচৰত মই বৰ নিঃকিন। দেউতাৰ ওচৰত মোৰ শ্ৰদ্ধা নিবেদন কৰিবলৈও মই সাহস গোটাব নোৱাৰিলো। তোমাৰ বোধহয় দেউতাৰ এষাৰ কথা মনত আছে— সত্যক ঢাকি ৰাখিব নোৱাৰি নীতা। হয় মা সত্যক ঢাকি ৰাখিব নোৱাৰি।

প্ৰথমতে মইও দেউতাক ঘিণ কৰিছিলো। আনকি ঘৃণাৰ বশৱৰ্ত্তী হৈ ফুলদা আমাৰ ঘৰত ৰাতি থকাৰ দিনাও দেউতাৰ আগত দেখা দিয়া নাছিলো। মোৰ দৃষ্টিত দেউতা আছিল দেশৰ শত্ৰু। লাহে লাহে উপলব্ধি কৰিব ধৰিলো দেউতাৰ চাৰিত্ৰিক দৃঢ়তাক মানুহে ভয় কৰে; দেউতাৰ সততাক মানুহে আলেঙে আলেঙে শ্ৰদ্ধা কৰে; দেউতাৰ উদাৰতাৰ ওচৰত মানুহ দুৰ্বল হৈ পৰে। বিধ্বস্ত হবলৈ ধৰা সমাজ এখনত দেউতাৰ দৰে মানুহবোৰে বাধা হৈ পৰে।

মোৰ পথ মই বাচি ললো।

ফুলদাৰ জনপ্ৰিয়তা আৰু সংগ্ৰামী দৃঢ়তাৰ ওচৰত মই হেৰাই গৈছিলো। ফুলদাৰ ওচৰত আত্ম সমৰ্পণ কৰি এটা সময়ত মই গৰ্ব অনুভৱ কৰিছিলো; মোৰ দৰে ভাগ্যৱতী কোনো নাই বুলি ভাবিছিলো। কিন্তু চৰম বিপৰ্যয় ইমান সোনকালে আহিব বুলি ভবা নাছিলো। এদিন ফুলদাক মোৰ বিপৰ্যয়ৰ কথা কওঁতে তেওঁ কৈছিল—"দেশৰ এই অগ্নি পৰীক্ষাত আমাৰ আন কথা ভবাৰ সময় নাই। আৰু কি ঠিক তুমি বা কেইজনৰ ওচৰত এনেদৰে সমৰ্পণ কৰিছা?" ফুলদাৰ কথা শুনি মেখেলা চাদৰ পিন্ধা সেই-ৰাতিৰ ফুলদাৰ চেহেৰাটো মনত পৰিছে মা। দাড়ি গোফ নাথাকিলে ফুলদাক মাইকী মানুহ যেনেই লাগে।

জানো মা মই নহলে তোমালোকে কষ্ট পাবা। কিন্তু নোৱাৰিলো। বহুত চেষ্টা কৰিছিলো বাস্তৱতাক স্বীকাৰ কৰি লবলৈ। কিন্তু বাৰে বাৰে হাৰি গৈছো মোৰ যুক্তিত।

আৰু বুজাত ভুল নকৰিবা মা। দেউতাৰ কথাই ঠিক। অবৈধ নাগৰিকক বহিষ্কাৰ কৰিবলৈ সংগ্ৰাম কৰোতে মই নিজেই অবৈধ নাগৰিকক মোৰ গৰ্ভত লালন পালন কৰিছো মা।

বিনয়কৃষ্ণ বৰুৱাৰ হাতৰপৰা চিঠিখন সৰি পৰিল।

"মধ্যবিত্ত সমাজখনকে বিচাৰকৰ ভূমিকাত অৱতীৰ্ণ কৰাই এদিন

ৰবিতাই মোক ঘিণ কৰা আৰম্ভ কৰিছিল, আৰু সেইখন সমাজকে নিজৰ ক্ষেত্ৰতো বিচাৰকৰ আসনত বহুৱাই আত্মহত্যা কৰিলে। তাইৰ জীৱনৰ এটা সংকট সময়ত মই আঁতৰি থাকিলো আৰু তুমি মা হৈ তাইৰ মনোবেদনা বুজাৰ চেষ্টা নকৰিলা।"

বিনয়কৃষ্ণ বৰুৱাৰ স্বগতোক্তিত নীতা বৰুৱাই কান্দি দিলে।

"নাকান্দিবা নীতা। মানব ইতিহাসৰ পাত লুটিয়াই চোৱা। তেতিয়াই বুজিবা ৰবিতাক কোনে হত্যা কৰিলে। তেতিয়া বুজিবা আমাৰ বোধশক্তিৰ দীনতা কিমান।"

বিনয়কৃষ্ণ বৰুৱাই হঠাতে উপলব্ধি কৰিলে-উদাৰতায়ো কেতিয়াবা কেতিয়াবা অপূৰণীয় ক্ষতি কৰে।

●

অভিযোজন

ব্যস্ত তিনি আলি চকটোত দহ বাৰখন মান ৰিক্সা বৈ থকা দেখিলো। মানুহৰ বৰ বেছি ভিৰ নাই। প্ৰত্যেক জনৰ ওচৰলৈ গৈ ভাৰাত যাব নেকি সুধিলো। প্ৰত্যকজনে একেটা প্ৰশ্নকে কৰিলে—কলৈ যাব বাবু? মই কলো—মেডিকেল কলেজলৈ।

প্ৰত্যেকজনে উত্তৰ দিলে—সেইফালে নাযাওঁ বাবু। সমস্যাত পৰিলো। কাৰণ চিটিবাচো পাবলৈ নাই। কিবা হেনো ধৰ্মঘট কৰিছে চালকবোৰে। মিনিবাচ বা অট'ৰিক্সাও এখনো নেদেখিলো। আজি কেইদিনমানৰ পৰা সঘনে ডেকা ল'ৰাবোৰৰ লগত সংঘৰ্ষ হলেই চালকবোৰে গাড়ী চলোৱা বন্ধ ৰখা হৈছে! সময়মতে গৈ নাপালে মেডিকেল কলেজৰ ডাক্তৰকো লগ পোৱাৰ সম্ভাৱনা নাই। মেডিকেল কলেজখন যিহে হৈছে। ডাক্তৰৰ গাফিলতি দেখিলে ধৈৰ্য্য ধৰা টান হৈ পৰে। আগতে যেন তেন। এতিয়াতো আমাৰ জনপ্ৰিয় চৰকাৰ এখন আছে; কিন্তু কোনো পৰিবৰ্ত্তনতো চকুত পৰা নাই। ডাক্তৰৰ মতি-গতিৰ কোনোবাই লৰচৰ কৰিব পাৰিছেনে?

মেডিকেল কলেজত জন্ম হোৱাৰ দুদিন নে এদিন পিছতে জণ্ডিচ হৈছিল মোৰ ছোৱালীজনীৰ। আজি সাত বছৰে তাৰ বীজ মাৰিব পৰা নাই।

ইফালে অফিচৰ পৰা ছুটী লোৱাবো সুকণ্ডা উলিয়াব নোৱাৰো। কামে মোক খা মোক খাকৈ মুখ মেলি থাকে। আজি কোনো-মতে ছুটী লৈছিলো। কিন্তু এতিয়া দেখোন আজিৰ দিনটোও অথলে যাব। কিবে বিড়ম্বনাই লগিছে?

এতিয়াহে উপলব্ধি কৰিছো ভঙা চাইকেলখনকে লৈ আহিব লাগিছিল কাৰণ নিজৰ ভৰি দুখনেতো নিজক নঠগিলেহেঁতেন।

ৰাস্তাটোৰ পোনে পোনে বহু দূৰলৈ লক্ষ্য কৰিলো। হয় জনস্ৰোত বৰ দীঘলীয়া হৈ পৰিছে। কোন কলৈ যাব সেইটো কাৰো দৰকাৰ নাই; অহা আহিছে; যোৱা গৈছে। হাজাৰ হাজাৰ বিচ্ছিন্ন গতিপথত প্ৰত্যেকে ধাবমান।

অবশেষত বৃহৎ কৃষ্ণচূড়া গছজোপাৰ তলত এখন ৰিক্সা অকলসৰে ৰৈ থকা দেখি আগবাঢ়ি গলো; যাব নেকি সুধিলো। সি ক্ষন্তেক পৰ মোৰ মুখখনলৈ লক্ষ্য কৰিলে আৰু কলে "ৰাম বাবু"। কথাষাৰ কওঁতে তাৰ খোলা দাঁতৰ ফাকেৰে কথাখিনি ফচ্‌কৈ ওলাই আহিল। গামোচাখনেৰে সি ওঠত লাগি থকা তামোলৰ পিকখিনি মচি ললে। মই স্বস্তি পালো, যাহওঁক অন্ততঃ ছোৱালীজনীক ডাক্তৰক দেখুৱাব পাৰিম।

মোৰ মনত এটা প্ৰশ্নই বাৰে বাৰে উক দিবলৈ ধৰিলে। ৰিক্সাৱালাবোৰ মেডিকেল কলেজৰ ফালে নাযায় কিয়? নে এই কেইজনেহে নাযায়? যোৱাবিলাক হয়তো ইতিমধ্যে গুচি গৈছে।

ইতিমধ্যে মই মোৰ ছোৱালীজনীৰ সৈতে ৰিক্সাত বহি ললো।

: খুকু। আমিনা। যা মই এতিয়াই আহিম।

দেখিলো সি ছয় সাত বছৰীয়া ছোৱালী এজনীক চাইকেলৰ দোকান খনলৈ যাবলৈ নিৰ্দেশ দিছে। তাই কিন্তু তাৰ গামোচাখনত খামোচ মাৰি ধৰিলে।

: যা। খুকু। মোৰ সোণা। হো ল।

এইবুলি সি এটা চকলেট পকেটৰ পৰা উলিয়াই তাইৰ হাতত দি হাতখনত এটা চুমা খালে।

: যা মই এতিয়াই আহিম। দিল চাচা। আমিনা গৈছে। সি চাইকেল মেৰামতি কৰা বুঢ়াজনলৈ বুলি চিঞৰিলে। বুঢ়াই ওপৰলৈ মুখ নকৰাকৈয়ে তাক সোঁৱৰাই দিলে "সোনকালে আহিবি

কিন্তু। বিশ্বকর্মা পূজাৰ বজাৰ কৰিব লগা আছে। দোকান সোনকালে বন্ধ কৰিম । আহ বেটী আমিনা । মোৰ ক'লা চুলি কেইডাল উঘালি দেহি ।"

দেখিলো লাহে লাহে তাই বুঢ়াৰ ওচৰত থিয় দিছে। কোনো ফালে নোচোৱাকৈ ৰিক্সাখন গাৰ সমস্ত শক্তি প্ৰয়োগ কৰি চলাবলৈ ধৰিলে । প্ৰথমতে ৰিক্সাখনে দুটামান ঘেৰেক ঘেৰেক শব্দ কৰিলে । তাৰ পিচত সোঁসোঁৱাই আগবাঢ়িল. ।.

কিছুদূৰ আহি মই অনুভব কৰিলো মই যেন এটা অশান্তিত ভুগিছো অথচ অশান্তিৰ কাৰণটোও বিচাৰি পোৱা নাই । হঠাতে মনত পৰিল কথাটো ; অলপো নবৈ ৰিক্সাৱালাক সুধিলো ঃ হেৰা ! তোমালোকে মেডিকেল কলেজৰ ফালে নোযোৱা কিয় ?

ঃ সিগিলা বহুত কথা বাবু ।

তাৰ কামৰূপীয়া কথাৰ সুৰ শুনি মোৰ হাঁহি উঠিব খুজিছিল। বুজিলো সি, কামৰূপৰ কোনো ঠাইত থাকে ; সুৰটোৱে দক্ষিণ কামৰূপৰ বকো ছমৰীয়াৰ ভাষাকে ইংগিত কৰা যেন লাগিল । আমি কলেজত পঢ়োতে গুৱাহাটীত ৰিক্সাৱালা পাইছিলো । সকলো বিহাৰী। স্থানীয় মানুহ কোনো নাছিল ; এতিয়া কিন্তু পৰিস্থিতি বদলি গৈছে ! গাঁৱৰ মানুহ জিয়াই থকাৰ তাড়নাত নগৰমুখী হৈছে ।

ঃ কি বহুত কথা আছে ?

মই তাক সুধিলো ।

ঃ ল'ৰাৰিলাকে আজিকালি ভাৰা নিদিয়ে বাবু । ভাৰা বিচাৰিলে মাৰপিটহে কৰে । তদুপৰি পুলিচেও ৰাচ বিচাৰ নকৰাকৈ আমাক ধৰি নি থানাত ভৰাই থয় । ইনকাম নহলেও নাই বাবু। সেইবুলি জীয়া যমৰ আগত থিয় দিব নোৱাৰি ।

: তেন্তে তুমি কি সাহসত আহিছা ?

ঃ বুদ্ধিৰে চলিব লাগিব বাবু । নহলে কি খাই বাচি থাকিম।

ঘটনাবোৰ এনেধৰণে ঘটিৰ ধৰিছে বা ঘটিয়েই আছে তাৰ যেন কোনো প্ৰতিকাৰ নাই। যৌৱনে কি বিচাৰে সেইটোও যেন প্ৰৌঢ়বোৰৰ অজ্ঞাত। এটা উদাসীনতাৰ ৰাজত্বই সমগ্ৰ মনোজগতক যেন ছানি ধৰিছে। বিবেকৰ আহ্বান নুশুনা হৈছে মানুহবোৰে। উশৃঙ্খলতাই হৈছে এটা প্ৰতিষ্ঠিত নিয়ম।

এই কথাবোৰে ভাবি ভাবি মনটো ভাৰাক্ৰান্ত হৈ পৰিছে।

তাৰ কথাটো মোৰ বাবে নতুন নহয়। এনে অভিজ্ঞতা আজি ছয়-সাত বছৰে যথেষ্ট হৈছে।

এদিনাখনৰ এটা ঘটনা।

অফিচৰ পৰা ওলাই আহি ভঙাগড় পুলিচ পইণ্টটো পাৰ হৈ ৰাজগড় ৰাস্তাৰে কিছুদূৰ আগবাঢ়ি গৈ দেখিলো ৰাস্তা বন্ধ। মটৰ অট'ৰিক্সা, ঠেলা চাইকেলৰ এটা মস্ত লাইন। কিছুদূৰ আগুৱাই গৈ দেখিলো ৰাস্তাত মানুহৰ এটা ডাঙৰ ভিৰ। ৰাস্তাৰ সোমা-জতে যিটো ঘটনা ঘটি আছে তাক সকলোৱে উদাসীন ভাৱে প্ৰত্যেক্ষ কৰিছে। কাৰত এখন ৰিক্সা।

বান্দৰৰ নাচ চাবলৈ গৈ যেনেকৈ মানুহে বৃত্তাকাৰ অৱস্থান লয় তেনে এটা অৱস্থানৰ মাজত এজন দঢ়িয়া লুঙী পিন্ধা মানুহে ইজনৰ ভৰিত ধৰিছে, সিজনৰ ভৰিত ধৰিছে, চিঁঞৰত গগন ফালিছে। দুজন ডেকা ল'ৰাই দুডাল ৰদেৰে তাক এফালৰ পৰা কোবাই গৈছে। কাৰো মুখত এটাও শব্দ নাই। সকলোৰে মুখবোৰ এক অদৃশ্য শক্তিৰ বলত চিলাই কৰা আছে। কিয় মাৰিছে অন্ততঃ এই প্ৰশ্ন-টোও যদি কোনোবাই কৰিব পাৰিলেহেঁতেন! মই ভিতৰলৈ সোমাই গলো। লগে লগে মানুহজনে মোৰ ভৰি দুখনত ধৰি চিঞঁৰিবলৈ ধৰিলে। তাৰ মুখৰপৰা ওলোৱা হোলোকা হোলোক তেজে মোৰ ভৰি তিয়াই পেলালে। তাৰ দাঁত দুটামান ভাঙিছে যেন লাগিল।

ল'ৰা দুজনে তাৰ পিছে পিছে খেদি আহিল। অসহ্য যন্ত্ৰণাত মই আগবাঢ়ি গলো।

ঃ হেৰা ! তোমালোকে মানুহজনৰ ওপৰত অত্যাচাৰ কৰিছা কিয় ?

মোৰ কথা কেইটা এনে জোৰেৰে ওলাই আহিছিল সিইঁত দুয়ো থত্‌মত্‌ খাই মোৰ ফালে চালে। হঠাতে দহ বাৰজন ল'ৰা মোৰ ওচৰলৈ আহি মোক আগুৰি ধৰি তৰ্জন গৰ্জন আৰম্ভ কৰিলে।

ঃ "ক'ৰ পৰা আহিছ অ' হু। ধৰ ইয়াকো। চালা চিনি পোৱা নাই।" ইত্যাদি নানান তিৰস্কাৰ মোৰ ওচৰত বৰ্ষিত হবলৈ ধৰিলে।

কোনো এজন ডেকা ল'ৰাই মানুহৰ বৃত্তৰ ভিতৰত গল-গলীয়া মাতেৰে মোক উদ্দেশ্য কৰি কলে – "ৰাইজ। চাওঁক এই মানুহজনক। চিনি লওঁক এই বদন ইঁতক। ইইঁতেই আমাৰ দেশখন খালে। প্ৰথমতে বদনইঁতক খতম কৰিব লাগে।"

সকলোৱে মোৰ ফালে চালে। মই হতভম্ব হৈ পৰিলো। ভাবিছিলো মোৰ লগে লগে বহুতে এই দুষ্কাৰ্য্যৰ প্ৰতিবাদ কৰিব। কিন্তু কোনো এজনেও মুখেৰে এটা টু শব্দ নকৰিলে। বৰং এজন দুজনকৈ লাহে লাহে আঁতৰি যাবলৈ ধৰিলে।

মোৰ কথাষাৰত এনে কি দেশদ্ৰোহীতাৰ মৰ্মবাণী আছে বুজি নাপালো।

লক্ষ্য কৰিলো ইতিমধ্যে দঢ়িয়া লুঙী পিন্ধা মানুহজনে ৰিক্সাখন লৈ কোনোবা তলকত পলাই পত্ৰং দিছে।

হঠাতে কোনোবা এজনে মোৰ পিছফালে কাণৰ কাষত ফুচফুচালে। সোনকালে ইয়াৰপৰা বলক চাৰ। পৰিস্থিতি ভাল নহয়।

ঘূৰি চাই দেখিলো আমাৰ অফিচৰ পিয়ন ৰবি। মাজবাটত ৰবিক সুধিলো "ঘটনাটো আচলতে কি ?"

সি কলে সেইবোৰ বহুত কথা চাৰ। ৰিক্সাৱালাই ভাৰা বিচাৰিছিল

হেনো ; কিন্তু দুয়ো ভাবা নিদি বৰং ওচৰৰ লোহা লকৰৰ দোকানখনৰপৰা দুডাল ৰদ আনি তাক কোবাবলৈ ধৰিলে। মই ঘটনাটো আৰম্ভনিৰ পৰা নিজ চকুৰে দেখিছো।

ঃ তেনেহলে বিয়াবালাৰ দোষ ক'ত ?

সেইবোৰ বহুত কথা চাৰ।

"বহুত কথা'ৰ অৰ্থ মই লাহে লাহে নুবুজা হৈ পৰিছো। গোটেই সমাজখনেই বোবাৰ দৰে যুৱশক্তিৰ ওচৰত আত্মসমৰ্পণ কৰি সম্মতি দিবলৈ ধৰিছে যেতিয়া যি কোনো ঘটনাৰেই বহুত কথাই থাকিব পাৰে যাৰ অৰ্থ সহজে পোৱা নাযায়। এই বিষময় ফলৰ বাবে অগ্ৰজসকলে দায়ী নহয় নে ?

ঘটনাটো ভাবোতেই মানসিক অশান্তি এসোপাই মোক খেদি আছিল। অৱক্ষয়ী জীৱনযাত্ৰাত মানুহবোৰ যেন অভিযোজন কৰিবলৈ শিক্ষা গ্ৰহণ কৰাত লাগিছে।

মোৰপৰা কোনো হা-না সঁহাৰি নাপাই সি নিজে নিজে কবলৈ ধৰিলে। যেন মই তাৰ এজন অতি বিশ্বাসী বন্ধু :

ঃ মানুহে কোনোৱে কাকো বিশ্বাস নকৰা হৈছে বাবু। আগতেতো এনে অবিশ্বাস মানুহৰ মাজত নাছিল। নিজৰ ল'ৰা ছোৱালীক ডাঙৰকৈ নাম ধৰি মাতিবলৈ ভয় লাগে বাবু।

লাহে লাহে তাৰ কথাবোৰে মোৰ বুকুত এটাৰ পিছত আন এটা গধুৰ বস্তু জাপি দিবলৈ ধৰিলে। যন্ত্ৰণাত মই চট্ফটাব ধৰিলো। আমি সচাঁকৈয়ে সভ্য হৈছো নে ? প্ৰসংগটো এৰাই যাবৰ কাৰণে মই লঘু প্ৰশ্নৰ অৱতাৰণা কৰিলো।

ঃ হেৰা তোমাৰ পাণ্ডৱিৰ ফুলাম গামোচাখন যে ইমান লেতেৰা হৈছে তোমাৰ ঘৰৰ মানুহে ধুই নিদিয়ে নেকি ? ক'ৰবাত খোপ এজনী বিয়া কৰাইছা বোধহয় ?

আচলতে প্ৰশ্নটো কৰাৰ কোনো প্ৰয়োজন নাছিল যদিও কৰিলো। চকুপৰি এনে অবান্তৰ প্ৰশ্ন সি মোৰ দৰে মানুহৰ পৰা আশা নকৰে।

প্ৰকৃততে তাৰ আৰু মোৰ মাজত এটা ব্যৱধানো আছে।

বহুত সময় সি মৌন হৈ থাকিল। তাৰ হিক্লাথনৰ বেগ লাহে লাহে কমি আহিছে। এটা সময়ত সি হুমুনিয়াহ কাঢ়ি কলে, "আজি তিনিবছৰমান আগতে মোৰ এবছৰীয়া ল'ৰাৰ সৈতে তাইক মাৰিলে বাবু। মৰাজন মৰিল। জীয়াই থকা জনেহে জীয়াতু ভুগিছো।"

ঃ "মাৰিলে? কোনে?" মই আচলতে এনে অপ্ৰত্যাশিত উত্তৰৰ বাবে সাজু নাছিলো। অন্তৰত আঘাত দিব পৰা কথাও মই সুধিব খোজা নছিলো।

ঃ ছমৰীয়াৰ ঘটনা আপুনি জানে বাবু। আপোনাক কি কম ধাননি পথাৰৰ মাজত মাজৰাতি মোৰ ল'ৰাক সাবতি তাই পৰি থাকিল বাবু। মই স্বাৰ্থপৰে তাইক পথাৰতে এৰি থৈ ছোৱালী-জনী লৈ পলাই আহিলো। মোৰ দৰে নিষ্ঠুৰ কোন হব পাৰে এই দুনিয়াত! প্ৰতিৰোধ কৰি মৰা হলেও আল্লাৰ ওচৰত জবাব দিব পাৰিলোহেঁতেন। তাৰ প্ৰতিফল ভোগ কৰি আছো বাবু। আমিনাৰ কাৰণে মৰিবও নোৱাৰো; তাইক খুৱাই বুৱাই ডাঙৰ দীঘল কৰিবলৈ ইনকামো কৰিব নোৱাৰো। এটা যমৰ যাতনাত বাচি আছো বাবু।"

পৰিস্থিতিটো আৰু বেছি অসহনীয় হৈ পৰিল। সেই দিন-বোৰৰ কথা পাহৰিবলৈ চেষ্টা কৰিছো। কিন্তু মাজে মাজে কিছু-মান ঘটনা সন্মুখত উপস্থিত হলে সেই কলংকিত দিনবোৰৰ কৰুণ বেদনাই মোৰ অন্তৰ চুই যায়।

নেলী, গহপুৰ, চমৰীয়াৰ মৃত মানুহৰ কংকালবোৰে যেন মোৰ চকুৰ আগত নাচিবলৈ ধৰিলে। সমগ্ৰ অসমৰে মৃত মানুহৰ কংকালবোৰে বিকট অট্টহাস্য কৰি মোক যেন উপলুঙা কৰিবলৈ ধৰিলে—"পাৰিছানে তোমালোক মানুহৰ দৰে বাচি থাকিব?"

মেডিকেল কলেজৰ দুৱাৰমুখত নামি পৰিলো। পইচা কিমান

লাগিব সুধি পকেটত হাত ভৰালো। মই এটা ধাৰণা কৰিলো মোৰ যেন তাৰ মুখখনলৈ চাব নোৱাৰা অৱস্থা এটা হৈছে।

সি মোৰ মুখৰ ফালে অপলক দৃষ্টিৰে চাই মুখখন তললৈ নমাই কলে।

: পইচা নালাগে বাবু।

: পইচা নালাগে ? কি কথা কৈছা তুমি ?

: আমি মানুহ চিনি পাওঁ বাবু ! আপুনি মোৰ মা-বাপ। আপুনি সিদিনা নথকা হলে সিইঁতে মোক বদেৰে মাৰি শেষ কৰিলেহেঁতেন। আপোনাৰ ঋণ জীৱনত পৰিশোধ কৰিব নোৱাৰিম ! বহুদিন আপোনাক বিচাৰি ফুৰিছো। আজিহে লগ পাইছো।”

মই তাৰ মুখখন ভালদৰে পৰ্যবেক্ষণ কৰি মনত পেলাবলৈ চেষ্টা কৰিলো। তিনিমাহৰ আগৰ ঘটনা। দেখিলো মুখৰ গঢ় আৰু চেহেৰা যিমান দূৰ মনত পৰে মিলি গৈছে। কিন্তু তাৰ আজি দাড়ি নাই, পিন্ধনত লুঙী নাই; আৰু মূৰত আছে ফুলাম গামোচাৰ পাগুৰি।

সঁচা কথা কব লাগিলে ময়ো তাক ইমান দিনে আলেঙে আলেঙে বিচাৰি ফুৰিছো। কাৰণ বহুত কথাৰ অৰ্থ আজি মোৰ দৰকাৰ যিটো কাৰণত মই দেশদ্ৰোহী বদন আখ্যা পাইছো।

: মুখত দাড়ি, গাত লুঙী এইবোৰ এৰিলা কিয় ?

মোৰ প্ৰশ্নৰ উত্তৰ দিবলৈ গৈ সি কন্তেক ভাবিলে। এটা আত্মবিশ্বাস আৰু দৃঢ়সিদ্ধান্তৰ ভাব উদ্ভাসিত হৈ পৰিল তাৰ মুখমণ্ডলত। যেন তাৰ কোনো স্খলন হোৱা নাই; যেন ধৰ্মৰ নামত হাৰামী কৰা হোৱা নাই।

সি কলে—“এতিয়া মোক ল’ৰাবিলাকে দিগ্‌দাৰ নকৰে বাবু। পুলিচেও নজৰ নিদিয়ে।”

: আমি হিন্দু মানুহ। তোমালোকৰ হদিছ নাজানো। এনেদৰে

সাটি খুৱাই, লুঙী বান্ধি ধৰ্মত ব্ৰহ্মী হৈ থাকিব পাৰি জানো? গুণাহ নহব?

ঃ খোদাতাল্লাই দেখি আছে বাবু মই কিয় এনে কৰিছো। আল্লাৰ দৃষ্টিত মোৰ গুণাহ নহয়। গুণাহৰ হিচাপ নিকাচ আমি মানুহবোৰেহে কৰো। এক আল্লাত বিশ্বাস থাকিলে গুণাহ হব নোৱাৰে।

এই বুলি সি পকেটত হাত ভৰাই এটা চকলেট আনি মোৰ ছোৱালীজনীক দি হাতত এটা চুমা খালে আৰু কলে তোমাৰ মাক কৰা চকলেটটো হবিৰ খুৱাই দিছে আৰু কৰা হবিৰ খুৰা এদিন দেখা কৰিবলৈ যাব। কৰা নে নোকোৱা কোৱা।

ঃ মোৰ মা নাই নহয়। মা কেতিয়াবাই মৰিল। মাক দেখা মোৰ মনতে নপৰে।

হবিৰে মোৰ মুখলৈ চালে। মই মোৰ চকুপানীৰ বান্ধ ধৰি ৰাখিব নোৱাৰিলো।

ঃ ৰাওঁ বাবু। দুনিয়া বৰ বিচিত্ৰ।

কমালখনেৰে চকুপানী খিনি মচি লৈ হবিৰলৈ চালো। ইতিমধ্যে হবিৰৰ পুৰণা কিস্সাখন বহুত দূৰ পালে। তাক সোধাই নহ'ল সি ক'ত থাকে। তাক কোৱাই নহ'ল যে এনে এটা সময় আহিব যেতিয়া মানুহক নাওঠ কৰি হলেও কোন কি ধৰ্মৰ মানুহ পৰীক্ষা কৰি চোৱা হব।

—●—

অকালপক্ক

এসপ্তাহ ধৰি কিনকিন কৰে বৰষুণ। আকাশ গোমা। লক্ষণটো ভাল নহয়। ক্যতিমহীয়া এনেকুৱা বতৰত কিবা নহয় কিবা এটা হয়। বৰষুণৰ লগত ফিৰফিৰীয়া হাড় কপোৱা বতাহ অৰুণাচলৰ পাহাৰবোৰ ওচৰতে থকা কাৰণে ঠাণ্ডা সোনকালে নামি আহে।

জোনাৰামে বেৰৰ ডাঙৰ জলণ্ডা দুটা এখন কটা বস্তাৰে ঢাকি দি বিছনাৰ ওচৰত বহিল। ঘৈণীয়েকে হেতাখনত মিঠাতেল লৈ নহক দুই কোঁহ দি তেল গৰম কৰিছে।

ৰাতি ভেতিয়া বাৰমান বাজিছে। জোনাৰামৰ একমাত্ৰ ছয় বছৰীয়া ল'ৰা সোণটিয়ে আজি হঠাতে কন্দা আৰম্ভ কৰিছে। কান্দি কান্দি ভাগৰি পৰিছে। এবাৰ মাকে লৈছে এবাৰ দেউতাকে লৈছে। তথাপিতো কান্দোন বন্ধ হোৱা নাই।

এটা সময়ত সোণটিৰ কান্দোন বন্ধ হৈ পৰিল। চকু দুটা মেল খাই আকৌ মুদ খালে। এক অজান ভয়ে জোনাৰামক গিলি পেলালে। এই ৰাতিখন ক'লৈ যাব, কি কৰিব? কিন্ কিনীয়া বৰষুণ। চাৰিওফালে পানী। ওচৰতে কোনো মানুহ দুনুহো নাই।

জোনাৰামে হাত দুখন মুৰৰ ওপৰলৈ নি মুখেৰে ভোৰভোৰালে — "আজিৰ ৰাতিটো ৰচোৱা ভগৱান!"

শই শই মানুহ মৰিছে। কিবা ছেলা এন্‌কেফেলাইটিচ! হলেই মানুহ নাবাচে। জীৱনৰ নাম-নুশুনা বেমাৰ। নহব কিয়? মানুহ কিবা সৎ হৈ আছেনে? জোনাৰামে কথাখিনি নিজৰ ভিতৰতে পাগুলিয়ালে।

ঘৈণীয়েকৰ হাতৰ পৰা হাতখন লৈ সোণটিৰ হাতভৰি আৰু কপালত অলপ গৰম তেল মালিচ কৰি দিলে জোনাৰামে। হঠাৎ সহস্র ছিদ্রৰ বেৰখনেদি এজাক বতাহ সোমাই আহি চাকিগছ নুমাই থৈ গ'ল। চাকিগছ হাতত লৈ ঘৈণীয়েকে হুমুনিয়াহ কাঢ়িলে—কণা বিধাতাই কপালত কি লিখি থৈছে নাজানো!

পুনৰ প্রজ্বলিত চাকিগছৰ পোহৰত জোনাৰামৰ বাওঁ চকুৰ ওপৰৰ ওখহি উঠা আঘাতটো স্পষ্ট হৈ পৰিল। জোনাৰামে এবাৰ পিহি চালে। জোনাৰামৰ মুখমণ্ডলত এক তীব্র ক্ষোভ প্রকাশ পালে। ঘৈণীয়েকক মাতি কলে— চাওঁ এইফালে আহচোন অলপ তেল মালিচ কৰি দে। বেটাহতক চিনিবলৈ আৰু বাকী নাই। ৰাজপাট খাবলৈহে ইমান ফন্দীফিকিৰ!

জুই যেন গৰম আঘাতটোত তেল মালিচ কৰি কৰি ঘৈণী-য়েকে শুৱাল গালি দিলে—আমি কাৰ টেমি ৰোকা চূণ খাইছো; এনেকৈ যে ঘৰদুৱাৰ ভাঙিব লাগে। বৌ বৌ নৰকত পচি মৰিব বাচাইত। নমৰো যদি দেখুৱাব ভগৱানে।

মাধন শিঙিমাৰি। ডিব্রুগড় জিলাৰ এটা বিস্তৃত গাওঁ এলেকা। অতি পিছপৰা অঞ্চল। দিনটোৰ ভিতৰত এখন গাড়ী ডিব্রুগড়লৈ অহা যোৱা কৰে। সিও কেতিয়াবা বেয়া হলে মানুহৰ বিলৈৰ সীমা নোহোৱা হয়।

প্রায় হাজাৰ বিঘা চৰকাৰী মাটিত আজি বহু বছৰ ধৰি নেপালী-বোৰে বসবাস কৰি আহিছে। সিইতৰ লগত চাহ বাগিছাৰ বনুৱা কিছু-মানেও ঘৰ দুৱাৰ বান্ধি বসবাস কৰিছে। 'বাহাদুৰ' বুলি মাত লগালেই লাল বাহাদুৰে জানে যে সময় হৈছে, মণ্ডলুৰ ঘৰত মানুহ লগ লাগিছে। হয়তো হাড়িয়া বহুখিনি ইতিমধ্যে শেষ হ'ল। প্রত্যেকে হয়তো ঝুমুৰৰ কলি গাব ধৰিছে। হাতত টৰ্চটো লৈ লাল বাহাদুৰ গোনেই মণ্ডলুৰ চোতালত উপস্থিত। অলপ পিছত বাহাদুৰৰ মুখতো ঝুমুৰৰ কলিয়ে ঠন ধৰে। হাড়িয়াৰ ৰাগীত জঠৰ হৈ আহিব খোজা জিভা

খনেৰে যেতিয়া লাল বাহাদুৰে ঝুমুৰ গাই তেতিয়া লালবাহাদুৰৰ মাতটোত নেপালীৰ স্বাভাৱিক টান বেছি স্পষ্ট হৈ পৰে।

প্ৰথমতে মানুহে কথাটো সিমান দকৈ ভবা নাছিল। খাইছে আছে—এনে ভাব মানুহৰ। ল'ৰা-ছোৱালীবোৰৰ মাজত আলোচনা হ'ল। জোনাৰামহঁতৰ গাঁৱলৈও এদল ল'ৰা-ছোৱালী আহিল। মানুহক বুজালে এই বিদেশীবোৰে মাটি দখল কৰি আমাৰ মুখৰ ভাত কাঢ়ি খাইছে। আমাৰ পিন্ধিবলৈ কাপোৰ নাই খাবলৈ ভাত নাই অথচ ইহঁতে আমাৰ দেশৰ মাটিত নেজপাৰি আৰাম কৰিছে। সকলোৱে ল'ৰা-ছোৱালীহঁতৰ মুখবোৰ চাই ললে। এনে সঁচা কথা তেওঁলোকে কোনো দিন শুনা নাছিল।

জোনাৰামে মানুহৰ মাজৰ পৰা হঠাতে ঠিয় দি কোৱা আৰম্ভ কৰিলে -

"আমি মুৰুখবোৰে একো নাজানো। একো নকৰিলো। আমাৰ সন্মুখত আজি ত্ৰাণকৰ্ত্তা ঈশ্বৰ ঠিয় দিছেহি। আমাৰ পেটৰ পোৱালীৰ দৰে হলেও এওঁলোকক মূৰত লৈ মোৰ নাচিবৰ মন গৈছে।"

ছাত্ৰনেতা এজনে হাতজোৰ কৰি অগ্নি বৰষা ভাষণ দিলে — "আপোনালোকে শুনি আনন্দ পাব যে চাহবাগিছাৰ মালিকৰ ল'ৰাইও আমাৰ লগতে জোতা পালিছ কৰি আমাক দান দিছে। দান কিমান দিছে সেইটো ডাঙৰ কথা নহয়। ডাঙৰ কথা হ'ল আমাৰ মহান উদ্দেশ্য সাধনত নিজকে জড়িত কৰি এনে অৱস্থাপন্ন হৈও জোতা পালিছ কৰিছে কি কাৰণে? আপোনালোকৰ দৰে দীনহীন সকলৰ মুক্তিৰ কাৰণে।

আমি যদি সফল হ'ব পাৰো তেতিয়া এই বিদেশীৰ দখলত থকা মাটি হব আপোনালোকৰ। লগতে এই কথা শুনি সুখ পাব যে চাহ বাগিছাৰ মালিক সকলে আমাক মুক্তহস্তে দান দিছে আৰু ভবিষ্যতেও দিবলৈ সাজু। গতিকে আমি দুৰ্বাৰ গতিৰে—

"আমি আগে বাঢ়ি
'ভিঙি কাটি কাটি'
তেজৰে বলিশাল
ৰামে বোলাই।"

কথাটো বনজুইৰদৰে বিয়পি পৰিল। 'আহ ঐ আহ ওলাই আহ! খেদ ঐ খেদ বিদেশী খেদ" ধ্বনি শুনিয়েই জোনাৰামৰ দৰে হাজাৰ হাজাৰ ডেকা ডেকেৰীৰ তেজ উতলি উঠা হ'ল। এতিয়াই কিবা এটা কৰিব লাগে। এয়ে উৎকৃষ্ট সময়।

ৰেডিঙ, পেপাৰ সকলোতে কেৱল মাৰপিট খুন জখমৰ খবৰ। মাধন শিঙিমাৰীৰ নেপালী আৰু চাহ বনুৱাসকল এটা সময়ত ভয়তে পলাই পত্রং দিলে।

মাধন শিঙামাৰীৰ প্ৰায় হাজাৰ বিঘা মাটি এতিয়া প্ৰায় উদং। মাজতে জোনাৰামহঁতে দখল কৰিম বুলি ভাবিছিল কিন্তু সময়টো ভাল নহয় বাবে সাহস গোটাব নোৱাৰিলে। সময় আছিল জোনাৰামহঁতৰ দৰে মানুহবোৰৰ কাৰণে আপদীয়া।

১৯৮৩ চনৰ জানুৱাৰীনে ফেব্ৰুৱাৰী। এদিন মাজৰাতি জোনাৰামে পুলিচৰ গিৰিপ্ গিৰিপ্ শব্দ যেন পাই ঘৰৰ পিচফালে পোন-চাটেই দৌৰ মাৰিলে। গিৰিম্‌কৈ খাঁৱৈ এটাত পৰি জোনাৰামে বহুত দেৰি তৎ নোহোৱা হৈ পৰি আছিল। কোনোমতে লাহে লাহে উঠি গৈ কল এডাল সাৰটি ধৰি দোনা কামুৰি তাৰে পানী হুপিহে জীৱটো বচাইছিল জোনাৰামে। কম আপদীয়া দিন আছিল জানো সেইবোৰ।

কষ্টে-মষ্টে তিনিবছৰ অতিবাহিত কৰাৰ পিচত জোনাৰামহঁতৰ সু-দিন আহিছে। নিজৰ মানুহৰ দিনত জোনাৰামহঁতৰ ভয় কিহৰ?

"ভূমিসংৰক্ষণ সমিতি" গঠন কৰি জোনাৰামহঁতে এই হাজাৰ বিঘা মাটি দখল কৰি ঘৰ-দুৱাৰ বান্ধিলে। কথাটো সঁচা নে মিছা জোনাৰামে শুনিছে মাটিৰ হাকিমে হেনো তেওঁলোকক

দখল কৰিবলৈ অনুমতিও দিছে। অসমীয়া মানুহক দিদি দিব কাক ? এতিয়া জোনাবামহঁতৰ চকুত সেন্দুৰীয়া বোল লাগিছে। জোনা-বামহঁতে এইবাৰ বহাগবিহু পাতিলে ল'ৰাহঁতকো মান্তিম বুলি ভাবিছে। ল'ৰাহঁতৰ কাৰণেই জোনাবামহঁতে এটুকুৰা নিজৰকৈ মাটি পাইছে।

নতুন কৈ বন্ধা ঘৰটোৰ নতুন বাঁহৰ বেৰৰ গোন্ধত আপ্লুত হৈ জোনাবামে যৈণীয়েকক ওচৰত বহুৱাই লৈ কলে— সোণটিৰ মাক ! সোণটিয়ে আমাক দুখিব নোৱাৰে। কম হওক বেচি হওঁক এটুকুৰা মাটি তাৰ বাবে এৰি থৈ যাব পাৰিম।

যৈণীয়েকে সন্দেহ প্ৰকাশ কৰি কলে —চৰকাৰে বা কি কৰে ? কাগজ পত্ৰ নহলে এনেকৈ বালিৰ বান্ধ দি নিজৰ কৰিব পাৰিম জানো ?

—তহঁত মাইকী মানুহবোৰে কাকো বিশ্বাস নকৰ। ইমান দিনে কি দেখিলি কি বুজিলি ? নিজৰ মানুহকো নিজৰ বুলি লব নাজান তহঁতে।

—হৈছে হৈছে। হেৰি নহয়, সোণটিৰ বাবে এখন কিতাপ আনিব পাৰিলে ভাল আছিল। —অ'। হ'ব দে ! মোৰ আকৌ এই বোৰ কথা মনতে নাথাকে। কিন্তু পইচা নাই দেখোন। পিচে পৰেও ·· —পইচা নালাগে বোলে। কৃষ্ণৰ মাকে কলে দেখোন। —তই দেখিছো তলে তলে সকলো খবৰ ৰাখ।

আজি চেপ্তেম্বৰৰ তেইশ নে চৌবিশ তাৰিখ। ৰাতিপুৱাতে সোণটিয়ে কন্দা আৰম্ভ কৰিছে। প্ৰথমতে জোনাবামে ভাবিছিল পেটৰ কিবা অসুখ হৈছে। আগে পিছেও পেলু হলে এনে কৰে। কিন্তু আজিৰ কন্দাৰ ধৰণটো বেলেগ; কেৱল মুখটো কামোৰে বুলি কৈ সোণটিয়ে নিজৰ মূৰৰ চুলি নিজে টানে।

সূৰ্য প্ৰায় মূৰৰ ওপৰ পাইছেহি। তেনেতে আহিল এদল পুলিচ। পুলিচৰ লগত আহিল চাহবাগিছাৰ মালিক আৰু তেওঁৰ

পুত্ৰ। লগত আছে আজি তিনি চাৰিবছৰ আগতে জোনাৰামহঁতৰ আগত ভাষণ দিয়া কেইজনমান ছাত্ৰ নেতা।

গাঁৱৰ মানুহ আচৰিত হ'ল। গাঁৱলৈ পুলিচ আহিল কিয়? ইজনে সিজনৰ মুখলৈ সিজনে ইজনৰ মুখলৈ চালে।

পুলিচৰ পৰা আদেশ হ'ল —এই মাটি চাহবাগিছাৰ মালিকক চাহবাগিছা কৰাৰ কাৰণে অনুমতি দিয়া হৈছে। আজিয়েই মাটিৰ দখল এৰি দিব লাগিব। নহলে পুলিচে মাটিৰ দখল লবলৈ বাধ্য।

গাঁৱৰ গোটেই মানুহজাক পুলিচৰ বিপৰীতে জুম বান্ধি ঠিয় দিলে। জোনাৰামৰ গাৰ তেজ গৰম হৈ আহিবলৈ ধৰিলে, —ভাইহঁত! আজি তিনি-চাৰিবছৰ আগৰ কথা মনত কৰক; তেতিয়া আমি এওঁলোকৰ মুখত কি শুনিছিলো। কিন্তু আজি আমি কি দেখিছো। গতিকে আমি এওঁলোকক চিনি পোৱাত ভুল কৰা উচিত নহব।

জোনাৰামৰ মুখত আখৈ ফুটাদি ফুটিব ধৰিলে। "আমি সকলোৰে এক। ইয়াৰ দ্বিতীয় পথ নাই। আমি সমস্বৰে কওঁ এই মাটি আমাৰ।

খং আৰু ক্ষোভ ফাটি পৰিল। এককণ্ঠে ৰাইজে ধ্বনি দিলে— এই মাটি আমাৰ।

লগে লগে লাঠি চাৰ্জ।

জোনাৰামৰ কপাল লাঠিৰ কোবত ঔটেঙাৰ দৰে ফুলি উঠিল।

ক্ষন্তেক পিছতে ভেকোণীয়া গুণ্ডা বাহিনী আহি আটাইবোৰ ঘৰ-দুৱাৰ ভাঙি-চিঙি লুটপাত কৰিলে।

পুলিচৰ হাতৰ পৰা মুক্তি লৈ জোনাৰাম যেতিয়া ঘৰ সোমাই ৰাতি প্ৰায় এঘাৰ বাজিছিল।

ধৈণীয়েকৰ হাতৰ পৰা পুনৰ হেতাখন লৈ সোণটিক মালিচ কৰিবলৈ গৈ জোনাৰামে দেখিলে সোণটিৰ কাণ দুখন হালি পৰিছে। জোনাৰাম শিয়ৰি উঠিল। তৎক্ষণাৎ জোনাৰামে সোণটিক জোকাৰি চালে। কোনো সাৰসুৰ নাই।

"নাকান্দিবি। কান্দিলে পাবি জানো? যোৱাই ভাল হৈছে দে। জন্মৰ দিন ধৰি তাক এটোপা গাখীৰ খুৱাব নোৱাৰিলো; পেট ভৰাই ভাত এসাজ খুৱাব নোৱাৰিলো। থাকিলে তাৰ কষ্টহে হ'ল হয়।" জোনাৰামে ঘৈণীয়েকৰ মূৰত হাত বুলালে। লাহে লাহে জোনাৰামৰ চকুৰেদি গিৰ গিৰ্ কৈ চকুপানী নামি আহি সোণটিৰ মেলখাই থকা মুখখনত পৰিল।

ৰাতিপুৱা পুৰণা গাঁৱৰ পৰা এজন দুজনকৈ আহি জোনাৰামৰ চোতালত গোট খালে। কাৰো মুখত মাত নাই। প্ৰবোধ দিবলৈ কাৰো শক্তিয়ে কুলোৱা নাই।

ৰাইজৰ সন্মুখত সমস্যা হ'ল-শ'টো পুতিব ক'ত? কাৰণ জোনাৰামৰ অকণো নিজা মাটি নাই।

অৱশেষত সিদ্ধান্ত হ'ল দখল কৰা মাটিৰ এডোখৰ জোনাৰামৰ নামত নাম কৰি তাতে পুতিব লাগিব।

শ যাত্ৰীদল যেন এক মৌন শোভাযাত্ৰাত আগবাঢ়িছে। গোমা বতৰৰ বায়ু মণ্ডলত জুমুঠিৰ ধোৱাই যুজাক জেট বিমানে পিচফালে এৰি থৈ যোৱা এডাল নেজ যেন এৰি থৈ গৈছে।

ঢাৰিৰ বান্ধটো খুলি শটো গাতৰ ভিতৰত থবলৈ যো-জা কৰোতেই শতাধিক ডেকা জোনাৰামহঁতৰ আগত ঠিয় দিলে। সিহঁতৰ হাতত লাঠি, দা, ডেগাৰ।

জোনাৰামহঁতে হতভম্ব হৈ সিহঁতলৈ চালে। —"তহঁতক কোনে ইয়াত শ পুতিবলৈ কৈছে?" ডেকাহঁতৰ ৰূঢ় গৰ্জনত জোনাৰামৰ তেজ উতলি উঠিল।

"আমি কাক সুধিব লাগে? এই মাটি আমাৰ।"

"তহঁতে নাজান এই মাটি চাহবাগিছাৰ মালিকৰ?"

"আতৰ কৰ মৰাশ নহলে ····।"

"আতৰ নকৰো।"

"ৰহ তেনেহলে। হেই কি চাই আছ? আহ এইফালে।" সিহঁতৰ দুজনে শটো দলি মাৰি দিলে। জোনাৰাম থিৰেৰে থাকিব

নোৰাৰিলে। ভৰি দুখন থৰ্ থৰ্ কৈ কঁপি উঠিল। হাতলৈ দাখন কেতিয়া আহিল জোনাৰামে গমকে নাপালে। একে চোচাই গৈ দিলে এজনৰ ডিঙিত দুহতীয়া ঘাপ বহুৱাই। মূৰটো চিঙি খান্দি খোৱা গাত-টোত সোমাই পৰিল। মূৰবিহীন গাটো কেইটাম'ন বাগৰ মাৰি প্ৰাণহীন সোণটিক সাৱটি ধৰি তলমূৰাকৈ নিথৰ হৈ পৰি থাকিল।

জোনাৰামৰ ঘৈণীয়েকে আজিও বাট চাই আছে গিৰিয়েক জোনাৰাম কোনোবাদিনা জেলৰপৰা ওলাই আহিব আৰু তাইৰ কপালত চুমা খাই কব "দুখ নকৰিবি বুইছ। আমি আকৌ নতুনকৈ সংসাৰ কৰিম।"

কিন্তু তাই নাজানে যে জোনাৰাম আৰু কোনোদিন উভতি নাহে আৰু নাজানে কোনোবা দিনা দেশৰ আইনে জোনাৰামক ফাচি কাঠত ওলোমাব।

দেশদ্ৰোহী

বাহিৰত ঢাপ্‌কৈ গাড়ীখনৰ দুৱাৰ মৰা শব্দ শুনি মিচেচ চৌধুৰী বাৰান্দালৈ ওলাই আহি দেখিলে গিৰিয়েকে তভাতৈয়াকৈ ঘৰলৈ সোমাই আহিছে। অইনদিনা হলে গাড়ীখন ৰাখি দুই তিনিবাৰ হৰ্ণ দিহে দুৱাৰখন লাহেকৈ মাৰি মিচেচ চৌধুৰী ওচৰত গৈ ঠিয় দিলেহে ঘৰলৈ খোজ লয়। আজিৰ এই অস্বাভাৱিক পৰিস্থিতিত মিচেচ চৌধুৰী কিছু চিন্তিত হৈ পৰিল। কিবা এটা ঘটিছে নিশ্চয়। মিচেচ চৌধুৰী গিৰিয়েকৰ লগে লগে ঘৰলৈ সোমাই গ'ল। প্ৰফেচৰ চৌধুৰীয়ে বজাৰৰ টোপোলাটো ঘৈণীয়েকৰ হাতত গুজি দি আৰামী চকীখনত সমস্ত শৰীৰটো এৰি দি ঘৈণীয়েকক কলে—

"ফেনখন লগাই দিয়াচোন। গৰম লাগিছে।"

"এই মাঘমহীয়া ঠাণ্ডাত গৰম লাগিছে? কি হৈছে আপোনাৰ এনেখন কৰিছে কিয়?"

"আগতে ফেনখন দিয়াচোন। পিচতো কম।" মিচেচ চৌধুৰীয়ে দেখিলে গিৰিয়েকৰ কপালত ঘামৰ কণিকা। তৎক্ষণাৎ ফেনখন লগাই দি মিচেচ চৌধুৰীয়ে গিৰিয়েকৰ তালুত পানী দি হাত ফুৰালে

"ভাল পাইছে?"

প্ৰফেচৰ চৌধুৰীয়ে ঘৈণীয়েকক প্ৰশ্ন কৰিলে—

"বৰ্ণালী আছে নে নাই?"

"নাই। বান্ধৱী এজনীৰ ঘৰলৈ যাওঁ বুলি কৈ গৈছে। বহুদিন ঘৰতে সোমাই আছিল। পৰীক্ষা শেষ হৈছে কাৰণে..।"

"সেইবুলি ৰাতি আঠ বজালৈকে বেলেগৰ ঘৰত থকাটো ভাল হৈছে জানো?

"আপোনাৰ আজি হৈছে কি ? চটফটাই আছে। ডাক্তৰ মাতিম নেকি ?"

"ৰবাহে তুমি পেক্ পেক্ কৰি নাথাকিবা।" মিচেচ চৌধুৰী বৈ গ'ল। গিৰিয়েকৰ এনে অস্বাভাৱিক ব্যৱহাৰ তেওঁ কোনোদিনে পোৱা নাছিল। মানুহজন যেন কিবা এটা সাংঘাতিক সমস্যাৰ সন্মুখীন হৈছে তেনে ভাব হ'ল মিচেচ চৌধুৰীৰ। মানুহজন অস্থিৰ হৈ পৰাত তেওঁ কিংকৰ্ত্তব্যবিমূঢ় হৈ পৰিল।

"ডাক্তৰ মাতিব লাগিব নেকি ?"

মিচেচ চৌধুৰীৰ অনুনয়ৰ প্ৰশ্নত প্ৰফেচৰ চৌধুৰী পুনৰ অতীষ্ঠ হৈ পৰিল।

"নালাগে ডাক্তৰ। ডাক্তৰে মোক ভাল কৰিব নোৱাৰে।"

"তেনেহলে এনেখন কৰিছে কিয় ? মোৰ বৰ ভয় লাগিছে। আজি ইমানদিন একেলগে থাকিলো কোনো দিনাতো এনেকুৱা কৰা নাছিল। আজি ।"

মিচেচ চৌধুৰীয়ে কান্দি দিলে।

প্ৰফেচৰ চৌধুৰীয়ে তেতিয়াহে বুজি পালে যে তেওঁ সচাঁকৈয়ে অস্বাভাৱিক হৈ পৰিছে।

"চাওঁ ইফালে আহা। বাহিৰৰ দুৱাৰখন বন্ধ কৰি থৈ আহা।" চৌধুৰীয়ে ঘৈণীয়েকক আব্দাৰ কৰি কলে। মিচেচ চৌধুৰীয়ে দুৱাৰ বন্ধ কৰি গিৰিয়েকৰ কাষত ৰহিল।

"কোনোবা আহিলে নভবা নিচিন্তাকৈ দুৱাৰ খুলি নিদিবা বুজিছা। দিন কাল বৰ বেয়া হৈছে।"

গিৰিয়েকৰ এনে সাৱধানবানী শুনি মিচেচ চৌধুৰী কিছু অপ্ৰস্তুত হ'ল। কোনো কথা নাই বতৰা নাই হঠাৎ এনে সিদ্ধান্ত কিয়। এনে কি কাৰণ থাকিব পাৰে যে কাৰোবাৰ ভয়ত দুৱাৰ খিৰিকী বন্ধ কৰি সোমাই থাকিব লাগিব।

মিচেচ চৌধুৰীয়ে ক্ষোভেৰে কিছু উচ্চস্বৰে সুধি পেলালে—

"আপোনাৰ কৰ্মকাণ্ডবোৰ বুজা নাই। এনে কি কাৰণ থাকিব পাৰে যে আমি দুৱাৰ খিৰিকী মাৰি ভিতৰত সোমাই থাকিম ?"

"চু-উ প" গিৰিয়েকে ঘৈণীয়েকক তৰ্জনী আঙুলীটো নিজৰ মুখত দি মনে মনে থাকিবলৈ ইংগিত দিলে। মিচেচ চৌধুৰী আচৰিত হ'ল। ভালকৈয়ে তেওঁ হতভম্ব হৈ পৰিল। আজি গিৰিয়েকৰ কি হৈছে। প্ৰফেচৰ চৌধুৰীয়ে ঘৈণীয়েকক গাৰ ওচৰলৈ টানি নি ফুচফুচাই কলে—

"লক্ষীমপুৰ নে নাৰায়ণপুৰত বহু কেইজন প্ৰফেচৰক শাস্তিবিহাৰ কথা শুনা নাই তুমি ? কোনোবা এজনক হেনো ৰাস্তাৰ চকত দিনটোৰ কাৰণে কাণত ধৰি আঠুকঢ়াই থৈ দিছিল। মনত আছে নে নাই ?".

"তাতে কি হ'ল ? উপযুক্ত জনে উপযুক্ত শাস্তি পাইছে।"

"ৰবা। আজি পচিশ বছৰ ধৰি এইখন কলেজত শিক্ষকতা কৰিলো। ছাত্ৰ যদিও যোৱা ছয়বছৰে সিহঁতৰ লগত আন্দোলন কৰিলো। কত কিমান বুদ্ধি পৰামৰ্শ দিলো মোৰ বুদ্ধি আৰু উপদেশমতেই এই অঞ্চলত আন্দোলন পৰিচালনা কৰা হ'ল। এতিয়া সিহঁতেই মোক শাস্তি দিব বিচাৰিছে। মই হেনো…।"

"কি ? আপোনাক ? এইটো আকৌ কেনেধৰণৰ কথা ? হবই নোৱাৰে।"

"তুমি কলেই হব নেকি ? আজি বজাৰলৈ যাওঁতে বন্ধু ঠিকাদাৰ এজনে মোক কলে—চাৰ! কথাটো ভাল নহয়। নিজৰ মানুহ বুলি কৈছো। সিহঁতে হেনো আপোনাক ৰাস্তাত আঠুকঢ়াই পিঠিত লেবেল লগাই…।"

মিচেচ চৌধুৰী কুচিমুচি আহি গিৰিয়েকৰ গাতে গা লগাই বহিলহি। সেপ্ ঢুকি ঢুকি কলে—

"পাচ ছয়বছৰে দেশৰ কাৰণে ইমান ত্যাগ কৰাৰ পিছত এইটোহে পালো। এই ল'ৰা-ছোৱালী বিলাকৰ কি হৈছে ? দেশখন

অইন্নামে গ'ল। কিন্তু আমি কি দোষ কৰিলো?"

"মই হেনো কলেজলৈ সময়মতে নাযাওঁ, মাহত্ত প্ৰায়েই কলেজত অনুপস্থিত থাকো, পৰীক্ষাহলত মই ভালপোৱা ল'ৰা ছোৱালীক প্ৰশ্ন উত্তৰ কৰি দিওঁ, মই হেনো অসৎ উপায়ে অলপ দিনৰ ভিতৰতে বৃহৎ পৰিমানৰ ধন সংগ্ৰহ কৰিছো—এইবিলাক হ'ল সিহঁতৰ অভিযোগ। এই গোট গৰু মথাৰ আছে কি? নাই যে নাই একো নাই। কোনোবা বাপেকহঁতে বুদ্ধি দিছে আৰু সেইমতেই পৰিকল্পনা কৰিছে। কত জনে কত অসৎ উপায়ে ধন ঘটিব লাগিছে তাৰ হিচাপ জানেনে সিহঁতে? সিহঁতৰ টিকনিকে দেখা পাবনে সিহঁতে? আন্দোলনৰ সময়ত মোৰ ঘৰতে দিনৰাতি খালে শুলে। এতিয়া ময়েই সিহঁতৰ শত্ৰু। আজি কালি কাকো বিশ্বাস কৰিব নোৱাৰা।"

প্ৰফেচৰ চৌধুৰীয়ে আবেগতে কথাখিনি কৈ পেলালে। প্ৰফেচৰ চৌধুৰীয়ে দুচকুৰে নামি অহা চকুপানীখিনি হাতৰ তলুৱাৰে মচি ললে। মিচেচ চৌধুৰীবো মাতটো সেমেকি উঠিল।

"কথাটো শুনিছেহে। সঁচা নে মিছা তাৰতো চয় নিচয় পাব লাগিব। যাৰে তাৰে কথা শুনি মিছামিছি অশান্তি কৰিব নালাগে। যি হয় হব।"

মিচেচ চৌধুৰীয়ে গিৰিয়েকক সান্ত্বনা দিলে যদিও ভিতৰি ভিতৰি তেওঁ। অশান্ত হৈ পৰিল। তাৰমানে ইমানদিনে তেওঁ-লোকে সৎ বস্তুৰ লগত হলি গলি কৰা নাছিল।

"ৰব কফি একাপ আনো!" এইবুলি মিচেচ চৌধুৰী উঠিব খোজোতেই বাউসীত খাপ মাৰি ধৰিলে প্ৰফেচৰ চৌধুৰীয়ে।

"নালাগে কফি। তুমি মোৰ লগত থাকা! কেৱল কাকো দুৱাৰ খুলি নিদিবা। কোনোবাই বিচাৰিলেই মই নাই বুলি কৰা।

মিচেচ চৌধুৰীয়ে বুজিলে গিৰিয়েক অপমানৰ ভৰত ভাঙি পৰিছে। সেয়ে তেওঁৰ সান্নিধ্যৰ প্ৰয়োজন বোধ কৰিছে গিৰি-য়েকে। মিচেচ চৌধুৰীয়ে গিৰিয়েকৰ কাষত বহি বৰ্ণালীৰ বিয়া

সম্পৰ্কীয় কথা উলিয়াৰ খোজোতেই হঠাতে কলিং বেলটো বাজি উঠিল।

প্ৰফেচৰ চৌধুৰী চক্‌খাই উঠিল আৰু লগে লগেই দৌৰি গৈ লংপেণ্ট জোতাসহ বিচনাত উঠি মূৰে গায়ে লেপখন জাপি ললে। বেলটো পুনৰ বাজিল। তিনিবাৰ চাৰিবাৰ। মিচেচ চৌধুৰীয়ে খিৰিকিৰ পৰ্দাৰ ফাকেদি জুমি চালে। দেখিলে প্ৰফেচৰ গোস্বামী বাৰান্দাত থিয় দি আছে।

একেবাৰে নিম্নস্বৰত সুধিলে চৌধুৰীয়ে—"কোন ?"

"প্ৰফেচৰ গোস্বামী"

ধহ্‌মহ্‌কৈ উঠি আহিল প্ৰফেচৰ চৌধুৰী। দুৱাৰখন খুলি দি বলে—"আহক গোস্বামী। মই আকৌ বাথৰুমলৈ গৈছিলো। এৰা বান্ধনি ঘৰত কিবা এটা কৰি আছিল ?' কিবা কামত আহিল ?" এইবুলি চৌধুৰীয়ে দুৱাৰখন পুনৰ বন্ধ কৰি পৰীক্ষা কৰি চালে ভালকৈ বন্ধ হৈছে নে নাই।

"হেৰি নহয় চৌধুৰী ? এবাৰ প্ৰফেচৰ শৰ্মাৰ খবৰ লব লাগিছিল। সেয়ে আহিলো। বাটতে আপোনাক পাম যেতিয়া একেলগে যাওঁ। যোৱা কালি বোলে ওখ ঠাইৰ পৰা পৰি আঠুৰ খিলাটো ভাঙিছে। মানুহজনৰ বিপদে নুশুছে। যাবনেকি এবাৰ ?"

ক্ষন্তেক আগলৈকে লেতুসেতু হৈ থকা দুৰ্বল মানুহজনে যেন হঠাৎ পুৰুষত্ব পালে। উত্তেজিত হৈ কলে চৌধুৰীয়ে—

"সেইভালৰ ওচৰলৈ ? মই ? আমাৰ বাবে বাট ৰাখিছে জানো তেওঁ ? তেওঁৰ কাৰণেই আমি আজি মুখ উলিয়াব নোৱাৰা হৈছো। ইমান দিনে দেশদ্ৰোহিতা কৰি কৰি শেষত নিজৰ ছোৱালীজনীকো নীচ জাতিৰ লগত বিয়া দিলে। নিয়ম নীতিৰ কথা বাদেই। কি ৰাখিলে আমাৰ বাবে ? কি ৰাখিলে ব্ৰাহ্মণ সমাজৰ বাবে ? শাস্ত্ৰত আছে —

স জাতঃ যেন জাতেন যাতি বংশঃ সমুন্নতিম্।

"যিয়েই নহওঁক। তেওঁতো আমাৰ সহকৰ্মী। অন্ততঃ মানুহৰ বিপদত এবাৰ দেখা দিয়াটো ভাল।"

"ক্ষমা কৰিব গোস্বামী। মই নাযাওঁ। আপুনি যাওঁক।"

চৌধুৰীৰ কথাত প্ৰফেচৰ গোস্বামী কিছু ক্ষুন্ন হ'ল। এতিয়াও এনেধৰণৰ উগ্ৰ বীজ থকাটো উচিত নহয়। মানুহে শুনিলে কি বুলিব ? চৌধুৰীৰ এনে একাচেকা কথাত গোস্বামী মৌন হৈ নাথাকিল। হব পাৰে চৌধুৰী শাসকদলৰ এজন ডাঙৰ নেতা। গোস্বামীও ইচ্ছা কৰা হ'লে এজন ভাল নেতাই হব পাৰিলেহেঁতেন। কিন্তু চৌধুৰীহঁতৰ দৰে মানুহবোৰৰ মানসিকতাৰে নেতা হবলৈ যোৱাটো গোস্বামীৰ বাবে বৰ অস্বস্তিকৰ। ইতিমধ্যে চৌধুৰীৰ যি কাৰ্যকলাপ মানুহৰ দৃষ্টিত ধৰা পৰিছে সেইটো গোস্বামীৰ বাবে লজ্জাকৰ আৰু অসহনীয়।

গোস্বামীয়ে কলে— "পৰিস্থিতি কিন্তু একে থকা নাই চৌধুৰী। মানুহৰ চকু মেল খাইছে এই কেইদিনতে। মানুহে আৰু কিমান চকু মুদি থাকিব ? প্ৰফেচৰ শৰ্মাৰ গাত কি দোষ দেখিলে আপুনি ? তেওঁ যি বিশ্বাস কৰে জীৱন গলেও তাতে লাগি থাকে—সেইটোহে দোষ তেওঁৰ। তেওঁৰ কথা আৰু কামৰ মাজত কোনোবাদিনা ফাঁক পাইছে নে ? তেতিয়া ল'ৰাবোৰে ছিগাৰেটৰ ধোঁৱা তেওঁৰ মুখলৈ মাৰি পঠিয়াইছিল। কিন্তু এতিয়া ? এতিয়া প্ৰত্যেকজন ল'ৰা, প্ৰত্যেকজনী ছোৱালীয়ে শৰ্মাক যি শ্ৰদ্ধা দেখুৱায় সেই শ্ৰদ্ধা আপুনি পায়নে মই পাওঁনে ? চাব কেই-দিনমান পিছত উত্তৰ পুৰুষে আমাক বিশ্বাসঘাটক দেশদ্ৰোহী হিচাপে চিহ্নিত কৰিব।"

দেশদ্ৰোহী শব্দটো শুনি চৌধুৰী চক্‌খাই উঠিল। মুখখন শেতা হৈ পৰিল। সেপ্‌ ঢুকি ঢুকি কলে—

"আপুনিও তেনেকৈ কয় নে ? মই দেশদ্ৰোহী ?"

"মই নকওঁ চৌধুৰী। কিন্তু ল'ৰা ছোৱালীবোৰে কোৱা

আৰম্ভ কৰিছে ; নহলে প্ৰফেচৰক তৰকাৰী বজাৰত ৰাক দিবলৈ বাধ্য কৰায় নে ?" প্ৰফেচৰ গোস্বামীয়ে একৰকম আক্ৰমণ কৰিয়েই কথাখিনি কৈ পেলালে। ইতিমধ্যে প্ৰফেচৰ চৌধুৰী জৰঘামে ঘামি গৈছে। চৌধুৰী অতীষ্ঠ হৈ পৰিল আৰু মনৰ কথা গোপনে ৰাখিব নোৱাৰি গোস্বামীক সুধি পেলালে—

"হেৰি নহয় গোস্বামী। সিহঁতে সচাঁকৈয়ে আমাক শাস্তি দিব নেকি ?"

"সেইটো মই কেনেকৈ কম। এইবাৰ বা তেওঁলোক কাৰ ট্ৰেপত পৰিছে। কোনে জানে ? আজি দহ এঘাৰ বছৰে আমি অকালপক্ক কুষ্মাণ্ড মূৰত লৈ নৃত্য কৰিলো। এতিয়া আকৌ নতুন কুষ্মাণ্ড লালন পালন কৰা আৰম্ভ কৰিছো। ই বা সময়মতে পকে নে আগতে পকে তাক কোনে জানে ? আমি ইমানেই স্বাৰ্থপৰ যে এতিয়া সকলো সংঘাত-সমস্যা এৰাই চলিবলৈ শিকিছো।"

গোস্বামীৰ কোনো কথাই চৌধুৰীৰ কাণত নোসোমাল। তেওঁক কেৱল এটা চিন্তাই খুলি খুলি খাইছে। তেওঁ গোস্বামীক সুধিলে –

"সিহঁতক বুজাব নোৱাৰিনে গোস্বামী যে আমি দেশদ্ৰোহী নহওঁ।"

"বন্দুকৰ গুলী বুকু পাতি ললেহে হব।"

প্ৰফেচৰ চৌধুৰীৰ মুখৰ মাত হেৰাল। তেওঁ চকিখনত জঠৰ হৈ ৰহি থাকিল। ওঠ কেইটা ক'লা পৰি এনে ৰং ললে যেন চৌধুৰী ফেটীসাপৰ বিষহে পাণ কৰিছে।

গোস্বামী ওলাই যোৱাৰ পিছত প্ৰফেচৰ চৌধুৰী পুনৰ চিন্তাত পৰিল। এক নিশ্চিত বিপদৰ পৰা হাত সৰাৰ উপায় উদ্ভাৱনত তেওঁৰ মগজু ব্যস্ত। কি কৰা যায় এতিয়া ? মানুহবিলাকে ইমান সোনকালে পাহৰিলে নে ? ৰাতিটো গলেই হয় মৃত্যু নহয় দিনটো ধৰি আঠুকাঢ়ি থকা। আঠুকাঢ়ি থকাতকৈ মৃত্যুৱে ভাল। কিন্তু ইমান সোনকালে ? অন্ততঃ বৰ্ণালীক ভাল ল'ৰা

এজনৰ লগত দিয়া দিব পাৰিলেও। তেওঁৰ মনত বিগত দিনবোৰৰ ছবিবোৰ এটা এটাকৈ ভাহি উঠিল। কিমান কৰিলে আৰু কিহৰ বাবে এনে অসাধ্য সাধন কৰিব পাৰিছিল। উত্তাল জনসমুদ্ৰৰ মাজত চৌধুৰীহঁতে জয়োল্লাসত হেৰাই গৈছিল। যতে হাত দিছিল ততেই চৌধুৰীহঁতে কোনো বিঘিনি নোহোকৈ জয়লাভ কৰিছিল। মানুহক মাত্ৰ এটা আঙুলিৰে ইংগিত দিব লাগে। লগে লগে কাম শেষ। গাঁওৰ পিচত গাওঁ পুৰি ছাৰখাৰ কৰি দিছিল চৌধুৰীহঁতে কেৱল গণশক্তিৰ ওপৰত ভিত্তি কৰি। এফালৰ পৰা আলেকজেণ্ডাৰে দেশ বিজয় কৰাৰ দৰে বিজয় কৰি গৈছিল; ক'তো থমকি ৰব লগা হোৱা ন'ছিল। কিযে মধুৰ দিন আছিল সেইবোৰ। চৌধুৰীৰ চিন্তাত হঠাৎ যতি পৰিল। এঠাইত কিন্তু চৌধুৰী ভালকৈয়ে হাৰি গৈছিল। সেই পৰাজয় চৌধুৰীৰ বাবে এতিয়াও বৰ তিক্ত। এতিয়াও তেওঁ হজম কৰিব পৰা নাই। ইয়াৰ মানুহবিলাকে কিয় আগবাঢ়ি অহা নাছিল তাৰ ৰহস্য চৌধুৰীয়ে আজিও উদ্ঘাটন কৰি উলিয়াব পৰা নাই। সেই পৰাজয়ৰ গ্লানিয়ে চৌধুৰীক এতিয়াও উত্তেজিত কৰি তোলে। মাত্ৰ এজন দেশদ্ৰোহী বদন। চহৰখনৰ চুকটোতে অকল কেইটামান প্ৰাণীৰে সৈতে থাকে। এফালে এটা পুখুৰী আনফালে জংগল। আশেপাশে মানুহৰ ঘৰ বুলিবলৈ নাই। ইমান সহজ কামটোকে মানুহবিলাকে কিয় নকৰিলে চৌধুৰীয়ে আজিও নাজানিলে। এই গ্লানি তেওঁৰ বাবে বৰ অস্বস্তিকৰ। তেওঁ পৰিকল্পনা কৰোতে তো কোনো ভুল কৰা নাছিল। তেন্তে কিয় হাৰি গ'ল তেওঁ? শেষত তেওঁ অন্য এপাত অস্ত্ৰ ব্যৱহাৰ কৰি সাফল্য লাভ কৰিছিল।

বোধহয় তিৰাশী নে চৌৰাশী চনৰ কোনোবা এটা দিন। ঘৈণীয়েক আৰু ছোৱালী কেইজনীয়ে বাৰে বাৰে বাৰণ কৰা সত্ত্বেও প্ৰফেচৰ শৰ্মাই কলেজলৈ গ'ল। পৰিস্থিতি বৰ বেয়া বুলি জানিও তেওঁ ভয় বা শংকা নকৰিলে। নৈতিক সাহসে হৈছে তেওঁৰ এক-

মাত্ৰ সম্বল। হাতত পাঠ্যপুথি এখন। খদ্দৰৰ ধুতি আৰু চাৰ্টটো সুন্দৰভাৱে ইস্ত্ৰি লগোৱা। কাণত আছে শব্দশুনা যন্ত্ৰটো।

কলেজ কম্পাউণ্ডত প্ৰবেশ কৰাৰ লগে লগেই প্ৰফেচৰ শৰ্মাক আগুৰি ধৰিলে দেশপ্ৰেমত মতলীয়া ল'ৰা ছোৱালীজাকে। প্ৰফেচৰ শৰ্মা বিমোৰত পৰিল যদিও আচৰিত নহ'ল কাৰণ তেওঁ এনে ঘটনাৰ বাবে সদায়েই সাজু থাকে। প্ৰফেচৰ শৰ্মাই আটাইবোৰ ল'ৰা-ছোৱালীৰ মুখকেইখনলৈ চালে। আটাইবোৰ চিনাকী মুখ। প্ৰায়-বিলাক তেওঁৰ ছাত্ৰ। কিছু সময় কাৰো মাত বোল নাই। এটা গমগমীয়া পৰিবেশ। প্ৰফেচৰ শৰ্মাই সুধি পেলালে—

"কোৱা। তোমালোকৰ কিবা কৰলগীয়া আছে ?" কোনোবা এজনে শাসনৰ সুৰত ক'লে—

"আমি জানিব বিচাৰিছো—অসমৰ সমগ্ৰ জনতা আমাৰ লগত আছে অথচ আপুনি নাহে কিয় ? আপোনালোকৰ দৰে বিদেশীৰ দালালবোৰে অসমীয়া মানুহক অপমান কৰিছে। আপুনি আমাৰ লগত আহিব নে নাহে তাৰ উত্তৰ লাগে।"

প্ৰফেচৰ শৰ্মাই ধীৰে ধীৰে এটা আত্ম বিশ্বাস লৈ কলে—

"মই যি বিশ্বাস কৰো তাক মই হাড়ে হিমজুৰে বিশ্বাস কৰো। তোমালোকক ভুল বাটে পৰিচালিত কৰা হৈছে। এদিন তোমালোকে তোমালোকৰ ভুল বুজিবা।"

কোনোবা এজনে গদ্‌গদ্ কণ্ঠেৰে নিৰ্দেশ দিলে—

"কি চাই আছ তহঁতে ?

হঠাতে জয়ধ্বনি সমস্বৰে উচ্চাৰিত হ'ল।

"জয় আই অসম।" যেন কালী গোসানীৰ আগত বলিৰ পঠা লৈ হৰিবোল দিছে মানুহ বিলাকে।

পিচফালৰ পৰা কোনোবা এজনে দুই হাতেৰে প্ৰফেচৰ শৰ্মাক বাঘ ঢকা মাৰিলে। তেওঁ চিটিকি পৰিল। তেওঁ তৎক্ষণাত কিতাপখন বুটলি ললে। লগে লগে কোনোবা এজনে দিলে ঘোচা লগাই। তাৰ

পিচত মুখ আৰু কাণৰ তলত অনৰ্গল ঘোচাৰ বৰ্ষণ হ'ল। মুখেৰে হো হোৱাই তেজ ওলাবলৈ ধৰিলে। প্ৰফেচৰ শৰ্মাই হাতৰ পৰা কিন্তু পাঠ্যপুথিখন এৰি নিদিলে। কাৰণ তেওঁ জানে এইখনেই তেওঁৰ সম্বল; এইখনেই তেওঁৰ জীৱন। শেষত প্ৰফেচৰ শৰ্মা অজ্ঞান হৈ পৰিল।

পৰিবেশটো হঠাৎ নিস্তব্ধ হৈ পৰিল। ক্ষন্তেকতে জনপ্ৰাণী-হীন হৈ পৰিল ঠাইডোখৰ।

তেতিয়া আবেলিৰ সূৰ্যই প্ৰফেচৰ শৰ্মাৰ তেজেৰে ৰাঙলী মুখমণ্ডল সুউচ্চ গছৰ ফঁাকেদি জুমি চাইছে।

তেতিয়া প্ৰফেচৰ চৌধুৰী নিজৰ ঘৰৰ মজিয়াত কিবা এটা ভাবি পাইচাৰি কৰি আছে। দুজন ল'ৰা সোমাই গৈ প্ৰফেচৰ চৌধুৰীক কলে— "চাৰ! কামটো কৰিলো।"

"বেচ। অতি সুন্দৰ। অসমী আইৰ সুযোগ্য সন্তান তোমালোক। মুখ হাত ধুই কাপোৰ কানি সলাই লোৱা। এতিয়া বাহিৰলৈ নোলাবা বুজিছা। চি আৰ পি পিয়াপি দি ঘুৰি আছে।" এইবুলি প্ৰফেচৰ চৌধুৰীয়ে ঘৈণীয়েকক মাতিলে—"হেৰা! এওঁলোকক কিবা খাবলৈ দিয়া। মই এতিয়াই কলেজৰ পৰা আহিছো। আৰু শুনা। এওঁ-লোকৰ যতন লওঁতে ৰাতে বৰ্ণালীয়ে অলপো কাৰ্পণ্য নকৰে।"

হঠাৎ প্ৰফেচৰ চৌধুৰীয়ে ঘৈণীয়েকৰ সান্নিধ্য অনুভৱ কৰিলে। তেওঁৰ কৃতকৰ্মৰ মূল্যায়ন কৰি চৌধুৰীয়ে বুজিলে যে এইবোৰ কুটুকাৰ ফেন। নহলে আজি এই অৱস্থা হয়নে?

"হেৰা ক'ত আছা? কৈছো নহয় তুমি মোৰ ওচৰৰ পৰা নাযাবা।"

"ইমান অশান্ত হৈ পৰিছে আপুনি? ক'ৰবাত কিবা এটা শুনিব তাকে লৈ জুলুম কৰিব। এই বদ্ অভ্যাসটো নগ'ল আপো-নাৰ। যি হয় হব।"

"হেৰা বিশ্বাসী মানুহৰ পৰা শুনিছো কাৰণেহে কৈছো। সিহঁতে

হেনো কা'লিয়েই ঘটনাটো কৰিব। আজি ৰাতিয়েই মোক জনাই দিব হেনো। সিহঁতে আৰু কি অভিযোগ দিছে জানা? তুমি মোক ইমান দিন লগ পাইছা। দেখিছানে ক'ৰবাত মোক? পাইছানে মোৰ কিবা গোলমাল?"

"মনে মনে থাকক। আপোনাৰ কথা মই বুজা নাই।"

"বুজা নাই? মই হেনো কলেজৰ ছোৱালীৰ পিচে পিচে ঘূৰো। দেখিছানে এই গৰুমখাৰ বিচাৰ।"

হঠাতে মিচেচ চৌধুৰীৰ মুখখন ক'লা পৰি উঠিল। তেওঁ নিজে দেখা নাই যদিও অহুকাণে-পহুকাণে কথাবোৰ শুনিছে। তেওঁ অৱশ্যে বিশ্বাস কৰা নাছিল। তেন্তে কথাবোৰ সঁচা। সেইবুলি এই কাৰণতেই এনে অপমান কৰাৰ পৰিকল্পনা জানো ভাল হৈছে। গিৰিয়েকৰ অৱস্থাৰ প্ৰতি লক্ষ্য ৰাখিয়েই মিচেচ চৌধুৰীয়ে কলে—

"এবাৰ কাৰোবাৰ উপদেশ লোৱা উচিত আছিল।"

"হেৰা! কাৰ ওচৰত যাবা। কোন আছে এনে বিপদত সহায় কৰিবলৈ। নোযোৱাকৈ থকা বুলি ভাবিছা নেকি? প্ৰত্যেকে গা এৰা দিছে। দলৰ আঞ্চলিক অফিচতো গৈছিলো। কি কৈছে জানা—আপোনাক খুব বেচি উপাযুক্তক কৈ এজন বডিগাৰ্ড দিয়াব পাৰিম। চাওঁক লাগে যদি আমি ব্যৱস্থা কৰিব পাৰো। কিন্তু মনত ৰাখিব এই ব্যৱস্থা সাময়িক আৰু আনহাতে এজন বডিগাৰ্ডে আপোনাক যে বচাব পাৰিব তাত আমাৰ সন্দেহ আছে। তদুপৰি তাৰ পিচৰ পৰিস্থিতিও বিচাৰ্যৰ বিষয়। সকলোকে চিনি পাইছো সকলো নিমখ হাৰাম। আন্দোলনৰ সময়ত কি চাবা। চৌধুৰীহে চৌধুৰী। চৌধুৰী নহলে এই অঞ্চলত আন্দোলনে এনে ঠন ধৰি নুঠিলহেতেন। কিন্তু এতিয়া।"

মিচেচ চৌধুৰীয়ে কিছু দোধোৰ মোধোৰ কৰি গিৰিয়েকক কলে "এবাৰ প্ৰফেচৰ শৰ্মাৰ ওচৰলৈ গলে হয়তো কিবা ভাল দিহা পৰামৰ্শ ......।"

'তুমিও তাকে কোৱা। সেইটোৰ ওচৰত? মই? পাগল বুলি ভাবিছা নেকি মোক?"

এনেতে কলিং বেলটো বাজি উঠিল। প্রফেচৰ চৌধুৰীয়ে তৎক্ষণাত মূৰে-গায়ে লেপখন জাপি ললে। আকৌ এবাৰ বাজি উঠিল। তিনিবাৰ, চাৰিবাৰ · · · ·।

"মা, অ মা। দুৱাৰখন খোলা।"

বৰ্ণালীৰ মাত শুনি তৎক্ষণাত দুৱাৰ খুলি মিচেচ চৌধুৰীয়ে দেখিলে গিৰিয়েকো ওচৰতে থিয় দি আছে। বৰ্ণালীৰ কাষৰ পৰা আঁতৰি যোৱা ল'ৰাজনক দেখি প্রফেচৰ চৌধুৰীয়ে মাত লগালে—

"হেৰা। চাওঁ। শুনাচোন।"

ইতিমধ্যে বৰ্ণালী আৰু মিচেচ চৌধুৰী ঘৰ সোমাল। ল'ৰাজন গেটৰ বাহিৰত নিস্তব্ধ হৈ ঠিয় দিলে। প্রফেচৰ চৌধুৰী আগুৱাই গ'ল। গেটখন খুলি ক'লে—

"অ নিৰঞ্জন। মই আকৌ কোনোবা বেলেগ বুলিহে ভাবিছিলো। তুমি এনেকৈ গুচি যাব খুজিছা কিয়? চাহ একাপ খাই যোৱা।"

"পিচত এদিন আহিম চাৰ। ৰাতি হৈছে।"

"হেৰি নহয় নিৰঞ্জন! মই এটা বিপদত পৰিছো। তোমা-লোক ল'ৰা মানুহ। ইচ্ছা কৰিলে মোক বচাব পাৰা। কাৰণ তোমালোকৰ যোগাযোগ থকা বুলি শুনিছো।"

"কি বিপদৰ কথা কৈছে চাৰ?"

"কথাটো হ'ল · · ·।" এইবুলি প্রফেচৰ চৌধুৰীয়ে কাণে কাণে নিৰঞ্জনক কথাটো ক'লে, আৰু ক'লে—

"তুমি বৰ্ণালীৰ মুখৰফালে চাই মোক এইকণ সহায় কৰা নিৰঞ্জন।"

"ক্ষমা কৰিব চাৰ। আমাৰ তেওঁলোকৰ লগত কোনো যোগা-যোগ নাই। দুই এজনক চিনি পাওঁ যদিও এনে কথা তেওঁলোকক কব নোৱাৰি। তদুপৰি চাৰ আমি বন্দুকত বৰ্ত্তমান বিশ্বাসী নহয়।"

প্ৰফেচৰ চৌধুৰীৰ খণ্ডটো টিপিচ্‌কৈ উঠি আহিল ।

"হেৰা ! এই ৰাতিখন বেলেগৰ ছোৱালীৰ লগত ঘূৰি ফুৰিব পাৰা এইবেৰা কাম কৰি দিব নোৱাৰা ? তোমালোক কাপুৰুষ । এনেদৰে দেশ ৰক্ষা কৰিবা তোমালোকে ? তোমালোক এই চৰিত্ৰৰে ?"

"ক্ষমা কৰিব চাৰ । বৰ্ণালীহে মোক লগ ধৰিছিল চেণ্ডিয়া চাৰৰ ঘৰলৈ যাবলৈ ।"

"আও বৰ সাহস দেখোন তোমাৰ । হেৰা আন্দোলনৰ সময়ত ৰাহুৰ জোপোহাৰ মাজত ধৰি ৰাখি সেইডালক ল'ৰামথাই পালে মুখে থুওৱা নাছিল ? জানা নে নাজানা ? সাৱধান কৰি দিছো ভৱিষ্যতে যদি তুমি মোৰ ছোৱালীক সেইডালৰ ওচৰলৈ নিয়া তেন্তে কথা বেয়া হব কিন্তু ।"

"হয় চাৰ । চেণ্ডিয়া চাৰক খুব ভালকৈ জানো । আৰু জানো কাৰণেই গৈছো ।" এই বুলি নিৰঞ্জন গোঁ গোঁৱাই ওলাই গ'ল ।

"তাৰমানে তুমিও পিকলীয়া হ'লা ।" চৌধুৰীয়ে এক ৰকম চিঞৰিয়ে কলে ।

প্ৰফেচৰ চৌধুৰীৰ হঠাৎ অনুভৱ হ'ল তেওঁ যেন সঁচাকৈয়ে অকলশৰীয়া হৈ পৰিছে । মানুহবিলাকে তেওঁক এৰি গৈ ক'ৰবাত যেন থুপ খাই তেওঁকে নিৰীক্ষণ কৰিব লাগিছে ।

মাৰমুহীয়া ঠাইত বহু সময় নিঠৰ হৈ থাকি কেৱল হাত-দীঘল কামিজটো আৰু চপলযোৰৰে তেওঁ পোনে পোনে প্ৰফেচৰ [illegible] ঘৰলৈ বেগাবেগিকৈ খোজ দিলে ।

পাওকটি

ঘটনাটো বনজুইৰ দৰে বিয়পি পৰিল। গাঁৱৰ মানুহ আহি ইচলামৰ চোতাল ভৰি পৰিল।

ৰাতি তেতিয়া আঠমান বাজিছে। এনে সময়ত এনে এটা ঘটনা হব বুলি ভাবিবই নোৱাৰি। এনে দুঃসাহস এই অঞ্চলত এইটোৱে প্ৰথম। মানুহবিলাকে কোৱা মেলা কৰিলে।

ইচলাম সেইখন গাঁৱৰ পৰা আহি এঘণ্টামান আগতে ঘৰ সোমাইছে। উমৈহতীয়া খেতি পথাৰখনৰ সমস্ত দায়িত্ব তাৰ ওপ-ৰত অৰ্পিত বাবে সি ঘূৰামেলা বেচি কৰিব লাগে। সেয়ে ঘৰ সোমাওঁতে প্ৰায়েই ৰাতি হয়।

নামঘৰ, মছজিদ আৰু ইচলামৰ ঘৰসহ প্ৰায় এশ বিঘামান মাটি গাঁও দুখনৰ মাজৰ চৰকাৰী মাটি। আজি তিনিবছৰ ধৰি দুয়োখন গাঁৱৰ প্ৰায় এশ ঘৰমান মানুহে হাবি জংগল কাটি সমবায় ভিত্তিত ৰবিশস্য কৰি আহিছে। আলু আৰু মাহ এই দুটা খেতিয়েই খুব ভাল হয়।

এইবাৰো ইচলামহঁতে মাটিখিনি দুই ভিনিবাৰ চহালে। এই-বাৰ তেওঁলোকে কেৱল আলু লগাবলৈ সিদ্ধান্ত লৈছে।

আজি কেইদিনমান আগতে ইচলামহঁতে নামঘৰ আৰু মছজিদৰ মাজৰ খোলা ঠাইখিনিত বহি খেতি সম্পৰ্কে আলোচনা কৰি আছিল।

এনেতে এইখন গাঁৱৰ জয়কান্ত মহাজন আৰু সিখন গাঁৱৰ দিল-দাৰ হুচেইন আহি তেওঁলোকৰ মাজত উপস্থিত হ'ল। মানুহে কয় জয়কান্ত মহাজনৰ হেনো এতিয়াও এক পেৰা মহাৰাণীৰ টকা আছে।

অৱশ্যে মানুহে নিজ চকুৰে দেখা নাই। দিলদাৰ হুচেইন সেইখন গাঁৱৰ আটাইতকৈ ধনী মাতব্বৰ। দুয়োজন আকৌ নলে গলে লগা বন্ধু। আগতে গাত খুন্দা-খুন্দি লাগিলেও দুয়োৰো মাজত মাত-বোল নাছিল। যেতিয়া দুয়োৰো অৱস্থা অতি দ্রুত গতিত বাঢ়ি আহিল তেতিয়া দুয়োজনৰ মাজত বন্ধুত্বও কটকটীয়া হৈ আহিল। কোনোবাই যদি জয়কান্তক কৰবাত দেখিছে তেন্তে তেওঁ ধৰি লব পাৰে তাৰে ওচৰে পাজৰে দিলদাৰ হুচেইনো আছে। দুয়োজনে লগ লাগি এটা ডাঙৰ ইটাৰ ভটা আজি কেইদিনমানৰ পৰা আৰম্ভ কৰিম বুলি মনস্থ কৰি মাটিৰ সন্ধানত দুয়োজনে ঘুৰি ফুৰিছে।

তেনেহেন মানুহ দুজন তেওঁলোকৰ মাজলৈ অহাত বাইজে আথে-বেথে তেওঁলোকক আগবঢ়াই নিলে। দুয়োজনে নিজৰ নিজৰ গাড়ীৰপৰা নামি গৈ কলে—

"তইঁতক লগ পাবলৈ আমি আহিছো। আজিৰ পৰা তইঁতে এই মাটিত খেতি নকৰিবি। এই মাটি আমাৰ নামলৈ আহিছে। এই গছডালৰ পোনে পোনে পশ্চিমলৈ মোৰ আৰু পূবপিনে দিলদাৰৰ।"--জয়কান্তই কোনো ভূমিকা নোহোৱাকৈ ক'লে।

"আপোনালোকৰ ?" আটাইকেইজনে প্রায় চিঞৰি উঠিল।

'অ' আমাৰ।' দিলদাৰে তাৰ গুৰু গম্ভীৰ মাতটোৰে ধমক দিয়া সুৰত কৈ নিজৰ চুটিকৈ ৰখা দাড়ি কোচাত হাত বুলালে।

"কিন্তু আমি জানো এই মাটি চৰকাৰী।"

"চৰকাৰী আছিল কিন্তু এতিয়া আমাৰ।"

"আপোনালোকে কোনো দিনে এইমাটি দখল কৰা নাই, খেতি কৰা নাই। কেনেকৈ চৰকাৰী মাটি আপোনালোকৰ হ'ল বুজি নাপাওঁ।"—প্রভাতে একৰকম উত্তেজিত স্বৰে কৈ পেলালে।

"সেইবোৰ পিচতো বুজিবি। মাটিত হাল লগালে কথা বেয়া হব। কৈ দিলো।" এইবুলি দুয়োজনে নিজৰ নিজৰ গাড়ীত উঠি দিলদাৰৰ ঘৰলৈ ৰাওনা দিলে।

মাইজৰ মাজত চিন্তা ভাবনা আৰম্ভ হ'ল। মাটি কেনেকৈ তেওঁলোকৰ হ'ল? হবই নোৱাৰে। প্ৰভাত ইচলামইঁতে একমতত উপনীত হ'ল যে এইমাটি কাকো এৰি দিয়া নহ'ব।

শেষত গৈ কথাটো গুৰুতৰ ৰূপ ধাৰণ কৰিলে।

সেয়ে এইকেইদিন দিন নাই ৰাতি নাই প্ৰভাত ইচলামইঁতে মানুহবিলাকক একগোট কৰি খেতি লগাবলৈ উঠি পৰি লাগিছে।

তেতিয়া দিনৰ দহ বাজিছে। মানুহবিলাকে পথাৰত নাঙল গৰু থিয় কৰাই থৈ জিৰণি লৈছে। নিজৰ নিজৰ ভোকা পিঠা, চিৰা, বোকা চাউল (কোমল চাউল) আদি খাই থাকোতে আকবৰে মন কৰিলে মাখনে একো খোৱা নাই। আকবৰে মাখনক সুধিলে—

'অ মাখন তই একো অনা নাই নেকি?"

'হব দে। ঘৰত গৈ খাম।' মাখনে উত্তৰ দিলে।

'চালা আজিও ঘৈণীয়েৰৰ লগত কাজিয়া কৰি আহিছ। এই-ফালে আহ।'

মাখনে আকবৰৰ ওচৰ চাপি আহি কলে—

'এই বামুণটোৱে বৰ জুলুম কৰিছে অ'। সিহঁতৰ তাত কাম কৰিবলৈ যাওঁতে তাইক সিহঁতে কিবা কিবি ফুচুলায়। কোনোবাদিনা তাক ঠেং ভগা কোব লগাম। তাতে কথাসোপা শুনি আহি মোক যে কিমান গালি নাপাৰে। তাই কি কয় জান?"

'মোৰ জানিবলৈ বাকী আছে নেকি? আমাৰ লগত লেটি-পেটি কৰ-কাৰণে তোৰ ঘৈণীয়েৰে তোক বেয়া পায় নহয় জানো?'

'নহয় অ'। কথা সেইটো নহয়। তইঁতৰ লগত একেলগে খোৱা মেলা কৰিলে হেনো তাইক সিহঁতৰ তাত কাম কৰিবলৈ নিদিয়ে। তাই কাম নকৰিলে দিনটোত যি এপোৱা আধাকেজি চাউল পাওঁ তাকো মুদা মৰিব। সেয়ে তাই মোক খোৱা বস্তু নিদিয়া হৈছে যাতে তইঁতৰ লগত খাবলগীয়া নহয়।'

'দেখিছ তোৰ ঘৈণীয়েৰক কিমান বুদ্ধি। ইফালে পথাৰক ইনকামো লাগে সিফালে যদুনাথ শৰ্মাৰ চাউশখিনিও লাগে।'

'তাই থকা কাৰণেতো বাচি আছো। তাই মোক দেখাতহে খোৱা বস্তু দিয়া নাই। কিন্তু তাই নিজে চট্‌ফটাই আছে। গ'লেই মোক কি কব জান—'মাজতে এপাক আহি গ'লে কি হয়? খালি পেটে থাকি নিজেও মৰিব আমাকো মাৰিব।'

"তোৰ ঘৈণীয়েৰে তোক খাবলৈ নিদি মৰম কৰে, মোৰ ঘৈণীয়ে আকৌ লগাতকৈ বেচিকৈ দি মৰম কৰে। দেখিছি হবেক কিচিমৰ মাইকী আছে। এটা কথা তোৰ ঘৈণীয়েৰক সুধিবিচোন।'

"কি কথা।"

'যদুনাথ শৰ্মাই স্কুলৰ পৰা যাওঁতে মোহনচনৰ বেকাৰীৰ পৰা মুছলমানে বনোৱা পাওৰুটি কিয় লৈ যায়? এই কথাটো সুধিবিচোন।'

'ধেৎ তই মিছা কথা কৈছ। মই এদিনো দেখা নাই।'

'তোৰ দৰে গাধ কোন আছে। চালা! তেওঁ দোকানলৈ নাযায়। পানদোকানখনৰ কাষত থিয় হৈ থাকি ছাত্ৰ এজন পঠিয়াই দি কিনি আনে। মিছা কৈছো যদি প্ৰভাতক সোধ। সেইবোৰ বাক বাদ দে এতিয়া। মোৰ ঘৈণীৰ ভোকাপিঠা খাবি নে লঘোনে থাকিবি। ক।'

আকবৰৰ প্ৰশ্নত মাখন দোধোৰ-মোধোৰত পৰিল।

'তই নকৰ কিয়? পানীৰ ভাপত কেটলীৰ ঢাকনিত দি বনোৱা পিঠাতো চুৱা আছে নেকি? এতিয়াও সন্দেহ আছে তোৰ?

মাখনে হা-না কোৱাৰ আগতে হঠাতে সিহঁতৰ সন্মুখত থিয় দিলেহি দিলদাৰ হুচেইনৰ ডাঙৰ ল'ৰা মুহিবুল, তচলিম আৰু কেইবা-জনো ডেকা ল'ৰা। সিহঁতে আকবৰ আৰু ইচলামক দুৰলৈ মাতি নি ক'লে—অই ইচলাম! তহঁতে এই কাফেৰহঁতৰ লগত লগ লাগিছ কিয়। দেখা নাই দেশৰ অৱস্থা? মছজিদ ভাঙি মন্দিৰ বনাব

খুজিছে সিহঁতে? তহঁতে এনেকৈ থাকিলে কিন্তু আমি আমাৰ কাম কৰি যাম। কিবা অঘটন হলে তহঁতে দায়ী হব লাগিব। ভালে ভালে কৈছো। ইইঁতৰ লগ এৰি দে।'

'দুয়োখন গাঁৱৰ মাজতে এইখিনি চৰকাৰী মাটি আছে। আমি দুয়োখন গাঁৱৰ মানুহে যদি একেলগে খেতি নকৰি অকলে আমি কৰো মানুহে কি বুলিব? তাতে আমি একেলগে দখল কৰিছো।'

'তহঁতে সিহঁতক নিজৰ বুলি ভাবিলেও সিহঁতে তহঁতক নিজৰ বুলি ভাবিছেনে? ভাবিলে আজি দেশৰ অৱস্থা এনেকুৱা হয় নেকি?' তচলিমে কিছু ডাঙৰকৈ কলে।

'পথাৰত হালবাওঁতে কিহৰ হিন্দু মুছলমান আছে? তহঁতে অফিচত চাকৰি কৰোতে হিন্দু মুছলমান বেলেগ বেলেগ কৰ নেকি?' ইচলামে স্পষ্টভাৱে সিহঁতক প্ৰশ্ন কৰিলে।

'যি হিন্দু হিন্দুৱেই যি মুছলমান মুছলমানেই।'

'ৰহ মুহিবুল। তই কচোন দিনটোত তই কেইবাৰ নামাজ কৰ!

'কিয় লাগে তোক?'

'এনেতে মছজিদৰপৰা আজান ভাহি আহিল। লগে লগে ইচলামে মুহিবুলক কলে—'আহ এতিয়া।. একেলগে আমি নামাজ কৰো।'

'তহঁতৰ লগত নামাজ কৰিম? এই খোলা পথাৰত? তাতে আকৌ এই বিধৰ্মী কেইটাক আগত ৰাখি?'

'যা যা চিনি পাইছো তহঁত কেনেধৰণৰ মুছলমান তহঁতৰ মতলব কি আমাৰ জনা আছে।' ইচলামে শ্লেষোক্তি কৰিলে।

'অই ইচলাম তই কিন্তু বেচি আগবাঢ়ি গৈছ। ইয়াৰ পৰিণাম ভাল নহব কিন্তু।'

'হৈছে হৈছে। যি পৰিণাম হৈ থাকে হৈ থাকিব। কেৱল তহঁতে চুৰ কৰি নাহিবি। এইবুলি ইচলামে ওচৰৰে পুখুৰীটোত মুখহাত ধুই আহি আনসকলৰ লগত নামাজ কৰি আহি আকৌ

হালত ধৰিলে।

প্ৰতিটো ডোবলাতে দহখনকৈ হাল। দহটা ডোবলা এশখন হাল। প্ৰথমখন নাঙল প্ৰভাতৰ তাৰ পিচত ইচলামৰ তাৰপিচত । নাঙলৰ শিৰলুত আলুৰ বীজ পেলাই আকবৰে গান জুৰিলে—

চাহেব গ'ল আগতে
হয় চাহেব হয়।
. ...
হায় হায় ঐ তুমি আল্লা
ৰহমৰ গিৰিইত তুমি আল্লা চাহেব ঐ
যদি কৰা দৰিয়াৰ পাৰ।

(২)

সিখন গাঁৱৰপৰা আহি ইচলাম যেতিয়া ঘৰ সোমায় তেতিয়া সি দেখিলে ঘৈণীয়েকে মূৰে কপালে হাত দি বহি আছে। ঘৰ সোমোৱাৰ লগে লগেই ঘৈণীয়েকে বকিবলৈ ধৰিলে — 'দিন নাই ৰাতি নাই কেৱল আনৰ কাম কৰি ঘুৰি ফুৰিব। ইফালে ঘৰত যে চাউল এটাও নাই খবৰ নাই। বেৱা (বিধবা) হোৱা হলেও ভাল আছিল!'

ইচলামে কথাটো ভ বি চালে; হয় তাৰ গাতে দোষ। তথাপিতো কামটোত লাগি নাথাকিলে নহয়। সি তেতিয়াহে গমি চালে যে আজি ভাৰত বন্ধ। কোনোবা এটা ৰাজনৈতিক দলে এই বন্ধৰ আহ্বান দিছে। হয়তো দোকান এখনো খোলা নাই। সি লাহেকৈ ঘৈণীয়েকক কলে— 'এতিয়াৰ জোখাৰে নহব নেকি ?''

'নহব মানে? এটাও নাই।'

ইচলাম বিমোৰত পৰিল। অন্ততঃ সিহঁত দুয়ো নোখোৱাকৈ থাকিলেও বৰ বেচি ভাবিবলগীয়া নাই কাৰণ এনে লঘোনে থকা

নিশা সি হিচাপ কৰিবলৈ বাদ দিছে। একমাত্ৰ হয়ৰহৰীয়া পাঁকাটোক কি খুৱাব? ইচলামে ঘৈণীয়েকক ক'লে—'ৰহচোন। প্ৰভাতৰ ঘৰৰ পৰা আহোঁ। একাপমান আনিব পাৰিলেও হৈ যাব।'

'এনেকৈ মানুহক জুলুম কৰিলে ভাল পাব নেকি?' আগৰ সোপাকে এতিয়াও দিব পৰা নাই।'

'প্ৰভাতে ভাল পাব নে বেয়া পাব সেইটো মই জানো নহয়। তই সেইটো ভাবিব নালাগে।'

'বন্ধু হলেও যেতিয়াই তেতিয়াই দিগদাৰ দিয়া ভাল জানো? নালাগে যাব। যি আছে তাকে খাম।' ঘৈণীয়েকে একৰকম অভিমান আৰু খঙতে কথাখিনি ক'লে আৰু লগে লগে সান্দহৰ গুৰি থকা প্লাষ্টিকৰ পেকেটটো হাতত ল'লে।

'ৰহচোন খং খাব নালাগে তই আমাৰ দুয়োৰো মাজৰ বন্ধুত্ব নাজান কাৰণেহে ইমান ভাবিছ। আমি দুয়ো যেতিয়া হাইস্কুলত পঢ়িছিলো সি আমাৰ ঘৰতে মাই বনোৱা ভোকাপিঠা জলপান আদি খাই ডাঙৰ হৈছিল। জান মই তাক লেইজাৰত প্ৰায়েই চাহ-মিঠাই খুৱাইছিলো। আনকি মই তাক এটা সুলেখা কলমো দিছিলো। সেইটোৰে সি মেট্ৰিক পাচ কৰিলে। এতিয়াও বোধহয় তাৰ লগত আছে সেইটো। আৰু মই অথমে ফেল কৰি নাঙলৰ মুঠিত ধৰিলো। এসময়ত আনাই দিছিল; এতিয়াহে মিলাব নোৱাৰো। সি এতিয়া স্কুলৰ মাষ্টৰ আৰু ভাল খেতিয়ক। আনাই এতিয়া তাক দিছে। মই গৈ যদি তাক কওঁ—প্ৰভাত! তোৰ ওচৰত আহিলো। সি মোৰ মুখ চাইয়েই কি কব জান? বুজিছো তই চালা কালি বাতি লঘোণে আছ নহয়? আগতে আহিলে ডাঙৰ মানুহ ভাঙা যাব? হেৰা ভনাচোন। ইচলাম আহিছে। এনেকৈ ডাঙৰ ডাঙৰকৈ সি ঘৈণীয়েকক চিঞৰিব।'—এইবুলি ইচলামে বাঁহৰ দুৱাৰখন খুলি বাহিৰত ভৰি দিলে। হঠাতে ইচলামে দেখিলে তাৰ সন্মুখত তিনিজন মানুহ। ইচলামৰ ধাৰণা হল মানুহকেইজন

যেন আনৰ পৰাই চোতালত বৈ আছে। ইচলাম সিহঁতৰ ওচৰ চাপি গ'ল।

'কোন এইকেইটা?'

'আমি।' এটা গম্ভীৰ মাত ওলাই আহিল।

'কি লাগে তহঁতক?'

হঠাতে তিনিওজন ইচলামৰ ওপৰত জপিয়াই পৰিল। ইচলামে কোনো কথা কোৱাৰ আগতে ইচলামৰ বুকুত ভোজালীৰ এখন সুমুৱাই দিয়া হ'ল। ইচলামে বিকট চিঞৰ মাৰি মাটিত পৰি গ'ল।

ইচলামৰ ঘৈণীয়েকে হাতত চাকিগছ লৈ চোতাললৈ দৌৰি আহি দেখিলে ইচলামে বুকুখনত হাত দি সেঁহাই সেঁহাই কিবা কব খুজিছে।

ইচলামৰ ঘৈণীয়েকে খুব জোৰেৰে চিঞৰিব খুজিও চিঞৰিব নোৱাৰিলে। চাই থাকোঁতে চকুৰ আগতে গিৰিয়েক নিথৰ হৈ পৰিল।

ৰাতিৰ ভিতৰতে সমগ্ৰ গাওঁখনতে প্ৰচাৰ হ'ল যে সিখন গাওঁৰ মানুহে ইচলামক খুন কৰিলে। বহুতে মন্তব্য কৰিলে সি সেইখন গাওঁৰ মানুহৰ লগতে মিলামিছা কৰিছিল অথচ সিহঁতেই তাক খতম কৰিলে। অন্য এটা দলে মন্তব্য কৰিলে—হবই নোৱাৰে। সিহঁতে কেতিয়াও তাক খুন কৰা নাই। প্ৰভাত, ললিত, কৃষ্ণ, হৰকান্তহঁতক আমি নাজানো নেকি?

মুঠতে গাওঁখনত এটা সাংঘাতিক উত্তেজনাৰ সৃষ্টি হল। কোনেনো কাৰো মুৰ্ত্তি মাৰিব নোখোজে। বিধৰ্মীয়ে আমাক মাৰিব আৰু আমি চাই থাকিম?

কাণে কাণে কথাটো প্ৰভাতহঁতৰ গাঁৱতো প্ৰচাৰ হ'ল। ইচলামক হেনো প্ৰভাতহঁতৰ গাঁৱৰ কোনোবাই খুন কৰিলে। ৰাতিৰ ভিতৰতে প্ৰভাতহঁতৰ গাঁৱতো এটা উত্তেজনা সৃষ্টি হ'ল।

দুই এজনকৈ নেতৃস্থানীয় মানুহ লাহেকৈ মহাজনৰ ঘৰলৈ আহিল।

বিৰাট বাৰান্দাখনৰ চুক এটাত আৰামী চকি এখনত আউজি মহাজনে কলে—"তহঁতে কথাটো বিশ্বাস কৰা নাই নহয় জানো ? কিন্তু কোনোবাইতো ইচলামক খুন কৰিছে। সি হিন্দুও হব পাৰে মুছলমানো হব পাৰে।"

"তাকেইতো ভাৰিছো। আমাৰ গাঁৱত এনে মানুহ নাই যিয়ে ইচলামক খুন কৰিব।" হোকাটোত দীঘল দীঘলকৈ হোপা মাৰি হৰিধনে মন্তব্য কৰিলে।

ওঁহো, তেনে কথা নকবি তইঁতে। আগৰ দিন এতিয়া নাই। আগতে মই এষাৰ কথা কলে মানুহে সন্মান কৰি মানি লৈছিল। কিন্তু আজি কালি ? তহঁতে দেখিয়েই আছ। প্ৰভাতহঁতে মই বাধা দিয়া সত্বেও আমাৰ মাটিত আলু খেতি কৰিবলৈ মানুহবোৰক উচতাই দি কি এটা পৰিস্থিতিৰ সৃষ্টি কৰিছে ? কথাটো ভাল হৈছে জানো ? খেতি কৰিছ কৰ। কিন্তু এই মুছলমান সোপাৰ লগ লাগিছ কিয় ? সিহঁতৰ লগ এৰছোন। তহঁতক মই মাটি দিওঁ নে নিদিওঁ।

এনেতে মহাজনৰ চোতালৰ চুক এটাৰ পৰা যদুনাথ শৰ্মাই মাত লগালে—"মহাজন আছেনে ?"

আগে আগে যদুনাথ শৰ্মা পিচে পিচে লগুৱাজন। হাতত এটা লেম্প আৰু আনখন হাতত এডাল বেতৰ লাঠি।

"আহক আহক। ইমান ৰাতিখন ক'ৰপৰা আহিল ?" মহাজনে আথেবেথে সুধিলে।

"ক'ৰপৰা মানে ঘৰৰ পৰাই। এই ৰাতিখন ইচ্ছা নাছিল যদিও আহিলো। কথাটো শুনা নাই জানো ? মানুহবিলাকে কি ভবা চিন্তা কৰিছে তাৰে গমগতি লবলৈ আহিলো। কথাবিলাকৰ গুৰুত্ব মানুহবিলাকে নুবুজে কাৰণে এনেকৈ 'তলৌ ভলৌকৈ' ঘুৰি ফুৰো। নহল কিবা এটা হল। তেতিয়া ? কিন্তু মই গাঁৱৰ মাজেৰে আহি এটা কথা উপলব্ধি কৰিছো। ইহঁতে কথাটো এনে

বুলি ভবা নাই। ইহঁতৰ চেতনা বোলা বস্তু এটা আছেনে নাই? এনে এটা সংকটতো ইহঁতে খাই বৈ শুই আছে। আচৰিত আচৰিত কথাহে মহাজন।"

যদুনাথ শৰ্মাই যেন অভিনয় কৰিছে এনে ধৰণে কথাকেইটা ক'লে। যদুনাথ শৰ্মাৰ কথা কোৱাৰ ঢং পিতৃ পিতামহৰ পৰাই পোৱা একৰকম সম্পত্তি। কথা কলে শেষ নহয়।

"কি ক'ব শৰ্মা। আমাৰ হালোৱা মখা এনেকুৱাই। ইহঁতৰ জাতি ধৰ্ম ভাষা বুলি একো নাই। কোনোবাই গাত বেজীৰে খুচিলেও গম নাপায়।"—মহাজনে স্বভাৱগত হাঁহিটোৰে চাৰিওফালে ৰজনজনাই দিলে।

'কি কব? পেটটোত একো নপৰিলে ইহঁতে খঙে ৰাগে কি কৰে ঠিক নাই। কিন্তু পেটত কিবা এটা পৰিলে দেখিব সকলো পাহৰিলে। ইহঁত হিন্দু নে মুছলমান, অসমীয়া নে বঙালী সকলো পাহৰি লাং খাই পৰি থাকে। এই মখাক লৈ দেশৰ কোনো কাম কৰিব নোৱাৰি।" যদুনাথ শৰ্মাই বিতৃষ্ণাৰে কথাকেইটা কৈ হৰি-ধনইঁতৰ ফালে চালে। হৰিধনইঁত তেওঁৰ কথাৰ কোনো প্ৰতিক্ৰিয়া নেদেখুৱাই মৌন হৈ থাকিল। সিহঁতৰ ভাব এনেকুৱা—আমাৰ কথা আমিহে জানো তইঁতে কি বুজিবি।

এনেতে মহাজনৰ ল'ৰা কেইজনমান ডেকা ল'ৰাৰ সৈতে আহি চোতালত ভৰি দিলে। দেউক দেখি মহাজনৰ ল'ৰাই ক'লে—"দেউ! কথা বিষম। আজি ৰাতিয়েই হেনো সিহঁতে আমাৰ গাওঁ আক্ৰমণ কৰিব। আচল কথা এতিয়াহে ওলাইছে। আজি কেইদিনমান আগতে হেনো কোনোবাই ৰাতি আমাৰ নামঘৰৰ ভিতৰত গৰুৰ মূৰৰ খোলা এটা পেলাই থৈ গৈছিল আৰু কোনোবাই হেনো সিহঁতৰ মছজিদত এটা কালীমূৰ্ত্তি স্থাপন কৰিছিল।

কথাটো আজিহে ৰাষ্ট্ৰ হৈছে।'

"ইস্ ইস্ ইস্। নামঘৰত গৰুৰ মূৰৰ খোলা? গ'ল

গ'ল, সকলো গ'ল। আমাৰ আৰু কি থাকিল ? তাতে আকৌ বিধৰ্মীয়ে নামঘৰত প্ৰৱেশ কৰিছে। তইঁতৰ নিছিনা ভেকা ল'ৰাবোৰ থাকোতে আমি বুঢ়া-মেথাবোৰে ধৰ্ম জলাঞ্জলি দিব লগা হ'ল।" এইবুলি দেউৱে হৰিধনহঁতৰ মুখলৈ চাই ক'লে—"শুনিলি তইঁতে এতিয়া থাই বৈ শুই থাক গৈ যা। অপদাৰ্থহঁত।"

দেউৰ কথাত সিহঁতে ইজনে সিজনৰ মুখলৈ চাই মৌন হৈ ৰ'ল। দেউও ভাগৰি পৰাৰ দৰে মহাজনক ক'লে—"আপুনি কিবা এটা কৰক মহাজন। নহ'লে আমাৰ সমূলি গ'ল।" "এইবুলি যদুনাথ শৰ্মাই ৰ' নকৰিলে কাৰণ তেওঁ জানে যে আক্ৰমণ হয় যদি তেওঁৰ তাতেই প্ৰথমতে শ্হ'ব।

নামঘৰ আৰু মছজিদটোৰ মাজত এখন মাত্ৰ ওৱাল। ইচলামৰ ঘৰ ওৱালখনৰ পোনে পোনে মছজিদটোৰ পিচফালে অৱস্থিত। নামঘৰটো পুৱমুৱা আৰু মছজিদটো পশ্চিমমুৱা। ইচলামৰ আগে-পাশে কোনো মানুহ নাই যেন ইচলাম নামঘৰ আৰু মছজিদৰ ৰখীয়াহে।

সিদিনা অক্টোবৰৰ পচিশ নে ছাব্বিশ তাৰিখ। ইচলামৰ মনত নাই। তেতিয়া ৰাতি বোধহয় একমান বাজিছে। ইচলামে পেচাব কৰিবলৈ আহি অনুমান কৰিলে নামঘৰত দুটা ছায়ামূৰ্তি। ইচলাম আগুৱাই আহিল। সি অনুমান কৰিলে সিহঁতে কিবা এটা কৰিছে।

"কোন এই কেইটা ?" ইচলামৰ মাত শুনাৰ লগে লগে সিহঁতে ভিৰাই লৰ মাৰিলে। তাৰ সন্দেহ উপজিল। সি ঘৰৰ পৰা মম এডাল লগাই আনি নামঘৰৰ ওচৰত থিয় দি নামঘৰলৈ লক্ষ্য কৰি দেখিলে এটা গৰুৰ লাওখোলা। ইচলাম বিমোৰত পৰিল। নামঘৰৰ ভিতৰত সোমাব নে নোসোমাব। সোমালেও বিপদ নোসোমালেও বিপদ। হঠাতে বুদ্ধি এটা আহিল তাৰ মনলৈ। এডাল দীঘল বাহ আনি ভগবানক সম্বোধি কলে—"দায় দোষ নধৰিবা ভগৱান। মানুহবোৰ কিয় এনে হ'ল ?" এইবুলি ইচলামে বাহ-ডালেৰে বাহিৰৰ পৰাই লাওখোলাটো চোঁচোৰাই আনি দূৰৈত দলি-

ৰাই পেলালে। এনে কাৰ্যত কিবা জগৰ লাগিব বুলি ভাবি সি মাজাৰ ওচৰত কমা বিচাৰি মছজিদত সোমাল। সোমাই গৈ ইচলাম হতবাক। মছজিদৰ ভিতৰত এটা কালীমূৰ্তি। ইচলামে তৎক্ষণাত হাতত সাৰে ভৰিত সাৰে কালীমূৰ্তিটো আনি দুখৰ জংঘলৰ ভিতৰত থলে।

ইচলামৰ মনত এটা সন্দেহে বাহ ললে। কাৰ কাম এইবিলাক? কাৰ স্বাৰ্থ জড়িত আছে এনে কামত? কথাটো সি কাকো একো নকলে। আনকি ঘৈণীয়েকে পেঘেনিয়াই পেঘেনিয়াই সোধা সত্বেও নকলে।

ঘটনাটো ইমানদিনে গাপ খাই আছিল যদিও ইচলামক খুন কৰাৰ পিচত সেই ৰাতিতেই ঘটনাটো ৰাষ্ট্ৰ হৈ পৰিল! বিধৰ্মীয়ে মছজিদত কালীমূৰ্তি স্থাপন কৰিছে। ইফালে প্ৰচাৰ হ'ল বিধৰ্মীয়ে নামঘৰত গৰুৰ লাওখোলা ৰাখিছে।

(৩)

ৰাতিপুৱা ইচলামৰ চোতাল মানুহে নদৰা হৈ পৰিল। হিন্দু-মুছলমান সকলোৱে ইচলামক এনে নৃশংসভাৱে হত্যা কৰা কাৰণে বেজাৰত শোকাকুল হৈ পৰিল। এটা বেদনাদায়ক পৰিস্থিতিৰ মাজত সকলোৱে থমথমীয়া হৈ থিয় দি থাকিল।

ইচলামৰ ঘৰৰ সন্মুখৰ ঠেক বাটটোত মানুহৰ জুম। সকলোৱে বিষন্ন অন্তৰ। মাইকী মানুহবোৰে চাদৰৰ আচলেৰে চকুপানী মচি মচি ইচলামৰ ঘৈণীয়েকক সান্ত্বনা দিছে।

হঠাতে চাৰি পাচজনমান মুছলমান ডেকা ল'ৰা চোতালখনে সোমাই আহি জোৰ কণ্ঠে চিঞৰিলে "কোনে মাৰিছে ইহঁতক। এই কাফেৰহঁতক কোনে মাৰিছে? আমাৰ মানুহকে মাৰিব আৰু

আমাৰ চোতালতে কান্দি দেখুৱাব। হেই আবদুল কি চাই আছ ?" এইবুলি সিহঁত প্ৰভাতহঁতৰ ফালে আগবাঢ়ি আহিল। তৎক্ষণাত আকবৰহঁতে সিহঁতক বাধা দি ধমক দিলে "চুপ্। একখোজো আগ নাবাঢ়িবি তহঁতে। কি হৈছে তহঁতৰ ? সৎসাহস আছে কাৰণে প্ৰভাতহঁতে ইচলামৰ চোতালত ভৰি দিছে। আৰু এক কদম আগুৱাই আহিলে কথা বেয়া হব কিন্তু।"

"হেই আবদুল। আগতে ইযাকে খতম কৰ।" এইবুলি দিলে কোনোবা এজনে আকবৰৰ মূৰত কোব। আকবৰৰ মূৰ ফাটি হোহোৱাই তেজ ওলাই আহি মৃত ইচলামৰ মূৰত তপাতপে পৰিবলৈ ধৰিলে। ভয়তে মানুহবিলাকে ছেদেলি ভেদেলি হৈ পৰিল।

এনেতে জিপ্ৰাৰপৰা অ' চি নামি আহি চোতালত ভৰি দিয়াৰ লগে লগেই ডেকা ল'ৰা মথা ফৰিং চিটিকা দিলে।

ৰাতিয়েই থানাত খবৰ দিয়া হৈছিল ; কিন্তু ৰাতি কিয় পুলিচ নাহিল সেইটো এক ৰহস্য বুলি মানুহে ভাবে।

অ' চিয়ে ইচলামৰ ঘৈণীয়েকক মাতি নি কিবাকিবি প্ৰশ্ন কৰি কেইজনমানক এৰেষ্ট কৰি লৈ গ'ল। যিকেইজনক নিলে তাত গাঁৱৰ মানুহ আচৰিত হ'ল। সেই কেইজনতো আচলতে দোষী হব নালাগে। মানুহে মন্তব্য কৰিলে পুলিচৰ কি আছে ? যাকে তাকে ধৰি নি পিট্টন দিব লাগে আৰু তাৰপৰা মাল আদায় কৰিব লাগে। সাম্প্ৰদায়িক সংঘৰ্ষ হৈ থাকিলে সিহঁতে ভালহে পায়।

(৪)

আবেলি যদুনাথ শৰ্মাই পাওকটিটো হাতত লৈ ঘৰ সোমাইছেহি মাত্ৰ। শৰ্মাৰ ঘৈণীয়েক ওচৰলৈ আহি ফুচফুচাই কলে—

"মোৰ বৰ ভয় লাগিছে।"

"ভয় লাগিছে ? কিহৰ ভয় ? তোমালোক মাইকী মানুহ বোৰে আমি ভাগৰে দুখে ক'ৰবাৰ পৰা আহিলে—।"

"আমাৰো লামলাকুটি বিক্ৰী যাব এতিয়া। কি এটা জন্ম পাইছিল আমাৰ ঘৰত।" শৰ্মানী কান্দো কান্দোকৈ কলে।

"কি হৈছে তাকে নোকোৱা কিয় ?"

আমাৰ ৰঞ্জনে কৈছে— কলেজৰ পৰা আহোতে সি হেনো খবৰ পাইছে ইচলামৰ ঘৈণীয়েকে বোলে নাম কেইটা কৈ দিছে আৰু সিহঁতকে পুলিছে ধৰি নিছে। মাৰৰ কোবত বোলে সিহঁতে বহুতৰে নাম কৈছে। দিলদাৰ হুচেইন আৰু জয়কান্ত মহাজনে বোলে চাৰি নে পাচ হাজাৰ টকা দি সিহঁতৰ দ্বাৰা ইচলামক মৰাইছে। সিহঁতৰ মাজত হিন্দু ল'ৰাও আছে।"

"তাতে কি হ'ল ? তুমি যে ইমান ভয় খাব লাগে ?"

"ৰঞ্জনে কৈছে —।"

"কি কৈছে ?"

"সিও বোলে কালীমূৰ্ত্তিটো মছজিদত থওঁতে লগত আছিল। যদি কেনেবাকৈ কোনোবা এজনে তাৰ নাম কৈ দিয়ে ? আপুনিহে এইবোৰ শিকাইছে তাক। বিশ্ব হিন্দু সংগঠনত লাগি লাগি তাক জহন্নামে খেদালে।"

"চুপ থাকা। তাৰমানে সিও জয়কান্তৰ টকাৰ মোহত পৰিল।"

"ৰঞ্জন।" শৰ্মাই ৰঞ্জনক মাতিলে।

"সি নাই। ৰাতি বাহিৰত থাকিবলৈ দিছো।"

"মূৰ্খ কৰবাৰ। মাক চাইহে পুতেক। মই কেনেকৈ চলিছো সেইটো যদি মাক-পুতেকে লক্ষ্য কৰিলে হয়। মোৰ গুণ অলপো যদি আহৰণ কৰিলেহেঁতেন। এই বিলাকত সি সোমাব লাগে কিয় ? জগতৰ মানুহ মৰি সাং হৈছে নেকি ? গৈছ গৈছ যা। একেবাৰে আচল জাগালৈ যাব লাগে কিয় ? নাই একেবাৰে বীৰত্ব দেখুৱাবলৈ গৈছে। বুইছো ই মোক ডুবাইহে এৰিব।" যদুনাথ শৰ্মাই বিতৃষ্ণাৰে কলে।

"এতিয়া সেইবোৰ ভাবি থাকিলে হ'ব নেকি? আগো নাই পিছো নাই। এটাই মাত্ৰ সম্পত্তি। কিবা এটা নকৰিলে ......।"

"মই যি কৰিব লাগে কৰিম। সি আহিলে তাক মোমায়েকৰ ঘৰলৈ যাবলৈ দিবা। দিগম্বৰ শৰ্মা অ'চি যেতিয়া কিবা এটা কৰিব পাৰিম। তেতিয়াও যদি নোৱাৰো তোমাৰ সম্পৰ্কীয় ভাই দেখোন মিনিষ্টাৰ। তেওঁতো হাতৰ পাচ আছেই।"

শৰ্মানীয়ে এটা দীঘল নিশ্বাস এৰিলে আৰু যদুনাথ শৰ্মাই তৃপ্তিৰে প্ৰাণেকটি টুকুৰাত কামোৰ মাৰিলে।

এক কিলো বৌমাছ

ফাঁচী বজাৰৰ পৰা এক কিলোগ্ৰাম বৌমাছ আৰু দুই এপদ বস্তু কিনি লৈ ঘৰ সোমাওঁতে অইন দিনাতকৈ আজি অজয় বৰুৱাৰ কিছু দেৰি হ'ল। নিজৰ গাড়ী নিজে ড্ৰাইভ কৰি গাঁৱৰ পৰা অফিচলৈ অহা যোৱা কৰে যদিও বজাৰত সোমাব লাগিলে অজয় বৰুৱাৰ প্ৰায়েই দেৰি হয়।

ফাঁচী বজাৰখনত সোমালে আহো বুলি ওলাই আহিব নোৱাৰি। দোকানত থাকে সদায় একোটা মস্ত কিউ। এই কিউ-টিউবোৰ বৰুৱাই পচণ্ড নকৰে। দোকানবোৰতো কিহৰ এইবোৰ কিউ? কোনোবাই আধা কিলো মচুৰ লব সি আগতে আহিল বুলিয়েই এশ দুশ টকাৰ বস্তু কিনা মানুহজনতকৈ সুবিধা পাব লাগে নেকি? কিযে মানুহক হাৰাশাস্তি কৰা কিছুমান নিয়ম কৰা হৈছে।

সেয়ে বৰুৱাই মাছ বজাৰৰ পৰা মাছ লওঁতে দুবৈৰ পৰাই মাছৰ দাম সুধি লগে লগে লৈ ওলাই আহে। দাম দৰ নকৰে। কোনে এই বেপাৰীমখাৰ লগত মুখচুপ্তি কৰে। মুখত যি আহে তাকে কয়। মানুহৰ সন্মান বোলা বস্তু এটা আছে। বৰুৱাই লক্ষ্য কৰিছে আজিকালি মানুহে মানুহক সন্মান কৰিবলৈ এৰি দিছে। আনকি উঠি অহা পুৰুষেও অগ্ৰজসকলক যেন কুটাৰ দৰে জ্ঞান কৰে।

ঘৰ সোমায়েই বৈণীয়েকৰ গোমোঠা মুখখন দেখি বৰুৱাই অনুমান কৰিলে যে কিবা এটা অঘটন ঘটিছে। আনদিনা বৰুৱাৰ বাৰান্দাত খিৰ দিয়াৰ লগে লগে ওচৰলৈ আহি বৈণীয়েকে কয়: চাও চাটটো খোলা।

তাৰ পিচত মিচেচ বৰুৱাই গিৰিয়েকৰ চাৰ্ট, লংপেণ্ট, জোতা-মোজা আনি থানথিত লগাই থয়। মুখ-হাত ধুবৰ বাবে পানী দি টাৱেলখন হাতত লৈ বৰুৱাৰ ওচৰত থিয় হৈ থাকে। টাৱেল-খন বৰুৱাৰ কান্ধত দি ইতিমধ্যে ৰান্ধনি ল'ৰাটোৱে সাজু কৰি থোৱা কফি কাপ আনিবলৈ লৰ মাৰে। মিচেচ বৰুৱাৰ আল-পৈচান খিনিত বৰুৱা ক্লান্তিবিহীন হৈ বিছনাখনত গাটো এৰি দি কিছু সময় বিশ্ৰাম লয়।

কিন্তু আজি মিচেচ বৰুৱা এবাৰো ওচৰলৈ নহাত বৰুৱাৰ বুজিবলৈ বাকী নাথাকিল যে কিবা এটা গুৰুতৰ অঘটন ঘটিছে।

আজি কেইদিন মানৰ পৰা বৰুৱাই এটা কথা লক্ষ্য কৰিছে। মিচেচ বৰুৱাৰ অভিমান প্ৰায়েই জানকীক কেন্দ্ৰ কৰি হয়। জানকী মানে তেওঁলোকৰ ঘৰলৈ কাম কৰিবলৈ অহা বিধবা মাইকী মানুহজনী। কেতিয়াবা কেতিয়াবা বৰুৱাৰ ঘৰলৈ তাই কাম কৰিবলৈ নাহে। তাইৰ ল'ৰাটোৰ অসুখ হলে বা তাইৰে নিজৰ অসুখ-বিসুখ হলে তাই আহিব নোৱাৰে। হয়তো কেতিয়াবা আন কাৰোবাৰ খাটিৰ ৰক্ষা কৰিবলগীয়া হলেও তাই আহিব নোৱাৰে। জানকী নহা মানে মিচেচ বৰুৱাৰ নিজৰ, বিংকুৰ আৰু গিৰিয়েকৰ কাপোৰ কানি ধোৱাৰ পৰা আৰম্ভ কৰি গাঁৱৰ ইজন সিজন আহিলে চাহ-টোপা তামোলখন যোগাৰ দিয়া আদি কাম মিচেচ বৰুৱাৰ ডিঙিত লাগি ধৰে; আজিকালি মিচেচ বৰুৱাৰ ইমানবোৰ কাম কৰাৰ অভ্যাস নাইকীয়া হৈছে। তেতিয়াই মিচেচ বৰুৱাৰ খঙে চুলিৰ আগ পায়গৈ।

তদুপৰি জানকী কাম কৰিবলৈ আহোঁতে তাইৰ ল'ৰাটোকো লৈ আহে। ছয়-সাত বছৰৰ শিশু এটাই মাকৰ লগত আহি যিমান খাই খাওঁক তাত মিচেচ বৰুৱাৰ কোনো আপত্তি নাই। কিন্তু বিংকুৰ লগতে ঘৰৰ ইখন দুৱাৰেদি সোমাই সিখন দুৱাৰেদি ওলাই লৰ মাৰিব; মজিয়াৰ য'তে ত'তে থু পেলাব; বিছনাত

আওজিব ; ড্ৰেচিং টেবুলৰ আগত থিয় হৈ ৰিংকুক সাৰটি ধৰি চিঞৰ বাখৰ কৰিব ইত্যাদি ইত্যাদি কৰ্মকাণ্ডবোৰ মিচেচ বৰুৱাই সহ্য কৰিব নোৱাৰে। কোনে জানে কাৰ গাৰপৰা কি বেমাৰ আহে ? এদিন ৰিংকুৰ লগত খেলনাৰ কাৰণে টনাআজোৰা কৰোতে ৰিংকুৰ ওঠ কাটি তেজ ওলাইছিল। সেইদিনা মিচেচ বৰুৱাই খঙতে জানকীক কৈছিল—আজিৰ পৰা ইয়াক নানিবা কিন্তু। যদি ননাকৈ থাকিব নোৱাৰা তেন্তে তুমিয়ে নাহিবা। জানকীয়ে ভেবা লাগি মিচেচ বৰুৱাৰ মুখলৈ চাইছিল। মিচেচ বৰুৱাৰ ভাব ভংগী কথা বতৰাত জানকীয়ে ইমান দিনে বুজি আহিছে যে জানকীক মিচেচ বৰুৱাই ভাগীৰ শাহু হিচাপে সন্মান কৰে ; শ্ৰদ্ধা কৰে। কিন্তু আজি ইমান টান কথা মিচেচ বৰুৱাই কিয় শুনালে ? কথাটো সহজ ভাৱে হজম কৰিবলৈ চেষ্টা কৰি জানকীয়ে কলে "কইনা ! তোৰো এটা অকৰা খং আছে। ৰহ মই অকণমান পাণ বটি লগাই দিওঁ ; তেজ বন্ধ হৈ যাব। ইহঁতৰ কাজিয়াক লৈও খং কৰ নে তই ?

এইবুলি পকা পাণ বিচাৰি বৰুৱাৰ বাৰিখনলৈ বুলি জানকীয়ে দুখোজমান দিওঁতেই মিচেচ বৰুৱাৰ কথা শুনি জানকী থমকি ৰ'ল।

'কৰ বাঘৰ তেল খোৱা এটা জন্ম দিছে। মাক চাইহে পুতেক।'

জানকীয়ে প্ৰস্তৰৰ মূৰ্ত্তিৰ দৰে থিয় দি মিচেচ বৰুৱাৰ মুখলৈ অসহায় ভাৱে দৃষ্টি নিক্ষেপ কৰিলে। সদ্য নিৰ্মোক-মুক্ত ভুজঙ্গিনীৰ মুখৰ পৰা এয়া যেন হলাহল উদ্‌গীৰণ হৈছে। জানকীয়ে এই হলাহলৰ বিষক্ৰিয়া অনুভৱ কৰিলে। তাইৰ বুকুখন বৰ গধুৰ যেন লাগিল। তাই সমস্ত শক্তি প্ৰয়োগ কৰি তঁাইৰ ল'ৰাৰ দুগালত দুটা চৰ সোধালে। তাৰ গগণফলা চিঞৰকো আওকাণ কৰি জানকীয়ে তাক হাতত ধৰি টানি নি অজয় বৰুৱাৰ চৌহদৰ বাহিৰ হ'ল। জানকীৰ চকুৰে গিৰ্‌গিৰ্‌কৈ চকুপানী নিগৰি আহিল।

ইয়াৰ পিছত জানকী কেইদিনমান অজয় বৰুৱাৰ ঘৰলৈ অহা নাছিল। অজয় বৰুৱাই শেষত বুজাই বঢ়াই তাইক আকৌ অনালে। মিচেচ বৰুৱাৰ আপত্তি থকা সত্ত্বেও অজয় বৰুৱাই বৰ বেছি মন দিয়া নাই। মাইকী মানুহৰ এনেকুৱা কাজিয়া হয়েই; সেইটো আজিৰ কথা নহয়। তদুপৰি ইমান কম টকাত মানুহ এজনী পোৱাও সহজ নহয়। দিনৰ দিনটো কাম কৰি ভাত সাজ খাইও জানকী সন্তুষ্ট থাকে। কামখিনিও নিজৰ কামৰ দৰে একালৰ পৰা কৰি যায়।

আজি কিন্তু বৰুৱা এটা নতুন সিদ্ধান্তত উপনীত হ'ল।

ভৰি হাত ধুবলৈ গৈ টিউবওৱেলটোৰ পকা খনত পৰি থকা কাপোৰৰ দ'মটো দেখি বৰুৱাই বুজিলে জানকী আজি কাম কৰিবলৈ অহা নাই। নিজৰ সুখ-শান্তিকণ এনেকৈয়ে জলাঞ্জলি দি ডাল দৰিদ্ৰৰ প্ৰতি অহেতুক মৰম দেখুৱাই কোনো লাভ নাই; অজয় বৰুৱাই মুখৰ ভিতৰতে ভোৰভোৰালে –

"মৰম কৰা যেন পালেই ইহঁতে সুবিধা লব বিচাৰে। নিমখ হাৰামৰ জাত।"

বিচনাখনত গাটো এৰি দি বৰুৱাই চকুদুটা মুদি বিশ্ৰাম লবলৈ চেষ্টা কৰোতে অনুভৱ কৰিলে মূৰটো কামুৰিবলৈ ধৰিছে। তেতিয়াহে বৰুৱাই কফি একাপৰ প্ৰয়োজনীয়তা অনুভৱ কৰিলে। বান্ধনি ল'ৰাটোক মাতিম বুলি ভাবোতে দেখিলে মিচেচ বৰুৱা কফি কাপ হাতত লৈ বৰুৱাৰ সন্মুখত থিয় দিছেহি। মুখেৰে এটা টু শব্দ নকৰাকৈ কফি কাপ বৰুৱাৰ আগত তুলি ধৰিলে মিচেচ বৰুৱাই। কফি কাপ হাতত লৈ বৰুৱাই ঘৈণীয়েকৰ অভিমানৰ গভীৰতা বুজিবলৈ চেষ্টা কৰিলে। উদাসীনভাবে বৰুৱাই কফিত শোহা মাৰিলে। কন্তেক পিছতে বৰুৱাই মন কৰিলে ওচৰত ন কইনাৰ দৰে থিয় দি থকা মিচেচ বৰুৱা ফেকুৰি উঠিছে। গৃহিনীৰ বাউসীত ধৰি ওচৰলৈ টানি আনি সুধিলে বৰুৱাই "কি হৈছে; নোকোৱা কিয়?"

"কিমান দিন কৈছো জানকীক বাখিব নালাগে। কেবল তেওঁৰ কথামতেহে কথা।"

"ৰবা! ইমান খং খাইছা কিয়? তাইৰ কিবা বিপদ আপদো হব পাৰে। কিয় বৰ প্ৰীতি দেখুৱাইছিলা দেখোন। এতিয়া পাইছা জুতিটো।"

প্ৰীতি দেখুৱা মানেনো আৰু কি? মানুহজনীয়ে দিনৰ দিনটো অলপো আজৰি নোহোৱাকৈ হাতী ম'হে কৰা দি কাম কৰি থাকে। মাজতে দুই এখন তামোল পাত চাধাৰে চোবাই লৈ ওঠ যুৰি ৰঙা কৰি ভাগৰক ভাগৰ নুবুলি কাপোৰ ধোৱা, বাচন-বৰ্তন ধোৱা, ঘৰ চোতাল সৰা, ঢেকীত ধান বনা বা চাউল কৰা, গধুলি গাই দুজনীয়ে দানা খায় তাক সিদ্ধ কৰা ইত্যাদি ইত্যাদি কাম মিচেচ বৰুৱাৰ দিহা পৰামৰ্শ নোহোৱাকৈ এফালৰ পৰা জানকীয়ে কৰি শেষ কৰে। ইমানৰ পিচতো মিচেচ বৰুৱাই জানকীক আপোন কৰি চাহ কাপ ভাত মুঠি মিঠা মাতেৰে মাতি খাবলৈ দিয়াত কিনো বৰ বেচি প্ৰীতি দেখুৱা হ'ল।

যোৱা কালিৰ ঘটনা। জানকীয়ে ঢেকীত ধান বানিছিল। তাৰ আগৰ নিশা জানকী খালি পেটে পৰি থাকিবলগীয়া হৈছিল কিয়নো এটা ফুটা কড়িও তাইৰ হাতত নাছিল। মিচেচ বৰুৱাক কোৱা হলে হয়তো কিবা নহয় কিবা এটা দিলেহেঁতেন। কিন্তু জানকীৰ লাজ লাগিল। হ'ল বুলিনো এনেকৈ সদায় আগতীয়াকৈ পইচা আনিব পাৰিনে? তদুপৰি কি ঠিক; ডাঙৰ মানুহৰ কথা। কোন মুহুৰ্ত্তত কাৰ ওপৰত খং উঠি কাক বেয়াকৈ কয় তাৰ ঠিকনা নাই। মুঠতে জানকীয়ে লঘোনে থাকিল ৰাতিটো।

লঘোনীয়া পেটেৰে দুঘণ্টামান ধান বনাৰ পিছত জানকীয়ে আৰু নোৱাৰিলে। ঢেকীঘৰৰ পৰা ওলাই আহি মিচেচ বৰুৱাক কলে—"বৰ ভোক লাগিছে কইনা। কিবা এটা নাখালে নোৱাৰিম আৰু।"

"যোৱা নিশা একো খোৱা নাই বোধহয় ?" মিচেচ বৰুৱাৰ প্ৰশ্নত জানকীয়ে এটা মিচিকিয়া হাঁহি মাৰিলে। হাঁহোতে জানকীৰ চাধা আৰু তামোলৰ ৰং লাগি ক'লা পৰা দাঁত দুপাৰি ওলাই পৰিল।

কিবা খাবলৈ ইচ্ছা কৰাত মিচেচ বৰুৱা বিপদত পৰিল; কাৰণ জানকীক দিবলৈ এতিয়া একোৱেই নাই। "গৰুক দিবলৈ যোৱা কালিৰ পঁইতা ভাত একাঁহি আছে"—ৰান্ধনি ল'ৰাটোৰ চিঞৰ শুনি জানকীয়ে কলে—"হওঁক দে কইনা। গৰুৱে খালেও খোৱা আমি খালেও খোৱা। গৰু আৰু আমাৰ মাজত কিবা তফাৎ আছেনে ?"

"কিন্তু কিহেৰে খাবা ?"

"হয় নেকি ? ৰহ তেন্তে।"

এইবুলি জানকী বৰুৱাৰ বিৰাট বাৰীখনৰ পিচফালে বহু দূৰলৈ লৰ মাৰিলে। কেইটামান গোন্ধ চানাৰ থোৰ আনি জলকীয়া আৰু নহৰুৰে বটি ললে। সেই বটাৰে মাক-পুতেকে একেখন কাঁহিতে এসোপামান পানী ঢালি লৈ হোৰোত্ হোৰোত্ কৈ খাই উঠিল। এটা দীঘল উগাৰ মাৰিলে জানকীয়ে। ভাত কেইটাৰ দৰে গা-জুৰ কৰিব পৰা কিবা বস্তু আছেনে এই পৃথিবীত ? আত্মতৃপ্তিত নিজকে নিজে কৈ তামোল এখন চাধাপাতসহ মুখত গুজি দি মেখেলাখন টানকৈ বুকুত বান্ধি পুনৰ ধান বনাত লাগিল জানকী।

এইকণ মৰম দেখুৱায মিচেচ বৰুৱাই।

কিছু সময় মৌনতা অৱলম্বন কৰি মিচেচ বৰুৱাই প্ৰত্যুত্তৰত কলে— মানুহজনীৰ কাম ভাল কাৰণেহে এইকণ মৰম দেখুৱাওঁ।

"তেন্তে আজি আকৌ জানকীক কিয় নলগা হৈছে ? তোমাৰ কথা বুজিবই নোৱাৰো বঞ্জনা।"

"মানুহজনী ইমান ইৰ্‌ৰেগুলাৰ আৰু……

"আৰু কি ?"

"মইহে জানো জানকীৰ ল'ৰাৰ পিচে পিচে নজৰ দিওঁতে

মোৰ কিমান কষ্ট হয়।”

“বেলেগ মানুহ এজনী চাম ব'বা। কাইলৈ জানকী আহিলে ভবিষ্যতে তাইক আহিবলৈ মানা কৰিবা।”

অসহ্য বেদনাৰ বোজা মিচেচ বৰুৱাৰ মূৰৰ পৰা হঠাৎ যেন খহি পৰিল। মিচেচ বৰুৱাই শান্তিৰে উশাহ ললে।

“এইবাৰ কিন্তু কেচুৱা বা ল'ৰা ছোৱালী নোহোৱা মানুহ এজনী চাবা। থাকিলেও যাতে লগত নানে।”

মিচেচ বৰুৱা অজয় বৰুৱাৰ ওচৰলৈ আহি বিছনাত বহিল। বৰুৱাৰ চুলিত লাগি থকা কাগজৰ অকণমান টুকুৰাটো সোহাতখনেৰে পেলাই দি কলে—“আৰু একাপ কফি খাবা নেকি?”

“আনা।”

এইবুলি অজয় বৰুৱাই মিচেচ বৰুৱাৰ পাঁজি সেৰীয়া আঙুলি কেইটা খামোচ মাৰি ধৰি মিচেচ বৰুৱাৰ সুপ্ৰস্থ কপালখনত তেওঁৰ ওঁঠ জুৰি মৃদুভাৱে স্থাপন কৰিলে।

“চাওঁ। এৰি দিয়া। বয়স হৈ আহিছে যিমানে সিমানে মানুহজনৰ লাজ নোহোৱা হৈ আহিছে।”

মিচেচ বৰুৱাই অলপ আতৰি গৈ কলে— ফেনখনৰ স্পিড্‌টো ইমান বেছিকৈ দিছা কিয়? এনেয়ে তোমাৰ চদি লাগি আছে। মিচেচ বৰুৱাই স্পিড্‌টো কমাই দি ৰান্ধনি ঘৰলৈ খোজ দিলে।

মিচেচ বৰুৱাৰ দীৰ্ঘকায়ী নিটোল দেহাবয়বৰ পৃষ্ঠভাগ লক্ষ্য কৰি বৰুৱাই এটা কথা উপলব্ধি কৰিলে যে ৰঞ্জনা এতিয়াও বিয়া দিব পৰা যুৱতী হৈ আছে। বিয়া হবৰ আজি দহবছৰ হ'ল; বিয়াৰ সময়ত ৰঞ্জনা অলপ ক্ষীণ আছিল; এতিয়া কিছু শকত হোৱাত ৰঞ্জনাক আগতকৈ বেচি ধুনীয়া লগা হৈছে। মাংসল হৈ পৰাত ৰঞ্জনা আকৰ্ষণীয়ও হৈ পৰিছে। ৰঞ্জনাৰ মাখন ৰঙীন গলধনৰ ওপৰত পৰি থকা চেম্পু কৰা কিচ্‌কিচিয়া ক'লা অকণ অকণ চুলি কেইডালৰ ওপৰত নজৰ পৰাত বৰুৱাই এটা ৰোমাঞ্চ অনুভৱ

কৰিলে।

শেতিয়া ঋত্তি ন-মান বাজিল। বকৰাই কৰি কাগত পুনৰ দুটামান পোহা মাৰিছে। এনেতে গাওঁবুঢ়াৰ লগতে দুজনমান মানুহ আহি বকৰাৰ বাৰান্দাত হাজিৰ। পেটে পেটে বকৰাৰ বৰ খং উঠিল। সময় নাই অসময় নাই যেতিয়াই তেতিয়াই এই মানুহ-বোৰে জুলুম কৰে।

চকীখনত বহি লৈ বকৰাই গাওঁবুঢ়াক প্ৰশ্ন কৰিলে— এই ৰাতিখন কিয় আহিলা ?

"হেৰি নহয় অজয় বোপা ! জানকী মৰিল।"

বকৰা দম্পতী আচৰিত হৈ গাওঁবুঢ়াৰ ফালে চাই একেমুখে প্ৰশ্ন কৰিলে— "জানকী মৰিল ?"

"হয় মৰিল।"

"প্ৰাজি। অলপ আগতে।"

"আজি ৰাতিপুৱাৰ পৰা কেৱল চাউল ধোৱা পানীৰ নিচিনা পাইখানা আৰু বমি। দিনটোত কিমানবাৰ হৈছে তাৰ হিচাপ নাই। ডাক্তৰ আনিবলৈও আমাৰ কাৰো হাতত পইচা নাছিল। তথাপিতো কিবাকৈ দহ টকামান যোগাৰ কৰি পাচ মাইল খোজকাঢ়ি ডাক্তৰৰ ওচৰলৈ যোৱা হ'ল। তাইৰ কপাল বেয়া ; ডাক্তৰকো লগ নাপালে সকলোৱে ঈশ্বৰক খাটিছিল জানকী ভাল হওঁক। কিন্তু তাই নাবাচিল।"

"নহয় অ গাওঁবুঢ়া। মৰতীয়ে ক'ৰবাত কিবা বেয়া বস্তু খালে। খাবলৈ পালে তাই গোগ্ৰাসে খাইছিল নহয়।" গাওঁবুঢ়াৰ লগত অহা এজনে মন্তব্য কৰিলে।

অজয় বকৰাই যেন ইমান পৰে কোনো এটা কথা কোৱাৰ সুবিধা বিচাৰি আছিল এনে এটা ভংগীৰে উপদেশৰ সুৰত কলে— কৈছোঁ নহয় ; এইবোৰ তোমালোকৰ দোষ ঃ দৰিদ্ৰ হ'লা বুলি য'তে কি পোৱা তাকে খাবা নেকি ? আমাৰ ঘৰতো তাইক আমি যি খাওঁ তাকে খাবলৈ দিছিলো। শাস্ত্ৰত এবাৰ কথা আছে—

খোলো জাপি জল খাটি খাবা।

"পেটৰ ভোকত আমাৰ জাগি শোৱা হয় অজয় বোপা। বাচিছে খোৱা নহয়।" গাওঁবুঢ়াই কথাষাৰ কৈ এটা হুমুনিয়াহ এৰিলে।

পৰিবেশটো গহীন হৈ পৰিল। কিছু সময় মৌনতা বিৰাজ কৰিলে। অজয় বৰুৱা অস্থিৰ হৈ পৰিল। যা বুলিও ক'ব নোৱাৰি বহু বুলিও কব নোৱাৰি। বেমাৰ হৈছে; চাউল নাই গতিকে মৰিল। তাকে আকৌ কি পেঘেনিয়াই পেঘেনিয়াই কৈ থাকিব লাগে। ভাৰতীয় মানুহৰ সময় খোলা বস্তুৰ অলপো জ্ঞান নাই। তাতে অসমীয়াবোৰ? অসমীয়াবোৰে ধন ঘটিবও নাজানে খাই লৈ থাকিবও নাজানে। গোদৰ পচলা! বৰুৱাৰ মুখমণ্ডলত এটা বিৰক্তিৰ ভাব ফুটি উঠিল।

নিস্তব্ধতা ভংগ কৰি গাওঁবুঢ়াই অজয় বৰুৱাক অনুৰোধ কৰিলে "হেৰি নহয় অজয় বোপা! তুমি আমাৰ একেবাৰে এবাৰ নোৱাৰা ভাগী হোৱা। এবাৰ যাবা নেকি তাইৰ ঘৰলৈ? বাইজে সুখ পাব। ধনে ধানে দিছে ঈশ্বৰে তোমাক। এনে কামত যাব লাগে। ভাৰত আকৌ তোমাক সকতে জানকীৰ গিৰিয়েকে খোকো-চাত লৈ ফুৰিছিল।

"বাইজক কবা যে জানকীৰ মৃত্যুত মই দুখ পাইছো। মই এতিয়াই অফিচৰ পৰা আহিছো। যাজনি ল'ৰাটোক পঠিয়াম খোৱা। সি শ্মশানলৈ যাব পাৰিব।

গাওঁবুঢ়াই তে আচল কথাটোকে বৰুৱাই আগত কৰলৈ কহবাৰ চেষ্টা কৰিও কব পৰা নাই। এজনে গাওঁবুঢ়াক খুচিও দিলে। সিপিনে মৰাশ চোতালত পৰি আছে। জ'নোচা দিদিও বুলি কয় তেতিয়া হলে কব লাজ লাগিব।

"হেৰি নহয় বোপা! পাৰিলে আমাক অলপ সহায় কৰা। নহলে তাইক সংকাৰ কৰা পইচাখিনিও আমাৰ হাতত নাই।"

"বঞ্জনা, বঞ্জনা !" অজয় বৰুৱাৰ মাতটো অস্বাভাৱিক ধৰণে কৰ্কশ হৈ ওলাল। বঞ্জনা বৰুৱা বাৰাণ্ডালৈ আহিল।

"টকা বিশটা দিয়াচোন গাওঁবুঢ়াক।"

গাওঁবুঢ়াইত উঠি যোৱাৰ পিচতো অজয় বৰুৱা বাৰাণ্ডাতে চকীখনত মৌন হৈ বহি থকা কাৰণে মিচেচ বৰুৱা ওচৰলৈ আহিল "কি হ'ল তোমাৰ ? চুপ মাৰি বহি আছা দেখোন ?"

"ভাবিছো এই খেলাখনৰ পৰা কেতিয়া মুক্তি পাওঁ। বৰ অস্বস্তি লাগিছে।"

খুলি নকলেও মিচেচ বৰুৱাই বুজিলে বৰুৱাই কোনখন খেলাৰ কথা কৈছে। মিচেচ বৰুৱাই কোনো প্ৰশ্ন নকৰিলে।

"কোনোবা মৰিল তাৰ সকাম খেদাব লাগে, কাৰোবাৰ বেমাৰ হৈছে ঔষধ কিনিব লাগে, কাৰোবাৰ বিয়া পাতিব লাগিব, কাৰোবাৰ হালৰ গৰু কিনিব লাগে, কাৰোবাৰ ল'ৰা কলেজত পঢ়াব লাগে, কাৰোবাৰ ঘৈণীয়েকৰ প্ৰসৱ হোৱা নাই ডাক্তৰ আনিব লাগে—সকলো সময়তে দৌৰি আহিব বৰুৱাৰ ওচৰলৈ। অজয় বৰুৱা অক্ষয় ভাণ্ডাৰ নেকি ? অথচ তাৰ বিনিময়ত কিবা বিচাৰিলে মুখ ক'লা পৰে। মোৰে মাটিত আধি খাই, মৰগীয়াকৈ খেতি কৰি মোৰ পৰা টকা ধাৰলৈ নি এই মানুহৰ নিচিনা প্ৰাণীবোৰ জীয়াই আছে। ইহঁতে আকৌ মোৰ বিৰুদ্ধে ষড়যন্ত্ৰ কৰি মাটিৰ আধিয়া নিদিবলৈ পাং পাতিছে। চিনি পোৱা নাই অজয় বৰুৱাক। গোটেই জাককে জেলত ভৰাই থব পাৰো।"

মিচেচ বৰুৱাই বুজিলে এতিয়াই বৰুৱাৰ প্ৰেচাৰ বাঢ়ি যাব। এনে ঘটনা আগতেও হৈছে।

"ৰ'বা ! ইমান ইমোচনেল হৈছা কিয় ?"

"দেখিছা নে নাই ? ইহঁতে মোকো জানকীৰ ঘৰলৈ মাতিবলৈ সাহস কৰে।"

অজয় বৰুৱাই দাঁত কৰচি হাতৰ মুঠিৰে চকীখনৰ হাতত খুব

জোৰেৰে আঘাট কৰিলে। বকৰাৰ কপালত ঘামৰ টোপাল বিৰিঙি উঠিল। মিচেচ বকৰাই দেখিলে—কথা বিষম। তেওঁ ততালিকে বকৰাক হাতত ধৰি ঘৰৰ ভিতৰলৈ লৈ গল। বকৰাক বিছনাত শুৱাই দি ফেনখন লগাই দিলে। মিচেচ বকৰাই বকৰাৰ কপালত ল'হে লাহে পিহি দিবলৈ ধৰিলে।

মিচেচ বকৰাৰ ভিতৰত এটা দ্বন্দ্ব আৰম্ভ হ'ল। অন্ততঃ আৰু আধাঘণ্টামান পিচত যদি খবৰ পালেহেঁতেন। মানুহবিলাকৰো এটা বিচাৰ বুদ্ধি থকা উচিত। খাই বৈ উঠিছে নে নাই অন্ততঃ এই সম্ভেদটো লৈয়ো জানকীৰ মৃত্যুৰ বাতৰি দিব পাৰিলেহেঁতেন। ভাগী বংশৰ মানুহ। বয়সত ডাঙৰ। গতিকে এতিয়া আৰু মাছ-মাংসৰ ভোজন গৰ্হিত কাম। অন্ততঃ মানুহৰ মাজত প্ৰচাৰ হলে বৰ লাজ লগা কথা হব। মিচেচ বকৰাই শেষত মাছৰ আঞ্জা তৰকাৰী ওচৰৰে অভাগী ঘৰক দিবলৈ সিদ্ধান্ত ললে। কথাটো বকৰাৰো কাণ চোৱাই থম বুলি ভাবি লাহেকৈ ক'লে।

"হেৰি হ'ল নহয়। খবৰটো জনাৰ পিচত এতিয়াতো ভাত খাব নোৱাৰি। তাতে আকৌ মাছৰ আঞ্জা তৰকাৰী একেবাৰে নিষিদ্ধ। তেজৰ সম্পৰ্ক নথকা হলে কথা বেলেগ আছিল।"

শুই থকা বকৰা হঠাতে উঠি বহিল।

"এনে কথা নকবা ৰঞ্জনা। আমি কি খাওঁ কি নাখাওঁ কোনে জানিব। জাহান্নামে যাওঁক তোমাৰ তেজৰ সম্পৰ্ক।"

"কিন্তু কথাটো গোপন হৈ থাকিব জানো? জানিলে মানুহে কি বুলিব? এখন সমাজত থাকিলে তাৰ নিয়ম-নীতি ...।"

"চুপ থাকা ৰঞ্জনা। নীতিশিক্ষা দিব নাহিবা। আৰু তুমি যে বাৰে বাৰে সমাজ সমাজ কৰি আছা—এইখন কাৰ সমাজ? তুমি জানা এক কিলোগ্ৰাম ৰৌমাছৰ দাম কিমান?"

বকৰাৰ অতি কক্ষ কথাকেইষাৰত ৰঞ্জনা বকৰা চুপ হৈ ৰহিল।

অজয় বৰুৱাই অনুভৱ কৰিলে যেন লাহে লাহে তেওঁ এই বিশাল সমুদ্ৰত অকলশৰীয়া হৈ পৰিছে। তেওঁৰ যেন কোনো সংগী নাই। বৰুৱাৰ ভাব হ'ল তেওঁৰ সমাজখনৰ পৰিসৰ যেন লাহে লাহে টুটি আহিবলৈ ধৰিছে।

অজয় বৰুৱা অন্তৰ বেদনাত ম্ৰিয়মান হৈ পৰিল। চকু দুটা মুদি একো কথা নাভাবিবলৈ চেষ্টা কৰিলে অজয় বৰুৱাই।

বাইদেউ

১৯৮৩ চনৰ ফেব্ৰুৱাৰী মাহ। অসমৰ ওপৰেদি এচাটি ধুমুহা বতাহ বৈছে।

হাড় কপোৱা ঠাণ্ডাত কল্পম আৰু পংকজে নৈখন পাৰ হৈ বিৰাট উদং পথাৰখনত ভৰি দিলে। ঘোপমৰা আন্ধাৰত জোনাকী পৰুৱাৰ স্পন্দিত পোহৰত জকমকাই আছে সমগ্ৰ পথাৰখন। দুয়ো খুব সাৱধানে কাণ ঠিয়কৈ কোবাকুবিকৈ খোজ দিলে। কৰবাত খিৰিককৈ শব্দ এটা হ'ল। কল্পমে আত্মৰক্ষাৰ বাবে লৈ ফুৰোৱা হাতখন ভেশাৰখনত টানকৈ মুঠি মাৰিলে।

হঠাতে শিয়াল এটা গাৰ কাষেদি পাৰ হৈ গ'ল। এটা ভেকেটা মাংসৰ পচা গোন্ধ সিহঁতৰ নাকত লাগিলহি। কেই-খোজমান গৈয়ে পংকজ বৈ গ'ল। এটা মানুহৰ কংকাল দাঁত নিকটাই ওপৰমুৱাকৈ পৰি আছে। সিহঁতে অনুমান কৰিলে শিয়ালটোৱে কংকালটোৰ অ'ত ত'ত লাগি থকা মাংসবোৰ কামু-ৰিছিল। ভালকৈ জুমি চালে সিহঁতে। দীঘল চুলিৰ ছিন্ন ভিন্ন কোচাবোৰ দেখি সিহঁতে অনুমান কৰিলে কংকালটো মাইকী মানুহৰ। দুয়ো কিছুসময় কি ভাবিলে; তাৰ পিছত দুয়ো খোজ ললে। মুখখন গামোচাৰে ঢাকি লৈ পংকজে কলে—

'কল্পম।'

'কি ?'

'মানুহৰ মাংস খোৱাইঁতে কাবোবাক শেষ কৰিলে।' 'তই কেনেকৈ

জানিছি ? ‘কিয় তই অনুমান কৰা নাই ওচৰত যে কতো কৰ্বৰ নাই ।’

ৰুস্তমে মনৰ কোনোবাখিনিত এটা ডাঙৰ আঁচোৰ লগা যেন পালে । কোন হব পাৰে এইজনী । সি সেইখন গাঁৱৰে মানুহ । হিন্দু মুছলমান সকলোকে চিনি পায় । কাৰো মুখ তাৰ মনলৈ নাহিল ।

দুয়োজনে ৰাস্তাৰ গতি সলনি কৰি সোফালে পাক লৈ পংকজৰ ভিনিদেৱেকৰ বাৰীৰ বাঁহনি ডৰাৰ মাজত সোমাই পৰিল ।

(২)

জেৰিণাক এৰি যোৱা দিনাখনৰ জেৰিণাৰ মুখখন মনত পৰিল ৰুস্তমৰ । দিনটো ৰুস্তমৰ মনত নাই । আজি পোন্ধৰ দিন হল । ভয়তে পেপুৰা লগা ৰক্তহীন বগা মুখখন মনত পৰাত ৰুস্তম আবেগ বিহ্বল হৈ পৰিল । জেৰিণাৰ তেতিয়াও ৰক্তস্রাৱ বন্ধ হোৱা নাই । কেচুৱাটো জন্ম হোৱাৰ সময়ত জৰায়ুৰ ভিতৰৰ কিবা হেনো লৰচৰ হৈছে । ডাক্তৰ আনিম বুলি সিদিনাখনে ৰুস্তমে ওচৰৰে মনোজ ডাক্তৰৰ ঘৰলৈ গৈছিল । ডাক্তৰৰ চেম্বাৰৰ ভিতৰত এসোপা মানুহৰ সমাগম দেখি ৰুস্তমে চোতালত ঠিয় দি ডাক্তৰলৈ অপেক্ষা কৰোতে ডাক্তৰ নিজে ওলাই আহিল । ৰুস্তমৰ দাড়ি কোচা আৰু ফটা লুঙীখনলৈ লক্ষ্য কৰি ৰুস্তমলৈ চাওঁতে ৰুস্তমে দেখিলে ডাক্তৰৰ চকুহাল কপালত । ডাক্তৰৰ চকুহালেদি জুই ওলাই আঁহি ৰুস্তমক যেন নিঃশেষ কৰিবলৈ খেদি আহিছে ।

‘কি লাগে ইয়াত ?’ ডাক্তৰৰ দুটা মাতত ৰুস্তমে শংকা আৰু দ্বিধাৰে ক’লে—‘ডাক্তৰ বাবু ! মোৰ বিবিৰ অসুখ হৈছে ।

'তোৰ বিবিৰ অসুখ চাবৰ কাৰণে অসমৰ ডাক্তৰে ডাক্তৰি পঢ়া নাই ।'

ডাক্তৰৰ ধমকনিত কস্তমে সেমেনা সেমেনি কৰি ঘৰলৈ উভতিব খোজোতেই ইতিমধ্যে কস্তমক চক্ৰাকাৰে আগুৰি ধৰা মানুহ-জাকে কস্তমক আগচি ধৰিলে । কস্তমে প্ৰত্যেকজনৰে মুখলৈ চালে যেন একো একো জন দানব । তাৰ বুকুখন টিপটিপাবলৈ ধৰিলে । মানুহবোৰে দেখোন আগতে কস্তমক দেখিলেই মাত দিছিল, 'কি ভাইজান ! এইবাৰ মৰাপাট কেনে হৈছে ? মোক এমুঠা দিবাচোন । কস্তমে কোনো দ্বিধা নকৰাকৈয়ে এমুঠি কিয় দুমুঠা দি দিছিল । মানুহৰ চোতালত বহি খোলাত ভজা পিঠা খাই বিড়ি হুপিছিল । গাঁৱৰ প্ৰায় পৰিয়ালেই কস্তমৰ মৈমন-ছিঙীয়া জলকীয়া খাই তাৰ ওপৰত কৃতজ্ঞতা স্বীকাৰ কৰিছিল । মৰমতে বহুতে তাক বিহুৰ গামোচাও দিছিল ।

কিন্তু আজি এই মানুহবোৰেই দেখোন কস্তমক আগুৰি ধৰিলে। কঁপা কঁপা মাতেৰে কস্তমে কলে মোক যাবলৈ দিয়া কাহিৰাম ভাই । কিন্তু কস্তমৰ অনুৰোধ কাৰো কাণত নোসোমাল । তাৰ পৰিবৰ্ত্তে কস্তমৰ মূৰত টাঙোনৰ কোব পৰিল । কস্তমে প্ৰাণপণে দৌৰ মাৰি পলাল ।

ঘৰৰ দুৱাৰ মুখত মূৰৰ পৰা তেজ ওলোৱা ঠাই ডোখৰত হাতেৰে হেঁচা মাৰি ধৰি ঘটনাটো ভাবিবলৈ যত্ন কৰিলে । তাৰ কেৱল এটা কথাই বাৰে বাৰে মনলৈ আহিল—চালা মিঞা অসমত খাবলৈ আহিছ ।

কস্তম গৈ যেতিয়া জেৰিণাৰ ওচৰত ঠিয় দিলে তেতিয়া সি দেখিলে জেৰিণা পেটৰ বিষত চট্‌ফটাই আছে । কস্তমৰ দুগালেদি তেজৰ সোঁত বৈ যোৱা দেখি জেৰিণা কস্তমৰ ওচৰত নিৰ্বাক হৈ ঠিয় দিলে । কস্তমে জেৰিণাৰ চলচলীয়া চকুহাললৈ লক্ষ্য কৰি কলে ।

'নাহ্মৰিৰি। কাহিৰাম কাইহঁতে মোক মাৰিছে।'

'কাহিৰাম কাইহঁতে মাৰিছে?' জেৰিণা আচৰিত হৈ ক'লে— 'কিয় কিয়?'

'সেইবোৰ পিচত জানিবি। আগতে কেইটামান জাৰ্মানি বনৰ পাত আনচোন।'

কোলাৰ কেচুৱাক খেৰৰ ভুলিটোত থৈ জেৰিণাই কস্তমৰ হাত-খন বুকুত সাৱটি ধৰি কস্তমক অনুৰোধ কৰিলে—

'তুমি এইবোৰ এৰি পেলোৱা। এই কাৰণেহে মাৰ খালা। আজি ইমানদিনে হিন্দু-মুছলমান একেলগে থাকিলো কোনোদিনেতো এনেকুৱা হোৱা নাছিল।'

'কোনবোৰৰ কথা কৈছ তই?' 'মানে পংকজৰ লগত, তাৰ ভিনদেশেকৰ লগত ঘুৰা মেলা—এইবোৰ। তকদিৰত নাথাকিলে মানুহৰ অৱস্থা ভাল কৰিব পাৰিবা জানো? 'তই একো বুজা নাই জেৰিণা। সিহঁতৰ লগত নুঘুৰিলেও মাৰ খাব লাগিব। হাতত নিৰ পৰা বস্তু কি কি আছে গোটাই ল। আমি এতিয়াই পলাব লাগিব ইয়াৰ পৰা। আজি ৰাতিয়েই সিহঁতে আক্ৰমণ কৰাৰ কথা। কৰিম দাদাহঁতকো খবৰ দিব লাগিব।'

ইমানদিনে দেখি অহা মানুহবোৰ তেনেহলে হঠাৎ ৰূপান্তৰ হল নেকি? আচলতে কাহিৰাম কাইহঁতে কথাখিনিক নুবুজি মতিভ্ৰম হৈ জেৰিণাহঁতকো আক্ৰমণ কৰিবলৈ সাজু হৈছে। কথা-খিনি জেৰিণাই বুজি লবলৈ চেষ্টা কৰিলে। কস্তমৰ মূৰত জাৰ্মানি বনৰ ৰস চেপি দি কস্তমক কলে—

: কিন্তু মোৰ এনে অৱস্থাৰে যাম কেনেকৈ? আজৰাটিতে কৰবাত এখি থাকিম। এই পেটৰ বিষে মোক সিপাৰ কৰিব।

: এতিয়া দুৰ্বল হলে নচলিব জেৰিণা।

: কথাষাৰ কস্তমে জেৰিণাক কলে যদিও কস্তমে নিজে দুৰ্বলতা অনুভৱ কৰিলে। আগতে কস্তমে বাঘ, ঘোং আদিৰ আগতো

মুখামুখি হবলৈ ভয় নকৰিছিল। এতিয়া কিন্তু কস্তমে মানুহকহে ভয় কৰে বেচি ; সিও চিনাকী মানুহক। চিনাকী মানুহ দেখিলেই কস্তমৰ ভাব হয় যেন সিহঁতে তাক মাৰিবলৈ খেদি আহিছে।

সেইদিনা গধূলিয়েই কস্তমে জেৰিণা আৰু সিহঁতৰ একমাত্ৰ সন্তানক পংকজৰ ডিনদেৱেকৰ ঘৰত থৈ পলাইছিল।

যোৱাৰ সময়ত জেৰিণাৰ কপালত চুমা এটা খাই কস্তমে জেৰিণাক বুজাইছিল—বাইদেউ ভিনদেউ থাকোতে ভয় নকৰিবি বুজিছ। বাইদেউ-ভিনিদেউৰ মনুষ্যত্বৰ তুলনাত আমাৰ মৃত্যু অতি নগন্য।

জেৰিণাৰ চকুহালেদি সৰ্ সৰ কৈ চকুপানী বৈ আহিছিল। বাওঁহাতেৰে তলপেটটোত খামোচ মাৰি ধৰি কেকাই কেকাই জেৰিণাই কস্তমক অনুৰোধ কৰিছিল।

“পাৰিলে এবাৰ সোনকালে আহি যাবা। আমাৰ ওচৰত ভৰসা ৰাখিবা।”

(৩)

কেবাদিনো কস্তমে আহিবলৈ চেষ্টা কৰিছে ; কিন্তু পৰিবেশৰ হেচাত পৰি সি আহিব পৰা নাছিল। সময়ৰ প্ৰতিটো মুহূৰ্ত্তই যেন লৈ ফুৰিছে অবিশ্বাসৰ ক্ৰূৰতা আৰু লৈ ফুৰিছে যেন মানুহৰ তেজৰ পিপাসা। এনে পৰিবেশত পৰি কস্তমে আজি পোন্ধৰ দিনে জেৰিণাৰ ওচৰলৈ আহিব পৰা নাছিল।

কস্তম আৰু পংকজ চুপি চুপি চোতালত ভৰি দিলে। মিচ্চ মিচ্চ অন্ধকাৰত সিহঁতে অনুমান কৰি ঘৰৰ কাষত ভৰি দি বাঁহৰ দুৱাৰখনত টোকৰ মাৰিলে। কোনোবাই অনুসৰণ কৰিছে নেকি

কস্তমে এবাৰ আন্ধাৰতে অনুসন্ধিৎসু দৃষ্টিৰে উমান ললে। সকমাজেক পংকজ বাইদেৱক মাতিলে—

'বাইদেউ, অ বাইদেউ।' ইতিমধ্যে বাইদেৱে হাতত আধা কলা পৰা চিমনিৰ লেম্পটো লৈ দুৱাৰৰ ওচৰলৈ 'আহি নিৰ্ভীক আৰু সবল কণ্ঠেৰে প্ৰশ্ন কৰিলে।

: কোন আহিছ ?

: আমি বাইদেউ। মই, পংকজ আৰু কস্তম।

লাহেকৈ বাঁহৰ দুৱাৰখন কেৰেককৈ খুলি বাইদেউ থাহিথলে আহিল।

তইঁত আহিছ ? আহ, ভিতৰলৈ আহ।

এইবুলি বাইদেৱে ভঙা কেৰাহীটোত কেইডালমান খৰি জাপি দি দুটামান ফু মাৰিলে। জুইকুৰা জ্বলি উঠাত বাইদেউৰ উদাসীন মুখমণ্ডল আৰু চকুৰ তলৰ কলা দাগ কেইটা পংকজে লক্ষ্য কৰিলে। এই কেইদিনতে বাইদেউৰ চেহেৰা শুকাই আধা যেন হৈছে। কস্তমে কেৰাহীটোৰ জুইকুৰা বুকুৰ মাজত সুমুৱাই ললে। বহু সময়ৰ নিস্তব্ধতা ভংগ কৰি বাইদেৱে কলে—'তইঁত কিয় আহিলি ? আহিছ, আহিছ; অতি সোনকালে যা।'

বাইদেউৰ মাতত বেদনা জৰ্জৰিত দুৰ্বলতা পংকজে অনুমান কৰিলে। কস্তমে বাইদেউৰ মুখলৈ ৰ লাগি চালে। সি অনুমান কৰিলে কিবা এটা অঘটন ঘটিছে ইতিমধ্যে। বাইদেউৰ মুখ মণ্ডলত ভীতি বিহ্বলতা আৰু এক কৰুণ বেদনা ফুটি উঠিল পংকজে হৃদয়ত এটা আঘাত অনুভৱ কৰিলে। পংকজ আৰু কস্তমে দুয়ো দুয়োৰো মুখলৈ চালে। সিহঁতে কোনো প্ৰশ্ন কৰাৰ আগতে বাইদেৱে কৈবলৈ আৰম্ভ কৰিলে।

'ভিনদেৱৰাক সিহঁতে মাৰিলে পংকজ; জেকিণাক আজিও বিচাৰি পোৱা নাই'। সিহঁতৰ কেছুৱাকো সিহঁতে

বাইদেউৰ মাত হঠাতে বন্ধ হৈ পৰিল। কথাৰ পৰিবৰ্তে

বাইদেউৰ চকুৰেদি অবধাৰিত অশ্ৰুধাৰা নামি আহিল ।

ঃ কি ? সিহঁতে মাৰিলে ? পংকজ আৰু কতমে একেলগে চিঞৰি উঠিল । হুকহুকাই কান্দি উঠিল বাইদেউ ।

সিদিনা আছিল ৰবিবাৰ । কেইদিন মানৰ পিছত সাধাৰণ নিৰ্বাচন । গধূলি ভিনদেৱে পথাৰৰ পৰা গৰু ছাগলীকেইটা আনি ভৰি হাত ধুই জেৰিণাৰ কেচুৱাটোৰ খবৰ ললে । জুইকুৰাত হাত দুখন সেকি সেকি বাইদেউক উপদেশ দিলে ।

'হেৰি, নহয় যামিনীৰ মাক ?'

'কি ?'

বাইদেৱে হাতত চুঙাপিঠাৰ বাটিটো লৈ বাওঁহাতৰ পাৰ্মীৰ গিলাচটো জুইৰ কেৰাহীৰ ওচৰত থৈ উত্তৰ দিলে ।

'কিবা কব খুজিছে ?'

'অ । হেকি কৰিবি । বৰা চাউলৰ দুটামান পিঠা নকটাকৈ ৰাখিৰি । কালিলৈ লাগিব । কালি জেৰিণাহঁতৰ আলু, ফুলকবি, বন্ধাকবিবোৰ উঠাই আনিব লাগিব । দধিক মাত্ৰিছো সহায় কৰিঃ বলৈ । দস্যুইতে সিহঁতৰ ঘৰ-বাৰীডো পুৰিলেই, এতিয়া শস্যপথাৰো লণ্ডভণ্ড কৰিবলৈ লৈছে । আৰু এটা কথা; জেৰিণাক বাহিৰলৈ ওলাব নিদিবি । কি ঠিক, মানুহ পশুতকৈও অধম হৈছে ।

বাহৰ তমাল কেইপাত ঠিক কৰি থৈ ভিনিদেৱে পিঠাৰ বাটিটো হাতত ললে ।

'দুপ্ৰৰীয়া মদন মাষ্টৰে আপোনাক বিচাৰি আহিছিল ।'

'কুকুৰৰ পোৱালীয়ে মোক বিচাৰি আহিছিল । গোটেই অঞ্চলটোত জুই জলালে ইহঁতে । তাৰমানে মই ঘৰত আছো নে তাকে উমান লবলৈ আহিছিল । জীৱন গ'লেও আদৰ্শ বাদ দিম বুলি ভাবিছে নেকি ? দধিৰৰ হকে দুআধাৰ কলেই বেটাহঁতৰ জীৱ উৰি যায় । মানুহক মানুহৰ দৰে জ্ঞান কৰিবলৈ শিকিলেই বেটাহঁতৰ অসহ্য লাগে ।

'ৰৰচোন। ইমানকৈ নিচিঞৰিব। আপোনাক নাপাই মোকে ধমক দি গৈছে।'

'কি ধমক দিছে ?'

'বোলে—বিদেশীক ঘৰত আশ্ৰয় দিয়া বিচাৰ অতি সোনকালে হব। আৰু ভোট দিবলৈ গলে কথা বেয়া হব।'

'ভবিষ্যতে মই নথকাত যদি সি কেতিয়াবা আহে তাক সুধিবি সি নবদ্বীপৰ পৰা অহা কিমান বছৰ হল।'

ভিনিদেৱে আবেগপ্ৰৱণভাৱে কথাখিনি বলিষ্ঠভাৱে ক'লে। ভিনিদেৱে জানে যে মদন মাষ্টৰইত অসমলৈ অহাৰ পঞ্চাশ বছৰো হোৱা নাই। এটা ঘটি আৰু গাত এভাল লগুণৰ বাহিৰে তাৰ লগত কোনো বস্তুৱেই নাছিল। আজি মদন মাষ্টৰৰ হাউলীত সোমাবলৈ ভয় লাগে।

চুঙাপিঠা টুকুৰাত কামোৰ মাৰিছিল মাত্ৰ এনেতে ভিনিদেৱৰ সমুখত অগণন জনতা। দেশপ্ৰেমৰ পুণ্য কামখিনি কৰিবলৈ যেন জনতা উন্মত্ত। হাতত সকলোৰে কিবা নহয় কিবা এটা অস্ত্ৰ। জনতাৰ উল্লাসত আৰু উন্মত্ততাত সামগ্ৰিকভাৱে এনেভাৱ প্ৰকাশ হৈছে যেন অকল ভিনিদেউৰ কাৰণেহে তেওঁলোকে দেশপ্ৰেমৰ কামত আগবাঢ়িব পৰা নাই। ভিনিদেৱে যেন এই সোঁতত প্ৰতিবন্ধকতাৰ সৃষ্টি কৰিছে। গতিকে প্ৰতিবন্ধকতা আঁতৰ কৰা পুণ্য কামত সকলোৱে আনন্দ উল্লাসত জপিয়াই পৰিছে।

পিঠাৰ টুকুৰা মুখতে থাকিল। ভিনিদেৱে কোনো কথা কোৱাৰ আগতে ভিনিদেউৰ মূৰত পূৰ্ণহতীয়া কোৰ পৰিল। মূৰ কাটি ধাৰা-সাৰে তেজ ওলাবলৈ ধৰিলে। ভিনিদেউ অজ্ঞান হৈ মাটিত পৰিল। কোনোবা এজনে তাতো সন্তুষ্ট নহৈ আই মাতৃৰ নামত 'জয় আই অসম' বুলি ভিনিদেউৰ পিঠিত খুৰোৰে এটা দীঘল পূৰণ চিন দিলে।

ইতিমধ্যে উন্মত্ত ডেকা ল'ৰাৰ দল এটাই 'পাইছো পাইছো' বুলি জেৰিণাৰ চুলিত ধৰি চোচৰাই টানি আনি জাতৰ উল্লাসত

নাচিবলৈ ধৰিলে। কেইজনমানে ক'লে—হেই গৰুহঁত, চোতালৰ বাহিৰলৈ নে যা। সিহঁতৰ ভিতৰত খুজাবুজি হল। অৱশেষত জেৰিণাক তিনিদেউহঁতৰ বাৰীৰ ভিতৰলৈ লৈ গ'ল সিহঁতে। কোনোবা এজনে বাইদেউৰ কেচুৱাকে জেৰিণাৰ কেচুৱা ভাবি দুই ভৰিত ধৰি নিগনি ওলোমাই অনাদি আনি দলি মাৰি দিলে। ধান উখোৱা শিলৰ উধান এটাত থেকেচা খাই চিঞৰ এটা মাৰি কেচুৱাটো নিমাত হৈ পৰিল। কোনোবা এজনে মন্তব্য কৰিলে উচিত বিচাৰ হৈছে। সাপৰ বিষ নেজতো থাকে।

বাইদেৱে জেৰিণাৰ কেচুৱাক কোচত লৈ বিচনাৰ তলত সোমাই মৃত্যুৰ বিভীষিকা দেখিলে; বাইদেউক সাৱটি ধৰি থাকিল বাইদেউৰ ছোৱালী যামিনী।

বিচনাৰ তলৰ পৰা বাইদেউ যেতিয়া চোতাললৈ আহিল তেতিয়া বাইদেৱে দেখিলে অগণন তেজৰ খোজ। তিনিদেউৰ কাষত ভোঙা বাল্টি থকা তেজৰ পৰা আৰম্ভ কৰি খোজবোৰ ক্ৰমান্বয়ে পানীলাউৰ দৰে লাহে লাহে বাটলৈ জোঙা হৈ গৈছে। বাইদেউ লাহে লাহে সৌৱাতখন মুঠি মাৰি আক বাওঁ ভৰিখন ডাঙি হাঁহি মুখেৰে নিশ্চল হৈ পৰি থকা সন্তানৰ ওচৰলৈ গ'ল। বাইদেউৰ ভাব হ'ল যেন বাইদেউৰ সন্তানে হাঁহি হাঁহি কৈছে--মোৰ মৃত্যু হোৱা নাই মা! মোৰ জন্মহে হৈছে।

৪

বাইদেউৰ চকুৰ পৰা টপাটপ অশ্ৰু টোপাল জুইৰ ৰেখাহীত পৰিল। নাকৰ সেঙুনখিনি পেলাই দি বাইদেৱে দীৰ্ঘশ্বাস এৰি দি ক'লে—

'তহঁত আহ। তহঁতৰ পিচত আছে হাজাৰ হাজাৰ ক্ষুধাতুৰ

জনতা। কস্তমৰ কেচুৱা আছে, যামিনী আছে; মই আছো। আমাকতো সিহঁতে শেষ কৰিব পৰা নাই।'

কস্তমৰ ভিতৰত এটা তীব্ৰ ঘৃণা আৰু প্ৰতিশোধ প্ৰবণতাই মূৰ ডাঙি উঠিল। কস্তমৰ হাত-ভৰি উত্তেজনা আৰু ক্ষোভত কঁপিবলৈ ধৰিলে। তৎক্ষণাত হাতত ডেগাৰখন খামোচ মাৰি ধৰি থিয় হল কস্তম।

'মই আহো পংকজ।'

'ক'ত যাব তই?'

'তাক এতিয়াই শেষ কৰিম।'

'কোন তাক?'

'মদন মাষ্টৰক।'

এই বুলি কস্তমে দুখোজমান আগবাঢ়োঁতেই পংকজে কস্তমৰ বাউসীত খাপ মাৰি ধৰি বুজাবলৈ যত্ন কৰিলে।

'এনেকৈ নহয় কস্তম। শ্ৰেণী শত্ৰুক এনেকৈ হত্যা কৰি পৰিবৰ্তন আনিব নোৱাৰি কস্তম। মানুহৰ চকুৰ আগৰ পৰা যেতিয়াই মায়াজাল আঁতৰ কৰিব পাৰিম তেতিয়াই দেখিবি এনে মাষ্টৰৰ দৰে মানুহবোৰ প্ৰগতিশীলতাৰ গৰ্ভত বিলীন হৈ গৈছে। ইয়াৰবাবে লাগিব অপৰিসীম ধৈৰ্য্য, আত্মবিশ্বাস আৰু যুক্তিপূৰ্ণ বিচাৰ বিবেচনা। গণভিত্তি অবিহনে কোনো পৰিবৰ্ত্তন সম্ভৱ হব নোৱাৰে।'

পংকজৰ কথাত কস্তম লাহে লাহে বহি পৰিল। সি তেতিয়াহে বুজিলে যে সাময়িক উত্তেজনাত সি অস্থিৰ হৈ পৰিছিল। কপালৰ ঘামখিনি মচি কস্তমে বাইদেউক কিবা এটা সুধিবলৈ ঘোৰোতেই দেখিলে বাইদেৱে ইতিমধ্যে তাৰ কেচুৱাটো তাৰ আগত ডাঙি ধৰিছে।

বাইদেউৰ বিষন্ন মুখলগুল মাতৃত্বৰ চেনেহভৰা আত্মপ্ৰসাদত উজ্জ্বল হৈ পৰিল। কস্তমৰ চকুৰে আনন্দ অশ্ৰু নামি আহিল।

কস্তমে তাৰ সন্তানৰ পাপৰি মসৃন আঙুলিকেইটা লাৰি লাৰি বাইদেউক সুধিলে;

'ইয়াক কি খুৱাইছে বাইদেউ?'

'কিয় মোৰ গাখীৰ। তই ভাবিছ নেকি তোৰ সন্তানে মোৰ গাখীৰ নাখাব? তোৰ সন্তানে মোক তাৰ মা নহয় বুলি বুজি পাব?"

কস্তুমে বাইদেউৰ ফালে ৰ'লাগি চাই থাকিল। সি দেখিলে বাইদেউৰ মুখমণ্ডলত এক প্ৰশান্তি বিৰাজ কৰিছে। কস্তুমৰ বাইদেউক 'মা' বুলি মাতিবলৈ ইচ্ছা হ'ল। সি আবেগত চঞ্চল হৈ কিবা এটা কৰলৈ গৈও সি ৰৈ গল; এসোপা কথা তাৰ ডিঙিত সোপা মাৰি ধৰিলেহি।

হঠাতে কাষৰ ৰাস্তাত পদধ্বনি শুনিলে বাইদেউৱে। বাইদেউৱে কাণ ঠিয় কৰি সিহঁতক ফুচফুচাই কলে—

'এতিয়াই গুচি যা তহঁত।"

'কিন্তু বাইদেউ এনেকুৱা অৱস্থাত?

'কোনো কিন্তু নাই। তৎক্ষণাৎ গুচি যা।'

লগে লগে পংকজ আৰু কস্তুমে চোতালত ভৰি দিলে। বাহৰ বাৰীখন অতিক্ৰম কৰাৰ পিচত কস্তুমে পংকজক কলে—

'পংকজ! অহা বাটটোদিয়েই বল।"

'কিয়?'

'সেইটো বে'ধহয় জেৰিণা। তাই অকলে পথাৰত পৰি আছে। তাইকতো কবৰ দিব নোৱাৰিলো। তাইৰ সোণালী চুলি একোছা লৈ যাম পংকজ। সেইখিনিকে কবৰ দিম।'

কস্তুমৰ বাৰে বাৰে মনত পৰিল জেৰিণাৰ শেষ কথাষাৰ— 'পাৰা যদি সোনকালে আহিবা।'

কস্তুমে মনৰ ভিতৰত ভোৰভোৰালে—

'কিয়? নিষ্ঠুৰৰ দৰে মইতো জেৰিণাৰ শেষ কথাষাৰ মোৰ নিজৰ প্ৰাণৰ মমতাত ৰাখিব নোৱাৰিলো।'

দুয়োজনে মৌন হৈ অহা বাটটোৰেদি আগবাঢ়ি গ'ল।

ৰাতিপুৱাবলৈ তেতিয়াও বহুত সময় বাকী।